● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

■ নিশা পানী ধৰি তৈয়াৰ কৰা বৰফে শীতল কৰি ৰাখে অট্টালিকা

■ বান সমস্যা সমাধানৰ সংকল্প ক'ত? উত্তৰবিহীন প্ৰশ্ন

**দিগ্‌দৰ্শন**



কঠিন কামসমূহৰ অন্যতম হ'ল সমাজক পৰিৱৰ্তন কৰিব নোৱাৰাটো নহয়, নিজক সলনি কৰাটোহে।

নেলছন মেণ্ডেলা
*দক্ষিণ আফ্ৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি*

৭ ওড়িছাৰ উপকূলত সাগৰত ডুবিল পানামাৰ মালবাহী জাহাজ, ২২জন সন্ধানহীন


৪ 'বুলড'জাৰ' এক মানসিক ৰোগৰ নাম

১৩ দ্বিতীয় টেষ্টত দুৰ্দান্ত জয় অষ্ট্ৰেলিয়াৰ

RNI-Regd No. 62953/96 ■ একত্ৰিংশত্তম বছৰ ● ৩১৬ তম সংখ্যা ● গুৱাহাটী ● সোমবাৰ ৬ ভাদ ১৪৩৩ ভাস্কৰাব্দ ২৪ আগষ্ট ২০২৬ চন ■ DAINIK AGRADOOT ● Guwahati ● Monday 24 August 2026 মূল্য ঃ ৯.০০ টকা

■ ভয়াৱহ অৱস্থাৰ দিশে দেশ! ■ মাথোঁ ৮.২ শতাংশৰহে অৰ্হতাৰ স'তে তাল-মিল থকা চাকৰি লাভ ■ আৰ্থিক কাৰণত যোগ্যতাতকৈ কম হাৰৰ বেতনত নিয়োজিত অধিকাংশ

## দেশৰ কৰ্মহীন ৮.৭ কোটি যুৱক-যুৱতীক লৈ গভীৰ উদ্বেগৰ সৃষ্টি



■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ২৩ আগষ্ট ঃ** দেশৰ ১৪০ কোটি লোকৰ অধিকাংশই ৩৫ বছৰৰ তলৰ বুলি চৰকাৰীভাৱে কোৱা হৈছে। এনে অৱস্থাতে পোহৰলৈ আহিছে যে দেশত ১৫ৰ পৰা ২৯ বছৰ বয়সৰ ৮.৭ কোটি যুৱক-যুৱতী কোনো কাম বা অধ্যয়ন অথবা প্ৰশিক্ষণত নিয়োজিত থকা নাই। এই উদ্বেগজনক তথ্য প্ৰকাশ কৰিছে স্বয়ং নিটি আয়োগে। লক্ষ্যণীয়ভাৱে এনে বৃহৎ সংখ্যক কৰ্মক্ষম লোক কৰ্মহীন হৈ থকা অৱস্থাতে নৰেন্দ্ৰ মোদী চৰকাৰে ২০৪৭ৰ ভিতৰত বিকশিত ভাৰত গঢ়াৰ ধ্বনি দি আছে। নিটি আয়োগৰ 'বিকশিত ভাৰত ২০৪৭ৰ বাবে পুনৰ কল্পিত দক্ষতা' শীৰ্ষক প্ৰতিবেদনত আঙুলিয়াই দিয়া হৈছে যে ১০ পৃষ্ঠাত চাওক

■ ১০ ছেপ্টেম্বৰৰ ভিতৰত দুই ৰাজ্যৰ পৰিবহণ আয়ুক্ত-চালক সন্থাৰ মাজত বৈঠক ■ বিভিন্ন ৰাজ্যৰ পৰা মেঘালয়লৈ অহা পৰ্যটক বিমুখ হৈ গুৱাহাটীলৈ উভতিবলৈ বাধ্য হ'ল

## গুৱাহাটী-শ্বিলঙৰ মাজত যাতায়াত আৰম্ভ, বৰ্ণিহাটত শ্বিলংমুখী যাত্ৰীৰ হাহাকাৰ



■ পৰিস্থিতি স্বাভাৱিক হ'বলৈ দুই-তিনিদিন লাগিব ঃ মন্ত্ৰী বৰা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৩ আগষ্ট ঃ** খাচি ছাত্ৰ সন্থাই প্ৰতিবাদৰ নামত সংঘটিত কৰা হিংসাত্মক কাণ্ডৰ প্ৰতিক্ৰিয়া স্বৰূপে শ্বিলং-গুৱাহাটীৰ যাতায়াত ব্যৱস্থা ব্যাহত হোৱাৰ পাছত আজি বিয়লিহে পৰিস্থিতি কিছু পৰিমাণে স্বাভাৱিক হয়। কালি মহানগৰীৰ কইনাধৰাত দুয়োখন ৰাজ্যৰ মন্ত্ৰী পৰ্যায়ত হোৱা আলোচনামৰ্মে অসমৰ চালক সন্থাই অৱৰোধ প্ৰত্যাহাৰ কৰাত নিশা যাতায়াত স্বাভাৱিক হয়; কিন্তু আজি পুৱাৰ পৰা মেঘালয়ৰ খাচি চালক সন্থাই নতুনকৈ অৱৰোধ আৰম্ভ কৰে। ইয়াৰ ফলত অসমৰ ১০ পৃষ্ঠাত চাওক

## নিশা দুধনৈৰ দামৰাত দুৰ্বৃত্তৰ গুলিত থকাসৰকা হ'ল যুৱ ব্যৱসায়ী

### বুকুত চাৰিটা গুলি লৈ মৃত্যুৰে যুঁজ ছায়েদৰ



**অগ্ৰদূত বাৰ্তা**
**দুধনৈ, ২৩ আগষ্ট ঃ** ৰাজ্যৰ চৌদিশে জঘন্য অপৰাধৰ ঘটনা উদ্বেগজনকভাৱে বৃদ্ধি পোৱাৰ সময়তে আজি নিশা দুধনৈৰ দামৰাত দুৰ্বৃত্তৰ গুলিত এজন ব্যৱসায়ী গুৰুতৰভাৱে আহত হয়। নিশা আঠ বজাত ১০ পৃষ্ঠাত চাওক

■ গাড়ী-গৃহ ঋণ লোৱা সাধাৰণ গ্ৰাহকক হেঁচা মাৰি ধৰা ৰাষ্ট্ৰীয়কৃত বেংকৰ কাণ্ড ■ পাঁচ বছৰত কেৱল মাথোঁ বেংক অৱ বৰোদাই ৰেহাই দিলে এই বৃহৎ পৰিমাণৰ ঋণৰ ধন

# পুঁজিপতিক ৩৬ হেজাৰ কোটিৰ ঋণ ৰেহাই





*লোকপিয়লৰ পূৰ্বে এনআৰচি উন্নীতকৰণৰ দাবীত বৃহৎ জোঁৰ সমদল, ইম্ফলত দেওবাৰে।*

■ এশ কোটি টকাৰ অধিক ঋণ লোৱা সকলৰ নাম প্ৰকাশ নকৰিলে ■ কাৰ হেঁচাত এনেদৰে মুষ্টিমেয় পুঁজিপতিলৈ অহেতুক দৰদ ■ আৰটিআইৰ দ্বাৰা ফাদিল তথ্য





■ নিউজ ব্যুৰ'
**মুম্বাই, ২৩ আগষ্ট ঃ** ভাবি চাওক ৩৬ হেজাৰ কোটি টকা! দেশৰ জনতাৰ কষ্টোপাৰ্জিত এই পৰিমাণৰ ধন মাথোঁ পাঁচ বছৰতে বৃহৎ পুঁজিপতিক ৰেহাই দিলে মাথোঁ এটা ৰাষ্ট্ৰীয়কৃত বেংকেই। ২০২০-২১ৰ পৰা ২০২৫-২৬ৰ সময়ছোৱাত বেংক অৱ বৰোদাই ৩৫,৭১৫ কোটি টকাৰ ঋণ বৃহৎ পুঁজিপতিক ৰেহাই দিয়ে। ইয়াৰ দ্বাৰা এটা প্ৰশ্ন উদয় হৈছে যে যদি মাথোঁ এটা বেংকেই এনে কম সময়ত বৃহৎ পুঁজিপতিক ৩৫ হেজাৰৰো অধিক কোটি টকাৰ ঋণ ৰেহাই দিয়ে তেন্তে সকলো বেংকক বিবেচনালৈ আনিলে এই পৰিমাণ যে ২০ লক্ষাধিক কোটি টকা হ'ব তাত বিতৰ্কৰ অৱকাশ নাই। দেশৰ অন্যতম ৰাষ্ট্ৰীয়কৃত বেংক বেংক অৱ বৰোদাই মাত্ৰ পাঁচটা বিত্তীয় বৰ্ষত বৃহৎ পুঁজিপতিক এই বিপুল অংকৰ ঋণ ৰেহাই দিয়াৰ তথ্য পোহৰলৈ আহিছে পুনেৰ এজন লোকে তথ্য জনাৰ অধিকাৰ জনাৰ অধিকাৰ (আৰটিআই) আইনৰ অধীনত কৰা আবেদনৰ জৰিয়তে। আশ্চৰ্যজনক যে বিবেক ভেলানকাৰ নামৰ সমাজ কৰ্মীজনে জনোৱা এই আৰটিআই আবেদনৰ উত্তৰত বেংকটোৱে এশ কোটিতকৈ অধিক টকাৰ ঋণ লৈ ঘূৰাই নিদিয়া সকলৰ নাম প্ৰকাশ ১০ পৃষ্ঠাত চাওক

## লোকপিয়লৰ পূৰ্বে মণিপুৰত এনআৰচিৰ দাবীত বৃহৎ জোঁৰ সমদল

■ নিউজ ব্যুৰ'
**ইম্ফল, ২৩ আগষ্ট ঃ** কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ নিষ্ক্ৰিয়তাত দীৰ্ঘদিন ধৰি অস্থিৰ হৈ থকা মণিপুৰত এইবাৰ লোকপিয়লৰ পূৰ্বে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী (এনআৰচি) উন্নীতকৰণ আৰু ১০ পৃষ্ঠাত চাওক

## উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ পালনত অনীহা ৰাজ্য চৰকাৰৰ


### কাজিৰঙাৰ ওচৰত খনিজ সম্পদৰ খনন অব্যাহত

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৩ আগষ্ট ঃ** স্বয়ং উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ কাৰ্যকৰীকৰণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা নাই অসম ১০ পৃষ্ঠাত চাওক

খাচি ছাত্ৰ সন্থাৰ আন্দোলনত হিংসাক লৈ সেৰেঙা পৰিৱেশ সদাব্যস্ত অঞ্চলতো ■ চিআৰপিএফ-ৰেপিড একচন ফ'ৰ্চৰ ফ্লেগ মাৰ্চ অব্যাহত

## শ্বিলঙত চেপা উত্তেজনা, ৰাজ্যৰ স্পৰ্শকাতৰ স্থানত নিৰাপত্তা বৃদ্ধি

■ প্ৰতিবাদৰ নামত হিংসাত লিপ্ত হোৱা ছাত্ৰ সংগঠনৰ সদস্যৰ বিৰুদ্ধে অভিযান, আত্মগোপন একাংশৰ ■ সংঘাত পাহৰি শান্তিময় জীৱন যাত্ৰা আৰম্ভ কৰিবলৈ আহ্বান মুখ্যমন্ত্ৰী কনৰাডৰ ■ অৱৰোধ প্ৰত্যাহাৰ হ'লেও সষ্টম আৰক্ষী



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৩ আগষ্ট ঃ** অসমৰ চালকৰ লগত যাতায়াত ব্যৱস্থাক লৈ চলা সংঘাত সাময়িকভাৱে নিৰাময় হ'লেও মেঘালয়ৰ সামগ্ৰিক আইন-শৃংখলা পৰিস্থিতি স্বাভাৱিক হৈ থকা নাই। খাচি ছাত্ৰ সন্থাই মেঘালয় চৰকাৰৰ বিৰুদ্ধে যোৱা ১৯ আগষ্টত ৰূপায়ণ কৰা ক'লা দিৱসৰ সমদলৰ সময়ত চলোৱা তাণ্ডৱৰ প্ৰতিক্ৰিয়া অব্যাহত আছে। বিশেষকৈ ৰাজধানী শ্বিলঙত বিৰাজ কৰিছে ১০ পৃষ্ঠাত চাওক

শিৱসাগৰ-চৰাইদেউৰ বানাক্ৰান্তই লাভ কৰা নাই চৰকাৰী আৰ্থিক সাহায্য ■ সংবাদমেলত সৰৱ ৰাইজৰ দলৰ মুৰব্বী ■ বিধায়ক ময়ূৰ বৰগোহাঁয়ে নাথুৰাম গড়্‌ছে হ'বলৈ বিচাৰিছে

## শিৱসাগৰ-চৰাইদেউৰ জিলা আয়ুক্তদ্বয়ৰ ভুলৰ বাবে মৃত্যু হ'ল ১০৫ জনৰ ঃ অখিল



■ কমেও ১০ লাখ টকাকৈ সাহায্য নাপালে বানত সৰ্বস্বান্ত পৰিয়ালে মূৰ দাঙি উঠিবই নোৱাৰিব

**অগ্ৰদূত বাৰ্তা**
**সোণাৰি, ২৩ আগষ্ট ঃ** জলপ্ৰলয়ত বিধ্বস্ত শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ বানাক্ৰান্তসকলে আজিও চৰকাৰী আৰ্থিক সাহায্য লাভ কৰা নাই বুলি পুনৰ সৰৱ হৈ উঠিছে ৰাইজৰ দলৰ সভাপতি বিধায়ক অখিল গগৈ। বিষয়টোক লৈ বিগত এমাহৰো অধিক দিন ধৰি সৰৱ হৈ অহা বিধায়কজনে আজি ইয়াত কয়, 'এই মহাপ্ৰলয়ৰ ফলত মানুহৰ অৱস্থান অত্যন্ত শোচনীয় হৈছে যদিও ৰাজ্য চৰকাৰে ৰাইজক উপযুক্তভাৱে সহায় কৰিব পৰা নাই। বানাক্ৰান্ত ৰাইজক তাৎক্ষণিক সাহায্যৰ বাবে ১৫ হেজাৰ টকা দিয়াৰ কথা চৰকাৰে ঘোষণা কৰিছিল। সাহায্যৰ পৰিমাণ বৃদ্ধিৰ দাবী তীব্ৰতৰ হোৱাত শিৱসাগৰৰ চৰাইদেউ জিলাৰ বানাক্ৰান্তসকলৰ বাবে সাহায্যৰ পৰিমাণ ২৫ হেজাৰ টকালৈ বৃদ্ধি কৰিবলৈ চৰকাৰ বাধ্য হ'ল; কিন্তু বানাক্ৰান্ত ৰাইজে এই সাহায্য এতিয়াও ১০ পৃষ্ঠাত চাওক

মহাৰাষ্ট্ৰৰ পাছত দিল্লীত শিহৰণকাৰী ঘটনা

## আইফোনৰ বাবে যমুনাত জাঁপ দিলে দুই সন্তানৰ পিতৃয়ে

■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ২৩ আগষ্ট ঃ** দুদিন পূৰ্বে মহাৰাষ্ট্ৰৰ ছম্ভাজিনগৰত এটা আইফোনৰ বাবেই এটা তিনিজনীয়া পৰিয়াল নিঃশেষ হোৱাৰ পাছত অনুৰূপ শিহৰণকাৰী ঘটনা সংঘটিত হ'ল দিল্লীত। বিলাসী ১০ পৃষ্ঠাত চাওক

■ তদন্ত প্ৰতিবেদন দাখিলৰ চাৰি মাহ হ'ল ■ ব্যৱস্থা গ্ৰহণৰ পৰিৱৰ্তে দৰমহা বাহালৰহে নিৰ্দেশ কেন্দ্ৰৰ ■ সৰৱ শিক্ষক সন্থাৰ স্পষ্টীকৰণ দাবী

## তেজপুৰ বিশ্ববিদ্যালয়ক ধ্বংসমুখী কৰা উপাচাৰ্য সিঙলৈ ৰহস্যজনক দৰদ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ২৩ আগষ্ট ঃ** তেজপুৰ বিশ্ববিদ্যালয়ক ধ্বংসৰ দিশলৈ ঠেলি দিয়া উপাচাৰ্য শম্ভুনাথ সিঙলৈ কেন্দ্ৰীয় চৰকাৰে দৰদ প্ৰদৰ্শন কৰাৰ তথ্য পোহৰলৈ আহিছে। কাৰ্যকালত বিস্তৰ অনিয়ম সংঘটিত কৰা বুলি উত্থাপিত অভিযোগৰ ভিত্তিত সিঙৰ বিৰুদ্ধে দেশৰ ৰাষ্ট্ৰপতিয়ে ঘোষণা কৰা তদন্ত প্ৰতিবেদন যোৱা মে'তে দাখিল হ'ল যদিও কেন্দ্ৰীয় চৰকাৰে বিতৰ্কিত উপাচাৰ্যজনৰ বিৰুদ্ধে ৰহস্যজনক কাৰণত ১০ পৃষ্ঠাত চাওক

মৃতদেহ লৈ প্ৰতিবাদ, ক্ষতিপূৰণ আদায়ৰ চুক্তি চিকিৎসালয় কৰ্তৃপক্ষৰ

## মঙলদৈৰ নাৰ্ছিংহোমত অস্ত্ৰোপচাৰ কৰা ৰোগীৰ মৃত্যুত উত্তেজনা

**বিশেষ সংবাদদাতা**
**মঙলদৈ, ২৩ আগষ্ট ঃ** দৰং জিলাৰ পশ্চিম মঙলদৈ উন্নয়ন খণ্ডৰ অন্তৰ্গত আউলাচৌকা গাঁও পঞ্চায়তৰ সভানেত্ৰী ৰেখাৰাণী দেৱী (৩৮)ৰ আজি পুৱতি নিশা অকাল বিয়োগক ১০ পৃষ্ঠাত চাওক

■ পুনৰ এজাক বৰষুণতে ডুবিল ঘাইপথ ■ বিকল হ'ল কে'বাখনো বাহন ■ খানাপাৰা-ছয়মাইল-পাঞ্জাবাৰীতো বানৰ প্ৰকোপ

## চালকৰ অৱৰোধ প্ৰত্যাহাৰৰ পাছত কৃত্ৰিম বানত অৱৰুদ্ধ হ'ল যোৰাবাট

■ সামান্য বৰষুণতে বান স্বাভাৱিক হৈছে মহানগৰীত ■ নলাই হেৰুৱাইছে বহন ক্ষমতা



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৩ আগষ্ট ঃ** মেঘালয়ৰ চালকৰ লগত হোৱা অসমৰ চালকৰ সংঘাতৰ আজি ওৰ পৰিলেও যোৰাবাট কিন্তু আজিও যাতায়াতৰ বাবে স্বাভাৱিক নহয়। আজি যোৰাবাট স্তব্ধ হৈ পৰে কৃত্ৰিম বানত। যোৱা তিনিদিন অসম ৰাজ্যিক চালক সন্থাই মেঘালয়লৈ যোৱা পথ অৱৰোধ কৰাত যোৰাবাট স্থবিৰ হৈ পৰিছিল। যোৱা নিশা চালকসকলে অৱৰোধ প্ৰত্যাহাৰ কৰে; কিন্তু মেঘালয়ৰ চালক সন্থাই আজিৰ পৰা অৱৰোধ ঘোষণা কৰাত ব্যস্ত যোৰাবাট ১০ পৃষ্ঠাত চাওক



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩৩° | ২৭° |
| ডিব্ৰুগড় | ৩৪° | ২৭° |
| দিল্লী | ৩৩° | ২৭° |
| কলকাতা | ৩২° | ২৭° |
| মুম্বাই | ৩১° | ২৭° |
| চেন্নাই | ৩৫° | ২৬° |
| বাংগালুৰু | ২৭° | ২১° |
| শ্বিলং | ৩১° | ২১° |

*২৩ আগষ্ট, ২০২৬*

**চেঙা তেল**






*সামগ্ৰীৰ মূল্য আৰু নিবনুৱা সমস্যা বৃদ্ধি আমাৰ উন্নয়ন বৃদ্ধিৰ অন্যতম নমুনাৰূপে দাঙি ধৰিছো!*

■ মহানগৰীত একেদিনাই দুটা ভয়ংকৰ বৈদ্যুতিক দুৰ্ঘটনা ■ দুজন গুৰুতৰভাৱে আহত

## খুঁটাত বগাই বিদ্যুৎ চুৰি কৰিবলৈ গৈ গুৰুতৰভাৱে আহত এজন



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৩ আগষ্ট ঃ** গুৱাহাটীত আজি দুটাকৈ ভয়ংকৰ দুৰ্ঘটনাত দুজন লোক গুৰুতৰভাৱে আহত হয়। শিলপুখুৰী আৰু কাহিলিপাৰাৰ ভগদত্তপুৰত সংঘটিত হয় এই দুই দুৰ্ঘটনা। ইয়াৰে এজন বিদ্যুৎ চোৰ আৰু আনজন মিস্ত্ৰি। ভগদত্তপুৰৰ ঘটনাটো সংঘটিত হয় সমাজৰ তথাকথিত শিক্ষিত আৰু ধনৰ লোভত দৌৰা এজন লোকৰ কাণ্ডৰ পৰিণতিত। আজি পুৱা প্ৰায় ১১ বজাত সমগ্ৰ ভগদত্তপুৰ আৰু ইয়াৰ কাষৰীয়া অঞ্চলত আতংকৰ সৃষ্টি কৰি বিস্ফোৰণৰ দৰে এটা বৃহৎ শব্দ হয়। এই শব্দ শুনি বহু লোক বাহিৰলৈ ওলাই আহে। পাছত আকাশলৈ উৰি যোৱা ঘন ধোঁৱা প্ৰত্যক্ষ কৰি একাংশই ইয়াৰ উৎস বিচাৰোতে সমগ্ৰ ঘটনা পোহৰলৈ আহে। আৰক্ষীও সেই স্থানত উপস্থিত হয়। ১০ পৃষ্ঠাত চাওক

## সৰ্বনিম্ন আইনী মান এক কিলোমিটাৰ হ'লেও বিজ্ঞানসন্মতভাৱে গ্ৰহণযোগ্য নহয়

### কাজিৰঙাৰ পৰিৱেশ সংবেদনশীল মণ্ডল সংকোচনৰ বিৰোধিতা ইলোৱা বিজ্ঞান মঞ্চৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৩ আগষ্ট ঃ** কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰিৱেশ সংবেদনশীল মণ্ডল সংকোচনৰ প্ৰস্তাৱৰ বিৰুদ্ধে এইবাৰ সৰৱ হৈ উঠিছে ইলোৱা বিজ্ঞান মঞ্চ। ইতিমধ্যে বহু দল-সংগঠনে এই চৰকাৰী প্ৰস্তাৱৰ বিৰোধিতা কৰাৰ পাছত সম্প্ৰতি অগ্ৰণী বিজ্ঞান সংস্থাটোৱেও চৰকাৰী প্ৰস্তাৱটোৰ বিৰোধিতা কৰিছে। এক বিবৃতিত ইলোৱা বিজ্ঞান মঞ্চৰ সভাপতি ডাঃ মনোৰঞ্জন শৰ্মা আৰু সাধাৰণ সম্পাদক মনোজ ৰয়ে কয়, 'উচ্চতম ন্যায়ালয়েও কাজিৰঙা-কাৰ্বি আংলং অঞ্চলৰ পৰিৱেশগত গুৰুত্ব স্বীকাৰ কৰি কাৰ্বি আংলঙৰ পাহাৰৰ পৰা কাজিৰঙালৈ বৈ অহা নৈ-নিজৰা আৰু অন্যান্য জলাধাৰসমূহে পানী সংগ্ৰহ কৰা সমগ্ৰ অঞ্চলত খনন কাৰ্যৰ ওপৰত নিষেধাজ্ঞা আৰু চিহ্নিত বন্যপ্ৰাণী পথত নতুন নিৰ্মাণ কাৰ্যত নিয়ন্ত্ৰণ আৰোপ কৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত বৰ্তমানে কাজিৰঙাৰ ১০ পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত



# নগাঁৱত এলপিজিৰ ই-কেৱাইচিৰ নামত গ্ৰাহকৰ পৰা ধন সংগ্ৰহৰ অভিযোগ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**নগাঁও, ২৩ আগষ্ট ঃ** নগাঁৱৰ একাংশ গেছ এজেন্সীয়ে গ্ৰাহকৰ পৰা এলপিজি চিলিণ্ডাৰৰ ই-কেৱাইচিৰ নামত গ্ৰাহকৰ পৰা ধন সংগ্ৰহ কৰাৰ গুৰুতৰ অভিযোগ উঠিছে। বিভাগীয় কৰ্তৃপক্ষই গেছ সংযোগৰ এলপিজি কাৰ্ড থকা গ্ৰাহকৰ ই-কেৱাইচিৰ তথ্য সংশ্লিষ্ট গেছ এজেন্সীৰ ওচৰত দাখিল কৰিবলৈ নিৰ্দেশ দিয়াৰ পাছত একাংশ দালাল সক্ৰিয় হৈ পৰিছে। নগাঁৱৰ কে'বাটাও গেছ এজেন্সীৰ বিৰুদ্ধে এনে অভিযোগ উত্থাপন হৈছে যদিও বিনু'ছ ইনডেন নামৰ গেছ এজেন্সীটোৰ বিৰুদ্ধে এই ক্ষেত্ৰত অতি গুৰুতৰ অভিযোগ উত্থাপন হৈছে। এই এজেন্সীটোত দালাল চক্ৰই ই-কেৱাইচিৰ নামত ধন সংগ্ৰহৰ অভিযোগ উত্থাপন কৰিছে একাংশ গ্ৰাহকে। এই গেছ এজেন্সীটোৰ লগতে আন কে'বাটাও গেছ এজেন্সীয়ে দালালৰ জৰিয়তে গাঁৱৰ সহজ-সৰল গ্ৰাহকক লক্ষ্য কৰি লৈছে। প্ৰতিগৰাকী গ্ৰাহকৰ পৰা ই-কেৱাইচিৰ নামত দুশ টকাকৈ লোৱাৰ গুৰুতৰ অভিযোগ উঠিছে। তদুপৰি গেছ চিলিণ্ডাৰ লোৱাৰ সময়ত গ্ৰাহকৰ পৰা গেছ চিলিণ্ডাৰ-চৌকা সংযোগী দুশ টকা মূল্যৰ পাইপ ক্ৰয় কৰিবলৈ হেঁচা প্ৰয়োগ কৰাৰ অভিযোগ উঠিছে। একাংশ গ্ৰাহকে অভিযোগ কৰা মতে পাইপ ক্ৰয় নকৰিলে গ্ৰাহকক চিলিণ্ডাৰ প্ৰদান কৰা নহয় বুলি এজেন্সী কৰ্মচাৰীয়ে ভাবুকি প্ৰদান কৰে। ৰাজসাহায্যযুক্ত চিলিণ্ডাৰৰ গ্ৰাহকক এনেদৰে অতিৰিক্ত বোজা জাপি দিব বিচৰাত গ্ৰাহকৰ মাজত ক্ষোভৰ সৃষ্টি হৈছে। এই অভিযোগ সন্দৰ্ভত সঠিক তদন্ত কৰি ব্যৱস্থা গ্ৰহণৰ বাবে বিভাগীয় কৰ্তৃপক্ষক সচেতন মহলে দাবী জনাইছে।

# ৰাষ্ট্ৰীয় শাস্ত্ৰীয় নৃত্য প্ৰতিযোগিতাত দ্বিতীয় স্থানেৰে জিলিকিল সংযুক্তা শ্যাম তুংখাং

**অগ্ৰদূত বাৰ্তা**

**সৰুপথাৰ, ২৩ আগষ্ট ঃ** পুনৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতাত উজলি উঠিল সৰুপথাৰ সমজিলাৰ ৰজাপুখুৰী শ্যাম গাঁৱৰ কন্যা সংযুক্তা শ্যাম তুংখাং। মণিকাঞ্চন কলা নিকেতনৰ উদ্যোগত চচআগষ্ট তাৰিখে গোলাঘাট এমেচাৰ থিয়েটাৰ ছ'চাইটিত সংগীত নাটক অকাডেমী বঁটা প্ৰাপক প্ৰয়াত প্ৰদীপ চলিহাৰ সোঁৱৰণত আয়োজিত দশম বাৰ্ষিক শংকৰদেৱ ৰাষ্ট্ৰীয় নৃত্য-গীত সমাৰোহৰ ৰাষ্ট্ৰীয় একক শাস্ত্ৰীয় নৃত্য প্ৰতিযোগিতাত দ্বিতীয় স্থান লাভ কৰি সৰুপথাৰলৈ গৌৰৱ কঞ্জিয়াই আনিবলৈ সক্ষম হৈছে কণমানি সংযুক্তাই। গোলাঘাটৰ গুৰুকুল গ্ল'বেল একাডেমিৰ পঞ্চম শ্ৰেণীত অধ্যয়নৰত সংযুক্তাই ইতিমধ্যে কেইবাখনো ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ নৃত্য আৰু মডেলিং প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি নিজৰ প্ৰতিভাৰ পৰিচয় দাঙি ধৰিছে।

# ৰাজগড়ত চাহ বাগিচাৰ মাজত উদ্ধাৰ মৃতদেহ

**অগ্ৰদূত বাৰ্তা**

**ৰাজগড়, ২৩ আগষ্ট ঃ** ডিব্ৰুগড় জিলাৰ ৰাজগড়ত আজি ৪০ বছৰীয়া লোক এজনৰ মৃতদেহ উদ্ধাৰক লৈ চাঞ্চল্যৰ সৃষ্টি হয়। টিংখাং সমজিলাৰ ৰাজগড় চাহ বাগিচাৰ মাজত উদ্ধাৰ হয় মৃতদেহটো। মৃতদেহটো ৰাজগড় দুই নম্বৰ ন-ভকতীয়া গাঁৱৰ মাইনা দাসগুপ্তা বুলি ইতিমধ্যে চিনাক্ত কৰা হৈছে। নিশা ঘৰৰ পৰা এখন টাৱেল পিন্ধি ওলাই আহিছিল মাইনা নামৰ বিবাহিত লোকজন। পুৱা ৰহস্যজনক অৱস্থাত উদ্ধাৰ হোৱা মৃতদেহটোৰ মুখৰ পৰা ফেন ওলাই থকা প্ৰত্যক্ষ কৰিছে স্থানীয় ৰাইজৰ লগতে আৰক্ষীয়ে। পেছাত এজন পাইপ মিস্ত্ৰি মাইনাৰ মৃতদেহত অন্য কোনো আঘাতৰ চিন স্পষ্ট হোৱা নাই। মুখেৰে ফেন ওলাই থকা অৱস্থাত উদ্ধাৰ হোৱা মৃতদেহটো ইতিমধ্যে ৰাজগড় আৰক্ষীয়ে মৰণোত্তৰ পৰীক্ষাৰ বাবে অসম চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰিছে। ঘটনাৰ সংক্ৰান্তত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে যদিও মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনৰ পাছতহে জানিব পৰা যাব মাইনাৰ ৰহস্যজনক মৃত্যুৰ প্ৰকৃত কাৰণ। আনহাতে, মৃতদেহ উদ্ধাৰৰ পাছত সমগ্ৰ অঞ্চলটোত এক শোকাকুল পৰিৱেশে বিৰাজ কৰিছে।


**ASSAM ELECTRICITY GRID CORPORATION LIMITED**

**NOTICE INVITING TENDER**

1. IFB/ Bid Identification No. AEGCL/MD/Tech-1219/Thermal-Assam/2026/ IFB, BID Dated: 23.08.2026
2. NIT No.: AEGCL / MD / Tech-1219 / Thermal-Assam / 2026 / NIT Dated: 23.08.2026
3. Name of Work: **Implementation of transmission infrastructure in phase manner to evacuate 3200 MW thermal power from upcoming generating station at Chapar.**
   **Phase-I: Turnkey Construction of 400 kV Chapar-I-Rangia Double Circuit Quad Moose Transmission Line with associated 400 kV bays and reactor works.**
   **Phase-II: Turnkey Construction of 400/220kV Agia Substation with associated 400kV Chapar-II-Agia New Transmission Line, including bay extension and reactor works.**
4. Cost of Bid documents: **INR. 5,000/-**
5. Tender start date and time: **10.00 hrs of 02.09.2026**

AEGCL hereby invites bids from eligible and interested bidders for the subject tender. Interested bidders may download the bidding documents from AEGCL's website: www.aegcl.co.in and e-tender portal assamtenders.gov.in. with effect from **02.09.2026 at 10:00 Hrs.**

Any other notices/time extension/ corrigendum etc. will be published only on AEGCL's websites and e-tender portal. AEGCL reserves the right to accept or reject any or all tenders without assigning any reasons thereof.

**Sd/-, Chief General Manager (PP&D)**
Assam Electricity Grid Corporation Limited

T-872/PR/2025/Camp/082


# অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী, শংকৰ সংঘৰ সেৱিকা ৰুবী বৰাৰ দেহাৱসান



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**নগাঁও, ২৩ আগষ্ট ঃ** নগাঁও চহৰৰ কাষৰীয়া মধুপুৰ নিৱাসী অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ অগ্ৰণী সেৱিকা ৰুবী বৰাৰ যোৱা নিশা নিজ বাসভৱনত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৮ বছৰ। দীৰ্ঘদিন ধৰি শাৰীৰিক অসুস্থতাৰ বাবে তেওঁ শয্যাশায়ী হৈ আছিল। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰাক্তন প্ৰধান সম্পাদক, অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ শিক্ষা বিষয়া প্ৰফুল্ল চন্দ্ৰ বৰাৰ সহধৰ্মিণী ৰুবী বৰাই সংঘৰ শিশু আৰু আই-মাতৃ সমিতিৰ বিভিন্ন পদত থাকি নিষ্ঠাৰে দায়িত্ব পালন কৰি সংঘলৈ সেৱা আগবঢ়াইছিল। তেওঁ শংকৰদেৱৰ ধৰ্ম-আদৰ্শৰ প্ৰচাৰ-প্ৰসাৰৰ হকে কাম কৰিছিল। গুৰুজনাৰ বৰগী, নৃত্য আদি তেওঁ দক্ষতাৰে পৰিৱেশন কৰিব পাৰিছিল। নগাঁৱৰ পোতনি পৰুৱা গাঁৱত জন্মগ্ৰহণ কৰা ৰুবী বৰাই স্থানীয় হাইস্কুলৰ লপৰা মেট্ৰিক পাছ কৰাৰ পাছত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত স্নাতক ডিগ্ৰী গ্ৰহণ কৰে। তেওঁ জাগীয়াল উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক শিক্ষয়িত্ৰী আছিল আৰু সেই বিদ্যালয়ৰ পৰাই অৱসৰ গ্ৰহণ কৰে। মৃত্যুৰ সময়ত তেওঁ স্বামীৰ লগতে একমাত্ৰ পুত্ৰ বিশিষ্ট চিকিৎসক ভাস্কৰজ্যোতি বৰা, বোৱাৰী, এগৰাকী কন্যা-জোঁৱাই, নাতি-নাতিনী আৰু আত্মীয়ক ইহসংসাৰত এৰি যায়।

আজি পুৱা শংকৰদেৱ সংঘৰ বিভিন্ন শাখা আৰু অনুষ্ঠানে মধুপুৰৰ গৃহত শেষ শ্ৰদ্ধা জ্ঞাপনৰ পাছত তেওঁৰ মৃতদেহ দক্ষিণপাট জাগীয়াললৈ নিয়া হয়। তাত এসময়ৰ কৰ্মস্থল জাগীয়াল ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়ত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। জাগীয়ালৰ স্বামী গৃহৰ চোতালত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নগাঁও জিলা সমিতি আৰু সংঘৰ বিভিন্ন শাখা সমিতিৰ লগতে সাহিত্য সভাৰ শতদল শাখা, মুনচুন কলা পৰিষদ আৰু বিভিন্ন অনুষ্ঠান-ব্যক্তিয়ে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। জাগীয়ালতে দুপৰীয়া তেওঁৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়।

## আজিৰ দিনটো




**কিৰো ইয়ং,** ৰত্ন কুবেৰ জেমছ এণ্ড জুয়েলাৰী
জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭
☎ ঃ ৮৮২২৯-১১১৭১, ৯০৮৫৯৪৯৩০৯


**৬ ভাদ সোমবাৰ ২৪ আগষ্ট**

**সূৰ্যোদয় ঃ** ঘঃ ৫।২।৮। **সূৰ্যাস্ত ঃ** ঘঃ ৫।৪৯।২০। **তিথি ঃ** শুক্লা, দ্বাদশী, দং ৬০।০।০ অহোৰাত্ৰ। **নক্ষত্ৰ ঃ** পূৰ্বষাঢ়া, দং ৪০।৭।১ ৰাঘ ৯।৪।৫৬। **যোগ ঃ** প্ৰীতি, দং ৯।২৯।৩৯ ঘঃ ৮।৫০।০। **কৰণ ঃ** বৱ। **জন্মত ঃ** ধনুৰাশি, ক্ষত্ৰিয়বৰ্ণ মতান্তৰে বৈশ্যবৰ্ণ, মনুষ্যগণ, গন্ধৰ্বৰ অস্থি, বৰুণযোগ, অষ্টোত্তৰী বৃহস্পতি, বিংশোত্তৰী শুক্ৰৰ দশা, ৰাঘ ৯।৪।৫৬ যোৱাত গৰুৰ অস্থি, বিংশোত্তৰী ৰবিৰ দশা, শেষ ৰাঘ যোৱাত মকৰ ৰাশি, শূদ্ৰবৰ্ণ মতান্তৰে বৈশ্যবৰ্ণ, অগ্নিযোগ। **আদ্যঋতু হ'লে ঃ** তিনিমহীয়া পতিহীনা যোগ, মতান্তৰে সাতদিনীয়া সুভগা যোগ, ৰাঘ ৯।৪।৫৬ যোৱাত সাতদিনীয়া সুভগা যোগ। **মৰণত দোষ ঃ** এপদ, ৰাঘ ৯।৪।৫৬ যোৱাত ত্ৰিপদ। **যোগিনী ঃ** নৈঋতকোণত। **যাত্ৰা ঃ** নাই, পাপযোগ দোষ, ৰাঘ ৩।৪৬।৩ যোৱাত দিনদগ্ধা দোষ। **শুভকৰ্ম ঃ** নাই। **ভক্ষ্যাভক্ষ্য ঃ** পূৰৈশাক খোৱা আৰু প্ৰায়শ্চত্ত নিশেষ।

*দিনটোৰ ৰাশিফল*

**মেষ ঃ** ব্যৱসায়-বাণিজ্য আৰু কৰ্মত উন্নতি। আপুনি বহুত সহজতে পইচা জমা কৰিব পাৰিব। অন্য লোকে নিয়া পইচা আজি ঘূৰাই পাব পাৰে অথবা যিকোনো নতুন পৰিযোজনাত পইচা লগাই ধন আৰ্জিব পাৰে। শুভ ৰং কেশৰী। শুভ সংখ্যা -৩।

**বৃষ ঃ** আজি শাৰীৰিক, মানসিক কিছু অশান্তি হ'ব পাৰে। ঘৰৰ বাহিৰত ওলোৱাৰ আগত সদায় বেশৰ অথবা হালধিৰ তিলক কপালত লগালে আপোনাৰ আৰ্থিক লাভজনক অৱস্থাত থাকিব। ঘৰুৱা অশান্তি বাঢ়িব পাৰে। শুভ ৰং ৰঙা। শুভ সংখ্যা -৬।

**মিথুন ঃ** আজি সমস্যাৰ পৰা আঁতৰি থাকক বেপাৰ-বাণিজ্যত আজি বিশেষ লাভান্বিত হোৱাৰ সম্ভাৱনা আছে। অচিনাকি ব্যক্তিক বিশ্বাস কৰি কোনো কাম নকৰিব বিপদ হ'ব পাৰে। শুভ ৰং সোণালী। শুভ সংখ্যা-১।

**কৰ্কট ঃ** আজিৰ দিনটো আপোনাৰ কাৰণে বহুত শুভ দিন শিক্ষাৰ্থীসকলৰ বাবে শুভ। ব্যৱসায়ত দ্বিধাহীনজনতাৰ বাবে ক্ষতি হোৱাৰ আশংকা। অন্যক প্ৰভাৱিত কৰিবৰ বাবে প্ৰয়োজনতকৈ অধিক কম খৰচ নকৰিব। ঘৰুৱা অশান্তি বাঢ়িব পাৰে। শুভ ৰং মটিয়া। শুভ সংখ্যা ৪।

**সিংহ ঃ** প্ৰেম আৰু সন্তুষ্টিত থাকিব আৰু আনন্দ উপভোগ কৰা অভিপ্ৰায় লৈ থাকিব। পাৰিবাৰিক জীৱনত সুখ লাভৰ বাবে ভৈৰৱ মন্দিৰত গাখীৰ দান কৰক। শুভ ৰং হালধীয়া। শুভ সংখ্যা -৬।

**কন্যা ঃ** আপোনাৰ দ্ৰুতভাৱে কৰা কামৰ প্ৰতিভাই আপোনাক আন্দদিত কৰিব। আজি সন্তানৰ পৰা আৰ্থিক লাভ হোৱাৰ আশা আছে। কৰ্মক্ষেত্ৰ আৰু বাণিজ্যিক দিশত কিছু উন্নতিৰ যোগ। মনত অশান্তি হ'ব পাৰে। শুভ ৰং সোণালী। শুভ সংখ্যা-১।

**তুলা ঃ** উন্নত দিনৰ অনুমান। ৰুক্ষ চিন্তা অত্যধিক খৰচ হ'লেও আয়ৰ পথ থাকিব। কোনোৱে প্ৰৱঞ্চকৰ কবলত পৰিবৰ কৃষক। ভবা কথাৰ লগত সাদৃশ্য কম যদিও প্ৰতিকূলে নহ'ব। শুভ ৰং নীলা। শুভ সংখ্যা-৫।

**বৃশ্চিক ঃ** এটা সুখ-শান্তিৰে ভৰা পাৰিবাৰিক জীৱন লাভৰ বাবে এক সুলভ পৰিমাণৰ কেশৰ খোৱা বস্তুত ব্যৱহাৰ কৰিব। জাতকৰ কোনো উন্নত যোগাযোগৰ পৰা লাভ। শিক্ষক বুদ্ধিজীৱৰ সুখ। কৰ্তব্যত আপোনাৰ যোগ্যতা থাকিব। শুভ ৰং সেউজীয়া। শুভ সংখ্যা ৫।


**ধনু ঃ** ভঙা-পতা কৰি ভাল পাব। পুৰণি পৰিৱেশৰ সলনিৰ প্ৰতি মন কৰিব পাৰে। ভ্ৰমণত সন্তম হওক। প্ৰিয় বন্ধু-বান্ধৱীৰ সংগত সুখ লাভ যিসকল যোগ্যবান সুনাম। শুভ ৰং বগা। শুভ সংখ্যা-২।

**মকৰ ঃ** আপোনাৰ উচ্চ বৌদ্ধিক ক্ষমতা আপোনাৰ অদক্ষতাৰ লগত যুঁজ কৰাত সহায় কৰিব। অকল ধনাত্মক বিচাৰৰ জৰিয়তে এই সমস্যাবোৰৰ পৰা ৰেহাই পাব পাৰি। শুভ ৰং বগা। শুভ সংখ্যা -২।

**কুম্ভ ঃ** ধনৰ আগমনে আপোনাক বহুত আৰ্থিক সকাহ দিব। কোনোৱে বাস্তৱ ক্ষেত্ৰত খোজ পেলাই উপকৃত হ'ব। শুভ ৰং ৰঙা আৰু মেৰুণ। শুভ সংখ্যা ৯।

**মীন ঃ** ঘৰুৱা সমস্যাই আপোনাক মানসিক অশান্তি দিব পাৰে। আৰ্থিক দিশত আপোনাৰ উন্নতি হ'ব। আজি বিপদ এটাৰ সন্মুখীন হোৱাৰ পাছত আপোনাৰ অনুভৱ হ'ব যে ভাল বন্ধুৰ এই জীৱনত বহুত দৰকাৰ। শুভ ৰং বগা। শুভ সংখ্যা-৭।

## শব্দবেহু ঃ ২৪ আগষ্ট ২০২৬



**পথালিয়ে**

২। সমুদ্ৰ, জলধি (৩)
৪। কম বয়সৰ ল'ৰা (৪)
৭। ছন্দ নথকা কথা বা ৰচনা (২)
৯। ধোবা (৩)
১০। বেশ্যা, পতিতা (৩)
১২। মুখৰ ভিতৰৰ ওপৰৰ ভাগ, মাজ-মূৰ (২)
১৩। থান কাপোৰৰ প্ৰস্থ (২)
১৬। মানুহ, জন্তু, গছ আদিৰ গাৰ স্বাভাৱিক আৱৰণ (২)
১৮। শব্দৰ নিহিত তাৎপৰ্য, ধন-সম্পত্তি (২)
১৯। মন, ইচ্ছা, অভিলাষ (৩)
২১। ডাবি, খং কৰি দেখুওৱা ভয় (৩)
২২। অনুভৱ, উপলব্ধি, ধাৰণা (২)
২৪। অত্যন্ত ক্লান্ত, মৰাৰ দৰে অনুভৱ কৰা (২)
২৫। ঈশ্বৰ প্ৰেৰিত পুৰুষ, পয়গম্বৰ (৪)

**থিয়কৈ**

১। বেদব্যাস ৰচিত কুৰু-পাণ্ডৱৰ কাহিনীৰ মহাকাব্য (৫)
৩। মৌ কোঁহ, মৌ-বাহৰ মৌ-জোল থকা অংশ (৪)
৪। সাপ, হাতী (২)
৫। বাজনা, সংগীতৰ সুৰ-তাল উৎপাদন কৰা যন্ত্ৰ (২)
৬। সন্ন্যাসীয়ে ব্যৱহাৰ কৰা নাল থকা পানীৰ পাত্ৰ (৪)
৮। দশ-দিশৰ অধিপতি দহজন দেৱতা (৪)
১১। উৎপত্তি, উদ্ভৱ, ওপজা (২)
১৪। পুঁজি, ব্যৱসায়ত বিনিয়োগ কৰা অৰ্থ (৪)
১৫। চিত্ত, হৃদয়, অন্তঃকৰণ (২)
১৭। কামদেৱ, মদন (৫)
১৮। সাইলাখ, হুবহু, একে (৪)
২০। হ্ৰদ, ডাঙৰ পুখুৰী (৪)
২২। ভাৰ, বৈ নিব লগা গধূৰ বস্তু (২)
২৩। অৰ্থ, বিত্ত, সম্পদ (২)

**উত্তৰ অহা সংখ্যাত**

**২৩ আগষ্ট ২০২৬ সংখ্যাৰ উত্তৰ**

**পথালিয়ে**

১। কোপ ২। মাৰ্জাৰ ৪। হংস ৬। লাহ ৭। লহমা ১০। লব্ধ ১১। সনাতন ১৩। নহৰত ১৫। লাভ ১৬। চৰ্দাৰ ২০। সাজু ২১। নগৰা ২২। হলফ ২৩। ওল

**থিয়কৈ**

১। কোলাহল ২। মালৱ ৩। ৰহম ৫। সন্তুলন ৮। মাউৰ ৯। বাস ১২। নালিচ ১৩। নভস্থান ১৪। তৰ্ক ১৭। ৰসাতল ১৮। গৰাহ ১৯। বৰফ

# অসম-মেঘালয় সংঘাতৰ পৰ্যালোচনা

## ইতিহাসৰ জটিলতা, ৰাজনীতিৰ মেৰপেঁচ আৰু সাধাৰণ জনতাৰ যন্ত্ৰণা

**হৰ্ষমোহন শৰ্মা**

সীমাৰেখাই মানুহক পৃথক কৰিব পাৰে, কিন্তু ইতিহাসক নোৱাৰে। অসম আৰু মেঘালয়ৰ মাজত সীমা থাকিব। কোন গাঁও কোন ৰাজ্যত থাকিব, কোন পাহাৰ কোন প্ৰশাসনৰ অধীনত থাকিব—এইবোৰৰ সাংবিধানিক আৰু প্ৰশাসনিক সিদ্ধান্ত অৱশ্যেই হ'ব লাগিব; কিন্তু সীমা নিৰ্ধাৰণৰ অৰ্থ মানুহৰ হৃদয়ত সীমা আঁকা নহয়। উত্তৰ-পূবৰ ৰাজ্যসমূহৰ মাজত আন্তঃনিৰ্ভৰতা অতি গভীৰ। সেয়েহে এখন ৰাজ্যৰ শান্তি আনখন ৰাজ্যৰ অৰ্থনীতিৰ বাবেও গুৰুত্বপূৰ্ণ।

**অসম** আৰু মেঘালয় ভূগোলৰ মানচিত্ৰত দুখন পৃথক ৰাজ্য; কিন্তু ইয়াৰ ইতিহাস, সংস্কৃতি, অৰ্থনীতি আৰু মানুহৰ দৈনন্দিন জীৱনত গভীৰভাৱে সংযুক্ত। পাহাৰ আৰু ভৈয়ামৰ এই সম্পৰ্ক কেৱল সীমাৰেখাৰ নহয়; ই পৰিয়াল, বজাৰ, পথ, জীৱিকা আৰু সামাজিক সম্পৰ্কৰো এক মহানুভৱ; অথচ বিগত কে'বাদশক ধৰি এই দুই ৰাজ্যৰ মাজৰ সীমা বিবাদে সেই আন্তঃসম্পৰ্কত অবিশ্বাসৰ বিষ ঢালি আহিছে।

সাম্প্ৰতিক ঘটনাই বিষয়টোক পুনৰ উত্তপ্ত কৰি তুলিছে। শ্বিলঙত খাচি ছাত্ৰ সংগঠনৰ এক সমদলৰ পাছত অসমৰ লোক আৰু বাহনৰ ওপৰত আক্ৰমণ, বাহন জ্বলাই দিয়া আৰু তাৰ প্ৰতিক্ৰিয়াত অসমৰ পৰিবহণকাৰীৰ প্ৰতিবাদ আৰু মেঘালয়লৈ যাতায়াত বাধাগ্ৰস্ত হোৱাৰ দৰে ঘটনাই দেখুৱাই দিলে—এটা সীমা বিবাদ কিমান সহজে সাধাৰণ মানুহৰ নিৰাপত্তা আৰু আন্তঃৰাজ্যিক সম্পৰ্কৰ সংকটলৈ পৰিণত হ'ব পাৰে। প্ৰশ্নটো সেয়েহে কেৱল 'কাৰ মাটি?'- এইটো নহয়। প্ৰশ্নটো হ'ল, এটা ঐতিহাসিক আৰু প্ৰশাসনিক সীমা-বিবাদৰ মূল্য সাধাৰণ নাগৰিকে বাৰে বাৰে কিয় দিব লাগে? আৰু তাতকৈ গুৰুত্বপূৰ্ণ প্ৰশ্ন—এই সংঘাতৰ ৰাজনৈতিক সমাধান সম্ভৱনে, নে সীমা বিবাদটো ৰাজনীতিৰ বাবে চিৰস্থায়ী ইন্ধন হৈ থাকিব?

ইতিহাসৰ গৰ্ভত বিবাদৰ বীজৰ অনুসন্ধান কৰিলে দেখা যায় যে অসম-মেঘালয় সীমা বিবাদৰ মূল উৎস স্বাধীনোত্তৰ অসমৰ ৰাজনৈতিক পুনৰ্গঠন। মেঘালয় প্ৰথমে অসমৰ ভিতৰত স্বায়ত্তশাসিত ৰাজ্য হিচাপে গঢ় লৈ উঠিছিল আৰু ১৯৭২ত পূৰ্ণাংগ ৰাজ্যৰ মৰ্যাদা লাভ কৰিছিল। নতুন ৰাজ্য গঠনৰ সময়ত সীমা নিৰ্ধাৰণৰ যি প্ৰশাসনিক ভিত্তি গ্ৰহণ কৰা হৈছিল, সেয়াই পৰৱৰ্তী কালত দুয়োখন



ৰাজ্যৰ মাজত মতভেদৰ অন্যতম কাৰণ হৈ পৰে। এই বিবাদৰ এটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হ'ল—দুয়োখন ৰাজ্যই বহু ক্ষেত্ৰত একে ভূখণ্ডৰ ওপৰত ভিন্ন ঐতিহাসিক আৰু প্ৰশাসনিক ব্যাখ্যা আগবঢ়ায়। ঔপনিৱেশিক কালৰ জিলা-সীমা, ৰাজহ প্ৰশাসন, জনগোষ্ঠীয় বসতি, পৰম্পৰাগত ভূমি-অধিকাৰ আৰু পৰৱৰ্তী ৰাজ্য পুনৰ্গঠন—সকলো মিলি সমস্যাটো জটিল কৰি তুলিছে।

মেঘালয়ে ১২টা অঞ্চলক মতভেদৰ স্থানৰূপে উত্থাপন কৰি আহিছে। এইবোৰৰ ভিতৰত লাংপিহ, বোৰ্ডুৱাৰ, খাণ্ডুলি-পিছিয়াৰ, ব্লক—১ আৰু ব্লক—২, ডেছ ডুমৰীয়া, নংৱাহ-মাটামুৰ আদি বিশেষভাৱে স্পৰ্শকাতৰ। লাংপিহ বিশেষভাৱে দীৰ্ঘদিনীয়া বিবাদৰ কেন্দ্ৰবিন্দু; ঐতিহাসিক প্ৰশাসন আৰু জনগোষ্ঠীয় পৰিচয়ৰ প্ৰশ্নই ইয়াত পৰস্পৰবিৰোধী দাবীক শক্তিশালী কৰি আহিছে। অৰ্থাৎ এইটো সাধাৰণ অৰ্থত 'মাটি দখল'ৰ এটা সৰল সমস্যা নহয়। ইয়াত ইতিহাস আছে, প্ৰশাসনিক নথি আছে, জনগোষ্ঠীয় পৰিচয় আছে, ভূমিৰ স'তে মানুহৰ আবেগিক সম্পৰ্ক আছে আৰু আছে ৰাজনৈতিক দাবী।

**২০২২-সমাধানৰ আশাৰ এক গুৰুত্বপূৰ্ণ মুহূৰ্ত**

দীৰ্ঘদিনৰ বিবদৰ মাজত ২০২১-২২ত দুয়োখন ৰাজ্যই তুলনামূলকভাৱে বাস্তৱবাদী পন্থা গ্ৰহণ কৰিছিল। ১২টা বিবাদমান অঞ্চলৰ ভিতৰত প্ৰথম পৰ্যায়ত ছটা অঞ্চল ক্ৰমে তাৰাবাৰী, গিজাং, হাহিম, বকলাপাৰা, খানাপাৰা-পিলাংকাটা আৰু ৰাটাচেৰাক সমাধানৰ বাবে বাছনি কৰা হৈছিল। দুয়োখন ৰাজ্যই আঞ্চলিক সমিতি গঠন কৰি স্থানীয় লোক, বিভিন্ন পক্ষ আৰু সংশ্লিষ্ট অঞ্চল পৰিদৰ্শনৰ জৰিয়তে মতামত সংগ্ৰহ কৰিছিল। সমাধানৰ ক্ষেত্ৰত ইতিহাস, স্থানীয় জনগোষ্ঠীৰ গঠন, সীমাৰ সংলগ্নতা, মানুহৰ ইচ্ছা আৰু প্ৰশাসনিক সুবিধা—এই পাঁচটা নীতি বিবেচনা কৰা হৈছিল।

২০২২ ৰ ২৯ মাৰ্চত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ উপস্থিতিত অসম আৰু মেঘালয়ৰ মুখ্যমন্ত্ৰীয়ে ছটা অঞ্চল সন্দৰ্ভত এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰে। প্ৰায় ৩৬.৭৯ বৰ্গকিলোমিটাৰ বিবদমান অঞ্চলৰ ক্ষেত্ৰত দুয়োখন ৰাজ্যৰ মাজত বুজাবুজিৰ চুক্তিৰ কাঠামো স্থাপন কৰা হৈছিল। এই চুক্তি সম্পূৰ্ণ সমাধান নাছিল, কিন্তু ই এটা গুৰুত্বপূৰ্ণ শিক্ষা দিছিল—বন্দুক, পথ অৱৰোধ বা ৰাজনৈতিক উত্তেজনাতকৈ আলোচনাৰ টেবুলত বহিলেই সমাধানৰ দুৱাৰ খোল খুৱাব পাৰি বুলি। অসম চৰকাৰৰ বৰ্তমানৰ সীমা-বিবাদ সম্পৰ্কীয় তথ্যতো উল্লেখ আছে যে প্ৰথম ছটা অঞ্চলৰ চুক্তিৰ পাছত ভাৰতীয় জৰীপ বিভাগৰ জৰিয়তে সীমা চিহ্নিতকৰণৰ কাম আগবঢ়োৱা হৈছে আৰু বাকী ছটা অঞ্চলৰ বাবে আঞ্চলিক সমিতি গঠনৰ প্ৰক্ৰিয়া চলিছে।

কিন্তু কিয় আকৌ উত্তেজনা? এইখিনিতে ৰাজনীতিৰ প্ৰশ্নটো আহে। সীমান্ত অঞ্চলৰ মানুহৰ বাবে সীমা মানে তেওঁলোকৰ দৈনন্দিন জীৱনৰ এটা অংশ। বহু ঠাইত মানুহে এখন ৰাজ্যত বসবাস কৰে, কিন্তু বজাৰ, চিকিৎসা, শিক্ষা, কৰ্মসংস্থান বা আত্মীয়তাৰ বাবে আনখন ৰাজ্যৰ স'তে নিবিড়ভাৱে সংযুক্ত হৈ থাকে। সেয়েহে ৰাজ্যৰ ৰাজনৈতিক ভাষণত 'আমাৰ মাটি' আৰু 'তেওঁলোকৰ মাটি' বুলি যি দ্বৈততা সৃষ্টি হয়, সীমান্তবাসীৰ বাস্তৱ জীৱনত সেই দ্বৈততা সদায় তেনেদৰে নাথাকে। ৰাজনীতিয়ে যেতিয়া সীমা বিবাদক পৰিচয়ৰ প্ৰশ্ন কৰি তোলে, তেতিয়া যুক্তিৰ ঠাইত আবেগে স্থান লয়। 'মাটি ৰক্ষা'ৰ নামত সংগঠন সক্ৰিয় হয়, সমদল উলিয়ায়, কেতিয়াবা উত্তেজনামূলক ভাষণ হয়। সামাজিক মাধ্যমত অসমীয়া বনাম খাচি, ভৈয়াম বনাম পাহাৰ, ইফাল বনাম সিফাল—এনে বিভাজনমূলক মানসিকতা অধিক তীব্ৰ হয়।

সাম্প্ৰতিক শ্বিলঙৰ ঘটনাই সেই বিপজ্জনক ৰূপটোৱেই পুনৰ দেখুৱাইছে। সমদলৰ সময়ত অসম সম্পৰ্কীয় লোক আৰু বাহনৰ ওপৰত আক্ৰমণৰ অভিযোগৰ পাছত অসমৰ পৰিবহণকাৰীয়ে খানাপাৰা আৰু যোৱাবাটত মেঘালয়লৈ যাতায়াত বাধাগ্ৰস্ত কৰে। ফলত সীমা বিবাদৰ মূল পক্ষ নোহোৱা সাধাৰণ চালক, ব্যৱসায়ী, পৰ্যটক, ছাত্ৰ আৰু ৰোগীসকলেই সমস্যাৰ সন্মুখীন হয়। এয়া অতি চিন্তনীয়। কাৰণ এজন নাগৰিকৰ গাড়ীখন অসমীয়া নে খাচি—এইটো নিৰ্ধাৰণ কৰি তেওঁৰ ওপৰত আক্ৰমণ কৰা সভ্য সমাজৰ লক্ষণ নহয়।

সীমান্তৰ ৰাজনীতিৰ আটাইতকৈ ডাঙৰ বলি সাধাৰণ মানুহ। সীমান্ত বিবাদৰ সময়ত ৰাজনীতিবিদে সংবাদমাধ্যমত বক্তব্য দিব পাৰে, সংগঠনে সমদল কৰিব পাৰে, চৰকাৰে বৈঠক পাতিব পাৰে; কিন্তু সাধাৰণ মানুহে কি কৰে?

এজন টেক্সি চালকৰ উপাৰ্জন বন্ধ হয়। এজন সৰু ব্যৱসায়ীৰ সামগ্ৰী নষ্ট হয়। এজন ৰোগীক চিকিৎসালয়লৈ নিয়াটো কঠিন হয়। এজন ছাত্ৰৰ পৰীক্ষা বা শিক্ষাৰ পথ ব্যাহত হয়। এজন পৰ্যটকে নিজৰ ৰাজ্যলৈ ঘূৰি আহিবলৈ ভয় কৰে। সীমান্তৰ দুয়োপাৰে দশক দশক ধৰি একেলগে বসবাস কৰা মানুহৰ মাজত সন্দেহ জন্মে। অৰ্থাৎ সীমা বিবাদৰ অৰ্থনৈতিক ক্ষতিৰ লগতে সামাজিক ক্ষতিও হয়। এখন ৰাজ্যৰ মানুহক আনখন ৰাজ্যত সন্দেহৰ চকুৰে চাবলৈ আৰম্ভ কৰিলে আন্তঃৰাজ্যিক সম্পৰ্কৰ মূল ভিত্তিটোৱেই দুৰ্বল হয়। ইয়াৰ আটাইতকৈ ভয়ংকৰ দিশটো হ'ল—এটা ঘটনাৰ বাবে সংশ্লিষ্টসকলৰ পৰিৱৰ্তে সমগ্ৰ জনগোষ্ঠীকে দোষী সাব্যস্ত কৰাৰ মানসিকতা। কিছুমান ব্যক্তিৰ অপৰাধৰ বাবে সম্পূৰ্ণ জনগোষ্ঠী বা ৰাজ্যৰ মানুহক অপমান কৰা কোনো ন্যায়ৰ ভাষা নহয়।

'মাটি'ৰ লগতে 'মানুহ'ৰ অধিকাৰকো কেন্দ্ৰত আনিব লাগিব। অসম আৰু মেঘালয়ৰ সীমা বিবাদ সমাধানৰ ক্ষেত্ৰত এতিয়ালৈকে ইতিহাস, জনগোষ্ঠী, ভূগোল আৰু প্ৰশাসনিক সুবিধাক গুৰুত্ব দিয়া হৈছে। এইবোৰ প্ৰয়োজনীয়; কিন্তু তাৰ স'তে আৰু এটা বিষয় কেন্দ্ৰত আনিব লাগিব—মানুহৰ ইচ্ছা আৰু মানুহৰ জীৱন-জীৱিকা। কোনো অঞ্চলৰ সীমা নিৰ্ধাৰণ কৰাৰ সময়ত কেৱল মানচিত্ৰৰ ৰেখা চালে নহ'ব। তাত থকা গাঁও, কৃষিভূমি, বিদ্যালয়, পথ, বজাৰ, পানীৰ উৎস, বনাঞ্চল, ধৰ্মীয়-সাংস্কৃতিক স্থান আৰু মানুহৰ পৰম্পৰাগত জীৱনধাৰাও বিবেচনা কৰিব লাগিব।

২০২২ৰ প্ৰক্ৰিয়াত মানুহৰ ইচ্ছাক এটা নীতি হিচাপে বিবেচনা কৰাটো সঠিক দিশ আছিল। আগন্তুক পৰ্যায়তো এই নীতি অধিক শক্তিশালী কৰিব লাগিব। তেন্তে সমাধানৰ পথ ক'ত? প্ৰথমতে, দুয়োখন ৰাজ্যই সীমা-বিবাদৰ ওপৰত এক স্থায়ী দ্বিপাক্ষিক ব্যৱস্থা গঢ়ি তুলিব লাগিব। মুখ্যমন্ত্ৰী বা মন্ত্ৰী পৰ্যায়ৰ বৈঠক কেতিয়াবা কেতিয়াবা হ'লেই নহ'ব। বছৰত নিৰ্দিষ্ট সময়ত বৈঠক, সীমান্ত অঞ্চলৰ প্ৰশাসকসকলৰ নিয়মীয়া যোগাযোগ আৰু যৌথ পৰ্যবেক্ষণৰ ব্যৱস্থা থাকিব লাগিব। দ্বিতীয়তে, বিবদমান অঞ্চলত যৌথ জৰীপ আৰু ডিজিটেল সীমা-মানচিত্ৰ প্ৰস্তুত কৰা উচিত। ভাৰতীয় জৰীপ, দুয়োখন ৰাজ্যৰ ভূমি-ৰাজহ বিভাগ আৰু স্থানীয় প্ৰতিনিধিক লৈ স্বচ্ছ প্ৰক্ৰিয়া গঢ়িব লাগিব। কোন নথি গ্ৰহণ কৰা হ'ল, কোন ঐতিহাসিক উৎস ব্যৱহাৰ কৰা হ'ল-সেইবোৰ জনসাধাৰণৰ বাবে উপলব্ধ কৰা উচিত। ইয়াৰ ফলত গুজৱৰ পৰিমাণ কমিব। তৃতীয়তে, সীমান্তবাসীক সিদ্ধান্ত গ্ৰহণৰ কেন্দ্ৰলৈ আনিব লাগিব। গাঁওবাসী, মহিলা, কৃষক, ব্যৱসায়ী, যুৱক, স্থানীয় পৰম্পৰাগত নেতৃত্ব আৰু নাগৰিক সমাজৰ প্ৰতিনিধিক বাদ দি কেৱল ৰাজনৈতিক নেতাৰ মাজত সীমা সমাধান সম্ভৱ নহয়। চতুৰ্থতে, সীমান্তত যৌথ উন্নয়নমূলক প্ৰকল্প গ্ৰহণ কৰিব লাগে। যি অঞ্চলক লৈ বিবাদ, সেই অঞ্চলৰ মানুহ যদি উন্নয়নৰ সুবিধাৰ পৰা বঞ্চিত হয়, তেন্তে অসন্তোষ বাঢ়িব। বিদ্যালয়, স্বাস্থ্যকেন্দ্ৰ, পথ, পানী, বজাৰ আৰু ইণ্টাৰনেটৰ দৰে মৌলিক সুবিধাৰ ক্ষেত্ৰত দুয়োখন ৰাজ্যই সমন্বিত পৰিকল্পনা কৰিব পাৰে। পঞ্চমতে, আইন-শৃংখলাৰ ক্ষেত্ৰত শূন্য সহনশীলতাৰ প্ৰয়োজন। কোনো সমদলৰ নামত সাধাৰণ মানুহৰ ওপৰত আক্ৰমণ, বাহন ভঙা বা জ্বলাই দিয়া, জাতিগত অপমান বা পথ অৱৰোধক কোনো চৰকাৰে সহ্য কৰিব নালাগে। মত প্ৰকাশৰ অধিকাৰ গণতন্ত্ৰৰ অধিকাৰ, কিন্তু আনৰ জীৱন আৰু সম্পত্তিৰ ওপৰত আক্ৰমণ কৰাৰ অধিকাৰ কোনো নাগৰিকৰ নাই।

ষষ্ঠতে, সামাজিক মাধ্যমৰ অপপ্ৰচাৰ ৰোধ কৰাটোও সীমা সমস্যা সমাধানৰ অংশ হ'ব লাগিব। এটা স্থানীয় ঘটনাক 'অসম বনাম মেঘালয়'ৰ সংঘাত হিচাপে উপস্থাপন কৰিলে মুহূৰ্ততে উত্তেজনা বিয়পিব পাৰে। চৰকাৰ, সংবাদমাধ্যম আৰু নাগৰিক সমাজে অসম্পাদিত ভিডিঅ', পুৰণি ছবি আৰু উত্তেজনামূলক বাৰ্তা প্ৰচাৰৰ বিৰুদ্ধে একেলগে কাম কৰিব লাগিব।

ৰাজনীতি চলিবই, কিন্তু ৰাজনীতিৰ এটা সীমা থাকিব লাগিব। সীমা বিবাদৰ ৰাজনীতি সম্পূৰ্ণ বন্ধ হ'ব বুলি আশা কৰা বাস্তৱসন্মত নহয়। গণতান্ত্ৰিক ৰাজনীতিত ভূমি, পৰিচয় আৰু অধিকাৰৰ প্ৰশ্ন থাকিবই। ৰাজনৈতিক দল আৰু জনগোষ্ঠীয় সংগঠনেও নিজৰ দাবী উত্থাপন কৰিব। এই অধিকাৰ থাকিবই লাগে; কিন্তু সমস্যা তেতিয়াই আৰম্ভ হয়, যেতিয়া দাবী ৰাজনৈতিক মূলধনলৈ আৰু মানুহৰ ভয় ভোটৰ মূলধনলৈ পৰিণত হয়। সীমা বিবাদ যদি প্ৰতিটো নিৰ্বাচনৰ আগত নতুনকৈ উত্তপ্ত কৰা হয়, যদি ইতিহাসক নিৰ্বাচনী ভাষণৰ অস্ত্ৰ কৰা হয়, যদি 'আমাৰ মাটি'ৰ শ্ল'গানৰ তলত 'আমাৰ মানুহ' ৰ নিৰাপত্তা পাহৰি যোৱা হয়—তেন্তে সমাধান কেতিয়াও স্থায়ী নহ'ব। ৰাজনীতি থাকক; কিন্তু সংঘাতৰ ৰাজনীতিৰ সলনি সমাধানৰ ৰাজনীতি হওক। অসম আৰু মেঘালয়ৰ মুখ্যমন্ত্ৰীয়ে সংকটৰ সময়ত যোগাযোগ ৰক্ষা কৰাটো ইতিবাচক। সাম্প্ৰতিক ঘটনাৰ পাছতো মুখ্যমন্ত্ৰীদ্বয়ে সহযোগিতাৰে পৰিস্থিতি নিয়ন্ত্ৰণৰ প্ৰয়োজনীয়তা স্বীকাৰ কৰিছে। এই যোগাযোগক কেৱল সংকটৰ সময়ৰ প্ৰতিক্ৰিয়া হিচাপে নহয়, স্থায়ী শান্তিৰ প্ৰতিষ্ঠান হিচাপে গঢ়ি তুলিব লাগিব।

সীমাৰেখাই মানুহক পৃথক কৰিব পাৰে, কিন্তু ইতিহাসক নোৱাৰে। অসম আৰু মেঘালয়ৰ মাজত সীমা থাকিব। কোন গাঁও কোন ৰাজ্যত থাকিব, কোন পাহাৰ কোন প্ৰশাসনৰ অধীনত থাকিব—এইবোৰৰ সাংবিধানিক আৰু প্ৰশাসনিক সিদ্ধান্ত অৱশ্যেই হ'ব লাগিব; কিন্তু সীমা নিৰ্ধাৰণৰ অৰ্থ মানুহৰ হৃদয়ত সীমা আঁকা নহয়। উত্তৰ-পূবৰ ৰাজ্যসমূহৰ মাজত আন্তঃনিৰ্ভৰতা অতি গভীৰ। সেয়েহে এখন ৰাজ্যৰ শান্তি আনখন ৰাজ্যৰ অৰ্থনীতিৰ বাবেও গুৰুত্বপূৰ্ণ। মেঘালয়ৰ পৰ্যটন, অসমৰ বাণিজ্য, সীমান্ত অঞ্চলৰ কৃষি আৰু পৰিবহণ—সকলো একে আঞ্চলিক অৰ্থনৈতিক পৰিসৰৰ অংশ। সেইবাবে অসম-মেঘালয় সীমা বিবাদৰ সমাধানক কেৱল 'ভূমি কোনে পাব' এই প্ৰশ্নত সীমাবদ্ধ ৰাখিলে ভুল হ'ব। প্ৰকৃত প্ৰশ্ন হ'ব লাগে—'এই সীমান্তত বসবাস কৰা মানুহে কেনেকৈ নিৰাপদ, সন্মানজনক আৰু উন্নত জীৱন লাভ কৰিব?

৫০ বছৰৰো অধিক সময় ধৰি চলি অহা এটা বিবাদ এদিনতে সমাধান নহয়। ২০২২ৰ চুক্তিয়ে দেখুৱাইছে যে অসম আৰু মেঘালয়ৰ মাজত ৰাজনৈতিক সদিচ্ছা থাকিলে জটিল বিষয়টোক বুজাবুজিৰ জৰিয়তে সমাধানৰ পথ উলিয়াব পাৰি; কিন্তু আংশিক সফলতাক পূৰ্ণ সমাধান বুলি ধৰি লোৱাৰ অৱকাশ নাই। চৰকাৰী তথ্য অনুসৰি এতিয়াও বাকী ছটা অঞ্চল সমাধানৰ প্ৰক্ৰিয়াত আছে। সেয়ে এতিয়া প্ৰয়োজন নতুন উত্তেজনাৰ নহয়, নতুন ৰাজনৈতিক পৰিপক্কতাৰ। অসমে নিজৰ ন্যায্য দাবী এৰি দিব নালাগে। মেঘালয়েও নিজৰ ঐতিহাসিক আৰু জনগোষ্ঠীয় দাবী উত্থাপন কৰাৰ গণতান্ত্ৰিক অধিকাৰ ৰাখিব পাৰে; কিন্তু দুয়োখন ৰাজ্যই এটা কথা মানি ল'ব লাগিব—কোনো দাবী মানুহৰ জীৱনৰ ওপৰতকৈ ডাঙৰ নহয়। সীমান্তৰ মাটিৰ বাবে যদি মানুহৰ ৰক্তপাত হয়, তেন্তে সেই মাটি ৰক্ষা কৰি লাভ কি? যদি সীমা ৰক্ষা কৰাৰ নামত এজন চালক নিজৰ গাড়ী লৈ আনখন ৰাজ্যলৈ যাবলৈ ভয় কৰে, এজন ছাত্ৰ শিক্ষাৰ পৰা বঞ্চিত হয়, এজন ৰোগী চিকিৎসা লাভৰ পথত বাধাৰ সন্মুখীন হয়, এজন ব্যৱসায়ীয়ে নিজৰ জীৱিকা হেৰুৱায়, তেন্তে সেই সীমাৰেখাই ৰাজ্যক শক্তিশালী নকৰে; বৰঞ্চ সমাজক দুৰ্বল কৰে। সেয়েহে এতিয়া অসম আৰু মেঘালয়ৰ নেতৃত্বৰ সন্মুখত মূল প্ৰশ্নটো 'কোনে কিমান মাটি পাব?' নহয়। মূল প্ৰশ্নটো হ'ব লাগে—'কেনেকৈ এনে এটা সীমান্ত সৃষ্টি কৰিব পাৰি, য'ত মাটি লৈ মতভেদ থাকিলেও মানুহে মানুহক শত্ৰু বুলি নাভাবে?' সেই দিনটো আহিব লাগিব, যেতিয়া সীমান্তত আৰক্ষীৰ বেষ্টনী বা প্ৰতিবাদৰ শ্ল'গানতকৈ বেছি দেখা যাব বিদ্যালয়, বজাৰ, চিকিৎসালয়, পথ আৰু মানুহৰ পাৰস্পৰিক বিশ্বাস।

ৰাজনীতি চলিব। দাবী চলিব। মতভেদো থাকিব। কিন্তু মানুহৰ জীৱন লোৱা কোনো ধৰণৰ ৰাজনীতি চলিব নালাগে। অসম-মেঘালয় সীমাবিবাদৰ প্ৰকৃত সমাধান তেতিয়াহে সম্ভৱ, যেতিয়া দুয়োখন ৰাজ্যই বুজিব সীমা মানচিত্ৰতহে আঁকা হয়; কিন্তু মানুহৰ হৃদয় থিতাপি লগোৱা বস্তুটোৱেই হৈছে শান্তি।

*ফোন ঃ ৯৪০১০৭৭২৭১*

## আৰ্তসকলক সহায় কৰিবলৈ ৰাজ্য-কেন্দ্ৰীয় চৰকাৰক আহ্বান এবছুৰ

অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ২৩ আগষ্ট ঃ** নিখিল বড়ো ছাত্ৰ সন্থাৰ ৰাজ্যৰ ১৫ খন জিলাৰ পৰা যোৱা এটা সঁজাতী দলে শেহতীয়াভাৱে বানে বিধ্বস্ত কৰা শিৱসাগৰ জিলাত নদিন বাহৰ পাতি আৰ্তসকলক উদ্ধাৰৰ কাৰণে স্বেচ্ছাই শ্ৰমদান কৰি এক মহানুভৱতাৰ পৰিচয় দাঙি ধৰিছে। আজি বিয়লি ছয় পৃষ্ঠাত চাওক

■ নিখিল বড়ো ছাত্ৰ সন্থাৰ প্ৰশংসনীয় পদক্ষেপ ■

### নাজিৰাত এবছুৰ নদিনীয়া 'মিছন হোম ৰেস্কিউ এণ্ড ৰিষ্ট'ৰ' অভিযান সফল

দৈনিক অগ্ৰদূত
গুৱাহাটী, ২৪ আগষ্ট ২০২৬ সোমবাৰ পৃষ্ঠা তিনি

## ৰূপহীহাটত ৩৭ লাখ টকা মূল্যৰ চুপাৰি চুৰি ঃ আটক এক

### চিআইডিৰডিএছপিৰ বিৰুদ্ধে অভিযুক্তক ৰক্ষণাবেক্ষণ দিয়াৰ গুৰুতৰ অভিযোগ

অগ্ৰদূত বাৰ্তা

**ৰূপহীহাট, ২৩ আগষ্ট ঃ** নগাঁও জিলাৰ ৰূপহীহাটত সংঘটিত হৈছে এক ভয়ংকৰ চিকনী চুপাৰি চুৰি কাণ্ড। তথ্য মতে প্ৰায় ৩৭ লক্ষ টকা মূল্যৰ ছয় পৃষ্ঠাত চাওক

■ নগাঁৱত বাৰম্বাৰ সলনি হৈছে বদলিৰ নিৰ্দেশ ■ অসাধু লেন-দেন

# বিষয়া-কৰ্মচাৰীৰ বদলিৰ নামত ব্যাপক দুৰ্নীতি



পৱিত্ৰ ৰাখীবন্ধনৰ প্ৰাকক্ষণত বজাৰত ৰাখী ক্ৰয় কৰিছে ক্ৰেতাই, মহানগৰীত দেওবাৰে।

ষ্টাফ ৰিপ'ৰ্টাৰ

**নগাঁও, ২৩ আগষ্ট ঃ** নগাঁও জিলাৰ একাংশ কৰ্মচাৰীক এক নিৰ্দেশনাযোগে ৰাজহুৱা স্বাৰ্থত বদলি কৰা হ'ল বুলি উল্লেখ কৰাৰ পাছত আকৌ আন এক নিৰ্দেশযোগে পুনৰ অতি ৰহস্যজনকভাৱে ৰাজহুৱা স্বাৰ্থতেই( ?) সেই নিৰ্দেশ বাতিল কৰাৰ এক তথ্য পোহৰলৈ আহিছে। নগাঁও জিলা পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগত সংঘটিত এই ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। প্ৰাপ্ত তথ্য অনুসৰি, মেম' নম্বৰ- NZP.347Pt.-II/Transfer/Con.Emp./ 2024-25/3467-61 dtd.10/08/2026 নম্বৰৰ এক জৰুৰী নিৰ্দেশযোগে নগাঁও জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াই একেদিনাই জিলাখনৰ বিভিন্ন উন্নয়ন খণ্ড আৰু গাঁও পঞ্চায়তত কৰ্মৰত ২৮ গৰাকীকৈ বিষয়া-কৰ্মচাৰীক বদলিকৰণ কৰে। ইয়াৰ ভিতৰত সহকাৰী খণ্ড উন্নয়ন বিষয়া এজন, গাঁও পঞ্চায়ত সচিব তিনিজন, স্বীকৃতিপ্ৰাপ্ত অভিযন্তা ছয়জন, জিআৰএছ ১০ জন আৰু জিপিচি আঠজন আছে। আটাইতকৈ আশ্চৰ্যজনক আৰু ৰহস্যজনক বিষয় এই যে এই নিৰ্দেশ জাৰি কৰাৰ ২৪ ঘণ্টা পাৰ নৌহওঁতে জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াই উল্লিখিত নিৰ্দেশনাটোৰ আংশিক সংশোধনী ঘটাই সাতগৰাকীকৈ কৰ্মচাৰীক আন ঠাইলৈ বদলি কৰাৰ নিৰ্দেশ জাৰি কৰে। ইয়াৰে স্বীকৃতিপ্ৰাপ্ত অভিযন্তা দেৱাশীষ দেৱানক জুৰীয়া উন্নয়ন খণ্ডৰ অন্তৰ্গত ধিংবৰী চাপৰি গাঁও পঞ্চায়তৰ পৰিৱৰ্তে একেখন উন্নয়ন খণ্ডৰ অন্তৰ্গত তেলিয়া বেবেজীয়া পঞ্চায়তলৈ বদলি কৰে। আনহাতে, সহকাৰী অভিযন্তা ধ্ৰুৱজ্যোতি গগৈক শিঙিমাৰী উন্নয়ন খণ্ডৰ অন্তৰ্গত শিঙিমাৰী গাঁও পঞ্চায়তৰ পৰিৱৰ্তে জুৰীয়া উন্নয়ন খণ্ডৰ অন্তৰ্গত মেলেকাধিং গাঁও পঞ্চায়তৰ অতিৰিক্ত দায়িত্বৰ পৰা অব্যাহতি দিয়া হৈছে। একেদৰে জিআৰএছ হবিবুৰ ৰহমানক শিঙিমাৰী উন্নয়ন খণ্ডৰ অন্তৰ্গত ভাটিয়াখালী গাঁও পঞ্চায়তৰ পৰিৱৰ্তে কনুৱামাৰী গাঁও পঞ্চায়তলৈ বদলি কৰা হৈছে। তদুপৰি জিআৰএছ ইছমাইল হুছেইনক গড়াজান উন্নয়ন খণ্ডৰ অন্তৰ্গত বৰভেটি গাঁও পঞ্চায়তৰ পৰিৱৰ্তে ৰৌমাৰী-ৰূপহী পঞ্চায়তলৈ, আমিনুল হকক ভকতগাঁও পঞ্চায়তৰ পৰিৱৰ্তে শিঙিমাৰী উন্নয়ন খণ্ডৰ অন্তৰ্গত মাগুৰমাৰী পঞ্চায়তলৈ, জিপিচি ছাদ্দাম হুছেইনক নিজ ধিং উন্নয়ন খণ্ডৰ অন্তৰ্গত বেচামাৰী গাঁও পঞ্চায়তৰ পৰিৱৰ্তে ৰামপুৰ সত্ৰ পঞ্চায়তলৈ আৰু জিপিচি ৰিয়াজুল ইছলামক শিঙিমাৰী উন্নয়ন ছয় পৃষ্ঠাত চাওক

## স্বামীৰ দহা-কাজৰ প্ৰস্তুতিৰ মাজতে পত্নীৰো মৃত্যু

ষ্টাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ২৩ আগষ্ট ঃ** এক শোকাৱহ ঘটনাই যোৰহাটৰ চন্দন নগৰ অঞ্চলত গভীৰ শোকৰ ছাঁ পেলাইছে। কিছুদিন পূৰ্বে স্বামীৰ মৃত্যুৰ পাছত তেওঁৰ দহা- কাজৰ প্ৰস্তুতি চলি থকাৰ সময়তে পত্নী ৰমলা দত্ত হাজৰিকাৰো (৭৭) আজি পুৱতি নিশা মৃত্যু হয়। তেওঁ যোৰহাটৰ চন্দন নগৰ নিবাসী তথা ইয়াৰ চন্দ্ৰ কমল বেজবৰুৱা বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ব্ৰিজ মোহন হাজৰিকাৰ মাতৃ । স্বামী নৰনাথ হাজৰিকাৰ মৃত্যুৰ দহা- কাজৰ প্ৰস্তুতি চলি থকাৰ সময়তে পত্নী ৰমলা দত্ত হাজৰিকাৰ আকস্মিক বিয়োগ হোৱাৰ খবৰে পৰিয়ালটোৰ লগতে সমগ্ৰ অঞ্চলটোৰ ৰাইজক মৰ্মাহত কৰি তুলিছে। উল্লেখ্য ছয় পৃষ্ঠাত চাওক

## উজনি অসমৰ বান বিভীষিকাৰ স্থায়ী সমাধানৰ দাবীত আঠ দফীয়া প্ৰস্তাৱ গ্ৰহণ

অগ্ৰদূত বাৰ্তা

**শিমলুগুৰি, ২৩ আগষ্ট ঃ** উজনি অসমৰ শিৱসাগৰ, চৰাইদেউ, যোৰহাটকে ধৰি সমগ্ৰ অঞ্চলটোত শেহতীয়াকৈ সৃষ্টি হোৱা অভূতপূৰ্ব প্ৰলয়ংকৰী বানপানীৰ স্থায়ী সমাধান আৰু এক বিজ্ঞানসন্মত ভৱিষ্য দৰ্শন যুগুত কৰাৰ লক্ষ্যৰে আজি নাজিৰাৰ এম চি ক্লাৱত এখন বৃহৎ নাগৰিক সভা অনুষ্ঠিত হৈ যায়। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা শান্তনু বৰঠাকুৰৰ সঞ্চালনাত অনুষ্ঠিত এই সভাত ৰাজ্যৰ বিশিষ্ট বুদ্ধিজীৱী, সমাজ বিজ্ঞানী, শিক্ষাবিদ, ছাত্ৰ-যুৱ প্ৰতিনিধি আৰু কে'বাটাও ৰাজনৈতিক দল তথা জাতীয় সংগঠনৰ শীৰ্ষ নেতৃত্বই অংশগ্ৰহণ কৰে। আহ্বায়ক দেবাংগ সৌৰভ গগৈৰ আদৰণি ভাষণেৰে আৰম্ভ হোৱা সভাখনত বক্তাসকলে একমুখে স্বীকাৰ কৰে যে কেৱল সাময়িক সকাহ বা সাহায্য প্ৰদানেই এই সমস্যাৰ স্থায়ী সমাধান হ'ব নোৱাৰে; ইয়াৰ বাবে বানৰ প্ৰকৃত কাৰণসমূহ উদ্‌ঘাটন কৰা আৰু বিজ্ঞানসন্মত প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণ কৰাটো জৰুৰী। এই সন্দৰ্ভত দীৰ্ঘম্যাদী পৰিকল্পনাৰে এক আঠ দফীয়া গুৰুত্বপূৰ্ণ প্ৰস্তাৱো সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰা হয়। সভাখনত উপস্থিত থাকি বান সমস্যাৰ বিভিন্ন দিশ সামৰি ক্ৰমে অসম বিধানসভাৰ প্ৰাক্তন বিৰোধী দলপতি দেৱব্ৰত শইকীয়া, অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈ, ৰাইজৰ দলৰ সাধাৰণ সম্পাদক ধৈৰ্য্য কোঁৱৰ, চিপিআইএম দলৰ ৰাজ্যিক সম্পাদক বিবেক দাস, বিশিষ্ট সমাজ বিজ্ঞানী বনজিত হুছেইন, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সহযোগী অধ্যাপক কৌস্তভ ডেকা, দেৱীচৰণ বৰুৱা মহাবিদ্যালয়ৰ প্ৰৱক্তা জুৰি বৰুৱা, গৱেষক ছাত্ৰ ত্ৰিদিব ভাগৱতী, বিশিষ্ট গৱেষিকা ৰঞ্জিতা বণিয়া আৰু যোৰহাটৰ বিশিষ্ট অধিবক্তা হেমেন বৰাই সাৰগৰ্ভ আৰু দিক্‌দৰ্শক ভাষণ প্ৰদান কৰে। সভাৰ শেষত ছয় পৃষ্ঠাত চাওক

**নাজিৰাত সকলো দল-সংগঠনক সামৰিসভা ঃ অচিৰেই অনুষ্ঠিত হ'ব গণ সমাৰেশ**

## চতিয়াত আৰক্ষীয়ে আটক কৰে নখনকৈ চুৰি গৰুভৰ্তি বাহন

অগ্ৰদূত বাৰ্তা

**চতিয়া, ২৩ আগষ্ট ঃ** আজি বিশ্বনাথ জ্যেষ্ঠ আৰক্ষী অধীক্ষকৰ এটি অভিযানকাৰী দল আৰু চতিয়া আৰক্ষীৰ সহযোগত নখনকৈ চুৰি গৰুভৰ্তি বাহন আটক কৰা ঘটনাই সমগ্ৰ চতিয়াত চাঞ্চল্যৰ সৃষ্টি কৰিছে। প্ৰাপ্ত খবৰ অনুসৰি, বিশ্বনাথ জ্যেষ্ঠ আৰক্ষী অধীক্ষকে লাভ কৰা এক গোপন সূত্ৰৰ পম খেদি অভিযান চলোৱাত চুৰি গৰু কঢ়িয়াই আনি থকা এখন-দুখন নহয়, নখনকৈ বাহন ড্ৰাইভাৰ -হেণ্ডিমেনসহ ছয় পৃষ্ঠাত চাওক

## ধেমাজিত উদ্যোগ বিভাগত লাখ লাখ টকাৰ কেলেংকাৰি ঃ নিম্নবৰ্গ সহায়ক অসীম দত্তই লুটিছে ধন

**১০ হেজাৰৰ পৰা ২০ হেজাৰ টকাকৈ উৎকোচ ঃ মুখ্যমন্ত্ৰী, আয়ুক্ত সচিবক অভিযোগ তিনিটা সংগঠনৰ**

অগ্ৰদূত বাৰ্তা

**ধেমাজি ২৩ আগষ্ট ঃ** অসম চৰকাৰৰ উদ্যোগ আৰু বাণিজ্য বিভাগত ব্যাপক দুৰ্নীতি আৰু লুণ্ঠনৰ অভিযোগ উঠিছে । বিভাগত ন্যায়িক তদন্ত আৰু দোষী বিষয়া-কৰ্মচাৰীক শাস্তিমূলক ব্যৱস্থা গ্ৰহণৰ দাবীত সৰৱ হৈছে বহুকেইটা সংগঠন তথা সচেতন মহল। এই সন্দৰ্ভত কৃষক-শ্ৰমিক উন্নয়ন পৰিষদৰ লগতে সদৌ অসম দুৰ্নীতি প্ৰতিৰোধ সমিতি আৰু সদৌ অসম সোণোৱাল কছাৰী ছাত্ৰ সন্থাই অসমৰ মুখ্যমন্ত্ৰী আৰু উদ্যোগ বিভাগৰ আয়ুক্ত সচিবলৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰি ধেমাজি জিলা উদ্যোগ বিভাগত হোৱা দুৰ্নীতি আৰু কেলেংকাৰিৰ ভিজিলেঞ্চ তদন্তৰ দাবী জনায়। স্মাৰকপত্ৰত যোৱা এমাহ ধৰি বিভাগটোত হোৱা কেলেংকাৰিৰ কথা উল্লেখ কৰে। মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম আঁচনি আৰু পিএমইজিপি ঋণ প্ৰদানৰ নামত উৎকোচ গ্ৰহণৰ অভিযোগে দিছপুৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী বিমল বড়া, অতিৰিক্ত মুখ্য সচিব জে বি এক্কা, সচিব ইন্দিৰা কলিতা আৰু বামুণীমৈদামস্থিত বিভাগীয় আয়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহৰ টেবুলত ৰাজহুৱা অভিযোগ দাখিল কৰিছে। ধেমাজি জিলা উদ্যোগ আৰু বাণিজ্য শাখাত অধিক দুৰ্নীতি শিপাইছে। উক্ত শাখাটো কেৱল অসীম দত্ত নামৰ এজন নিম্নবৰ্গ সহায়কৰ একছত্ৰী ৰাজত্ব চলাৰ অভিযোগ কৰিছে। কি জিলা আয়ুক্ত, কি জিলা উদ্যোগ বিষয়া সকলোকে অতি সহজে হাতৰ মুঠিলৈ আনি এইজন কৰ্মচাৰীৰ নিৰ্দেশতে চলিছে সম্প্ৰতি ধেমাজি জিলাৰ প্ৰধান পৰিচালকৰ কাৰ্যালয়টো। স্থানীয় লোক হোৱাৰ সুবাদতে সকলো নীতি বহিৰ্ভূত প্ৰণালীকে নীতি সজাই কৰুণাময়ী আঁচনিৰ ঋণ প্ৰদানৰ নামত ধন ঘটিছে ধেমাজিৰ অসীম দত্তই। মন্ত্ৰীৰ পৰা বিভাগটোৰ উচ্চপদস্থ বিষয়ালৈ মেনেজ কৰি চলা অসীম দত্তক নাকী লগাবলৈ এমাহে অভিযোগ দাখিলৰ পাছতো কোনো সদুত্তৰ লাভ কৰা নাই ৰাইজে। আনকি শাস্তিমূলক বদলিও হোৱা নাই আজি পৰ্যন্ত। কৃষক-শ্ৰমিক উন্নয়ন পৰিষদ, অসমৰ কেন্দ্ৰীয় সমিতিয়ে যোৱা সাত আগষ্টত এক পত্ৰৰে মুখ্যমন্ত্ৰীক ছয় পৃষ্ঠাত চাওক

■ নিৰ্বাচিত সদস্যৰ অস্তিত্বক নস্যাৎ কৰি পঞ্চায়ত সচিব, জিআৰএছ-সভানেত্ৰীয়ে বনায় বছৰেকীয়া কামৰ খতিয়ান

## নসত্ৰ-বাঘেখাইতি পঞ্চায়তত পঞ্চায়তীৰাজ ব্যৱস্থা ধোঁৱাচাঙত



অগ্ৰদূত বাৰ্তা

**অভয়াপুৰী, ২৩ আগষ্ট ঃ** বঙাইগাঁও জিলাৰ টাপাট্ৰাৰী উন্নয়ন খণ্ডৰ অন্তৰ্গত নসত্ৰ-বাঘেখাইতি পঞ্চায়তত পঞ্চায়ত সচিব আৰু সভানেত্ৰীৰ স্বামীৰ দৌৰাত্ম্যৰ বাবে অতিষ্ঠ হৈছে সৰ্বসাধাৰণ জনতা। পঞ্চায়ত সচিব চিত্ত ৰায় আৰু সভানেত্ৰীৰ স্বামী নাছিৰ উদ্দিনে আন সদস্যৰ মতামতক কোনো গুৰুত্ব নিদি নিজৰ খেয়ালখুচিমতে আঁচনি ৰূপায়ণ কৰি অহাত ক্ষোভিত হৈ পৰিছে আন পঞ্চায়ত সদস্যসকল। অভিযোগ মতে, পঞ্চায়ত সচিব চিত্ত ৰায় আৰু জিআৰএছ ছহিদুল আলম আহমেদে পঞ্চায়ত কাৰ্যালয়ত প্ৰায়ে ছয় পৃষ্ঠাত চাওক

## বান বিভীষিকা বিষয়ক চিত্ৰাংকন প্ৰতিযোগিতাৰ ফল ঘোষণা

**গুৱাহাটী, ২৩ আগষ্ট ঃ** পৰেশ বৈশ্য ফাউণ্ডেছনে আয়োজন কৰা বান বিভীষিকা বিষয়ক অসম ভিত্তিক ডাকযোগে চিত্ৰাংকন প্ৰতিযোগিতাৰ ফল ঘোষণা কৰা হৈছে। সেই অনুসৰি, প্ৰথম স্থান ঃ কস্তুৰী প্ৰিয়ম ওজা (দক্ষিণহাটী, বৰপেটা), দ্বিতীয় স্থান ঃ ৰোদাশী ওজা (গান্ধীনগৰ, বৰপেটা), তৃতীয় স্থান দেৱাংশ নাথ (শ্ৰীমন্ত শংকৰ একাডেমী স্কুল, দিছপুৰ গুৱাহাটী), চতুৰ্থ স্থান গীতুমণি ডেকা নীলাচল জাতীয় বিদ্যালয়, কামাখ্যা গেট, গুৱাহাটী) আৰু পঞ্চম স্থান ঃ ৰঞ্জন ভৰালী (নীলাচল জাতীয় বিদ্যালয়, কামাখ্যা গেট, গুৱাহাটী)। বঁটাৰ বাবে নিৰ্বাচিতসকলক অহা ১৫ ছেপ্টেম্বৰত বিয়লি তিনি বজাত গুৱাহাটী প্ৰেছ ক্লাবত অনুষ্ঠিতব্য পৰেশ বৈশ্য ফাউণ্ডেছনৰ 'শিক্ষা ছয় পৃষ্ঠাত চাওক

## ৰঙিয়াত মহিলা-কিশোৰী-শিশুসহ পাঁচজন নিৰুদ্দেশ

অগ্ৰদূত বাৰ্তা

**ৰঙিয়া, ২৩ আগষ্ট ঃ** শেহতীয়াভাৱে ৰঙিয়া সমজিলাৰ পৰা এজনৰ পাছত এজন শিশু, কিশোৰী, মহিলা, পুৰুষ সন্ধানহীন হোৱাত ৰঙিয়াত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। আতংক বিয়পি পৰিছে সাধাৰণ ৰাইজৰ মাজত। নিৰুদ্দিষ্টসকলৰ মাজত বিবাহিতা তথা দুই-তিনি সন্তানৰ মাতৃ থকাটো অধিক চিন্তাৰ কাৰণ হৈছে। সন্দেহ কৰা মতে ৰঙিয়াক কেন্দ্ৰ কৰি এক বৃহৎ দুষ্টচক্ৰই বহিঃৰাজ্যলৈ মানৱ সম্পদ সৰবৰাহ কৰাৰ উদ্দেশ্যৰে ৰঙিয়াত থিতাপি লৈছে। আজি কিছুদিন ধৰি সন্ধানহীন হোৱাৰ কে'বাটাও ঘটনা পোহৰলৈ অহাৰ সময়তে ৰঙিয়াৰ পৰা একেটা পৰিয়ালৰে মহিলা-কিশোৰী- শিশুসহ পাঁচজন নিৰুদ্দেশ হোৱা ঘটনাই ছয় পৃষ্ঠাত চাওক

## জাগীৰোডত চোৰাং গৰুসহ বাহন জব্দ আৰক্ষীৰ ঃ বাহনৰ চালক, হেণ্ডিমেনৰ পলায়ন



অগ্ৰদূত বাৰ্তা

**জাগীৰোড, ২৩ আগষ্ট ঃ** মৰিগাঁও জিলাৰ জাগীৰোডৰ মাজেৰে পাৰ হৈ যোৱা ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথেৰে অব্যাহত আছে চোৰাং গৰুৰ সৰবৰাহ। ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ জাগীৰোডৰ লগতে ধৰমতুল, নেলী, শিলচাঙত বিভিন্ন সময়ত আৰক্ষীয়ে গৰুৰ চোৰাং সৰবৰাহকাৰীক আটক কৰাৰ লগতে জব্দ কৰি আহিছে চোৰাং গৰু আৰু বাহন। তৎসত্ত্বেও আৰক্ষীৰ এনে ভূমিকাক নস্যাৎ কৰি ৰাষ্ট্ৰীয় ঘাইপথৰ মাজেৰে চোৰাং ব্যৱসায়ীয়ে সৰবৰাহ কৰি আহিছে চোৰাং গৰু। আজি পুৱাৰ ভাগত জাগীৰোড আৰক্ষীয়ে অভিযান চলাই জাগীৰোডতক ৰাষ্ট্ৰীয় ঘাইপথত জব্দ কৰে চোৰাং গৰু সৰবৰাহৰ লগত জড়িত তিনিখন বাহন। আৰক্ষীৰ অভিযানৰ উমান পাই ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথতে বাহন এৰি পলায়ন কৰে চালক আৰু হেণ্ডিমেন। আৰক্ষীয়ে বাহন তিনিখনৰ পৰা উদ্ধাৰ কৰে ৪০টা চোৰাং গৰু। আৰক্ষীয়ে সদৰী কৰা মতে, নগাঁও জিলাৰ আমনিৰ পৰা গুৱাহাটী অভিমুখী গৈ আছিল এন এল-০১ এ ই-১৫২৭ নম্বৰৰ এখন ট্ৰাক আৰু আন দুখন সৰু বাহন। সৰু বাহন দুখনৰ নম্বৰ হৈছে ক্ৰমে এ এছ-০১ এছ চি-৬৫২৭ আৰু এ এছ-০১ টি চি-২৪৩৬।

■ ডিজিটেল ইণ্ডিয়াৰ যুগতো এজাক বৰষুণ হোৱাৰ পাছতে পথছোৱাত একাঁঠু বোকা পানী হোৱাৰ অভিযোগ

## পূৱ নলবাৰীৰ কেন্দুকুছিত এটা পথক লৈ ওলাই আহিল ৰাইজ



অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ২৩ আগষ্ট ঃ** নলবাৰী জিলাৰ পূৱ নলবাৰী কেন্দুকুছিৰ এটি পথক লৈ ওলাই আহিল পুৰুষ-মহিলা। এজাক বৰষুণ যোৱাৰ পাছত পথটোত একাঁঠু পৰ্যন্ত পানী হোৱাৰ পৰিপ্ৰেক্ষিতত আজি স্থানীয় পুৰুষ-মহিলা ৰাজপথলৈ ওলাই আহে। উল্লেখ্য যে বিগত ১০ বছৰ ধৰি ৰাস্তাটোৰ কাৰণে ৰাইজে ভুগি আহিছে নৰক যন্ত্ৰণা। শেষত উপায়ান্তৰ হৈ ৰাজপথলৈ ওলাই আহিল ৰাইজ। সততে কোৱা হয় সম্প্ৰতি ডিজিটেল ইণ্ডিয়াৰ যুগ। কিন্তু এই ডিজিটেল ইণ্ডিয়াৰ যুগতে নলবাৰী চহৰৰ একেবাৰে নিকটৱৰ্তী গাঁও কেন্দুকুছিত এটা পথক লৈ নৰক যন্ত্ৰণা ভুগিছে ৰাইজে। পঞ্চায়তৰ প্ৰাক্তন সভাপতিক বিগত পাঁচ বছৰ ছয় পৃষ্ঠাত চাওক

**তেজপুৰৰ সাংবাদিকৰ শেষ শ্ৰদ্ধা জ্ঞাপন বিভিন্ন ব্যক্তি-সংগঠনৰ শোক প্ৰকাশ**

## তেজপুৰৰ সাংবাদিক, শোণিতপুৰ জাৰ্ণেলিষ্ট ইউনিয়নৰ কোষাধ্যক্ষ নিৰঞ্জন আগৰৱালাৰ দেহাৱসান



ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ২৩ আগষ্ট ঃ** তেজপুৰৰ এগৰাকী জ্যেষ্ঠ সাংবাদিক, শোণিতপুৰ জাৰ্ণেলিষ্ট ইউনিয়নৰ কোষাধ্যক্ষ নিৰঞ্জন আগৰৱালাৰ আজি বিয়লি চাৰি বজাত তেজপুৰৰ টাইমছ হাস্পতালত বৃক্কজনিত ৰোগত আক্ৰান্ত হৈ ৬৮ বছৰ বয়সত দেহাৱসান ঘটাত তেজপুৰত শোকৰ ছাঁ পৰিছে। উল্লেখ্য যে ১৯৯০ দশকতে হাৰিয়ানাৰ পৰা তেজপুৰলৈ আহি তেজপুৰ চহৰৰ এন বি ৰোডত টায়াৰৰ ব্যৱসায় কৰি তেজপুৰকেই নিজৰ স্থায়ী স্থান হিচাপে গণ্য কৰি আপোন ভূমি হিচাপে বসতি স্থাপন কৰি এগৰাকী তেজপুৰীয়া হৈ পৰা প্ৰয়াত আগৰৱালা 'হিন্দী চেণ্টিনেল' কাকতৰ তেজপুৰৰ প্ৰতিনিধি হিচাপে সংবাদ সেৱাত জড়িত হৈ আছিল। উল্লেখ্য যে সংবাদ সেৱাত জড়িত হোৱাৰ সুবাদতে শোণিতপুৰ জাৰ্ণেলিষ্ট ছয় পৃষ্ঠাত চাওক


## নগাঁৱত হেৰ'ইনসহ ধৃত দুই ড্ৰাগছ মাফিয়া

**ড্ৰাগছমুক্ত নগাঁও সুদূৰ পৰাহত!**

ষ্টাফ ৰিপ'ৰ্টাৰ

**নগাঁও, ২৩ আগষ্ট ঃ** নগাঁৱত নিষিদ্ধ ড্ৰাগছৰ সৰবৰাহ-ৰমৰমীয়া বেহা অব্যাহত আছে। নগাঁও আৰক্ষীয়ে বিগত পাঁচ বছৰ ধৰি জিলাখনক ড্ৰাগছমুক্ত কৰিব বুলি বাৰম্বাৰ হুংকাৰ দি আহিছে যদিও ড্ৰাগছ নিৰ্মূলত মুঠেই সফল হ'ব পৰা নাই। অৱশ্যে এই সময়চোৱাত নগাঁও আৰক্ষীয়ে কে'বাশ ড্ৰাগছ মাফিয়া-সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰাৰ লগতে বুজন পৰিমাণৰ বিভিন্ন ড্ৰাগছ জব্দ কৰিবলৈ সক্ষম হোৱা পৰিলক্ষিত হৈছে। তৎসত্ত্বেও আৰক্ষী-প্ৰশাসনক ছয় পৃষ্ঠাত চাওক

## হোজাই-কাৰ্বি আংলং সীমান্তৱৰ্তী দীঘলপানী নৈত মাছ ধৰিবলৈ গৈ নিখোঁজ ডবকাৰ যুৱক



অগ্ৰদূত বাৰ্তা

**যমুনামুখ, ২৩ আগষ্ট ঃ** হোজাই-কাৰ্বি আংলং সীমান্তৱৰ্তী দীঘলপানী নৈত মাছ ধৰিবলৈ গৈ ডবকাৰ এজন যুৱক নিখোঁজ হোৱা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। নিখোঁজ হোৱা যুৱকজন ডবকাৰ যমুনাগাঁৱৰ মুজাক্কিৰ হুছেইন বুলি জানিব পৰা গৈছে। তথ্য অনুসৰি আজি পুৱাৰ ভাগত মুজাক্কিৰ হুছেইনে আন কে'বাজনো সমনীয়াৰ স'তে দীঘলপানী নৈত মাছ ধৰিবলৈ যায়। মাছ ধৰা শেষ কৰি নৈ পাৰ হ'বলৈ লোৱাৰ সময়তে হঠাৎ পানীৰ সোঁতত উটি যায় মুজাক্কিৰ নামৰ যুৱকজন। ইয়াৰ পাছতে স্থানীয় ৰাইজে নৈখনত অনুসন্ধান আৰম্ভ কৰে যদিও যুৱকজনৰ কোনো সন্ধান লাভ কৰিবলৈ সক্ষম নহ'ল। ঘটনাৰ ছয় পৃষ্ঠাত চাওক

**অসমীয়া ভাষা সাহিত্যলৈ অনবদ্য অৱদানৰ বাবে স্বীকৃতি**

## সাহিত্যিক জ্যোতিপ্ৰসাদ শইকীয়ালৈ ড° ময়িদুল ইছলাম বড়া সাহিত্য বঁটা



বিশেষ সংবাদদাতা

**শিৱসাগৰ, ২৩ আগষ্ট ঃ** বৰ অসমৰ প্ৰথমগৰাকী ডক্টৰেট তথা প্ৰথমগৰাকী অসমীয়া উপাচাৰ্য ড° ময়িদুল ইছলাম বড়া সাহিত্য বঁটা-২০২৬ৰ বাবে নিৰ্বাচিত হৈছে অসমৰ এজন বিশিষ্ট সাহিত্যিক তথা যোৰহাট জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জ্যোতিপ্ৰসাদ শইকীয়া। ড° ময়িদুল ইছলাম বড়া স্মৃতিৰক্ষা সমিতি আৰু অৰুণোদয় সাহিত্য সভাৰ আজি শিৱসাগৰ প্ৰেছ ক্লাবত অনুষ্ঠিত এখন যুটীয়া সভাত বঁটা নিৰ্বাচক সমিতিৰ সভাপতি প্ৰেম গগৈয়ে এই বঁটাৰ বাবে ড° জ্যোতিপ্ৰসাদ শইকীয়াৰ ছয় পৃষ্ঠাত চাওক

'যোদ্ধা'ৰে আন্তঃৰাষ্ট্ৰীয় শ্ৰেষ্ঠ অভিনেতাৰ সন্মান, অসমলৈ গৌৰৱ কঢ়িয়ালে প্ৰতিভাবান যুৱকে

## শাৰীৰিক প্ৰতিবন্ধকতাক প্ৰত্যাহ্বান জনাই বিশ্ব মঞ্চত তিনিচুকীয়াৰ নিমিষজিৎ ফুকনৰ জয়জয়কাৰ



অগ্ৰদূত বাৰ্তা

**তিনিচুকীয়া, ২৩ আগষ্ট ঃ** ইচ্ছাশক্তিৰ আগত শাৰীৰিক অক্ষমতা যে একো নহয়, সেই কথা পুনৰবাৰ প্ৰমাণ কৰি দেখুৱালে তিনিচুকীয়াৰ এজন যুৱকে। জীৱন যুঁজত যুঁজি যি জয়ৰ পতাকা উৰুৱালে, সেই জয়ে আজি সমগ্ৰ অসমকে গৌৰৱান্বিত কৰিছে। তিনিচুকীয়া চহৰৰ চলিহানগৰৰ বাসিন্দা যতীন ফুকন আৰু ৰূপালী ফুকনৰ বিশেষভাৱে সক্ষম পুত্ৰ নিমিষজিৎ ফুকন ওৰফে নিকিয়ে নিজৰ অভিনয় প্ৰতিভাৰে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত অসমৰ নাম উজ্জ্বলাবলৈ সক্ষম হৈছে। ছয় পৃষ্ঠাত চাওক

Advertisement Service
বিজ্ঞাপন সেৱা
'দৈনিক অগ্ৰদূত'ত ৰঙীণ
(Display- Clour, Black & white)
আৰু শ্ৰেণীবদ্ধ বিজ্ঞাপন
(Classified) প্ৰকাশৰ বাবে
তলৰ নম্বৰত যোগাযোগ কৰক।
9957222140 (WhatsApp), 98648 97175
বিজ্ঞাপন বিভাগ, দৈনিক অগ্ৰদূত
অগ্ৰদূত ভৱন, দিছপুৰ-৬

দৈনিক অগ্ৰদূত
গুৱাহাটী, সোমবাৰ, ৬ ভাদ ১৯৩৩ ভাস্কৰাব্দ ২৪ আগষ্ট, ২০২৬



## নাম সলনিয়েই যথেষ্ট নে?

**উচ্চতম** ন্যায়ালয়ে মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আইন (এমজি এনৰেগা)ক এখন 'ভাল আৰু ফলপ্ৰসূ আঁচনি' বুলি অভিহিত কৰাটো নিঃসন্দেহে তাৎপৰ্যপূৰ্ণ। গ্ৰাম্য দৰিদ্ৰ, কৃষিশ্ৰমিক আৰু নিবনুৱাৰ জীৱন-জীৱিকাৰ স'তে জড়িত এই আঁচনিখনৰ বিষয়ে সৰ্বোচ্চ আদালতৰ এনে পৰ্যবেক্ষণে ভাৰতৰ কল্যাণমূলক ৰাষ্ট্ৰৰ দায়িত্বৰ প্ৰশ্নটো পুনৰ চৰ্চালৈ আনিছে। ২০০৫ত তদানীন্তন ইউপিএ চৰকাৰে সংসদত গৃহীত কৰা এমজি এনৰেগা ভাৰতৰ সামাজিক নীতিৰ ইতিহাসত এক যুগান্তকাৰী পদক্ষেপৰূপে চিহ্নিত হৈছিল। ২০০৬ৰ পৰা ইয়াৰ ৰূপায়ণ আৰম্ভ হয়। এই আইনেৰে গ্ৰাম্য পৰিয়ালৰ প্ৰাপ্তবয়স্ক সদস্যই অদক্ষ শাৰীৰিক কাম বিচাৰিলে বছৰত কমেও এশ দিনৰ মজুৰিভিত্তিক নিয়োগৰ আইনী নিশ্চয়তা প্ৰদান কৰিছিল। এইখিনিতেই এমজি এনৰেগাৰ মৌলিক বিশেষত্ব যে ই কেৱল চৰকাৰী সাহায্য বা অনুদানৰ আঁচনি নাছিল; ই আছিল কামৰ আইনী অধিকাৰ। কোনো গ্ৰাম্য পৰিয়ালে কাম বিচাৰিলে চৰকাৰৰ ওপৰত কাম দিয়াৰ দায়িত্ব আছিল। কাম দিব নোৱাৰিলে নিবনুৱা ভাট্টাৰ ব্যৱস্থাও আছিল; অৰ্থাৎ দৰিদ্ৰ মানুহক চৰকাৰৰ দয়া গ্ৰহণ কৰা মানুহ হিচাপে নহয়, নিজৰ শ্ৰমৰ বিনিময়ত আয় কৰাৰ অধিকাৰ থকা নাগৰিক হিচাপে স্বীকৃতি দিয়া হৈছিল। ইউপিএ চৰকাৰৰ কাৰ্যকালত কৃষক আৰু গ্ৰাম্য দৰিদ্ৰৰ বাবে গ্ৰহণ কৰা এই নীতিৰ গুৰুত্ব সেয়েহে অস্বীকাৰ কৰিব নোৱাৰি। ২০০৮ত কৃষকৰ ঋণৰ বোজা লাঘৱ কৰিবলৈ বৃহৎ পৰিসৰত কৃষি ঋণ ৰেহাইৰ ব্যৱস্থা কৰা হৈছিল। কৃষকৰ উৎপাদন ব্যয় আৰু আয়ৰ মাজৰ ব্যৱধান কমাবলৈ ন্যূনতম সহায়ক মূল্যবৃদ্ধিৰ নীতিও গ্ৰহণ কৰা হৈছিল। খাদ্য সুৰক্ষা, গ্ৰাম্য পথ, শিক্ষা, স্বাস্থ্য আৰু গ্ৰাম্য আন্তঃগাঁথনিৰ ক্ষেত্ৰতো একাধিক পদক্ষেপ গ্ৰহণ কৰা হৈছিল। এমজি এনৰেগাই বিশেষকৈ কৃষিশ্ৰমিক, ভূমিহীন আৰু গ্ৰাম্য নিবনুৱা পৰিয়ালৰ বাবে এক সুৰক্ষা-কৱচৰ ভূমিকা পালন কৰিছিল। খৰাং, বান, কৃষিৰ অথবা স্থানীয় কৰ্মসংস্থাপনৰ সংকটৰ সময়ত এই আঁচনিয়ে পৰিয়ালৰ হাতত নগদ আয়ৰ এটা নিশ্চিত পথ মুকলি কৰিছিল। পুখুৰী খন্দা, জল সংৰক্ষণ, মাটি সংৰক্ষণ, গ্ৰাম্য পথ আদি কামৰ জৰিয়তে একে সময়তে গ্ৰাম্য সম্পদ সৃষ্টি কৰা হৈছিল। গ্ৰাম্য মহিলাৰ ক্ষেত্ৰতো ইয়াৰ প্ৰভাৱ আছিল উল্লেখনীয়। নিজৰ শ্ৰমৰ বিনিময়ত মজুৰি লাভ কৰাৰ সুযোগে বহু মহিলাৰ অৰ্থনৈতিক আত্মবিশ্বাস বৃদ্ধি কৰিছিল। অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু সমাজৰ পিছপৰা শ্ৰেণীৰ লোকেও ইয়াৰ পৰা কৰ্মসংস্থাপনৰ সুযোগ লাভ কৰিছিল। অৱশ্যে এমজি এনৰেগাও ত্ৰুটিমুক্ত নাছিল। মজুৰি প্ৰদানত বিলম্ব, ভুৱা মাষ্টাৰ ৰোল, দুৰ্নীতি, নিম্নমানৰ কাম আৰু প্ৰশাসনিক ব্যৰ্থতাৰ অভিযোগ সময়ে সময়ে উঠিছিল; কিন্তু আঁচনিখনৰ প্ৰয়োগত ত্ৰুটি থকা আৰু ইয়াৰ মূল নীতি ভুল হোৱাটো এক কথা নহয়। ত্ৰুটি থাকিলে সংস্কাৰ কৰিব লাগে, অধিক স্বচ্ছতা আৰু উত্তৰদায়িতা আনিব লাগে; কিন্তু দৰিদ্ৰৰ কামৰ অধিকাৰ দুৰ্বল কৰা উচিত নহয়। ইয়াৰ মাজতেই বৰ্তমান চৰকাৰৰ সিদ্ধান্তটোৱে লৈ বিতৰ্কৰ সৃষ্টি হৈছে। সম্প্ৰতি এমজি এনৰেগাৰ আইন বাতিল কৰি ইয়াৰ ঠাইত 'বিকশিত ভাৰত-গেৰাণ্টী ফৰ ৰোজগাৰ এণ্ড আজীৱিকা মিছন (গ্ৰামীণ)' বা ভি বি—জি ৰাম জি আইন কাৰ্যকৰী কৰা হৈছে। চৰকাৰৰ মতে নতুন আইনে বছৰি এশ দিনৰ পৰিবৰ্তে ১২৫ দিনৰ মজুৰিভিত্তিক কৰ্মসংস্থাপনৰ আইনী নিশ্চয়তা দিছে; কিন্তু ইয়াতেই মূল প্ৰশ্নটো আহি পৰে— দিনৰ সংখ্যা বৃদ্ধি কৰিলেই কৰ্মসংস্থাপনৰ অধিকাৰ শক্তিশালী হয়নে?

এমজি এনৰেগাৰ মূল শক্তি আছিল ইয়াৰ চাহিদাভিত্তিক চৰিত্ৰ। মানুহে কাম বিচাৰিলে চৰকাৰে কাম দিয়াৰ দায়িত্ব ল'ব লাগিছিল। কিন্তু নতুন ব্যৱস্থাই অধিক দিনৰ কথা ক'লেও ইয়াৰ কেন্দ্ৰীভূত কাঠামো, ৰাজ্যৰ ওপৰত বৃদ্ধি পোৱা আৰ্থিক দায়িত্ব আৰু কামৰ বাস্তৱ সুযোগক লৈ ইতিমধ্যে ৰাজনৈতিক বিতৰ্ক আৰম্ভ হৈছে। বিৰোধী পক্ষই অভিযোগ কৰিছে যে নতুন ব্যৱস্থাই পূৰ্বৰ অধিকাৰভিত্তিক পৰিগ্ৰাণিক দুৰ্বল কৰি ৰাজ্যসমূহৰ ওপৰত অধিক আৰ্থিক বোজা জাপি দিছে। আন এটা বিতৰ্কিত দিশ হৈছে নাম সলনি। এম জি এনৰেগাৰ নামৰ স'তে মহাত্মা গান্ধীৰ নাম জড়িত আছিল। নতুন আইনত সেই নাম আঁতৰাই 'বিকশিত ভাৰত'ক কেন্দ্ৰীয় স্থান দিয়া হৈছে। চৰকাৰে ইয়াক নতুন ভাৰতৰ উন্নয়নমূলক দৃষ্টিভংগীৰ প্ৰতীক বুলি ব্যাখ্যা কৰিছে; কিন্তু সমালোচকৰ প্ৰশ্ন— এখন সফল সামাজিক আঁচনিৰ নাম সলনি কৰাটো কিমান প্ৰয়োজনীয় আছিল? নাম সলনিৰ ৰাজনীতিৰ সলনি আঁচনিখনৰ অধিকাৰভিত্তিক চৰিত্ৰ আৰু কাৰ্যকৰিতা অধিক শক্তিশালী কৰাটোহে অগ্ৰাধিকাৰ হোৱা উচিত নাছিলনে?

এখন চৰকাৰৰ আঁচনিৰ নাম সলনি কৰাটো সহজ; কিন্তু দৰিদ্ৰ মানুহৰ জীৱনৰ অনিশ্চয়তা দূৰ কৰাটো কঠিন। সেয়েহে নতুন আইনে ১২৫ দিনৰ কথা ক'লেই নহ'ব, গাঁৱৰ মানুহে সঁচাকৈয়ে কাম বিচাৰিলে কাম পাইছেনে? সময়মতে মজুৰি পাইছেনে আৰু কাম নাপালে তেওঁলোকৰ আইনী প্ৰতিকাৰ আগৰ দৰে শক্তিশালী হৈছেনে? এই প্ৰশ্নবোৰৰ উত্তৰ দিব লাগিব। ইউপিএ চৰকাৰৰ সকলো নীতি সফল আছিল বুলি ক'ব নোৱাৰি। সেই সময়তো মূল্যবৃদ্ধি, দুৰ্নীতি, কৃষকৰ সংকট আৰু নিবনুৱা সমস্যাৰ দৰে বহু গুৰুতৰ সমস্যা আছিল। তথাপি এমজি এনৰেগাৰ দৰে পদক্ষেপৰ ঐতিহাসিক গুৰুত্ব অস্বীকাৰ কৰিব নোৱাৰি। ই দৰিদ্ৰ মানুহক চৰকাৰৰ দুৱাৰলৈ লৈ গৈছিল, ভিক্ষা বিচাৰিবলৈ নহয়, কাম বিচাৰিবলৈ। সেয়েহে আজিৰ প্ৰশ্নটো কেৱল এমজি এনৰেগাৰ নাম সলনি হ'ল নে নহ'ল, সেইটো নহয়। প্ৰশ্নটো হ'ল— নতুন ব্যৱস্থাই দৰিদ্ৰৰ অধিকাৰ আগতকৈ শক্তিশালী কৰিলে নে কেৱল আঁচনিখনৰ নাম আৰু কাঠামো সলনি কৰিলে? ভাৰতৰ উন্নয়ন সঁচাকৈয়ে অন্তৰ্ভুক্তিমূলক হ'ব লাগিলে মহানগৰৰ অৰ্থনৈতিক বৃদ্ধি আৰু বৃহৎ উদ্যোগৰ লগতে গাঁৱৰ কৃষক, কৃষিশ্ৰমিক আৰু নিবনুৱাৰ হাতত কাম আৰু আয়ৰ নিশ্চয়তা থাকিব লাগিব। কাৰণ দৰিদ্ৰৰ শ্ৰমৰ মৰ্যাদা ৰক্ষা কৰাটো কোনো চৰকাৰৰ দয়া নহয়, এয়া এখন গণতান্ত্ৰিক কল্যাণমূলক ৰাষ্ট্ৰৰ দায়িত্ব।

## খোলা মঞ্চ

### যুৱ সমাজক স্বাৱলম্বী কৰি তুলিবলৈ চৰকাৰৰ সদিচ্ছা থকা বুলি ভাবেনে?



**গণতান্ত্ৰিকভাৱে** নিৰ্বাচিত এখন চৰকাৰে নিজৰ দেশ বা ৰাজ্যৰ যুৱক-যুৱতীসকলক স্বাৱলম্বী কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা উচিত। অন্যান্য কিছুমান সমস্যাৰ দৰে নিবনুৱা সমস্যাটোও আমাৰ দেশৰ এটা জটিল সমস্যা। নিবনুৱা সমস্যাৰে জৰ্জৰিত এখন দেশ কেতিয়াও উন্নত দেশৰ তালিকাভুক্ত হ'ব নোৱাৰে। আমাৰ দেশত আজিকালি শিক্ষাগত অৰ্হতাপূৰ্ণ যুৱক-যুৱতীৰ সংখ্যা গণি শেষ কৰিব নোৱাৰি। কিবা এটা সংস্থাপন আশা কৰি পঢ়া-শুনা কৰি শেষ কৰাৰ পাছত একো ভাল সংস্থাপন নাপাই হতাশাত ভাগি পৰা যুৱক-যুৱতীসকলৰ অনিশ্চিত ভৱিষ্যতৰ কথা ভাবিলে সঁচাকৈ বৰ দুখ লাগে। চৰকাৰী বা বেচৰকাৰী খণ্ডত চাকৰি কৰি স্বাৱলম্বী হোৱাৰ বাহিৰে আন ধৰণে স্বাৱলম্বী হোৱাৰ কথা খুউব কমসংখ্যক যুৱক-যুৱতীয়েহে চিন্তা কৰে। বিশেষকৈ আমাৰ অসমীয়া যুৱক- যুৱতীৰ মাজত নিজস্বভাৱে কিবা এটা কৰি স্বাৱলম্বী হোৱাৰ উৎসাহ বা আগ্ৰহ বহু পৰিমাণে কম। যুৱক-যুৱতীসকল উচ্চশিক্ষিত হ'লেই, কিবা চাকৰি এটা নাপালেই যে জীৱনটো অথলে যাব তেনে মানসিকতা গ্ৰহণ কৰা মুঠেই উচিত নহয়। চাকৰিৰ বাদেও স্বাৱলম্বী হোৱা অন্যান্য পথবোৰ গ্ৰহণ কৰিও নিবনুৱা জীৱনৰ অৱসান ঘটাব পাৰি। যুৱ সমাজক নিবনুৱা জীৱনৰ পৰা মুক্তি দি স্বাৱলম্বী কৰাৰ কাৰণে চৰকাৰখনে কিছু পদক্ষেপ নোলোৱা নহয়। চৰকাৰে যুৱ সমাজক স্বাৱলম্বী কৰাৰ কাৰণে আৰু অধিক পদক্ষেপ গ্ৰহণ কৰাৰো কিন্তু স্থল আছে। এই ক্ষেত্ৰত চৰকাৰে যুৱ সমাজক কৃষিক্ষেত্ৰ, উদ্যোগ, ক্ষুদ্ৰ উদ্যোগ আদিত নিযুক্ত হৈ স্বাৱলম্বী হোৱাৰ বাবে আকৰ্ষণীয় পদক্ষেপ গ্ৰহণ কৰিব পাৰে ।মাছ উৎপাদন, কণী উৎপাদন, মাংস উৎপাদনৰ সুপৰিকল্পিত ব্যৱস্থা গ্ৰহণ কৰি চৰকাৰে যুৱ সমাজক স্বাৱলম্বী হোৱাৰ পথ দেখুৱাব পাৰে।

**প্ৰদীপ পৰাশৰ**

অসমৰ চাহ উদ্যোগৰ ক্ষেত্ৰত হৈ থকা কিছুমান প্ৰশাসনীক আৰু বিত্তীয় বিশৃংখলতা দূৰ কৰি চাহৰ লগত জৰিত ক্ষুদ্ৰ চাহ খেতিয়কসকল অধিক লাভান্বিত হোৱাৰ বাবে চৰকাৰে বিহিত পদক্ষেপ গ্ৰহণ কৰা উচিত। অসমত থলুৱাভাৱে উৎপন্ন কিছুমান পণ্য সামগ্ৰীৰ বজাৰত চাহিদা থকাৰ পাছতো সেইবোৰৰ উৎপাদনত চৰকাৰৰ তৰফৰ পৰা সু-ব্যৱস্থা কৰি নিদিয়াৰ ফলত সেইবোৰ ক্ষেত্ৰত জৰিত হ'ব খোজা বা হোৱা যুৱক- যুৱতীসকল থমকি ৰ'ব লগা হয়। উদাহৰণ স্বৰূপে আমাৰ এৰি, পাট, মূগা কাপোৰ, কাঁহ-পিতলৰ বাচন-বৰ্তন, গামোচা আদিৰ উৎপাদন কৰা উদ্যোগ বোৰলৈ চৰকাৰী অনুদান, সঠিক বজাৰৰ ব্যৱস্থা কৰি দিলে বহুত যুৱক-যুৱতীয়ে কেৱল চৰকাৰী চকৰিলৈ আশা পালি বহি নাথাকি এনেবোৰ উদ্যোগ আৰম্ভ কৰিয়েই স্বাৱলম্বনৰ পথ বাচি ল'ব। মুঠতে চৰকাৰৰ সদিচ্ছা আৰু আমাৰ নিবনুৱা যুৱক-যুৱতীসকলৰ অন্তৰত জন্ম হোৱা উদ্যোগ, কৃষি অথবা বাণিজ্যৰ দ্বাৰা স্বাৱলম্বী হৈ সমাজত প্ৰতিষ্ঠা লাভ কৰাৰ স্পৃহাই যুৱক-যুৱতীসকলক স্বাৱলম্বী হৈ সফল জীৱন যাপন কৰাত কোনেও বাধা দিব নোৱাৰে।

*ফোন : ৯৪৩৫৩৬৪৭৮০*

•••স্বাধীনতাৰ ৭৯ বছৰৰ পাছতো ৭০-৭৫ শতাংশ জনতাই কেৱল দুবেলা দুমুঠি ভাতৰ বাবে উদয়াস্ত সংগ্ৰাম কৰি থাকিব লগা হোৱা অৱস্থা সভ্যতা জোখাৰ মাপকাঠি নহয় অথবা হ'ব নালাগে কিম্বা হোৱা উচিত নহয়। ই বিশ্বৰ 'ষষ্ঠ সৰ্ববৃহৎ অৰ্থনীতি' আৰু 'মাদাৰ অৱ ডেম'ক্ৰেচি'ৰ বাবে সন্মান আৰু গৰ্বৰ বিষয়ো নহয়। •••

# 'বুলড'জাৰ' এক মানসিক ৰোগৰ নাম



**নিৰ্মাণ** হৈছে সভ্যতাৰ সোপান। নিৰ্মাণৰ মাজেদিয়েই মানুহে তিল তিলকৈ সভ্যতা গঢ়ি তুলিছে। তাকে আমি উন্নয়ন বুলি কওঁ। আকৌ, উন্নয়নৰ দোহাই দি ধ্বংসও চলাই যোৱা হৈছে। উন্নয়ন সদায় প্ৰযুক্তিৰ বোকোচাত উঠিয়েই আগবাঢ়ে। আকৌ এই প্ৰযুক্তিয়ে ক্ষমতাশালী শ্ৰেণীটোৰ হাতো শক্তিশালী কৰে। সাম্প্ৰতিক কালত সেই শক্তিৰ অন্যান্য দৃশ্যমান শক্তিবিলাকৰ ভিতৰত এটা হৈছে— বুলড'জাৰ। এই বুলড'জাৰ সৃষ্টি আৰু ধ্বংস—দুয়োটাৰে প্ৰতীক। এহাতে, ই নিৰ্মাণ কাৰ্যত সহায় কৰে আৰু আনহাতে, স্বেচ্ছাচাৰী ক্ষমতাৰ ইচ্ছা সাপেক্ষে, মানুহৰ জীৱন আৰু জীৱিকাৰ সম্বল বিধ্বস্তও কৰি দিয়ে।

আগতে বুলড'জাৰক কেতিয়াও ধ্বংসৰ প্ৰতীক হিচাপে দেখা নাছিলো; উন্নয়নৰ প্ৰতীক হিচাপেই চিনি পাইছিলো। নতুন ৰাস্তা, হাস্পতাল, বিদ্যালয়-মহাবিদ্যালয়, দলং, নলা-নৰ্দমা এই সকলো কামত বুলড'জাৰৰ ভূমিকা প্ৰশংসনীয়। বুলড'জাৰৰ দৰে যন্ত্ৰবিলাক ওলোৱাৰ আগতে শ্ৰমিকসকলে সেই কঠিন আৰু কঠোৰ কামবোৰ কৰিব লগা হৈছিল। বহু সময়ত হাতীক কামত লগোৱা হৈছিল। জীৱিকাৰ তাড়নাত সেইবোৰ কাম কৰিবলৈ গৈ বহু শ্ৰমিকে মৃত্যুবৰণো কৰিব লগা হৈছিল। বহু শ্ৰমিক ঘূণীয়াও হৈছিল; কিন্তু বুলড'জাৰে তেওঁলোকৰ শ্ৰম বহু পৰিমাণে সহজসাধ্য কৰি তুলিছিল। সেই কাৰণে এই যন্ত্ৰ আমাৰ কাৰণে কেতিয়াও ভীতিৰ কাৰণ হৈ উঠা নাছিল। বিজ্ঞানৰ আৱিষ্কাৰবিলাকৰ ভিতৰত এই যন্ত্ৰক ব্যতিক্ৰম বুলি ধাৰণা হৈছিল। ধাৰণা এই কাৰণেই হৈছিল যে বুলড'জাৰক কেতিয়াও বিজ্ঞানে আৱিষ্কাৰ কৰা আন বহুবোৰ প্ৰযুক্তিৰ দৰে মানুহৰ বিৰুদ্ধে ব্যৱহাৰ কৰা দেখা নাছিলো। সেই কাৰণেই ভাবিছিলো, প্ৰযুক্তিৰ নিৰ্মাণ কেৱল মানুহৰ হিতৰ বাবেই।

কিন্তু এই ধাৰণাৰ কোনো ঐতিহাসিক ভিত্তি নাছিল। পিছত ইতিহাস পঢ়ি জানিব পাৰিলো যে বুলড'জাৰ কেৱল নিৰ্মাণৰ হাতিয়াৰেই নহয়, ই ধ্বংসৰো প্ৰতীক। আমেৰিকাৰ ১৯ শতিকাৰ গৃহযুদ্ধৰ পাছত যেতিয়া কৃষ্ণাংগ লোকসকলে নাগৰিক অধিকাৰ প্ৰতিষ্ঠাৰ সংগ্ৰাম আৰম্ভ কৰে, তেতিয়া তেওঁলোকক ভয় দেখুৱাবলৈ আৰু গণতান্ত্ৰিক অধিকাৰ কাঢ়ি নিবলৈ সংগঠিত সন্ত্ৰাসৰ ভাষাত 'বুলড'জিং' শব্দটো ব্যৱহৃত হৈছিল। এই নামৰ আৰ্হিতে, পাছত নতুনকৈ আৱিষ্কৃত বিশাল আৰু বহুমুখী নিৰ্মাণ যন্ত্ৰৰ নাম বুলড'জাৰ ৰখা হয়। গতিকে ইয়াৰ পৰা এই কথা স্পষ্ট যে এই প্ৰযুক্তিবিধ আৱিষ্কৃত হোৱাৰ আগতেই বুলড'জাৰক শক্তি প্ৰদৰ্শন আৰু অৱদমনৰ এক ৰূপক হিচাপে ব্যৱহাৰ কৰা হৈছিল।

কুৰি শতিকাত এই যন্ত্ৰ যুদ্ধৰ এক অবিচ্ছেদ্য অংগ হৈ পৰে। দ্বিতীয় বিশ্ব যুদ্ধত বিমান ঘাটি, পথ-দলং আৰু সামৰিক ঘাটি নিৰ্মাণ কাৰ্যত এই যন্ত্ৰক বহুলভাৱে ব্যৱহাৰ কৰা হৈছিল। বুলড'জাৰৰ জৰিয়তে, খুব কম সময়ৰ ভিতৰতে যুদ্ধৰ আৱশ্যকীয় আন্তঃগাঁথনি নিৰ্মাণ সম্ভৱ হৈ উঠা হেতুকে, বহু অঞ্চলত যুদ্ধৰ গতিপথেই সলনি হৈ গৈছিল। এই একেটা যন্ত্ৰৰ সহায়ত জংঘল পৰিষ্কাৰ কৰা হয়, একো একোখন গাঁও মাটিত বিলীন কৰি দিয়া হয়। এই প্ৰযুক্তি তেতিয়া নিৰ্মাণৰ নহয়, সামৰিক আধিপত্যৰো অপৰিহাৰ্য হাতিয়াৰ হৈ পৰে।



**দ্বিপেন কাকতি**

আজিও সেই ইতিহাসে চৰিত্ৰ সলোৱা নাই। পেলেষ্টাইনত ধ্বংসপ্ৰাপ্ত ঘৰ-বাৰী, যুদ্ধ বিধ্বস্ত অঞ্চলত নিশ্চিহ্ন হৈ যোৱা জনবসতি অঞ্চল অথবা বিশ্বৰ বিভিন্ন দেশত বলপূৰ্বক উচ্ছেদৰ ঘটনাত বুলড'জাৰ এক সহজ-দৃষ্ট বিনাশৰ প্ৰতীক। ক'ৰবাত নিৰাপত্তাৰ নামত, ক'ৰবাত উন্নয়নৰ নামত, ক'ৰবাত আকৌ আইন প্ৰয়োগৰ নামত মানুহৰ ঘৰ-দুৱাৰ ভাঙি পেলোৱা হয়। যন্ত্ৰটো একেই থাকে, সলনি হয় কেৱল ব্যৱহাৰকাৰীৰ উদ্দেশ্য।

ভাৰতৰ সাম্প্ৰতিক ৰাজনীতিতো বুলড'জাৰ এক প্ৰতীকত পৰিণত হৈছে। উত্তৰ প্ৰদেশ, অসম প্ৰমুখ্যে ভাৰতৰ বিভিন্ন বিজেপি শাসিত ৰাজ্যত চৰকাৰী গোপন এজেণ্ডা ৰূপায়ণত বুলড'জাৰ ব্যৱহাৰ কৰা হৈছে। একাধিক ৰাজ্যত নিৰ্দিষ্ট সম্প্ৰদায়ৰ লোক 'অপৰাধী বুলি প্ৰমাণিত হোৱাৰ আগতেই', তেওঁলোকৰ স্থাৱৰ সম্পত্তিৰ ওপৰত বুলড'জাৰ চলাই দিয়াৰ উদাহৰণ আছে। বহু অপৰাধ আদালতত সাব্যস্ত হোৱাৰ আগতেই প্ৰশাসনৰ বিচাৰত নিৰ্দিষ্ট লোকক দোষী বুলি ঘোষণা কৰি তেওঁৰ ঘৰ-দুৱাৰ, দোকান-পোহাৰ ভাঙি পেলোৱা হৈছে। এইবিলাক সচৰাচৰ নিৰ্দিষ্ট সম্প্ৰদায়ৰ লোকৰ ক্ষেত্ৰতহে কৰা দেখা যায়। ঠিক সেইদৰে প্ৰতিবাদী মানুহৰ সা-সম্পত্তি ধ্বংস কৰাৰ ক্ষেত্ৰতো বুলড'জাৰ ব্যৱহাৰ কৰা হৈছে। এইবিলাক ঘটনাক কেন্দ্ৰ কৰি আদালত, মানৱাধিকাৰ সংগঠন আৰু নাগৰিক সমাজত বিস্তৰ আলাপ-আলোচনা, বিতৰ্ক হৈছে। এই বিতৰ্কই আমাৰ সন্মুখত এটা ডাঙৰ প্ৰশ্নৰ অৱতাৰণা কৰিছে—ৰাষ্ট্ৰই আদালতৰ জৰিয়তে আইন প্ৰয়োগ কৰিব নে যন্ত্ৰৰ সহায়ত নিজেই 'বিচাৰৰ সিদ্ধান্ত' ৰূপায়ণ কৰিব?

উত্তৰ প্ৰদেশত 'দৰবাৰী আদালত'ৰ ৰায় বহুলভাৱে প্ৰয়োগ হৈ আছে। অসমেও যোৱা পাঁচটা বছৰত উচ্ছেদৰ বাবে বুলড'জাৰৰ প্ৰয়োগ কম কৰা নাই। উন্নয়নৰ প্ৰয়োজন নিশ্চয় আছে; কিন্তু উন্নয়ন বুলি ক'লে, কেৱল কংক্ৰিট আৰু ইস্পাটৰ গাঁথনিবোৰকে বুজায়নে? উন্নয়নৰ সাধাৰণ মানুহৰ জীৱন-জীৱিকাৰ লগত সম্পৰ্ক নাইনে অথবা থাকিব নালাগেনে কিম্বা থকা উচিত নহয়নে? উন্নয়নৰ নামত কংক্ৰিট আৰু ইস্পাটৰ সমস্ত বোজা কেৱল সেইবিলাক মানুহেই বহন কৰিব লাগেনে— যাৰ ঘৰ সৰু, মাটিৰ পৰিমাণ কম, যাৰ জীৱিকা নিৰ্ভৰ কৰে প্ৰতিদিনৰ আয়ৰ ওপৰত? এখন ক্ষুদ্ৰ দোকান, এটি সৰু ঘৰ প্ৰশাসনৰ বাবে কেৱল এখন দলিলৰ মূৰ্ত ৰূপ হ'ব পাৰে, কিন্তু এটি পৰিয়ালৰ বাবে সেয়া তেওঁলোকৰ সৰ্বস্ব। তাত বান্ধ খাই আছে হয়তো বহুতৰ আজন্ম জীৱন। তাত তেওঁলোকৰ ইতিহাস ৰচিত হৈছে। বহুতো স্মৃতি তাৰ লগত জড়িত হৈ আছে। আটাইতকৈ ডাঙৰ কথা, তাত এটা পৰিয়ালৰ নিৰাপত্তাবোধ থাকে। সেই ঘৰত, সেই মাটিত যেতিয়া বুলড'জাৰ চলে, তেতিয়া সেই নিৰাপত্তাবোধ জৰ্জৰকৈ খহি পৰে।

ৰাজ্যৰ বিভিন্ন প্ৰান্তত উচ্ছেদ চলাৰ দৃশ্য টেলিভিছনৰ পৰ্দাত প্ৰায়েই দেখি আহিছো। প্ৰতিটো উচ্ছেদৰ পিছত ৰাজনৈতিক বিতৰ্ক হয়, আন্দোলন হয়, টেলিভিছনত টক্ শ্ব' হয়—দুদিনমানৰ পাছত আন 'গৰম' খবৰে এই খবৰবোৰ পাছলৈ ঠেলি দিয়ে। কিন্তু যাৰ ঘৰ বা দোকান ভাঙি দিয়া হয়, মাটি কাঢ়ি লোৱা হয়, তেওঁলোকৰ জীৱন আৰু আগৰ অৱস্থালৈ সহজে উভতি নাযায়। ক্ষতিপূৰণ, পুনৰ্বাসন, নতুনকৈ ব্যৱসায় আৰম্ভ কৰা, খেতি কৰিবলৈ মাটি অকণমান যোগাৰ কৰি লোৱা—এইবিলাক দীঘলীয়া সংগ্ৰামৰ বিষয়। সংগ্ৰাম কৰিও এই সম্বলহীন মানুহখিনিয়ে নতুনকৈ জীৱনাৰম্ভ কৰিবৰ বাবে চৰকাৰৰ পৰা প্ৰয়োজনীয় সাহায্য নাপায়।

পশ্চিমবংগত বিজেপি চৰকাৰ ক্ষমতাত নৌ বহোতেই লক্ষাধিক হকাৰক দোকানসমূহৰ পৰা উচ্ছেদ কৰা হৈছিল। উত্তৰ প্ৰদেশত এনে ঘটনা দীৰ্ঘদিন ধৰি চলি আছে। এনেও সেই হকাৰসকল অনিশ্চিত উপাৰ্জনৰ ওপৰত নিৰ্ভৰশীল। এনে পৰিপ্ৰেক্ষিতত দোকান এখন ভাঙি দিলে, কেৱল দোকানখনৰ আৱয়ৱিক গাঁথনিটোকেই ভাঙি দিয়া নহয়, এটা পৰিয়ালৰ প্ৰতিদিনৰ আহাৰ, সন্তানৰ পঢ়া-শুনা, বৃদ্ধ মাক-দেউতাকৰ ঔষধ আৰু চিকিৎসা—এই সকলো প্ৰবল দৈন্যৰ কৱলত পৰে।

আচলতে বুলড'জাৰখন সমস্যা নহয়; সমস্যা হ'ল সেই চিন্তা-ভাবনা, য'ত উন্নয়নৰ পথত, সৌন্দৰ্যকৰণৰ পথত, মানুহক বাধা হিচাপে বিবেচনা কৰা হয়। ইতিহাসে দেখুৱায়—যেতিয়াই ৰাষ্ট্ৰ বা ক্ষমতাই মানুহৰ সলনি কেৱল প্ৰকল্প, পৰিসংখ্যা বা শক্তি প্ৰদৰ্শনক অগ্ৰাধিকাৰ দিছে, তেতিয়াই সাধাৰণ মানুহ আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হৈছে।

গণতন্ত্ৰক তেতিয়াহে শক্তিশালী বুলি কোৱা হয়, যেতিয়া শক্তিৰ বিপৰীতে ন্যায়বিচাৰে অগ্ৰাধিকাৰ পায়; বুলড'জাৰৰ প্ৰয়োগ যেতিয়া মাৰ্জিত আৰু মানৱীয় হয়। আইনৰ শাসন মানে আদালতৰ স্বতন্ত্ৰ প্ৰক্ৰিয়া, স্বচ্ছ প্ৰশাসন, উচ্ছেদৰ পৰ্যাপ্ত পূৰ্বজাননী, পুনৰ্বাসনৰ নিশ্চয়তা আৰু মানুহৰ মৰ্যাদাৰ প্ৰতি উপযুক্ত সন্মান। উন্নয়নৰ লগত মানৱিকতাৰ এই ভাৰসাম্য বজাই ৰখাটোৱেই সুস্থ গণতন্ত্ৰৰ লক্ষণ আৰু এখন সংবেদনশীল, সভ্য সমাজৰো পৰিচয়।

সেই দৃষ্টিকোণৰ পৰা বুলড'জাৰ কেৱল এটা যন্ত্ৰ নহয়; তাতকৈ অনেক ডাঙৰ, অধিক ব্যঞ্জনাময় প্ৰতীক। বুলড'জাৰে বিধ্বস্ত কৰা এটা ঘৰ কেৱল ধূলি-বালি-টুকুৰা ইটাৰ সমষ্টি নহয়, তাত সনাপিটিকা হৈ আছে বহু বছৰৰ জীৱন, প্ৰেম-ভালপোৱা আৰু সংগ্ৰামৰ ইতিহাস। ইয়েই আমাক সোঁৱৰাই দিয়ে—কেৱল কংক্ৰিট আৰু ইস্পাটৰ সাম্ৰাজ্যখনৰ পৰিসৰ ডাঙৰ হ'লেই সভ্যতাৰ উন্নতি নুবুজায়; বৰঞ্চ কত যত্নৰে মানুহৰ 'মনৰ ঘৰখন' সমৃদ্ধিশালী কৰিব পাৰে আৰু মানুহৰ জীৱনশৈলীৰ মান উচ্চস্তৰলৈ লৈ যাব পাৰে, সিহে সভ্যতাৰ প্ৰকৃত মূল্যায়ন কৰে। স্বাধীনতাৰ ৭৯ বছৰৰ পাছতো ৭০-৭৫ শতাংশ জনতাই কেৱল দুবেলা দুমুঠি ভাতৰ বাবে উদয়াস্ত সংগ্ৰাম কৰি থাকিব লগা হোৱা অৱস্থা সভ্যতা জোখাৰ মাপকাঠি নহয় অথবা হ'ব নালাগে কিম্বা হোৱা উচিত নহয়। ই বিশ্বৰ 'ষষ্ঠ সৰ্ববৃহৎ অৰ্থনীতি' আৰু 'মাদাৰ অৱ ডেম'ক্ৰেচি'ৰ বাবে সন্মান আৰু গৰ্বৰ বিষয়ো নহয়।

*ফোন : ৯৩৬৫৫-৫১৭৯৪*

# ৰাজ্যৰ বান সমস্যা সমাধানৰ সংকল্প ক'ত?

## অমৃত কালতো উত্তৰ বিহীন প্ৰশ্ন

আমি কেৱল ক্ষতিপূৰণৰ কথা নাভাবি ক্ষতি কমোৱাৰ কথা ভাবিব লাগিব। আমি কেৱল মথাউৰি মেৰামতি নকৰি নদী ব্যৱস্থাপনা কৰিব লাগিব। আৰু সৰ্বোপৰি চৰকাৰ সলনি হ'লেও অসমৰ বান সমস্যাৰ প্ৰতি চৰকাৰৰ সংকল্প সলনি হ'ব নালাগে।

**আজি** স্বাধীনতাৰ ৮০ বছৰ পূৰ্ণ হ'ল। এই আঠটা দশকত ভাৰত বহু দূৰ আগবাঢ়িছে। কৃষিৰ পৰা উদ্যোগলৈ, বিজ্ঞানৰ পৰা মহাকাশলৈ, যোগাযোগৰ পৰা তথ্য-প্ৰযুক্তিলৈ দেশে বহু ক্ষেত্ৰত বিশ্বৰ সন্মুখত নিজৰ সামৰ্থ্য প্ৰমাণ কৰিছে। ভাৰত আজি বিশ্বৰ অন্যতম বৃহৎ অৰ্থনীতি; কিন্তু উন্নয়নৰ এই দীঘলীয়া যাত্ৰাৰ মাজতো কিছুমান প্ৰশ্ন যেন সময়ৰ সোঁতত উটি নাযায়। বৰঞ্চ প্ৰতি বছৰে নতুন ৰূপত আমাৰ সন্মুখত আহি থিয় দিয়ে। তেনে এটা প্ৰশ্ন— অসমৰ বানপানী কেতিয়া সমাধান হ'ব?

স্বাধীনতাৰ পাছত ভাৰতীয় গণতন্ত্ৰই নাগৰিকক এক ঐতিহাসিক অধিকাৰ দিলে নিজৰ প্ৰতিনিধি নিজে নিৰ্বাচন কৰি নিজৰ চৰকাৰ গঠন কৰাৰ অধিকাৰ। ১৯৫১-৫২ত অনুষ্ঠিত প্ৰথম সাধাৰণ নিৰ্বাচনৰ পৰা ভাৰতীয় গণতন্ত্ৰৰ যাত্ৰা আৰম্ভ হ'ল। জনতাই ভোট দিলে, জনপ্ৰতিনিধি নিৰ্বাচিত কৰিলে, চৰকাৰ গঠন হ'ল। আৰু জনসাধাৰণে আশা কৰিলে, এতিয়া আমাৰ দেশৰ সমস্যাবোৰ সমাধান হ'ব। এই আশা অমূলক নাছিল। কাৰণ গণতন্ত্ৰৰ মূল প্ৰতিশ্ৰুতিয়েই হৈছে জনসাধাৰণৰ কল্যাণ। চৰকাৰ আহিল। চৰকাৰ গ'ল। দল সলনি হ'ল। নেতা সলনি হ'ল। নীতি সলনি হ'ল। আঁচনি সলনি হ'ল। কিন্তু কিছুমান সমস্যা হৈয়ে থাকিল।

স্বাধীনতাৰ পিছত সমস্যাৰ সমাধানৰ বাবে দেশত অসংখ্য বিভাগ, ব'ৰ্ড, কৰ্তৃপক্ষ, নিগম, সংস্থা আৰু আঁচনি গঠন কৰা হ'ল। এয়া প্ৰশাসনিকভাৱে স্বাভাৱিক। এখন বৃহৎ দেশ পৰিচালনা কৰিবলৈ বিভিন্ন প্ৰতিষ্ঠানৰ প্ৰয়োজন হয়। কিন্তু কেতিয়াবা এই প্ৰশ্নটোও উঠিব লাগে এটা সমস্যা সমাধান কৰিবলৈ কিমানটা সংস্থা লাগে? আৰু তাতোকৈ ডাঙৰ প্ৰশ্ন ইমানবোৰ সংস্থা থকাৰ পাছতো সমস্যাটো যদি একেই থাকে, তেন্তে আমি ক'ত ভুল কৰিছো? চৰকাৰ সলনি হ'লে কেতিয়াবা আঁচনিৰ নাম সলনি হয়। নতুন আঁচনি আহে। নতুন লক্ষ্য নিৰ্ধাৰণ হয়। নতুন ঘোষণা হয়। পুৰণি সমস্যাটোৱে অৱশ্যে নতুন নাম নলয়। বানপানী আজিও বানপানীয়েই। গৰাখহনীয়া আজিও গৰাখহনীয়াই।

অসমৰ স'তে বানপানীৰ সম্পৰ্ক বহু পুৰণি। ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ অসংখ্য উপনৈ অসমৰ ভুগোল, অৰ্থনীতি আৰু সমাজ জীৱনৰ অবিচ্ছেদ্য অংশ। কিন্তু একে নদী ব্যৱস্থাই প্ৰতি বছৰে অসমৰ মানুহৰ জীৱনলৈ এক বৃহৎ অনিশ্চয়তা কঢ়িয়াই আনে। অসম চৰকাৰৰ জলসম্পদ বিভাগৰ তথ্য অনুসৰি ৰাজ্যখনৰ প্ৰায় ৩৯.৫৮ শতাংশ ভূমি বানপ্ৰৱণ। ব্ৰহ্মপুত্ৰ আৰু বৰাক নদীৰ স'তে ৫০টাতকৈ অধিক উপনৈ জড়িত হৈ আছে। বানপানীৰ পৰিসৰ আৰু গৰাখহনীয়াৰ তীব্ৰতাৰ ক্ষেত্ৰত অসমৰ সমস্যা দেশৰ আন বহু ৰাজ্যতকৈ পৃথক আৰু জটিল। অৰ্থাৎ বানপানী অসমৰ বাবে কোনো সাময়িক সমস্যা নহয়। ই এক গাঁথনিগত সমস্যা। বান আহে। মানুহৰ ঘৰ যায়। খেতি যায়। পথ যায়। মথাউৰি ভাঙে। পশুধন যায়। মানুহৰ জীৱন যায়। তাৰ পিছত চৰকাৰী সাহায্য আহে। ক্ষতিপূৰণ ঘোষণা হয়। মথাউৰি মেৰামতি হয়। জীৱন আকৌ স্বাভাৱিক হয়। আৰু মানুহে অপেক্ষা কৰে; পৰৱৰ্তী বানৰ। এই চক্ৰটোৱেই আমাৰ আটাইতকৈ ডাঙৰ ব্যৰ্থতা।

বানপানী আৰু জলসম্পদ ব্যৱস্থাপনাৰ সমস্যা সমাধানৰ বাবে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে সময়ে সময়ে বিভিন্ন প্ৰতিষ্ঠান গঠন কৰিছে। ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ জলসম্পদ আৰু বান নিয়ন্ত্ৰণৰ স'তে জড়িত ব্ৰহ্মপুত্ৰ ব'ৰ্ড আছে। অসমত দুৰ্যোগ ব্যৱস্থাপনাৰ বাবে অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষ আছে। বান আৰু নদীৰ গৰাখহনীয়াৰ দীৰ্ঘম্যাদী ব্যৱস্থাপনাৰ বাবে ফ্ৰেমা (FREMAA- Flood and River Erosion Management Agency of Assam) আছে। ইয়াৰ উপৰি জলসম্পদ বিভাগ, জিলা প্ৰশাসন, কেন্দ্ৰীয় আৰু ৰাজ্যিক বিভিন্ন আঁচনি, প্ৰকল্প, বিশেষজ্ঞ, অভিযন্তা আৰু আধুনিক প্ৰযুক্তিও আছে। মুঠতে প্ৰতিষ্ঠানৰ অভাৱ নাই। তেন্তে পুনৰ প্ৰশ্নটো আহে যদি প্ৰতিষ্ঠান আছে, মানুহ আছে, বিশেষজ্ঞ আছে, প্ৰযুক্তি আছে, আঁচনি আছে আৰু ধন আছে; তেন্তে সমস্যাটো কিয় আছে? এইখিনিতে আমাৰ চিন্তাৰ দিশ সলনি কৰিব লাগিব। বান আহিলে উদ্ধাৰ কৰা হয়। বান আহিলে সাহায্য দিয়া হয়। বান আহিলে শিবিৰ স্থাপন কৰা হয়। বান আহিলে চিকিৎসা দিয়া হয়। বানৰ পাছত ক্ষতিপূৰণ দিয়া হয়। এই সকলোবোৰ অত্যন্ত প্ৰয়োজনীয়। কিন্তু এইবোৰৰ বেছিভাগেই দুৰ্যোগৰ প্ৰতিক্ৰিয়া। প্ৰশ্নটো হ'ল দুৰ্যোগ অহাৰ আগতে

**খগেন কলিতা**

আমি কিমানখিনি কাম কৰিছো? বান আহিলে মানুহক উদ্ধাৰ কৰাটো জৰুৰী। কিন্তু বান আহিলে মানুহে যাতে ঘৰ এৰিবলগীয়া নহয়, সেই ব্যৱস্থাটো অধিক গুৰুত্বপূৰ্ণ। বানত খেতি নষ্ট হোৱাৰ পাছত কৃষকক ক্ষতিপূৰণ দিয়াটো প্ৰয়োজনীয়। কিন্তু কৃষকৰ খেতিখন যাতে প্ৰতি বছৰে নষ্ট নহয়, সেই ব্যৱস্থাটো অধিক প্ৰয়োজনীয়। মথাউৰি ভাঙিলে মেৰামতি কৰাটো প্ৰয়োজনীয়। কিন্তু মথাউৰি কিয় বাৰে বাৰে ভাঙে সেই প্ৰশ্নটোৰ উত্তৰ বিচৰাটো অধিক প্ৰয়োজনীয়। এইখিনিতে ই



'দুৰ্যোগ ব্যৱস্থাপনা' আৰু 'দুৰ্যোগৰ মূল কাৰণ মোকাবিলা'ৰ মাজৰ পাৰ্থক্য। অসমৰ বানপানীক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰাৰ দাবী বহু দিনৰ। বিৰোধীত থাকোতে যি দাবী শক্তিশালীভাৱে উত্থাপন কৰা হয়, শাসনত থাকোতে কেতিয়াবা সেই দাবীৰ যুক্তি সলনি হয়। কাৰণ এই সমস্যাৰ ইতিহাস কোনো এটা চৰকাৰৰ ইতিহাস নহয়। এইটো বহু দশকৰ সমস্যা। কিন্তু ৰাজনীতিয়ে সমস্যাটোক আন এটা ৰূপ দিয়ে। বান আহিলে প্ৰশ্ন হয় 'কাৰ ভুল?' 'কোন চৰকাৰ দায়ী?' 'কেন্দ্ৰই কিমান দিলে?' 'ৰাজ্যই কিমান কৰিলে?' এই প্ৰশ্নবোৰৰ নিজৰ গুৰুত্ব আছে। কিন্তু বানত ঘৰ হেৰুওৱা মানুহজনৰ প্ৰশ্নটো অলপ বেলেগ, 'মই কেতিয়া নিৰাপদ হ'ম?' বানত খেতি হেৰুওৱা কৃষকৰ প্ৰশ্ন 'পৰৱৰ্তী বছৰ আকৌ একেটা হ'বনে?' নদীৰ গৰাখহনীয়াত মাটি হেৰুওৱা মানুহজনৰ প্ৰশ্ন, 'মোৰ সন্তানৰ বাবে কিবা ভূমি থাকিবনে?' এই প্ৰশ্নবোৰৰ উত্তৰ ৰাজনৈতিক বক্তৃতাত নহয়, নীতি আৰু কাৰ্যকৰী ব্যৱস্থাত থাকিব লাগিব।

অসমৰ বান কেৱল প্ৰাকৃতিক দুৰ্যোগ বুলি চালে সমস্যাটোৰ এটা অংশহে দেখা যায়। বান মানে কৃষিৰ ক্ষতি। বান মানে মানুহৰ জীৱিকাৰ ক্ষতি। বান মানে স্বাস্থ্য ব্যৱস্থাৰ ওপৰত চাপ। বান মানে ৰাস্তা-ঘাট আৰু আন্তঃগাঁথনিৰ ক্ষতি। বান মানে পৰিয়ালৰ ঋণ বৃদ্ধি। বান মানে শিশুৰ শিক্ষাত ব্যাঘাত জন্মায়। বান মানে বছৰৰ পাছত বছৰ নতুনকৈ জীৱন আৰম্ভ কৰা। সেয়েহে বানপানী অসমৰ বাবে অৰ্থনৈতিক, সামাজিক, শৈক্ষিক, স্বাস্থ্য আৰু উন্নয়নৰ সমস্যাও। বানপানীয়ে ৰাজ্যখনৰ সামগ্ৰিক উন্নয়নৰ ওপৰত নেতিবাচক প্ৰভাৱ পেলাইছে। ভাৰতে মহাকাশলৈ উপগ্ৰহ পঠিয়াব পাৰে। কৃত্ৰিম বুদ্ধিমত্তাৰ যুগত প্ৰৱেশ কৰিছে। ডিজিটেল অৰ্থনীতি গঢ়ি তুলিছে। বিশ্ব অৰ্থনীতিত নিজৰ স্থান শক্তিশালী কৰিছে। কিন্তু অসমৰ বানপানী? ৮০ বছৰৰ পিছতো একেটা প্ৰশ্ন কিয়? আজিও প্ৰতি বাৰিষাত অসমবাসীৰ ই এক ডাঙৰ প্ৰশ্ন।

অসমৰ বান সমস্যাৰ স্থায়ী সমাধানৰ বাবে প্ৰথমে প্ৰয়োজন দীৰ্ঘম্যাদী আৰু দলীয় ৰাজনীতিৰ ঊৰ্ধ্বত থকা নীতি। চৰকাৰ সলনি হ'লেও নীতি সলনি নহ'ব লাগে। মন্ত্ৰী সলনি হ'লেও দীৰ্ঘম্যাদী পৰিকল্পনা সলনি নহ'ব লাগে। পাঁচ বছৰৰ নিৰ্বাচনী চক্ৰৰ বাহিৰলৈ গৈ ২৫, ৫০ বা ১০০ বছৰৰ দৃষ্টিভংগীৰে নদী আৰু বান ব্যৱস্থাপনা কৰিব লাগিব। নদীক কেৱল মথাউৰিৰে বাধা দিয়াৰ প্ৰশ্ন হিচাপে নহয় নদীৰ প্ৰাকৃতিক প্ৰবাহ, পলস, জলাভূমি, বানপ্ৰৱণ সমভূমি, নগৰায়ণ, বনাঞ্চল, জলধাৰণ ক্ষমতা আৰু জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱক একেলগে বিবেচনা কৰিব লাগিব। সমাধান নদীৰ বিৰুদ্ধে যুদ্ধত নহয়; নদীৰ স্বভাৱ বুজি নদীৰ স'তে সহাৱস্থানৰ বিজ্ঞানত থাকিব পাৰে। নতুন আঁচনি নহয়, নতুন চিন্তাৰ প্ৰয়োজন।

স্বাধীনতাৰ অৰ্থ হ'ল দেশৰ সাধাৰণ নাগৰিকৰ জীৱন কিমান সুৰক্ষিত, কিমান মৰ্যাদাপূৰ্ণ আৰু কিমান নিশ্চিন্ত। যদি কোনো মানুহে প্ৰতি বছৰে বানৰ ভয়ত নিজৰ ঘৰ, খেতি আৰু জীৱিকা হেৰুৱাবলগীয়া হয়, তেন্তে সেই মানুহজনৰ বাবে উন্নয়নৰ অৰ্থ কি? যদি এটা পৰিয়ালে প্ৰতি বছৰে নতুনকৈ জীৱন আৰম্ভ কৰিবলগীয়া হয়, তেন্তে আমাৰ উন্নয়নৰ মাপকাঠি ক'ত? এতিয়া সময় আহিছে এটা কঠিন প্ৰশ্ন সোধাৰ, আমি অসমৰ বানপানী সমস্যাটো সমাধান কৰিবলৈ চেষ্টা কৰিছোনে, নে কেৱল ইয়াক পৰিচালনা কৰি আহিছো? দুৰ্যোগ আহিলে উদ্ধাৰ কৰা সহজ। ক্ষতিপূৰণ দিয়া সহজ। সাহায্য বিতৰণ কৰা সহজ। নতুন আঁচনি ঘোষণা কৰাও সহজ। কঠিন কামটো হ'ল এনে এটা ব্যৱস্থা সৃষ্টি কৰা, য'ত একেটা মানুহে প্ৰতি বছৰে একেটা দুৰ্যোগৰ সন্মুখীন হ'বলগীয়া নহয়। এই কঠিন কামটোৱেই এতিয়া কৰিব লাগিব। অসমৰ বানপানীক কোনো এটা দলৰ সমস্যা হিচাপে নহয়, অসমৰ ভৱিষ্যতৰ সমস্যা হিচাপে চাব লাগিব। ৰাজনীতি থাকিব। নিৰ্বাচন থাকিব। দল থাকিব। ক্ষমতাৰ পৰিৱৰ্তন থাকিব। কিন্তু বানপানীৰ সমাধানৰ নীতি এইবোৰৰ ঊৰ্ধ্বত থাকিব লাগিব। কাৰণ বানপানী ভোটৰ সময়ত নাহে। বানপানী দল চাই নাহে। বানপানী চৰকাৰ চাই নাহে। বানপানী ধনী-দুখীয়া চাই নাহে। বান আহিলে সকলোৱে দুৱাৰত আহে। সেয়েহে ইয়াৰ সমাধানৰ দায়িত্বও সকলোৰে। যাতে আমি আৰু কেৱল এইটো ক'ব নালাগে, 'অসমত বান হয়।' আমি ক'ব লাগিব, 'অসমত বান হয়, কিন্তু বানৰ বাবে মানুহৰ জীৱন ধ্বংস হ'ব নালাগে।' আমি আৰু কেৱল বানৰ পাছত উদ্ধাৰ অভিযানৰ অপেক্ষা কৰিব নালাগে। আমি বানৰ আগতেই প্ৰস্তুত হ'ব লাগিব। আমি কেৱল ক্ষতিপূৰণৰ কথা নাভাবি ক্ষতি কমোৱাৰ কথা ভাবিব লাগিব। আমি কেৱল মথাউৰি মেৰামতি নকৰি নদী ব্যৱস্থাপনা কৰিব লাগিব। আৰু সৰ্বোপৰি চৰকাৰ সলনি হ'লেও অসমৰ বান সমস্যাৰ প্ৰতি চৰকাৰৰ সংকল্প সলনি হ'ব নালাগে। স্বাধীন ভাৰতৰ ৮০ বছৰ পাৰ হ'ল। এতিয়া সময় আহিছে কেৱল বানৰ পৰা মানুহক উদ্ধাৰ কৰাৰ নহয় মানুহক বানৰ চিৰস্থায়ী ভয়ৰ পৰা উদ্ধাৰ কৰাৰ। এইটোৱেই হওক অসমৰ বাবে আমাৰ নতুন সংকল্প। কাৰণ এখন দেশৰ প্ৰকৃত উন্নয়ন ইয়াৰ অৰ্থনীতি কিমান ডাঙৰ তাতেই নহয়; ইয়াৰ সাধাৰণ নাগৰিক কিমান সুৰক্ষিত সেই কথাতো উন্নয়নৰ প্ৰকৃত পৰিচয় লুকাই থাকে।

*ফোন : ৯৭০৬৮৪৩৪৬৬*


দৈনিক অগ্ৰদূত

# সাহিত্য আৰু জীৱন



জীৱনীমূলক উপন্যাস এক ধৰণৰ কাহিনী কথন য'ত সঁচা মানুহৰ জীৱনৰ তথ্যৰ লগত ঔপন্যাসিকৰ কল্পনাৰ সহযোগ ঘটে। লেখকে ঐতিহাসিক গৱেষণাৰ পৰা তথ্য আহৰণ কৰিলেও কাহিনীত পাঠকৰ আগ্ৰহ বৃদ্ধি কৰিবলৈ নাটকীয় পৰিৱেশ-পৰিস্থিতি আৰু সংলাপ ৰচনা কৰিব পাৰে। কাহিনীৰ প্ৰয়োজনত ঔপন্যাসিকে আবেগিক অথবা মুহূৰ্তৰ পৰিৱেশ উদ্ভাৱন কৰিবও পাৰে। যিমান তথ্যভিত্তিক হ'লেও জীৱনীগ্ৰন্থ এখনতে জীৱনীকাৰৰ কল্পনাৰ কাৰণে কল্পনা খটুৱাবৰ সুৰুঙা অলপ হ'লেও থাকি যায়।

# কেইখনমান জীৱনীমূলক উপন্যাস



ড° আনন্দ বৰমুদৈ

**নাৰী** আদৰ্শ উপন্যাসৰ কাহিনীত মূল কথা হ'লেও সময়ত চন্দ্ৰপ্ৰভা দণ্ডীনাথৰ প্ৰতি প্ৰৱলভাৱে আকৰ্ষিত হৈছে। ৰাতি জাগি থাকি তাই দীঘল দীঘল চিঠি দণ্ডীনাথলৈ লিখি যাবলৈ ধৰিলে। তাইৰ এনে লাগিল যেন কিবা বাহিৰা শক্তিয়ে তাইৰ ওপৰত ভৰ কৰিছে। যেন তাই বিকাৰগ্ৰস্ত হৈ পৰিছে, যেন তাইৰ দণ্ডীনাথৰ বাহিৰে জীৱনৰ কোনো মূল্য নাই, কোনো অৰ্থ নাই। জীয়াই থকাৰ কোনো অৱলম্বন নাই। উদ্‌ভ্ৰান্তৰ দৰে তাইৰ কলম চলি যাব ধৰিলে। (পৃঃ১৪১)

কাহিনীকাৰে দণ্ডীনাথৰ অন্তৰ্দ্বন্দ্বক এইদৰে উপস্থাপন কৰিছে। 'তোমাৰ জীৱনটো কিয় ইমান কলংকৰে ভৰা? কিয় তুমি এবাৰ বিয়া হৈ যোৱাৰ পাছতো সেই স্বামীৰ লগত ঘৰ-সংসাৰ কৰিব নোৱাৰি ইয়ালৈ মোৰ জীৱন ছাৰখাৰ কৰি দিবলৈ আহিলা?' মই দুখন নাৱত দুখন ভৰি থৈ সংসাৰ সমুদ্ৰত ডুবি মৰিবলৈ ওলাইছো।' উপন্যাসৰ কাহিনীত এই বুলি উল্লেখ কৰা হৈছে যে বাতৰি কাকতত বিবৃতি দি চন্দ্ৰপ্ৰভাই প্ৰথম বিবাহৰ বন্ধন ছিঙি পেলাইছিল, কিন্তু দণ্ডীনাথৰ দৃষ্টিত চন্দ্ৰপ্ৰভাৰ প্ৰেম বিবাহৰ বন্ধনৰ বাহিৰত হোৱা প্ৰেম। কাহিনীকাৰৰ ভাষাত দণ্ডীনাথ চন্দ্ৰপ্ৰভাৰ প্ৰতি যিমানে আকৰ্ষিত হৈছিল, সিমানেই ভিতৰৰ মানুহজন যন্ত্ৰণাত ছট্‌ফটাইছিল। দণ্ডীনাথে চন্দ্ৰপ্ৰভাৰ চাল- চলন আৰু স্বভাৱ-চৰিত্ৰৰ কঠোৰ সমালোচনা কৰিছে।' তোমাৰ প্ৰত্যেক কাৰ্যতে ধৈৰ্যহীনতাৰ, ভাৱপ্ৰৱণতাৰ এনে আধিক্য যে পদে পদে বিফল মনোৰথ বা গঞ্জনাৰ ভাগী হোৱাটো নিতান্ত স্বাভাৱিক কথা। তুমি স্বীকাৰ যদিও নকৰা মই কিন্তু সেই একেটা দোষৰ পৰা তোমাক এদিনলৈকে মুক্ত দেখা নাই।' (পৃঃ১৩১)

চন্দ্ৰপ্ৰভাৰ লগত প্ৰথম চিনাকি হৈ দণ্ডীনাথে কৈছিল যে তেৰোঁ নাৰীৰ উন্নতিৰ বিনে সমাজ কেতিয়াও আগবাঢ়িব নোৱাৰে বুলি বিশ্বাস কৰিছিল। দণ্ডীনাথে যে চন্দ্ৰপ্ৰভাৰ ওচৰলৈ গোপন মিলনৰ উদ্দেশ্য লৈ যোৱা নাছিল তাৰ উল্লেখ তেওঁৰ চিঠিত আছে। আনহাতে, চন্দ্ৰপ্ৰভাই সময়ত কৰা অনুশোচনাৰ কথা কাহিনীকাৰে এইদৰে বৰ্ণনা কৰিছে, 'আচৰিত এনে এজন দেৱতাসদৃশ লোকৰ সংস্পৰ্শলৈ আহিও তাইৰ সেই চাৰিত্ৰিক দুৰ্বলতা কিয় যে নাঁতৰিল। (পৃঃ১০৫) চন্দ্ৰপ্ৰভাই নিজৰ দোষতেই দণ্ডীনাথৰ পৰা অশ্লীল গালি-গালাজ খাবলগীয়া হৈছিল। গালি-গালাজ পাৰিলেও সময়ত তেওঁ দৈহিক আবেদনৰ ওচৰত নিজকে সমৰ্পণ কৰিছিল। এইদৰে আকৰ্ষণ-বিকৰ্ষণৰ মাজেদি প্ৰেমৰ সম্পৰ্ক আগবাঢ়িছিল।

মহাপুৰুষ মাধৱদেৱৰ জীৱন আৰু কৃতিক বিষয় কৰি লক্ষ্মীনন্দন বৰাই লিখিছিল 'সেহি গুণনিধি'। ১৯৯৭ত উপন্যাসখন প্ৰকাশ পাইছিল। উপন্যাসখনত ১৬ শতিকাৰ অসমৰ সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক জীৱনৰ ছবি এখনো ড° বৰাই ধৰি ৰাখিছে। লোক সংস্কৃতিৰ উপাদানৰ ব্যৱহাৰে উপন্যাসৰ কাহিনীক আকৰ্ষণীয় কৰিছে। ড° বৰাই পোনতে শংকৰদেৱৰ জীৱন ভিত্তিক উপন্যাস 'যাকেৰি নাহিকে উপাম' লিখিছিল। উপন্যাসখন শংকৰদেৱৰ বাল্যকালৰ বৰ্ণনাৰে আৰম্ভ হৈছে আৰু শংকৰদেৱৰ অসাধাৰণ প্ৰতিভাৰ ইংগিত বাল্যকালৰ বৰ্ণনাতে দিয়া হৈছে। চৰিত পুথিসমূহৰ তথ্যৰ ওপৰতে ঔপন্যাসিকে শংকৰদেৱৰ জীৱনী পুনৰ নিৰ্মাণৰ কাৰণে ঘাইকৈ নিৰ্ভৰ কৰিছে।

মাধৱদেৱৰ জীৱনভিত্তিক এখন উল্লেখযোগ্য উপন্যাস ১৯৭৬ত প্ৰকাশ কৰিছিল মেদিনী চৌধুৰীয়ে। ঔপন্যাসিকে নিজে কোৱা মতে তেওঁ চৰিতপুথি আৰু কিংবদন্তীয়েই তেওঁৰ তথ্যৰ উৎস। মাধৱদেৱৰ তীব্ৰ মানসিক দ্বন্দ্বৰ মাজেদি 'বণ্ডুকা বেহাৰ' উপন্যাসৰ কাহিনী আৰম্ভ হৈছে। মাধৱদেৱৰ চৰিত্ৰৰ ওপৰত ঔপন্যাসিকে কোনো দেৱত্ব আৰোপ কৰা নাই; তেওঁক মানুহ হিচাপেহে দাঙি ধৰা হৈছে। গুৰুৰ মৃত্যুৰ পাছত তেওঁ বৰ অসহায় বোধ কৰিছিল। কাব্যিক চিত্ৰকল্পৰ ইংগিত ব্যঞ্জনাৰে মাধৱৰ নিঃসংগতাক মূৰ্ত কৰা হৈছে। গুৰুজনৰ ভ্ৰাতৃ বনগঞাগিৰিয়ে ধৰ্মাচাৰ্যৰ পদটো আশা কৰিছিল, কিন্তু আশা পূৰণ নোহোৱাত তেওঁ মাধৱদেৱৰ বিৰুদ্ধে অপবাদ প্ৰচাৰ কৰিছিল। অপবাদ প্ৰচাৰ কৰাৰ পাছতো কিন্তু মাধৱদেৱৰ বনগঞাৰ বিৰুদ্ধে কোনো বিদ্বেষ নাছিল। তেওঁ আত্মসমালোচনাহে কৰিছে। গুৰুৰ উপদেশ পালন কৰি তেওঁ বিয়া কৰোৱা হ'লে গুৰুপত্নী অথবা তেওঁ এনে বিপদত নপৰিলহেঁতেন। তেওঁ গড় নমৰাকৈ যুঁজি মহাৰথী হ'বলৈ যোৱা আকাংক্ষাৰ আঁৰত অহংকাৰ আছিল। গুৰুৰ নিৰাপদ আশ্ৰয়ত থাকি তেওঁ জগতখনক এক ধৰণেৰে কল্পনা কৰিছিল আৰু গুৰুৰ মৃত্যুৰ পাছত জগতখনে আন এটা ৰূপত ধৰা দিছেহি। এই সংকটৰ পৰা ৰক্ষা পাবলৈকে তেওঁ ৰচনা কৰিছিল 'মুক্তিত নিস্পৃহ যিটো'। যিজন ভক্তই নিজৰ মুক্তিৰ কথাও চিন্তা নকৰাকৈ ঈশ্বৰ চিন্তা কৰিব পাৰে তেওঁহে আচল ভক্ত। উপন্যাসখনত এই অৱস্থাক প্ৰতীকী ব্যঞ্জনাৰে প্ৰকাশ কৰিছে ফুলি থকা ৰঙিয়াল ফুলজোপাই। ফুলজোপাৰ যৌৱন, আনন্দ, উচ্ছ্বাস আৰু উদ্যমৰ প্ৰতীক হ'লেও মাধৱৰ যৌৱনৰ আকাংক্ষা ফুলজোপাত নাই। আত্মলঘিমা মাধৱদেৱৰ চৰিত্ৰৰ উজ্জ্বল গুণ হিচাপে কাহিনীত ওলাই আহিছে।




উপন্যাসখনত মাধৱদেৱৰ চৰিত্ৰৰ উজ্জ্বল গুণবোৰৰ লগতে শংকৰদেৱৰ চৰিত্ৰৰ ওপৰতো আলোকপাত কৰা হৈছে। কমাৰকুছিত এবাৰ গ্ৰহণী ৰোগে মহামাৰীৰ ৰূপ ধাৰণ কৰিছিল। সেই সময়ত গুৰুৰ ভূমিকা এইদৰে বৰ্ণনা কৰা হৈছে, 'গুৰুজনাৰ খবৰ নাই ক'ত কি খাইছে-বইছে। দিনৰ দিনটো মুমূৰ্ষু ৰোগীৰ ঘৰে ঘৰে শুনাই ফুৰিছে ঈশ্বৰ তত্ত্ব, নামৰ মহিমা। (পৃঃ ৩৩) ঘাঘৰ মাখিৰ চৰিত্ৰটোও উজ্জ্বল কৰি দাঙি ধৰা হৈছে। দুৰ্ভিক্ষত জুৰুলা হৈ গোবিন্দগিৰিয়ে পত্নী আৰু শিশু মাধৱক লগত লৈ আপোন মামুহৰ ঘৰে ঘৰে আশ্ৰয় বিচাৰি বিফল হোৱাৰ অন্তত ঘাঘৰ মাখিয়ে সুদীৰ্ঘ কুৰি বছৰৰ কাৰণে পৰিয়ালটোক আশ্ৰয় দিছিল।

উপন্যাসখনৰ পঞ্চম অধ্যায়টো এটা গুৰুত্বপূৰ্ণ অধ্যায়। ইয়াত হীৰামণিহঁতৰ মাছমৰীয়া সম্প্ৰদায়ৰ গাঁওখনক ভাগৱতী ধৰ্মত শৰণ দিয়াক কেন্দ্ৰ কৰি বিভিন্ন শাস্ত্ৰৰ আধাৰত পণ্ডিতসকলৰ মাজত বিতৰ্ক হৈছে। উপন্যাসখনৰ এটা বিষয় নাৰীৰ মৰ্যাদা। আই মাতৃ কালিন্দী, বুঢ়ী আই খেৰসূতী ৰাধিকা শান্তি, ৰুক্মিণী আদি ভালেসংখ্যক নাৰীৰ উল্লেখ কাহিনীত আছে। এইসকল নাৰীয়ে গুৰুজনাৰ ধৰ্ম আৰু ৰীতি-নীতিৰ প্ৰসাৰত সহায় কৰিছিল। গুৰুজনাই নাৰীক ভক্তিৰ পৰা বঞ্চিত কৰিবলৈ কোনোদিনেই কোৱা নাছিল।

মেদিনী চৌধুৰীৰ 'ফেৰেংগাদাও' বিষ্ণুপ্ৰসাদ ৰাভাৰ জীৱনভিত্তিক উপন্যাস। 'মোৰ কথা'ত ঔপন্যাসিকগৰাকীয়ে লিখিছে, 'সংগ্ৰামী যুৱক-যুৱতীয়ে মৰম আৰু শ্ৰদ্ধাৰে শিল্পীগৰাকীৰ নাম থৈছিল ফেৰেংগাদাও আকৌ ফেৰেংগাদাও মানে ফেচু চৰাই। এইবিধ চৰাই ওখ গছৰ ডালত বহে আৰু সুন্দৰ সুৰীয়া মাতেৰে পুৱা ধলফাট দিয়াৰ আগতেই শুই থকা মানুহক দিনটোৰ বাবে সচেতন কৰি তোলে।' 'সৈনিক শিল্পী' বিষ্ণু ৰাভাৰ বিশাল ব্যক্তিত্বক উপন্যাসৰ কাহিনীৰ মাজেদি ফুটাই তোলা হৈছে। সংগীত, নৃত্য, কলা আদিত গভীৰ জ্ঞান থকা শিল্পীজনে দেশৰ মংগলৰ কাৰণে কাম কৰিবলৈ স্বেচ্ছাই দৰিদ্ৰতাক গ্ৰহণ কৰিছিল।

লক্ষ্মীনাথ বেজবৰুৱাৰ জীৱন আৰু সাহিত্য কৃতিক ভিত্তি কৰি সন্তোষ কুমাৰ কৰ্মকাৰে লিখা উপন্যাসখনৰ শিৰোনাম সাহিত্যৰথীগৰাকীৰ গীতৰ পৰাই অনা হৈছে— 'অ' মোৰ আপোনাৰ দেশ। ২০১৪ৰ ডিচেম্বৰত উপন্যাসখন প্ৰকাশ পাইছিল। তাৰ আগতে উপন্যাসখন 'প্ৰান্তিক' আলোচনীত ছোৱা ছোৱাকৈ প্ৰকাশ পাইছে, বেজবৰুৱাৰ আত্মজীৱনী আৰু ৰচনাৱলীৰ ওপৰতে ঔপন্যাসিকে তথ্যৰ বাবে ঘাইকৈ নিৰ্ভৰ কৰিছে। ঔপন্যাসিক ভূপেন শইকীয়াই একাধিক জীৱনীমূলক উপন্যাস ৰচনা কৰিছে। অসম সাহিত্য সভাৰ প্ৰথমগৰাকী সভাপতি, সাহিত্যৰ কাণ্ডাৰী পদ্মনাথ গোহাঞি বৰুৱাৰ জীৱন আৰু কৃতিক আধাৰ কৰি লিখিছে 'কাণ্ডাৰী'। ড° শইকীয়াই উপন্যাসখনৰ বাবে গোহাঞি বৰুৱাৰ আত্মজীৱনী 'মোৰ সোঁৱৰণী'ৰ ওপৰত ঘাইকৈ নিৰ্ভৰ কৰিছে। অৱশ্যে আত্মজীৱনীখনত থকা সকলো তথ্য কাহিনীৰ অনুকূলে ব্যৱহাৰ কৰাও নাই আৰু কৰাৰ প্ৰয়োজনো নাই। কাহিনীৰ বাবে প্ৰয়োজনীয় তথ্যক তেওঁ গ্ৰহণ-বৰ্জন নীতি মানি নিৰ্বাচন কৰিছে। ঔপন্যাসিকজনৰ আন এখন জীৱনীমূলক উপন্যাস 'সুৰমাৰ গঙাচিলনী' আৰু সেইখন হেমাংগ বিশ্বাসৰ জীৱনক আধাৰ কৰি লিখা হৈছে। সেইখন উপন্যাস পোনতে ধাৰাবাহিকভাৱে প্ৰান্তিক আলোচনীত প্ৰকাশ পাইছিল।

ছহিদ কনকলতাৰ জীৱনভিত্তিক এখন উপন্যাস লিখিছে কবি-সাহিত্যিক বীৰেন বৰকটকীয়ে। উপন্যাসৰ শিৰোনাম 'মৃত্যু গচকি আনা জয় জিনি' (১৯৮৮)। জ্যোতিপ্ৰসাদৰ 'লভিতা' নাটকৰ প্ৰথম অংকৰ গীত এটাৰ পৰা শাৰীটো উপন্যাসখনৰ শিৰোনাম কৰা হৈছে। 'সাজু হ, সাজু হ, নৱ যোৱান/তই কৰিব লাগিব অগ্নিস্নান।' ১৯৪২ৰ ভাৰত ত্যাগ আন্দোলনত ১৭ বছৰীয়া কনকলতা বৰুৱাই অহিংস সমদলৰ নেতৃত্ব দি গহপুৰ থানাত পতাকা উত্তোলন কৰিবলৈ গৈ পুলিচৰ গুলিত প্ৰাণ দি দেশৰ স্বাধীনতাৰ বাবে ছহিদ হৈছিল। দেশপ্ৰেমিক এই সাহসী বীৰাংগনাগৰাকীৰ দেশপ্ৰেম আৰু সাহসক উপন্যাসখনত দাঙি ধৰা হৈছে। জ্যোতিপ্ৰসাদৰ গীতটোৰ আহ্বানৰ প্ৰতি বীৰাংগনা কনকলতাই জীৱন উছৰ্গা কৰি সঁহাৰি জনাইছে। উপন্যাসৰ শিৰোনাম অৰ্থপূৰ্ণ হৈছে।

ধীৰেন দত্ত এগৰাকী কবি আৰু অসমৰ সাম্যবাদী আন্দোলনৰ নেতা। শিক্ষাবিদ-সাহিত্যিক চিদানন্দ শইকীয়াই ১৯৮৬ত ধীৰেন দত্তৰ জীৱন আৰু কৃতিক আধাৰ কৰি লিখি উলিয়াইছিল 'জুয়ে পোৰা সোণ' উপন্যাসখন। ১০৮৫ত প্ৰকাশ পাইছিল কুমুদ গোস্বামীৰ 'উল্কাৰ পোহৰ' আৰু উপন্যাসখন অম্বিকাগিৰী ৰায়চৌধুৰীৰ জীৱনক ভিত্তি কৰি লিখা হৈছিল।

জীৱনীমূলক উপন্যাস এক ধৰণৰ কাহিনী কথন য'ত সঁচা মানুহৰ জীৱনৰ তথ্যৰ লগত ঔপন্যাসিকৰ কল্পনাৰ সহযোগ ঘটে। লেখকে ঐতিহাসিক গৱেষণাৰ পৰা তথ্য আহৰণ কৰিলেও কাহিনীত পাঠকৰ আগ্ৰহ বৃদ্ধি কৰিবলৈ নাটকীয় পৰিৱেশ-পৰিস্থিতি আৰু সংলাপ ৰচনা কৰিব পাৰে। কাহিনীৰ প্ৰয়োজনত ঔপন্যাসিকে আবেগিক অথবা মুহূৰ্তৰ পৰিৱেশ উদ্ভাৱন কৰিবও পাৰে। যিমান তথ্যভিত্তিক হ'লেও জীৱনীগ্ৰন্থ এখনতে জীৱনীকাৰৰ কল্পনাৰ কাৰণে কল্পনা খটুৱাবৰ সুৰুঙা অলপ হ'লেও থাকি যায়। জীৱনীমূলক উপন্যাসত সেইফালৰ পৰা ঔপন্যাসিকৰ কল্পনাই স্বাধীনতা গ্ৰহণ কৰিবই। ঔপন্যাসিকে কেতিয়াবা সঁচা গৌণ চৰিত্ৰক কাহিনীৰ পৰা বাদ দিবও পাৰে আৰু মূল ঘটনা আৰু চৰিত্ৰক বিকৃত নকৰাকৈ নতুন গৌণ চৰিত্ৰ যোগ দিবও পাৰে। মানুহ এজনৰ জীৱনত ঘটা ঘটনাবোৰ যথাযথভাৱে উপন্যাসতো বৰ্ণনা কৰি গ'লে পাঠকৰ কাৰণে কাহিনী আমনিদায়ক হৈ পৰিব পাৰে। গতিকে লক্ষ্য পাঠকৰ প্ৰতি দায় স্বীকাৰ কৰি জীৱনীমূলক উপন্যাসৰ ঔপন্যাসিকে কল্পনাক প্ৰয়োগ কৰে। জীৱনী, আত্মজীৱনী অথবা জীৱনীমূলক উপন্যাসত কিছু পৰিমাণে কল্পনাই নিজৰ অংশ এটা দাবী কৰিবই।

*ফোন ঃ ৯৮৬৪২৩২০৮৬*

---

জে'ন অষ্টেন পুৰুষ বিদ্বেষী আছিল। বৰঞ্চ তেওঁ নিৰ্মাণ কৰা উপন্যাসৰ পুৰুষ চৰিত্ৰৰ সৰু-বৰ ভালেমানত ৰক্ষণশীল কাঠামোৰ মাজৰ পৰাই মূৰ দাঙিব খোজা গুৰু-লঘু ভালেকেইটা প্ৰগতিশীল ধ্যান-ধাৰণাযুক্ত পুৰুষ চৰিত্ৰৰ চিত্ৰণ ঘটিছে। সেই পুৰুষ চৰিত্ৰসমূহে নিজকে প্ৰচলিত সমাজ ব্যৱস্থাৰ ধ্যান-ধাৰণাৰ পৰা নিজকে সম্পূৰ্ণৰূপে মুক্ত কৰিব পৰা নাই যদিও নাৰীৰ প্ৰগতিমুখী ধ্যান-ধাৰণাৰ প্ৰতি সকাৰাত্মকভাৱে চাবলৈ প্ৰয়াস কৰিছে।

♦♦♦

# লেখিকা জে'ন অষ্টেন



**উনবিংশ** শতিকাত যিকেইগৰাকী লেখৰ ক্ষণজন্মা ঔপন্যাসিকাই ইংৰাজী উপন্যাসৰ ভঁৰাল চহকী কৰিছিল তেওঁলোকৰ ভিতৰত জে'ন অষ্টেন অন্যতম। এইটো কোৱা হয় যে তেওঁৰ উপন্যাস 'চেঞ্চ এণ্ড চেঞ্চিবিলিটী' তেওঁৰ কাপ নিঃসৃত প্ৰথমখন উপন্যাস যাৰ নিৰ্মাণ এখন পত্ৰ উপন্যাস (An Epistolary novel) হিচাপে হৈছিল। তেতিয়া উপন্যাসখনৰ নাম থোৱা গৈছিল 'Elinor and Marinne'। সমসাময়িক ঔপন্যাসিক ফ্ৰান্সেচ বাৰ্ণি আৰু মাৰিয়া এজৱৰ্থে তেওঁক বাৰুকৈয়ে প্ৰভাৱিত কৰিছিল। মাৰিয়া এজৱৰ্থৰ উপন্যাসৰ হাস্যৰস আৰু পৰিস্থিতিজনিত শ্লেষে জে'নক গভীৰভাৱে প্ৰভাৱিত কৰিছিল। সমসাময়িক ৰক্ষণশীল ইংৰাজ সমাজৰ গণ্ডীৰ ভিতৰত থাকি এগৰাকী অবিবাহিতা যুৱতীৰ বাবে স্বাধীনভাৱে নিজৰ নামত উপন্যাস ছপা কৰোৱাই প্ৰকাশ কৰাতো দুঃসাহসৰ তুল্য। তেওঁ নিজেও পৰিস্থিতিৰ দাস আছিল। পৰৱৰ্তী সময়ৰ আলোচনাৰ পৰা এইটো জনা যায় যে তেওঁৰ প্ৰথম প্ৰকাশিত উপন্যাস 'চেঞ্চ এণ্ড চেঞ্চিবিলিটী'ৰ বেটুপাতত তেওঁৰ নাম নাছিল। বৰঞ্চ তাত মাত্ৰ 'By a Lady' এইদৰে ঔপন্যাসিকাগৰাকীৰ পৰিচয় আগবঢ়োৱা হৈছিল। তেওঁৰ পৰৱৰ্তী কৃতী 'Pride and Prejudice'তো প্ৰায় একে নিয়ম অনুসৰণ কৰা হৈছিল। তাত লেখিকাৰ পৰিচয় এনেদৰে দিয়া হৈছিল— 'By the Anthor of sense and Sensibility' সহজেই অনুমেয় তেতিয়াৰ পুৰুষপ্ৰধান ইংৰাজ সমাজত এগৰাকী প্ৰচুৰ সম্ভাৱনাপূৰ্ণ সৃষ্টিশীল লেখিকাৰ সামাজিক তথা বিদ্যায়তনিক ক্ষেত্ৰত স্থিতি কেনেকুৱা আছিল তাৰ আভাস লাভ কৰিলো। তাৰ পৰাই অনুমান কৰিব পাৰি জে'ন অষ্টেনৰ নিচিনা প্ৰতিভাশালী লেখিকাৰ তেনে দুৰ্ভাগ্যজনক বাস্তৱ স্থিতিয়ে আমাক ভবাই তোলে। পিছে তেনে প্ৰৱল প্ৰত্যাহ্বানৰ সন্মুখতো তেওঁ যি মনোৰম সাহিত্য সৃষ্টি কৰি গ'ল, সিয়ে তেওঁক এগৰাকী সূক্ষ্মদৰ্শী, উদ্ভাৱনশীল সৃষ্টিকৰ্মৰ স্ৰষ্টাৰূপে প্ৰতিষ্ঠা লাভ নকৰিলে। জীৱনীকাৰসকলৰ কাপত কৌতুকপ্ৰিয়, দেখনীয়াৰ আৰু পুৰুষৰ মন জয় কৰিব জনা এইগৰাকী লেখিকা আজীৱন কুমাৰী হৈ থাকিল। তেওঁ কোনো পুৰুষকে জীৱন সংগীৰূপে স্বীকৃতি দিয়া নাছিল যদিওবা তেওঁৰ জীৱনলৈ প্ৰেমিকৰূপে ভালেকেইজন পুৰুষ আহিবলৈ ইচ্ছুক আছিল। তেওঁৰ মৃত্যুৰ পাছত তেওঁৰ ভালেমান চিঠি-পত্ৰ আৰু ব্যক্তিগত লেখা তেওঁৰ ভগ্নী কাচান্দ্ৰাই ধ্বংস কৰিছিল। দুয়োগৰাকী ভগ্নীৰ মাজত গভীৰ সম্পৰ্ক থকাৰ কথা তেওঁৰ জীৱনীয়ে ইংগিত কৰে। তেওঁৰ সেই পত্ৰলেখ

## সাহিত্যৰ ৰূপৰেখা

ড° নিভাৰাণী ফুকন



আৰু অন্যান্য লেখাসমূহ তেনেদৰে নিচ্ছিন্ন হৈ নোযোৱাহেঁতেন হয়তো জে'ন অষ্টেন নামৰ নাৰীগৰাকীৰ ব্যক্তিগত জীৱন আৰু মানসিক জগতখনৰ ভালেমান গুৰুত্বপূৰ্ণ তথ্য উন্মোচিত হ'লহেঁতেন।

অৱশ্যে তেওঁ মাত্ৰ এদিনৰ বাবে এজন বিশেষ পুৰুষৰ বাগদত্তা হৈছিল। এইটো কোৱা হয় যে তেওঁ তেওঁৰ ভগ্নী কাচান্দ্ৰাৰ লগত বীগ্ পৰিয়ালৰ ঘৰৰ আতিথ্য স্বীকাৰ কৰাৰ সময়ত ১৮০২ৰ ডিচেম্বৰৰ কোনো এটা বিশেষ দিনত হেৰিচ বীগ ৱিদাৰে জে'নক বিবাহৰ প্ৰস্তাৱ দিছিল। জে'নে সেই প্ৰস্তাৱ স্বীকাৰ কৰিছিল যদিও সেই নিশা তেওঁ উজাগৰে থাকি নিজৰ সেই সিদ্ধান্তক লৈ গুণা-গঁথা কৰি সেই প্ৰস্তাৱ প্ৰত্যাখ্যান কৰাই নহয়, পিছদিনা পুৱাই আতিথেয়ৰ ঘৰ ত্যাগ কৰিছিল। অৱশ্যে তেওঁ একপক্ষীয়ভাৱে কোনো এগৰাকী বিশেষ পুৰুষক ভাল পোৱাৰ কথাও তেওঁৰ জীৱনীমূলক লেখাত নথকা নহয়। তেওঁ আছিল আইৰিচ-হিউগ্‌নট ৰাজনীতিবিদ আৰু বিচাৰপতি থমাছ লেংলইচ লেফ্‌ৰয়।

আমাৰ অসমীয়া সমাজত প্ৰচলিত 'লাও সদায় পাতৰ তল' বোলা কথাষাৰ সেই সময়ৰ ইংৰাজ সমাজৰ ক্ষেত্ৰত প্ৰযোজ্য হৈছিল। নাৰীসকলৰ শাৰীৰিক, মানসিক, বৌদ্ধিক বিকাশৰ যি মাপদণ্ড তেতিয়াৰ সমাজে নিৰ্ধাৰণ কৰি দিছিল, তাৰ হীন-ডেঢ়ি ঘটিলেই নাৰীগৰাকীৰ জীৱন প্ৰত্যাহ্বানপূৰ্ণ হৈ পৰিছিল। অথচ তাৰ মাজতো কিছুমান স্বাধীনমনা নাৰী সত্তাই নিজস্বতা অক্ষুণ্ণ ৰাখি সমাজত নিজৰ স্থিতি বৰ্তাই ৰাখিছিল। তাৰ বাবে কোনোবা নাৰীয়ে হয়তো ব্যক্তিগত জীৱনত কিবা ত্যাগ স্বীকাৰ কৰিছিল নতুবা 'স্বাৰ্থপৰতা'ৰ আশ্ৰয় লৈছিল। নাৰীয়ে স্বাভাৱিক জীৱন অতিবাহিত কৰাটোৱেই তেতিয়াৰ সময়ৰ সাৰ কথা আছিল। নাৰীৰ কিবা বিশেষ পাৰদৰ্শিতা থাকিলেও প্ৰায়েই সেয়া দৈনন্দিন জীৱনৰ কাৰ্যক্ৰমণিকাৰ হেঁচাত বিস্মৃতিৰ গৰ্ভত হেৰাই গৈছিল। জে'ন অষ্টেনৰ কাপ নিসৃত প্ৰায়ভাগ উল্লেখযোগ্য নাৰী চৰিত্ৰ কিবা নহয় কিবা সৃষ্টিশীল বা কলাত্মক গুণেৰে বিভূষিত। তেওঁৰ ৰচনাত নাৰী মনৰ সুকুমাৰ কলানুভূতিয়ে মুক্ত আকাশত বিচৰণ কৰাৰ পথ বিচাৰি পাইছে। তাৰ লগতে পুৰুষপ্ৰধান সমাজৰো স্বীকৃতি পাবলৈ সমৰ্থ হৈছে। এইটো কোৱা ভুল হ'ব যে জে'ন অষ্টেন পুৰুষ বিদ্বেষী আছিল। বৰঞ্চ তেওঁ নিৰ্মাণ কৰা উপন্যাসৰ পুৰুষ চৰিত্ৰৰ সৰু-বৰ ভালেমানত ৰক্ষণশীল কাঠামোৰ মাজৰ পৰাই মূৰ দাঙিব খোজা গুৰু-লঘু ভালেকেইটা প্ৰগতিশীল ধ্যান-ধাৰণাযুক্ত পুৰুষ চৰিত্ৰৰ চিত্ৰণ ঘটিছে। সেই পুৰুষ চৰিত্ৰসমূহে নিজকে প্ৰচলিত সমাজ ব্যৱস্থাৰ ধ্যান-ধাৰণাৰ পৰা নিজকে সম্পূৰ্ণৰূপে মুক্ত কৰিব পৰা নাই যদিও নাৰীৰ প্ৰগতিমুখী ধ্যান-ধাৰণাৰ প্ৰতি সকাৰাত্মকভাৱে চাবলৈ প্ৰয়াস কৰিছে।

*neevarani11@gmail.com*

---


# এইছ জি ৱেলছৰ *দ্য টাইম মেচিনৰ* কালজয়ী প্ৰাসংগিকতা

হিমাংশু ৰঞ্জন ভূঞা

**এইছ** জি ৱেলছৰ ১৮৯৫ ত প্ৰকাশিত 'দ্য টাইম মেচিন' নামৰ উপন্যাসখনে কেৱল সাহিত্যৰ জগততে নহয়, বৰঞ্চ মানুহৰ চিন্তাৰ জগততো এক অভূতপূৰ্ব জোঁকাৰণিৰ সৃষ্টি কৰিছিল। এই উপন্যাসখনৰ মূল কেন্দ্ৰীয় বিষয়বস্তু হ'ল সময়ক এটা চতুৰ্থ মাত্ৰা হিচাপে কল্পনা কৰা আৰু ইয়াৰ মাজেৰে মানৱ জাতিৰ ভৱিষ্যতৰ এক ভয়াৱহ ছবি দাঙি ধৰা। উপন্যাসখনৰ আৰম্ভণিতে সময় ভ্ৰমণকাৰীজনে তেওঁৰ বন্ধুসকলক বুজাবলৈ চেষ্টা কৰে যে যিদৰে আমি ওপৰ-তল বা সোঁ-বাঁও লৈ যাব পাৰো, ঠিক সেইদৰে সময়ৰ মাজেৰেও ভ্ৰমণ কৰাটো সম্ভৱ, কিয়নো সময় হ'ল স্থানৰ দৰেই এটা বিস্তৃতি। এই বৈজ্ঞানিক ধাৰণাটোৱে সেই সময়ৰ সমাজত এক চাঞ্চল্যৰ সৃষ্টি কৰিছিল। ভ্ৰমণকাৰীজনে নিজ হাতে নিৰ্মাণ কৰা এক বিশেষ যন্ত্ৰৰ সহায়ত বৰ্তমানৰ পৰা বহু হেজাৰ বছৰ আগলৈ অৰ্থাৎ ৮০২,৭০১ খ্ৰীষ্টাব্দৰ পৃথিৱীত উপস্থিত হয়। তাত গৈ তেওঁ যি দেখিলে, সি মানৱ জাতিৰ প্ৰগতিৰ ধাৰণাক সম্পূৰ্ণৰূপে ওলোটা কৰি পেলালে। তেওঁ আশা কৰিছিল যে ভৱিষ্যতৰ মানুহ হ'ব অধিক জ্ঞানী, অধিক শক্তিশালী আৰু অধিক উন্নত। কিন্তু তেওঁৰ সন্মুখত উন্মোচিত হ'ল এক বিপৰীত সত্য, য'ত মানৱ জাতি দুটা পৃথক ভাগত বিভক্ত হৈ পৰিছিল— ইলোই আৰু মৰলক। এই বিভাজন কোনো আকস্মিক ঘটনা নাছিল, বৰঞ্চ ই আছিল ঊনবিংশ শতিকাৰ শিল্প বিপ্লৱৰ ফলত সৃষ্টি হোৱা শ্ৰেণী সংঘাতৰ এক চৰম পৰিণতি। ৱেলছে এই কাহিনীৰ জৰিয়তে দেখুৱাবলৈ চেষ্টা কৰিছে যে সমাজত চলি থকা ধনী আৰু দুখীয়াৰ মাজৰ যি বিৰাট ব্যৱধান, সেয়া যদি সঠিক সময়ত ৰোধ কৰা নহয়, তেন্তে ভৱিষ্যতে ই মানুহক দুটা বেলেগ প্ৰজাতিলৈ ৰূপান্তৰিত কৰি পেলাব পাৰে। জীৱনৰ এই কঠিন সত্যটোক ৱেলছে অতি পোনপটীয়া আৰু যুক্তিপূৰ্ণভাৱে উপন্যাসখনত উপস্থাপন কৰিছে, যিটো আজিৰ যুগতো সমানেই প্ৰাসংগিক হৈ আছে।

উপন্যাসখনত বৰ্ণনা কৰা 'ইলোই' নামৰ প্ৰজাতিটো হ'ল সমাজৰ সেই উচ্চ শ্ৰেণীৰ প্ৰতিনিধি, যিসকলে যুগ যুগ ধৰি কোনো শাৰীৰিক শ্ৰম নকৰাকৈ কেৱল বিলাসিতাৰ মাজত জীৱন অতিবাহিত কৰিছিল। তেওঁলোক দেখাত অতি সুন্দৰ, সুকোমল আৰু শিশুৰ দৰে চঞ্চল, কিন্তু তেওঁলোকৰ মাজত কোনো বৌদ্ধিক গভীৰতা বা কাম কৰাৰ ক্ষমতা নাই। তেওঁলোক এক প্ৰকাৰৰ নিৰীহ জীৱলৈ পৰিণত হৈছে, যিয়ে কেৱল ফল-মূল খাই দিনটো পাৰ কৰে। সময় ভ্ৰমণকাৰীজনে প্ৰথমে ভাবিছিল যে মানুহে হয়তো এনে এক পৃথিৱী গঢ়ি তুলিছে, য'ত সকলো ধৰণৰ বিপদ আৰু কষ্ট নাইকিয়া হৈছে, যাৰ ফলত মানুহৰ বুদ্ধিবৃত্তি আৰু শাৰীৰিক শক্তিৰ প্ৰয়োজন নোহোৱা হৈ পৰিছে। কিন্তু দৰাচলতে এই সুকোমলতা আছিল মানৱ জাতিৰ এক চৰম অৱক্ষয়ৰ চিন। যেতিয়া এটা শ্ৰেণীয়ে কোনো শ্ৰম নকৰাকৈ সকলো সুবিধা লাভ কৰিবলৈ আৰম্ভ কৰে, তেতিয়া তেওঁলোকৰ মগজু আৰু শৰীৰ দুয়োটাই কাম কৰিবলৈ এৰি দিয়ে। জীৱনৰ জটিলতাৰ অনুপস্থিতিয়ে তেওঁলোকক অসহায় কৰি পেলাইছে। ইলোইসকলৰ এই অৱস্থাই আমাক সোঁৱৰাই দিয়ে যে অত্যধিক আৰাম আৰু সংগ্ৰামহীন জীৱনে কেনেকৈ এটা জাতিক পংগু কৰি পেলাব পাৰে। তেওঁলোকৰ মাজত সাহিত্য নাই, বিজ্ঞান নাই, আনকি নিজৰ অস্তিত্বক লৈ কোনো প্ৰশ্নও নাই। এইটোৱেই হ'ল সেই পৰম সুখৰ পৃথিৱী যাৰ সপোন মানুহে যুগে যুগে দেখি আহিছে, কিন্তু ৱেলছে দেখুৱাইছে যে তেনে এক স্বৰ্গ সদৃশ পৃথিৱীত মানুহ মানুহ হৈ নাথাকে, বৰঞ্চ সি এক নিৰ্বোধ পশুতকৈও নিম্ন স্তৰলৈ নামি যায়। এই বিশ্লেষণটো আৱেগবৰ্জিত আৰু সম্পূৰ্ণৰূপে যুক্তিৰ ওপৰত প্ৰতিষ্ঠিত, কাৰণ যি অংগ বা যি বুদ্ধিক আমি ব্যৱহাৰ নকৰো, প্ৰকৃতিৰ নিয়ম অনুসৰি সেইবোৰ লাহে লাহে বিলুপ্ত হৈ যায়। এই ইলোইসকলৰ বিপৰীতে আছে 'মৰলক' নামৰ শ্ৰেণীটো, যিসকল পৃথিৱীৰ তলত অন্ধকাৰত বাস কৰে। তেওঁলোক হ'ল সেই শ্ৰমিক শ্ৰেণীৰ উত্তৰপুৰুষ, যিসকলক পুঁজিপতিসকলে যুগ যুগ ধৰি শোষণ কৰি আহিছিল। হেজাৰ হেজাৰ বছৰ ধৰি কাৰখানাত কাম কৰা আৰু ভূগৰ্ভস্থ সুৰংগত আৱদ্ধ হৈ থকাৰ ফলত তেওঁলোকৰ শৰীৰটো এনেদৰে বিকশিত হৈছে যে তেওঁলোকে পোহৰ সহ্য কৰিব নোৱাৰে। তেওঁলোক দেখাত বান্দৰৰ দৰে বীভৎস আৰু মাংসভোজী। ৱেলছে অতি সূক্ষ্মভাৱে দেখুৱাইছে যে পুঁজিপতি শ্ৰেণীয়ে যিদৰে শ্ৰমিকসকলক শোষণ কৰি পৃথিৱীৰ তললৈ ঠেলি দিছিল, হেজাৰ হেজাৰ বছৰৰ পাছত সেই একেই শ্ৰমিকসকলে এক শক্তিশালী আৰু হিংস্ৰ প্ৰজাতিলৈ ৰূপান্তৰিত হৈছে। ইলোইসকলৰ বিলাসিতাৰ বাবে যি মৰলকসকলে যন্ত্ৰ চলাই আছিল, তেওঁলোকেই এতিয়া ৰাতিৰ অন্ধকাৰত ওপৰলৈ উঠি আহে আৰু ইলোইসকলক চিকাৰ কৰি খায়। এয়া আছিল শোষক আৰু শোষিতৰ মাজৰ সম্পৰ্কৰ এক চৰম পৰিণতি, য'ত এসময়ৰ শোষক আজি শোষিতৰ খাদ্যলৈ পৰিণত হৈছে। এই পৰিৱৰ্তন আছিল অত্যন্ত নিষ্ঠুৰ কিন্তু তৰ্কসংগত। যি শ্ৰমিকক এতিয়াৰ সমাজে আন্ধাৰত ৰাখে, তেওঁলোকৰ সেই আন্ধাৰে এদিন সমাজৰ পোহৰকো গিলি পেলাব পাৰে। মৰলকসকলৰ এই উপস্থিতিৰ জৰিয়তে ৱেলছে দেখুৱাইছে যে প্ৰকৃতিয়ে কাৰো অন্যায় সহ্য নকৰে; বৰঞ্চ ই প্ৰত্যেকটো ক্ৰিয়াৰ এক সমান আৰু বিপৰীত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। এইদৰেই পৃথিৱীখন দুটা ভাগত বিভক্ত হৈছে- এটা ভাগে দিনৰ পোহৰত আনন্দ কৰে আৰু আনটো ভাগে ৰাতিৰ অন্ধকাৰত সেই আনন্দৰ মূল্য আদায় কৰে। এয়া কেৱল এটা কাহিনী নহয়, বৰঞ্চ ই সমাজৰ গভীৰত চলি থকা এক অঘোষিত যুদ্ধৰ ছবি যিটো হেজাৰ হেজাৰ বছৰ ধৰি মানুহৰ অজ্ঞাতে চলি আহিছে।

ৱেলছৰ এই লিখনীত সেই সময়ৰ 'সামাজিক বিৱৰ্তনবাদ' বা সামাজিক ক্ৰমবিৱৰ্তনবাদৰ প্ৰভাৱ স্পষ্টকৈ দেখা যায়। ডাৰউইনৰ তত্ত্ব অনুসৰি যিসকল আটাইতকৈ উপযুক্ত, তেওঁলোকেই জীয়াই থাকে। কিন্তু ৱেলছে ইয়াত এক নতুন মাত্ৰা যোগ কৰিছে— তেওঁ দেখুৱাইছে যে অত্যধিক অনুকূল পৰিৱেশে মানুহক দুৰ্বল কৰিহে পেলাব পাৰে। ইলোইসকলৰ কোনো শত্ৰু নাছিল, কোনো অভাৱ নাছিল, গতিকে তেওঁলোকৰ বিৱৰ্তন হৈছে এক অৱক্ষয়ৰ ফালে। আনহাতে, মৰলকসকলে জীয়াই থকাৰ কঠোৰ সংগ্ৰাম কৰি কৰি অধিক হিংস্ৰ আৰু শক্তিশালী হৈ পৰিছে। উপন্যাসখনত সময় ভ্ৰমণকাৰীজনে যেতিয়া এটা বিশাল সংগ্ৰহালয় বা মিউজিয়াম আৱিষ্কাৰ কৰে, তেতিয়া তেওঁ দেখিলে যে মানুহৰ অতীতৰ জ্ঞান আৰু বিজ্ঞানৰ সকলো চিন-মোকাম নষ্ট হৈ গৈছে। জ্ঞানৰ চৰ্চা অবিহনে মানুহ কেনেকৈ পশুৰ স্তৰলৈ নামি যাব পাৰে, তাৰ ই এক মৰ্মান্তিক উদাহৰণ। মৰলকসকলে যন্ত্ৰৰ ব্যৱহাৰ জানে যদিও তাৰ কোনো বৈজ্ঞানিক উদ্ভাৱনী শক্তি তেওঁলোকৰ নাই, তেওঁলোকে কেৱল পৰম্পৰাগতভাৱে সেইবোৰ চলাই গৈছে। এই সমগ্ৰ ব্যৱস্থাটোৱে আমাক সোঁৱৰাই দিয়ে যে বিজ্ঞান আৰু প্ৰযুক্তিয়ে কেৱল সুবিধা প্ৰদান কৰিলেই নহ'ব, ইয়াৰ লগতে সমাজৰ বৌদ্ধিক আৰু নৈতিক বিকাশৰো সমানে প্ৰয়োজন। যদিহে সমাজৰ এটা অংশই কেৱল বিলাসিতা কৰি থাকে আৰু আনটো অংশই কেৱল যান্ত্ৰিক কামত ব্যস্ত থাকে, তেন্তে মানৱীয় গুণসমূহ বিলুপ্ত হোৱাটো নিশ্চিত। জীৱনৰ প্ৰতিটো খোজত যি সংগ্ৰাম আৰু প্ৰত্যাহ্বান থাকে, সেয়াই মানুহক মানুহ কৰি ৰাখে। সংগ্ৰাম অবিহনে প্ৰগতি সম্ভৱ নহয় আৰু সংগ্ৰামহীনতাৰ অৰ্থই হ'ল মৃত্যু। ৱেলছে এই সত্যটো অতি নিৰ্দয়ভাৱে পাঠকৰ আগত দাঙি ধৰিছে, য'ত তেওঁ দেখুৱাইছে যে পৃথিৱীৰ পৰা কেনেকৈ দয়া, মৰম আৰু বুদ্ধিমত্তাৰ দৰে গুণবোৰ লাহে লাহে নোহোৱা হৈ গৈছে।




উপন্যাসখনৰ শেষৰ ফালে ৱেলছে আমাক লৈ গৈছে এক অতি দূৰৈৰ ভৱিষ্যতলৈ, য'ত পৃথিৱীৰ অন্তিম দিনবোৰ আহি উপস্থিত হৈছে। সময় ভ্ৰমণকাৰীজনে ৮০২,৭০১ৰ পৰাও আৰু লাখ লাখ বছৰ আগলৈ গৈ দেখে যে পৃথিৱীৰ পৰা মানৱ জাতি সম্পূৰ্ণৰূপে বিলুপ্ত হৈছে। সূৰ্যটো ক্ৰমান্বয়ে ডাঙৰ আৰু ৰঙা হৈ পৰিছে, গ্ৰহটোৰ তাপমাত্ৰা আৰু বায়ুমণ্ডল সলনি হৈছে। পৃথিৱীত কেৱল কিছুমান অদ্ভুত আকৃতিৰ বৃহৎ কাঁকোৰা আৰু জলজ প্ৰাণীহে ৰৈ গৈছে। এই অংশটোত ৱেলছে পদাৰ্থ বিজ্ঞানৰ 'এণ্ট্ৰপী' অৰ্থাৎ তাপগতিবিদ্যাৰ দ্বিতীয় সূত্ৰৰ ধাৰণাটো ব্যৱহাৰ কৰিছে। ইয়াৰ অৰ্থ হ'ল বিশ্বব্ৰহ্মাণ্ডৰ শক্তি লাহে লাহে ক্ষয় হৈ গৈ আছে আৰু এদিন সকলো এক শীতল মৃত্যুৰ ফালে আগবাঢ়ি যাব। মানৱ জাতিয়ে নিজকে যিমানেই শক্তিশালী বুলি নাভাবক কিয়, প্ৰকৃতিৰ বিৰাট নিয়মৰ আগত মানুহ অতি নগণ্য। এই চৰম বাস্তৱবাদ ৱেলছৰ লিখনীৰ এক ডাঙৰ শক্তি। পৃথিৱীখন পুনৰ এক নিস্তব্ধ আৰু জনশূন্য গ্ৰহলৈ ৰূপান্তৰিত হ'ব। এই যাত্ৰাই আমাক বুজাই দিয়ে যে আমাৰ যি দম্ভ আৰু অহংকাৰ, সেয়া বিশ্বব্ৰহ্মাণ্ডৰ সময়ৰ মাপকাঠিত অতি ক্ষণস্থায়ী। অনন্ত কালৰ বুকুত আমাৰ যি জীৱনকাল, সেয়া এক পলকৰ বাহিৰে আন একো নহয়। এই ধাৰণাটোৱে আমাক এক গভীৰ বৈৰাগ্যৰ ফালে লৈ যায় যদিও ইয়াৰ আধাৰ হ'ল পদাৰ্থ বিজ্ঞান। ৱেলছে অতি নিপুণতাৰে বিজ্ঞান আৰু দৰ্শনক একেলগে মিলাই এক ভয়ংকৰ ভৱিষ্যতৰ দৃশ্য অংকন কৰিছে, যিটো আজিও আমাৰ বাবে এক তীব্ৰ মানসিক জোঁকাৰণি।

'দ্য টাইম মেচিন'ৰ গুৰুত্ব আৰু প্ৰাসংগিকতা সাম্প্ৰতিক সময়ত অধিক বৃদ্ধি পাইছে। আজিৰ পৃথিৱীখনো স্পষ্টকৈ দুটা ভাগত বিভক্ত হোৱাৰ পথত। এফালে যিসকলৰ হাতত সকলো সম্পদ আৰু প্ৰযুক্তি আছে আৰু আনফালে যিসকল কেৱল সেই ব্যৱস্থাৰ শ্ৰমিক হৈ ৰৈছে। ৱেলছে এই উপন্যাসখনত কোনো উপদেশ দিয়া নাই, বৰঞ্চ তেওঁ কেৱল এটা সম্ভাব্য ভৱিষ্যতৰ দাপোণ আমাৰ সন্মুখত ধৰিছে। তেওঁৰ ভাষা অতি সহজ যদিও তাৰ অন্তৰালত থকা যুক্তি অতি গভীৰ। যি শ্ৰমিক শ্ৰেণীক আমি অৱজ্ঞা কৰো, সেই শ্ৰেণীৰ ক্ষোভ আৰু পৰিৱৰ্তিত স্বভাৱে এদিন সমগ্ৰ সভ্যতাকে ধ্বংস কৰি পেলাব পাৰে। আজিৰ দিনত যেতিয়া আমি কৃত্ৰিম বুদ্ধিমত্তাৰ কথা কওঁ, তেতিয়া আমাক ৱেলছে দিয়া সেই সাৱধানবাণীটো মনত পৰা উচিত যে অতিৰিক্ত যান্ত্ৰিক নিৰ্ভৰশীলতাই মানুহৰ স্বকীয়তাক ধবংস কৰিব পাৰে। আমাৰ ভৱিষ্যৎ কেনেকুৱা হ'ব সেয়া আমাৰ আজিৰ কৰ্মৰ ওপৰত নিৰ্ভৰ কৰে। ৱেলছে আমাক দেখুৱাইছে যে আমি যদি নিজৰ বিচাৰ-বুদ্ধি আৰু সহমৰ্মিতা ত্যাগ কৰি কেৱল লাভ-লোকচানৰ হিচাপত জীৱন অতিবাহিত কৰোঁ, তেন্তে আমাৰ পৰিণতিও হ'ব সেই জৰাজীৰ্ণ পৃথিৱীখনৰ দৰেই য'ত মানৱতাৰ কোনো স্থান নাই।

এইছ জি ৱেলছৰ এই উপন্যাসখনৰ কাহিনীটোৱে কেৱল সমাজৰ গঠনৰ ওপৰতে আলোকপাত কৰা নাই, বৰঞ্চ ই বিজ্ঞানৰ অপব্যৱহাৰ বা ভুল দিশৰ প্ৰয়োগৰ বিষয়েও এক নিৰ্মোহ সতৰ্কবাণী প্ৰদান কৰিছে। তেওঁ দেখুৱাইছে যে বিজ্ঞানৰ চৰম শিখৰত উপনীত হোৱাৰ পাছতো যদি মানুহে নিজৰ সাৰ্বজনীন দায়িত্ববোধ পাহৰি যায়, তেন্তে সেই বিজ্ঞানেই মানুহক পংগু কৰি তুলিব পাৰে। উপন্যাসখনত সময় ভ্ৰমণকাৰীজনৰ যি নিঃসংগ যাত্ৰা, সেয়া প্ৰকৃততে সমগ্ৰ মানৱ জাতিৰে এক নিসংগ যাত্ৰাৰ প্ৰতীক। যেতিয়া তেওঁ কালৰ সোঁতত আগুৱাই গৈ গৈ অকলশৰীয়া হৈ পৰে, তেতিয়া তেওঁ উপলব্ধি কৰে যে মানুহে সৃষ্টি কৰা এই অট্টালিকা, এই সাম্ৰাজ্য— সকলো এদিন ধূলিসাৎ হৈ যাব। এই অনুভৱটোত কোনো দুখ নাই, আছে কেৱল এক বৈজ্ঞানিক সত্য। ৱেলছে অতি কঠোৰভাৱে কৈছে যে যি সভ্যতাৰ ভিত্তি হ'ল বৈষম্য, সেই সভ্যতাৰ বিলুপ্তি অনিবাৰ্য। তেওঁৰ লিখনীৰ ভাষা ইমান পোনপটীয়া যে ইয়াত পাঠকৰ আৱেগক স্পৰ্শ কৰাৰ কোনো প্ৰয়াস নাই, বৰঞ্চ তেওঁৰ লক্ষ্য হ'ল পাঠকৰ বিচাৰবুদ্ধিক জগাই তোলা। এই গ্ৰন্থখন পাঠ কৰিলে বুজা যায় যে সময় এক নিৰন্তৰ প্ৰবাহ আৰু ইয়াৰ বুকুত আমি যি ইতিহাস লিখি আছো, তাৰ প্ৰতিটো আখৰ পৰিৱৰ্তনশীল। সেয়েহে বৰ্তমানৰ সময়ছোৱাক যদি আমৰা সঠিকভাৱে ব্যৱহাৰ নকৰো, তেন্তে ভৱিষ্যতে আমাক উদ্ধাৰ কৰিবলৈ কোনো সময় যন্ত্ৰই কাম নকৰিব। এই সত্যটোক গ্ৰহণ কৰিব পৰাটোৱেই হ'ল এজন সচেতন পাঠকৰ আটাইতকৈ ডাঙৰ কৃতিত্ব। সময়ৰ মাজেৰে যাত্ৰা কৰি ভ্ৰমণকাৰীজনে শিকিলে যে মানুহৰ সভ্যতা কোনো স্থায়ী বস্তু নহয়, ই হ'ল এক ক্ষণস্থায়ী বুৰবুৰণিহে মাত্ৰ।

> তেওঁৰ উপন্যাসখন কেৱল এটা সময়ৰ কাহিনী নহয়, ই হ'ল অনন্ত কালৰ এক নিৰ্মোহ সত্য। সময় ভ্ৰমণকাৰীজন যন্ত্ৰটোৰ স'তে নিৰুদ্দেশ হৈ গ'ল ঠিকেই, কিন্তু তেওঁ যিটো সত্য আমাক দি গ'ল, সেই সত্যই আমাক সদায় পথ দেখুৱাই থাকিব। জীৱনৰ এই চৰম যাত্ৰাত আমি কেতিয়াও পাহৰি যাব নালাগে যে আমি যিমানেই আগুৱাই নাযাওঁ কিয়, আমাৰ শিপাডাল সদায় আমাৰ কৰ্ম আৰু চিন্তাৰ মাজতেই আৱদ্ধ হৈ থাকে।

সময়ৰ এই ধাৰণা আৰু মানৱ জাতিৰ ভাগ্যক লৈ কৰা এই গভীৰ বিশ্লেষণটোৱে আমাক দ'কৈ ভাবিবলৈ বাধ্য কৰে। 'দ্য টাইম মেচিন'ৰ মূল বাৰ্তাটো হ'ল— মানুহৰ অস্তিত্ব কেৱল তেওঁৰ শাৰীৰিক গঠনত নাই, ই আছে তেওঁৰ জ্ঞান আৰু সহমৰ্মিতাত। যদিহে সমাজৰ এটা অংশক আমি আন্ধাৰত ৰাখো, তেন্তে সেই আন্ধাৰেই এদিন আমাৰ পোহৰকো গিলি পেলাব। ৱেলছে অতি তীক্ষ্ণ আৰু যুক্তিপূৰ্ণভাৱে ইয়াকে সাব্যস্ত কৰিছে। তেওঁৰ এই কালজয়ী সৃষ্টিয়ে আমাক সদায় সোঁৱৰাই থাকিব যে উন্নতি মানে কেৱল যন্ত্ৰৰ বৃদ্ধি নহয়, উন্নতি মানে হ'ল মানুহৰ দৰে জীয়াই থকাৰ এক সুস্থ পৰিৱেশ গঢ়ি তোলা। জীৱনৰ চৰম মুহূৰ্তত যেতিয়া সকলো শেষ হৈ যায়, তেতিয়াও আমাৰ কৰ্মবোৰেই ইতিহাসৰ পৃষ্ঠাত ৰৈ যায়। এইছ জি ৱেলছৰ এই চিন্তা ধাৰাটো আজিৰ প্ৰজন্মৰ বাবেও এক গুৰুত্বপূৰ্ণ পাঠ। তেওঁৰ লিখনীয়ে আমাক কেৱল আমোদ নিদিয়ে, বৰঞ্চ আমাক সচেতন কৰি তোলে। গতিকে এই উপন্যাসখনৰ চৰিত্ৰ আৰু ঘটনাৱলীক কেৱল কাহিনী হিচাপে নলৈ ইয়াৰ অন্তৰ্নিহিত অৰ্থক বুজিবলৈ চেষ্টা কৰিলেহে আমি এক উন্নত ভৱিষ্যতৰ দিশে আগবাঢ়িব পাৰিম। ইয়াতেই লেখকৰ সাৰ্থকতা আৰু এই গ্ৰন্থৰ চিৰন্তন মহত্ত্ব নিহিত হৈ আছে। বৰ্তমান সমাজত থকা যি শ্ৰেণী বৈষম্য, সি এদিন মৰলকৰ দৰে প্ৰজাতিৰ জন্ম দিব পাৰে নেকি- এই ভয়ংকৰ প্ৰশ্নটোৱে আমাক সদায় খেদি ফুৰিব। সেয়েহে আমি আমাৰ বৰ্তমানক অতি সাৱধানে ব্যৱহাৰ কৰিব লাগিব, যাতে আমাৰ উত্তৰপুৰুষে এক অন্ধকাৰ সুৰংগৰ পৰিৱৰ্তে এক পোহৰময় পৃথিৱী লাভ কৰে।

*ফোন ঃ ৯৮৬৪০০০২৬০*

## স্বামীৰ দহা-কাজৰ প্ৰস্তুতিৰ মাজতে

*তিনি পৃষ্ঠাৰ পৰা* ১৪ আগষ্টত মৃত্যু হোৱা স্বামীৰ অহা ২৯ আগষ্টত শ্ৰাদ্ধ অয়োজন কৰা হৈছিল। চন্দন নগৰৰ বাসিন্দা ৰমলা দত্ত হাজৰিকা এগৰাকী শিক্ষয়িত্ৰী তথা সাহিত্য-সংস্কৃতিৰ স'তে জড়িত বিশিষ্ট ব্যক্তি আছিল। ১৯৭৬ত প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী হিচাপে কৰ্মজীৱন আৰম্ভ কৰি ১৯৮৪ত বঙালপুখুৰী প্ৰাথমিক বিদ্যালয়ত স্থায়ী পদত নিযুক্তি লাভ কৰিছিল। শিক্ষকতাৰ সমান্তৰালভাৱে তেওঁ সাহিত্য চৰ্চাতো সক্ৰিয়ভাৱে জড়িত আছিল। তেওঁৰ প্ৰকাশিত গ্ৰন্থসমূহ হ'ল সংঘাত, যৌতুক, জেতুকী, নিৰক্ষৰ, জনবিস্ফোৰণ, আন্দোলন (শিশু গল্প), কবিতাৰ মালা, চেমনীয়া উপন্যাস, অমৰজ্যোতি গল্প সংকলন, নিশাৰ সপোন (শিশু গল্প), সৰুকণ, সৰল মহাভাৰত (মূল হিন্দীৰ পৰা অনুবাদ) আদি উল্লেখযোগ্য। বিভিন্ন কাকত-আলোচনীত তেওঁৰ গল্প, কবিতা আৰু প্ৰবন্ধ প্ৰকাশ পাইছিল। ৰমলা দত্ত হাজৰিকা মহিলা সমিতি, মইনা পাৰিজাত, চন্দন নগৰ জ্যেষ্ঠ নাগৰিক সংস্থা, অসম সাহিত্য সভা, যোৰহাট সাহিত্য সভা, বঙালপুখুৰী সাহিত্য সভা আদি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ স'তে জড়িত আছিল। যোৰহাট লেখিকা সংস্থাৰ কাৰ্যনিৰ্বাহক সদস্য আৰু অসম লেখিকা সংস্থাৰ আজীৱন সদস্য হিচাপেও তেওঁ দায়িত্ব পালন কৰিছিল। শিক্ষা আৰু সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে ২০০৬ত ৰাজ্যিক কৃতী শিক্ষক আৰু ২০০৮ত ৰাষ্ট্ৰীয় কৃতী শিক্ষক বঁটা লাভ কৰিছিল।

## ধেমাজিত উদ্যোগ বিভাগত লাখ লাখ

*তিনি পৃষ্ঠাৰ পৰা* এই সন্দৰ্ভত এক বিস্ফোৰক অভিযোগ দাখিল কৰিছে। মুখ্যমন্ত্ৰী সচিবালয়ৰ ডাক শাখাই সেইদিনাই উক্ত অভিযোগ আনুষ্ঠানিকভাৱে গ্ৰহণ কৰিছে। অভিযোগনামাত চাৰিগৰাকীক পোনপটীয়াকৈ দোষী সজোৱা হৈছে। তেওঁলোক হ'ল ভাৰপ্ৰাপ্ত জেনেৰেল মেনেজাৰ অংকিতা কাশ্যপ, এডিচিআই তণুলিমা বৰুৱা, কনিষ্ঠ সহায়ক অসীম দত্ত আৰু আন এজন কনিষ্ঠ সহায়ক বেদব্ৰত গগৈ। এই সমস্ত বিষয়ত পৃষ্ঠপোষকতা কৰিছিল পূৰ্বৰ জিলা অতিৰিক্ত আয়ুক্ত ৰাজীৱ সোণোৱালে। পৰিষদৰ মুখ্য উপদেষ্টা প্ৰদীপ কলিতাৰ স্বাক্ষৰিত এই পত্ৰত তিনিটা ভয়ংকৰ অনিয়মৰ তথ্য ফাদিল হৈছে। প্ৰথম অনিয়ম হ'ল মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম আঁচনিৰ প্ৰশিক্ষণ পুঁজি আত্মসাৎ। যোৱা সাত জুলাইৰ পৰা ধেমাজি বাণিজ্য মহাবিদ্যালয়ত ২৩ দিনীয়া প্ৰশিক্ষণ অনুষ্ঠিত হৈছিল। এই প্ৰশিক্ষণত প্ৰশিক্ষাৰ্থীক অতি নিম্নমানৰ ভাত যোগান ধৰা হৈছিল যদিও কাগজত কলেজৰ কেন্টিনৰ উচ্চ হাৰত বিল দেখুওৱা হৈছে। বিষয়া আৰু প্ৰশিক্ষকৰ নিমিত্তে ধাৰ্য কৰা ধনো কাগজে-পত্ৰই লুণ্ঠন কৰা হৈছে। মহাবিদ্যালয়ৰ চিচি কেমেৰাৰ ফুটেজ পৰীক্ষা কৰিলে এই মিছা হিচাপৰ সত্যতা ওলাই পৰিব। দ্বিতীয় অনিয়ম পিএমইজিপি ঋণত। ভাৰপ্ৰাপ্ত জিএম অংকিতা কাশ্যপ, এডিচিআই আৰু কনিষ্ঠ সহায়ক অসীম দত্তই এক গোপন বুজাবুজিৰে দুখীয়া নিবনুৱাৰ পৰা ঋণ অনুমোদনৰ নামত ১০ হেজাৰৰ পৰা ২০ হেজাৰ টকাকৈ উৎকোচ লৈছে। যিয়ে উৎকোচ দিছে তেওঁৰহে ফাইল দিছপুৰলৈ গৈছে। যিয়ে দিয়া নাই তেওঁৰ ফাইল পেলনীয়া হৈছে। তৃতীয়তে ধেমাজিত স্থায়ী জেনেৰেল মেনেজাৰ নিযুক্তি নোহোৱাৰ সুযোগ লৈ এই চক্ৰটোৱে ৰাজহুৱা ধনৰ লুণ্ঠনৰাজ চলাইছে। কোনো নিয়ন্ত্ৰণ নাই বিভাগত। কোনো জবাবদিহিতা নাই। এয়া চৰম প্ৰশাসনিক অৰাজকতা। উল্লেখ্য যে যোৱা এবছৰত ধেমাজিত অনুমোদিত সকলো পিএমইজিপি ঋণৰ তদন্তৰ দাবী জনোৱাৰ লগতে হিতাধিকাৰীৰ পৰা লোৱা উৎকোচৰ ধন ঘূৰাই দিয়া, ধেমাজিত এজন স্থায়ী জেনেৰেল মেনেজাৰৰ নিযুক্তি দিয়াৰ দাবী জনায় সংগঠন কেইটাই। সংগঠন কেইটাই এক প্ৰাতিষ্ঠানিক দুৰ্নীতি। এজন নিম্নবৰ্গ সহায়কে কেনেকৈ জিলা আয়ুক্ত আৰু জিলা উদ্যোগ বিষয়াকো প্ৰভাৱিত কৰিব পাৰে? ইয়াৰ আঁৰত মন্ত্ৰীৰ নাম লৈ চলা এক অসাধু চক্ৰ সক্ৰিয়। ই চৰকাৰৰ ভাবমূৰ্তিৰ প্ৰতি কুঠাৰাঘাত। মুখ্যমন্ত্ৰীৰ স্বচ্ছ প্ৰশাসনৰ সংকল্পক এই চক্ৰই প্ৰহসনত পৰিণত কৰিছে। মুখ্যমন্ত্ৰীৰ সপোনৰ আত্মনিৰ্ভৰ অসমক একাংশ দুৰ্নীতিগ্ৰস্ত বিষয়াই ভেঙুচালি কৰিছে। এনে পৰিস্থিতিত দিছপুৰৰ নীৰৱতাই ৰহস্যৰ সৃষ্টি কৰিছে। মন্ত্ৰী বিমল বড়াই এই বিষয়ত কিয় নীৰৱ? তেওঁৰ বিভাগত এনে লুণ্ঠন কেনেকৈ চলিছে? এই প্ৰশ্নই এতিয়া ৰাইজক আমনি কৰিছে। সেয়ে দিছপুৰে এই শোষণ বন্ধ কৰাৰ ব্যৱস্থা কৰাৰ লগতে অভিযুক্ত অসীম দত্ত, অংকিতা কাশ্যপ, তণুলিমা আৰু বেদব্ৰত গগৈৰ বিৰুদ্ধে তৎকালে ভিজিলেঞ্চ তদন্ত ঘোষণা কৰা, মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ আঁচনিৰ প্ৰশিক্ষণৰ খৰচৰ ফৰেনচিক অডিট কৰা, ধেমাজি বাণিজ্য মহাবিদ্যালয়ৰ চিচি কেমেৰা ফুটেজ জব্দ কৰা, যোৱা এবছৰৰ সকলো পিএমইজিপি ফাইলৰ পুনৰীক্ষণ কৰা আৰু উৎকোচৰ ধন হিতাধিকাৰীক ঘূৰাই দিয়া, অভিযুক্ত অসীম দত্তক তৎকালে নিলম্বন কৰি বিভাগীয় শাস্তিমূলক ব্যৱস্থা আৰু ফৌজদাৰী গোচৰ ৰুজু কৰি ধেমাজিৰ দুখীয়া নিবনুৱাক ন্যায় প্ৰদান কৰাৰ দাবী জনায়। অন্যথা কৃষক-শ্ৰমিক উন্নয়ন পৰিষদৰ লগতে সদৌ অসম দুৰ্নীতি প্ৰতিৰোধ সমিতিৰ সভাপতি দুৰ্গেশ্বৰ গগৈয়ে একত্ৰিত হৈ অচিৰে বৃহত্তৰ আন্দোলনৰ হুংকাৰ দিছে।

## আৰ্তসকলক সহায় কৰিবলৈ ৰাজ্য

*তিনি পৃষ্ঠাৰ পৰা* কোকৰাঝাৰৰ বড়োফা ভৱনত আয়োজন কৰা এক সংবাদমেলত এবছুৰ সভাপতি খৌৰীমদাও ওৱাৰীয়ে কয় যে শিৱসাগৰ জিলাৰ নাজিৰা ৰাজহ চক্ৰৰ বানপীড়িত অঞ্চলত নিখিল বড়ো ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ নেতৃত্বত যোৱা এটা সঁজাতী দলে ১৪ আগষ্টৰ পৰা ২২ আগষ্টলৈ চলোৱা নদিনীয়া বিশেষ সাহায্য আৰু পুনৰ সংস্থাপন অভিযান 'মিছন হোম ৰেস্কিউ এণ্ড ৰিষ্ট'ৰ' সফলভাৱে সমাপ্ত হোৱা বুলি জানিবলৈ দিয়ে।

সভাপতিজনে কয় যে অভিযান সফল কৰাৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়োৱা ৰহদৈ পুখুৰী এমই স্কুলৰ প্ৰধান শিক্ষয়িত্ৰী আৰু বিদ্যালয় পৰিচালনা সমিতিৰ লগতে সামগ্ৰী আৰু আৰ্থিকভাৱে সহায় আগবঢ়োৱা সকলো দাতা, শুভাকাংক্ষী আৰু সংগঠনক এবছুৱে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে।

অভিযানৰ সফল সমাপ্তিৰ পাছত আজি এবছুৰ কেন্দ্ৰীয় কাৰ্যালয়ত অনুষ্ঠিত সংবাদমেলত সংগঠনটোৰ সভাপতি খৌৰীমদাও ওৱাৰীয়ে কয় যে কেন্দ্ৰীয় সমিতিৰ নেতৃত্বত অনুষ্ঠিত এই অভিযানত সংগঠনটোৰ ১৫ খন জিলাৰ ১৫০ জন স্বেচ্ছাসেৱকে অংশগ্ৰহণ কৰে। যোৱা ১৯ জুলাইত হোৱা ভয়ংকৰ বান আৰু ব্যাপক পলস পৰাৰ ফলত বিপৰ্যস্ত হৈ পৰা গাঁওবাসীক সহায় কৰাৰ উদ্দেশ্যে এই অভিযান গ্ৰহণ কৰা হৈছিল।

ডেৰশ সদস্যক ১৫ টা দলত বিভক্ত কৰি সুসংগঠিত আৰু শৃংখলাবদ্ধভাৱে চলোৱাৰ বাবে স্বেচ্ছাসেৱকসকলক ১৫ টা দলত ভাগ কৰা হৈছিল। ইয়াৰে ১০ টা দলত ১০ জনকৈ বিভক্ত কৰি ফিল্ড কাম কৰে। আনহাতে, পাঁচটা দলক লজিষ্টিকছ আৰু ব্যৱস্থাপনাৰ দায়িত্ব দিয়া হৈছিল। ঐতিহাসিক ব্যক্তিত্বৰ নামেৰে গঠন কৰা এই দলসমূহে বানপীড়িত গাঁওসমূহত দিন-ৰাতি একাকাৰ কৰি সাহায্য অভিযান চলায়।

১৪ আগষ্টত ৰহদৈ পুখুৰীত কেন্দ্ৰীয় বেচ কেম্প স্থাপন কৰা হয়। ১৫ আগষ্টত দেশৰ ৮০ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে ৰাষ্ট্ৰীয় পতাকা আৰু সংগঠনৰ পতাকা উত্তোলন কৰি অভিযান আনুষ্ঠানিকভাৱে আৰম্ভ কৰা হয়।

নদিনীয়া অভিযানত স্বেচ্ছাসেৱকসকলে ২০৯ টা ঘৰৰ পৰা জমা হোৱা গধুৰ বোকা আৰু পলস আঁতৰাই ঘৰসমূহ পুনৰ বসবাসযোগ্য কৰি তোলে। লগতে ঘৰৰ ভিতৰত থকা বহুতো সামগ্ৰী সুৰক্ষিতভাৱে উলিয়াই আনোতো সহায় কৰে। সঁজাতী দলটোৱে ৬০ গৰাকী ছাত্ৰ-ছাত্ৰীক অধ্যয়ন সামগ্ৰী বিতৰণ কৰে। বানৰ ফলত যাতে ছাত্ৰ-ছাত্ৰীৰ পঢ়া-শুনাত ব্যাঘাত নজন্মে, তাৰ বাবে সৰ্বাধিক ক্ষতিগ্ৰস্ত ৬০ গৰাকী শিক্ষাৰ্থীক চিনাক্ত কৰি তেওঁলোকৰ মাজত বহী, লিখন সামগ্ৰী আৰু ষ্টেচনেৰী কিট বিতৰণ কৰা হয়।

অভিযানৰ সময়ছোৱাত মাজগাঁও, সান্তক বজাৰ, প্ৰজাবস্তী, বৰ-মিচিং গাঁও, বিহুৱৰ হিলাটোল, সোণাপুৰ নগৰ, নেপালীখুঁটি, বালিজান আৰু ছাইটিং কৈতী আদি গুৰুতৰভাৱে ক্ষতিগ্ৰস্ত অঞ্চল সামৰি লোৱা হয়।

চৰকাৰক ছয় মাহৰ বিনামূলীয়া ৰেছন আৰু দিখৌ নদী ব্যৱস্থাপনাৰ বাবে দাবী উত্থাপন কৰি সভাপতি খৌৰীমদাও ওৱাৰীয়ে কয় যে নাজিৰাৰ ৰাইজে এক অভূতপূৰ্ব প্ৰাকৃতিক দুৰ্যোগৰ সন্মুখীন হৈছে। মানৱ সেৱাৰ সংকল্পৰে সংগঠনটোৰ ১৫০ জন স্বেচ্ছাসেৱকে ২০৯ টা পৰিয়ালৰ ঘৰ থাকিব পৰাকৈ উপযুক্ত কৰি দিয়ে। ছাত্ৰ নেতাজনে কয়, 'বানত কৃষিভূমিৰ শস্য সম্পূৰ্ণৰূপে নষ্ট হোৱাৰ ফলত হেজাৰ হেজাৰ লোক খাদ্য সংকট আৰু গৃহহীনতাৰ সন্মুখীন হৈছে। কেৱল সামাজিক প্ৰচেষ্টাৰে এই বিপৰ্যয়ৰ ক্ষতি পূৰণ কৰা সম্ভৱ নহয়।'

তেওঁ কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰক ক্ষতিগ্ৰস্ত অঞ্চলত তাৎক্ষণিকভাৱে পুনৰ নিৰ্মাণ কাম আৰম্ভ কৰা, বানপীড়িত পৰিয়ালসমূহক কমেও ছয় মাহলৈ বিনামূলীয়া ৰেছন যোগান ধৰা আৰু ভৱিষ্যতে এনে ধ্বংসাত্মক পৰিস্থিতি ৰোধ কৰাৰ বাবে দিখৌ নদীৰ নিম্নভাগৰ বানপানী নিয়ন্ত্ৰণৰ ক্ষেত্ৰত বৈজ্ঞানিক আৰু স্থায়ী পৰিকল্পনা গ্ৰহণ কৰিবলৈ দাবী জনায়। স্থানীয় ৰাইজ আৰু সহযোগীসকলক কৃতজ্ঞতা জনাই অভিযানটো সফল কৰি তোলাত সহায় আগবঢ়োৱা ৰহদৈ পুখুৰী এমই স্কুলৰ প্ৰধান শিক্ষয়িত্ৰী আৰু বিদ্যালয় পৰিচালনা সমিতিৰ প্ৰতি এবছুৱে বিশেষ কৃতজ্ঞতা জ্ঞাপন কৰে।

ইয়াৰ উপৰি পাটৰগাঁৱৰ গাঁওবুঢ়াসকল, স্থানীয় পঞ্চায়তৰ সভাপতি আৰু সদস্যসকল তথা বিভিন্ন স্থানীয় সংগঠনে স্বেচ্ছাসেৱকসকলক আগবঢ়োৱা আতিথ্য, সহযোগিতা আৰু সহায়ৰ বাবেও সংগঠনটোৱে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে।

## শাৰীৰিক প্ৰতিবন্ধকতাক প্ৰত্যাহ্বান জনাই

*তিনি পৃষ্ঠাৰ পৰা* নিমিষজিতে অসমীয়া চুটি ছবি 'যোদ্ধা'ত কৰা সাৱলীল আৰু হৃদয়স্পৰ্শী অভিনয়েৰে ৰীল্‌চ ইণ্টাৰনেছনেল ফিল্ম ফেষ্টিভেল ২০২৬ত শ্ৰেষ্ঠ অভিনেতাৰ বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। যোৱা ১৭ মে'ত মহাৰাষ্ট্ৰৰ ছত্ৰপতি সম্ভাজি নগৰত অনুষ্ঠিত এই আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত বিশ্বৰ প্ৰায় ১৫শতকৈ অধিক চুটি ছবিয়ে অংশগ্ৰহণ কৰিছিল। তাৰ মাজত বিশ্বৰ বহু প্ৰখ্যাত ছবি নেওচি নিজৰ অভিনয়ৰ জৰিয়তে বিচাৰকৰ দৃষ্টি আকৰ্ষণ কৰি শ্ৰেষ্ঠ অভিনেতাৰ খিতাপ দখল কৰে তিনিচুকীয়াৰ যুৱক নিমিষজিতে। আনুষ্ঠানিক তথ্য অনুসৰি, 'যোদ্ধা' হৈছে সচেতনতাৰে সমাজক নায়ক হিচাপে আগবঢ়াই নিয়াৰ এক কাহিনী। য'ত নিমিষজিতে নিজৰ বাস্তৱ জীৱনৰ যুঁজখনকেই পৰ্দাত জীৱন্ত কৰি তুলিছে। শাৰীৰিক অসুবিধাৰ বাবে নিমিষজিতে নিজে মুম্বাইলৈ গৈ বঁটা গ্ৰহণ কৰিবলৈ যাব নোৱাৰিলে। সেয়ে শনিবাৰে তিনিচুকীয়াতে আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত তিনিচুকীয়াৰ বিধায়ক পুলক গোহাঁই আৰু তিনিচুকীয়া পৌৰসভাৰ পৌৰপতি পুলক চেতিয়াই আনুষ্ঠানিকভাৱে তেওঁৰ হাতত এই সন্মানীয় বঁটা আৰু স্মাৰক তুলি দিয়ে। এই দৃশ্যই উপস্থিত সকলোৰে চকু সেমেকাই তোলে। জন্মলগ্নৰে পৰা শাৰীৰিকভাৱে অক্ষম নিমিষজিতে বিশেষ আনুষ্ঠানিক শিক্ষা গ্ৰহণ কৰা নাই। স্কুলৰ চৌকাঠ গচকিব নোৱাৰিলেও কিন্তু শিক্ষাৰ অভাৱে তেওঁৰ প্ৰতিভাৰ পথত হেঙাৰ হ'ব পৰা নাই। সৰুৰে পৰাই অভিনয় আৰু নৃত্যৰ প্ৰতি থকা তীব্ৰ হেঁপাহ আৰু ঈশ্বৰ প্ৰদত্ত প্ৰতিভাৰ বলত তেওঁ আজি এই স্থান পাবলৈ সক্ষম হৈছে। 'যোদ্ধা' তেওঁৰ অভিনীত দ্বিতীয়খন চুটি ছবি। ইয়াৰ পূৰ্বেও তেওঁ কে'বাখনো চুটি ছবিত মুখ্য চৰিত্ৰত অভিনয় কৰি দৰ্শকৰ সমাদৰ লাভ কৰিছে। পুত্ৰৰ এই সফলতাত আপ্লুত মাতৃ দীপালী ফুকন। আৱেগিক হৈ মাতৃগৰাকীয়ে কয়, 'যিটো ল'ৰাক চিকিৎসকে জীয়াই নাথাকে বুলি কৈছিল, সেই ল'ৰাটোকে লৈ আজি আমি আজীৱন সুখী। চুটি ছবি কৰি মোৰ একো লাভ হোৱা নাই, কিন্তু মোৰ ল'ৰাটোৰ বাবে মই সকলোখিনি কৰিছো। ল'ৰাটোৰ প্ৰতিভা দেখি মই সুখী, সেই বাবেই তাক ঘৰত বহাই নথৈ আজি এনেকৈ বাহিৰলৈ উলিয়াই আনিছো।' মাতৃৰ এই কথাষাৰে প্ৰমাণ কৰে যে এগৰাকী মাতৃৰ ত্যাগ আৰু বিশ্বাসে এজন সন্তানক কেনেকৈ বিশ্বজয়ী কৰি তুলিব পাৰে। ইফালে, শনিবাৰে তিনিচুকীয়াৰ হোটেল হিল্টন ব্লুত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত নিমিষজিতৰ অভিনীত আন এখন অসমীয়া চুটি ছবি 'আত্মজ'ৰ শুভ মুক্তি দিয়া হয়। চলচ্চিত্ৰ জগতৰ লগতে সামাজিক আৰু সাংস্কৃতিক ক্ষেত্ৰৰ স'তে জড়িত ভালেসংখ্যক বিশিষ্ট ব্যক্তি আৰু কলা-কুশলীৰ উপস্থিতিত আয়োজিত অনুষ্ঠানত মুখ্য অতিথিৰূপে বিধায়ক পুলক গোহাঁই, পৌৰপতি পুলক চেতিয়া, তিনিচুকীয়া উন্নয়ন প্ৰাধিকৰণৰ সভাপতি কাজল গোহাঁইৰ লগতে চুটি ছবিখনৰ কাহিনীকাৰ তথা পৰিচালক ডিম্পু কৌশিক বৰুৱা উপস্থিত থাকে। উল্লেখ্য যে 'আত্মজ' কেৱল এখন চুটি ছবি নহয়, ই এগৰাকী মাতৃৰ অদম্য সাহস, নিৰন্তৰ প্ৰচেষ্টা আৰু নিজৰ পুত্ৰৰ সপোনক ডেউকা দিয়াৰ এক প্ৰেৰণাদায়ক কাহিনী। নিমিষজিৎ ওৰফে নিকিৰ জীৱন আৰু তেওঁৰ অভিনয় যাত্ৰাৰ পৰা অনুপ্ৰাণিত হৈ ছবিখন নিৰ্মাণ কৰা হৈছে। মাতৃৰ এই ত্যাগ আৰু নিমিষজিতৰ অদম্য হেঁপাহে আজি বহু যুৱক-যুৱতীৰ বাবে অনুপ্ৰেৰণাৰ উৎস হৈ পৰিছে। শাৰীৰিক বাধা নেওকি, জীৱন যুঁজত যুঁজি আগবাঢ়ি নিমিষজিৎ প্ৰকৃতাৰ্থত এজন যোদ্ধা। নিমিষজিতৰ এই সাফল্যই কেৱল তেওঁৰ পৰিয়ালকেই নহয়, সমগ্ৰ তিনিচুকীয়াবাসীকে গৌৰৱান্বিত কৰিছে। যাৰ বাবে তিনিচুকীয়াৰ কে'বাটাও দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে জাৰ্ণেলিষ্ট ইউনিয়ন অৱ আছাম, তিনিচুকীয়া জিলা সমিতিয়েও তেওঁক অভিনন্দন তথা সম্বৰ্ধনাপত্ৰ প্ৰদান কৰে।

## বান বিভীষিকা বিষয়ক চিত্ৰাংকন

*তিনি পৃষ্ঠাৰ পৰা* সাংবাদিকতাৰ দিন'ত প্ৰদান কৰা হ'ব বুলি ন্যাসৰ পৰিচালনা ন্যাসৰক্ষী পৰেশ বৈশ্যই জনাইছে। বঁটাৰ বাবে নিৰ্বাচিতসকলক সেইদিনা নিৰ্ধাৰিত সময়ত অনুষ্ঠানত উপস্থিত থাকি বঁটা গ্ৰহণ কৰিবলৈ জনোৱা হৈছে।

## হোজাই-কাৰ্বি আংলং সীমান্তৱৰ্তী

*তিনি পৃষ্ঠাৰ পৰা* খবৰ লাভ কৰাৰ পাছতে এছডিআৰএফ বাহিনীয়ে নৈখনত উদ্ধাৰ অভিযান চলায় যদিও এই পৰ্যন্ত যুৱকজনৰ কোনো সন্ধান লাভ কৰিবলৈ সক্ষম হোৱা নাই। উল্লেখ্য যে দীঘলপানী নৈ কাৰ্বি আংলং জিলাৰ অন্যতম নদী আৰু অঞ্চলটোত বাৰিষাৰ সময়ত পানীৰ সোঁত যথেষ্ট বৃদ্ধি পোৱাৰ ফলত বিপদৰ আশংকা থাকে। যুৱকজনৰ সন্ধানত স্থানীয় ৰাইজ আৰু উদ্ধাৰকাৰী দলে অনুসন্ধান অব্যাহত ৰাখিছে। ঘটনাটোক কেন্দ্ৰ কৰি যমুনাগাঁও তথা ডবকা অঞ্চলত শোকাকুল পৰিৱেশে বিৰাজ কৰিছে।

## পূব নলবাৰীৰ কেন্দুকুছিত

*তিনি পৃষ্ঠাৰ পৰা* অনুৰোধ কৰাৰ পাছতো গুৰুত্ব নিদিয়াৰ অভিযোগ উঠাইছে ৰাইজে। ১০ বছৰ ধৰি ৰাস্তাটোৰ কাৰণে নৰক যন্ত্ৰণা ভুগি আহিছে ৰাইজে। ছাত্ৰ-ছাত্ৰীসকলে যথেষ্ট যন্ত্ৰণা ভুগিছে শিক্ষানুষ্ঠানসমূহলৈ অহা-যোৱা কৰাত। সেয়ে ৰাইজে পঞ্চায়ত প্ৰতিনিধিক আশা এৰি নলবাৰী সমষ্টিৰ বিধায়ক তথা মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক একাঁঠু বোকা পানী হোৱা ৰাস্তাটো পকীকৰণ কৰি দিবলৈ আহ্বান জনাইছে।

## চতিয়াত আৰক্ষীয়ে আটক কৰে

*তিনি পৃষ্ঠাৰ পৰা* আটক কৰিবলৈ সক্ষম হয়। চতিয়াত গৰুভৰ্তি নখনকৈ বাহন আটক কৰা খবৰ পাই নদুৱাৰ সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকা চতিয়া আৰক্ষী থানাত উপস্থিত হৈ আৰক্ষীক ধন্যবাদ জ্ঞাপন কৰে। লগতে গৰুৰ গৰাকী চিনাক্ত হ'লে গৰাকীক চমজাই দিবলৈ আৰক্ষীক আহ্বান জনায়। ইতিমধ্যে চতিয়া থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া প্ৰাঞ্জল নাথে টড্ৰাইভাৰ আৰু হেণ্ডিমেনৰ ওপৰত মাৰাথন জেৰা অব্যাহত ৰাখিছে। উল্লেখ্য যে চতিয়াত চলিত মাহতে চতিয়াল চুক, খনাগুৰি, বহুৱাকুৰি, হেজাৰীমল আদি গাঁৱত চোৰে গৰু চুৰি কাৰ্য সংঘটিত কৰি আহিছিল। এই সন্দৰ্ভত চতিয়া আৰক্ষীৰ এক টহলদাৰী দলে দিনে-নিশাই অনুসন্ধান অব্যাহত ৰাখিছে।

## ৰূপহীহাটত ৩৭ লাখ টকা

*তিনি পৃষ্ঠাৰ পৰা* চিকনী চুপাৰি চুৰি কাণ্ড সংঘটিত হৈছে। অঞ্চলটোৰ খাইৰুল ইছলাম নামৰ এজন লোকৰ এজাহাৰৰ ভিত্তিত তেলিয়াচাপৰিচুপৰ জিয়াবুৰ ৰহমান নামৰ এজন অভিযুক্তক আৰক্ষীয়ে আটক কৰিছে। তথ্য অনুসৰি প্ৰায় ৩৭ লাখ টকাৰ চুপাৰি চুৰি কৰা গেংটোৰ এজনক আটক কৰিছে যদিও আন কে'বাজনো লোক এই চুৰি কাণ্ডৰ স'তে জড়িত আছে। আৰক্ষীৰ নিৰপেক্ষ তদন্ততহে এই চুৰিকাণ্ডৰ স'তে জড়িত গেংটোৰ বিষয়ে বিতং তথ্য পোহৰলৈ আহিব। ধৃত জিয়াবুৰক জেৰা অব্যাহত ৰাখিছে ৰূপহীহাট আৰক্ষীয়ে। ইপিনে, গুৱাহাটীত কৰ্মৰত এজন উপ-আৰক্ষী অধীক্ষকে অভিযুক্ত জিয়াবুৰক ৰক্ষণা-বেক্ষণ দিয়াৰ প্ৰচেষ্টা অব্যাহত ৰখা বুলি গুৰুতৰ অভিযোগ উঠিছে। উক্ত চুৰি কাণ্ডৰ সমান্তৰালভাৱে আৰক্ষী বিষয়াজনৰ বিৰুদ্ধে তদন্ত আৰম্ভ কৰাৰ পোষকতা কৰিছে সচেতন মহলে।

## নগাঁৱত হেৰ'ইনসহ ধৃত দুই

*তিনি পৃষ্ঠাৰ পৰা* অস্তিত্বহীন কৰি তুলি ড্ৰাগছ মাফিয়া-সৰবৰাহকাৰীসকলে পূৰ্ণোদ্যমে চলাই গৈছে ড্ৰাগছৰ ৰমৰমীয়া বেহা। জিলাখনৰ এনে এটা অঞ্চল নাই যি আজি ড্ৰাগছৰ কবলত পৰা নাই। সেয়েহে এতিয়া জিলাখনৰ বাবে এই ড্ৰাগছেই হৈ পৰিছে এক ভয়াৱহ সমস্যা। ড্ৰাগছৰ ভয়াৱহতাৰ মাজতে আজি বিয়লি নগাঁও আৰক্ষীয়ে এক গোপন সূত্ৰৰ খবৰৰ ভিত্তিত নগাঁও চহৰৰ পাৰ্শ্বৱৰ্তী ভকতগাঁৱত এক অভিযান চলাই বুজন পৰিমাণৰ নিষিদ্ধ হেৰ'ইনসহ দুই ড্ৰাগছ মাফিয়াক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। এখন ছুইফ্ট বাহনেৰে ড্ৰাগছ সৰবৰাহ কৰা ড্ৰাগছ মাফিয়া দুজনে অভিযানকাৰী আৰক্ষীৰ দলটোক দেখা মাত্ৰকেই গাড়ীৰ পৰা নামি ওচৰৰ পুখুৰী এটাত জাঁপ দিয়ে যদিও আৰক্ষীৰ হাতৰ পৰা বাচিব নোৱাৰিলে। ধৃত ড্ৰাগছ মাফিয়া দুজনৰ নাম দীনে ইছলাম আৰু হুছেইন আলী। দুয়োৰে ঘৰ ভকতগাঁৱত। ধৃত ড্ৰাগছ মাফিয়া দুজনৰ পৰা আৰক্ষীয়ে ১৫.৫৬ গ্ৰাম ওজনৰ নিষিদ্ধ হেৰ'ইন জব্দ কৰে। আৰক্ষীয়ে ড্ৰাগছ মাফিয়া দুজনে ড্ৰাগছ সৰবৰাহত ব্যৱহাৰ কৰা এ এছ-০৯ জি-৬৫২৭ নম্বৰৰ ছুইফ্ট বাহনো জব্দ কৰিছে। অধিক তথ্য উদ্‌ঘাটনৰ বাবে ধৃত ড্ৰাগছ মাফিয়া দুজনক আৰক্ষীয়ে জেৰা অব্যাহত ৰাখিছে।

## সাহিত্যিক জ্যোতিপ্ৰসাদ

*তিনি পৃষ্ঠাৰ পৰা* নাম ঘোষণা কৰে। উল্লেখ্য যে অসমৰ প্ৰথম ডক্টৰেট, ঢাকা বিশ্ববিদ্যালয়ৰ ভাৰপ্ৰাপ্ত উপাচাৰ্য তথা অসম সাহিত্য সভাৰ ১৯৪০ৰ সভাপতি ময়িদুল ইছলাম বড়াৰ স্মৃতিত ২০১১ৰ পৰা এই বঁটা প্ৰদান কৰা হৈছে। এই বঁটাৰ বাবে নিৰ্বাচিত হোৱা জ্যোতিপ্ৰসাদ শইকীয়াৰ ঘৰ ঐতিহাসিক শিৱসাগৰৰ কোঁৱৰপুৰ অঞ্চলত। কোঁৱৰপুৰৰ বিদ্যালয়তেই প্ৰাথমিক শিক্ষা সাং কৰি কটন কলেজ আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা এম এ, এম ফিল আৰু পিএঞ্চইছডি ডিগ্ৰী লাভ কৰে। প্ৰথমে সৰুপথাৰ কলেজ, গড়গাঁও কলেজত অধ্যাপনা কৰি তেওঁ দীৰ্ঘদিন ডিব্ৰুগড় বিশ্ববিদ্যালয়তেই অদ্যাপনা কৰিছিল। পৰৱৰ্তী সময়ত বীৰাংগনা সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয়ৰ প্ৰতি,ঠাপক উপাচাৰ্যৰূপে কাৰ্যনিৰ্বাহ কৰি জ্যোতিপ্ৰসাদ শইকীয়াই বৰ্তমান যোৰহাট জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰূপে কাৰ্যনিৰ্বাহ কৰি আছে। অনেক ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় সন্মানেৰে সন্মানিত ড° জ্যোতিপ্ৰসাদ শইকীয়াই চেভ অৱ দ্য চাইলেণ্ট ষ্টন, জ্যোতিপ্ৰসাদ শইকীয়াৰ এশটা নিৰ্বাচিত গল্প আৰু এজন সন্ত্ৰাসবাদীৰ মৃত্যু, নৈপৰীয়া ছোৱালী, আকাশ নীলা নহয়, সুদৰ্শনা, বৰষুণৰ ৰং, মাটিত মেঘৰ ছায়া, ঈশ্বৰ আহি আছে, ৰাং কুকুৰৰ ৰং, ৰ'দে পুৰা ফুলৰ গোন্ধ, কেঁচা দুবৰিৰ প্ৰেম, কৃষ্ণচূড়াৰ ফুল, অপৰাজিতা, ফেচবুকৰ শকুন্তলাকে ধৰি কে'বা শতাধিক মূল্যবান গল্প, উপন্যাস, কবিতা, নাটকৰ উপৰি ১২১খনৰো অধিক গৱেষণাপত্ৰ প্ৰকাশ কৰি জ্যোতিপ্ৰসাদ শইকীয়াই অসমীয়া ভাষা সাহিত্যলৈ অনবদ্য অৱদান আগবঢ়াবলৈ সক্ষম হৈছে। এইগৰাকী সাহিত্যিকক পণ্ডিত ড° ময়িদুল ইছলাম বড়াৰ জন্মদিৱসৰ স'তে সংগতি ৰাখি অহা ২২ ছেপ্টেম্বৰত শিৱসাগৰ প্ৰেছ ক্লাবত ড° ময়িদুল ইছলাম বড়া সাহিত্য বঁটা আনুষ্ঠানিকভাৱে প্ৰদান কৰা হ'ব বুলি স্মৃতিৰক্ষা সমিতিৰ সভাপতি প্ৰেম গগৈয়ে জানিবলৈ দিছে।

## ৰঙিয়াত মহিলা-কিশোৰী

*তিনি পৃষ্ঠাৰ পৰা* সমগ্ৰ ৰঙিয়াতে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। শেহতীয়াভাৱে নিৰুদ্দেশ হোৱা সকলৰ পৰিয়ালৰ ভাষ্য অনুসৰি যোৱা সোমবাৰে দিনৰ ভাগত ৰঙিয়া নিজ বড়িগোগ গাঁৱৰ মাজনী বেগমে দুই সন্তান ক্ৰমে ফাতেমা আখতাৰা আৰু আৰিয়ান আহমেদক লগত লৈ ৰঙিয়া চেপ্টিত থকা বায়েকৰ ঘৰলৈ বুলি ওলাই আহিছিল। বায়েকৰ ঘৰত উপস্থিত হৈ মাজনী বেগমে বায়েক আচমা বেগম আৰু বায়েকৰ শিশু পুত্ৰ মোজাহ্লিৰ আহমেদক লৈ ৰঙিয়াৰ চৰকাৰী চিকিৎসালয়ত চিকিৎসাৰ উদ্দেশ্যে ঘৰৰ পৰা ওলাই আহে। দিনৰ ভাগত ওলাই অহা পাঁচজনীয়া দলটোৱে গধূলিলৈ ঘৰলৈ উভতি নোযোৱাত দুয়োটা পৰিয়ালত হাহাকাৰৰ সৃষ্টি হয়। নিৰুদ্দিষ্ট মহিলা দুগৰাকীৰ স্বামীৰ লগতে পৰিয়ালৰ আন সদস্যই ফোনযোগে যোগাযোগ কৰাৰ চেষ্টা কৰে যদিও দুয়োৰো ম'বাইল ফোন বন্ধ হৈ থকাত চিন্তিত হৈ পৰে। লগে লগে পৰিয়ালৰ লোকে ৰঙিয়া থানাত নিৰুদ্দেশ সম্পৰ্কীয় এখন এজাহাৰ দাখিল কৰে ।

নিৰুদ্দিষ্ট পাঁচ সদস্যৰ সন্ধানত স্বামীৰ লগতে নিজ বড়িগোগৰ পৰিয়ালটোৱে বিভিন্ন ঠাইত বিচাৰ খোচাৰ কৰে যদিও বৰ্তমানলৈকে নিৰুদ্দিষ্ট কেইজনৰ সন্ধান উলিয়াবলৈ সক্ষম হোৱা নাই। উল্লেখ্য যে ৰঙিয়াত দীৰ্ঘদিন ধৰি মানৱ সৰবৰাহকাৰী বৃহৎ চক্ৰ এটাই বিভিন্ন প্ৰলোভন দেখুৱাই কিশোৰ-কিশোৰী-মহিলাৰ লগতে যুৱক-যুৱতীসকলক বহিঃৰাজ্যত কৰ্মসংস্থাপন দিয়াৰ উদ্দেশ্যে ৰেলযোগে লৈ যোৱাৰ অভিযোগ দীৰ্ঘদিনৰ। স্থানীয় একাংশ সচেতন ৰাইজে ধাৰণা কৰা মতে বায়েক আচমা বেগমৰ লগতে মাজনী বেগমে এই ধৰণৰ চক্ৰৰ জালত পৰাৰ পাছত চক্ৰটোৱে কৰ্মসংস্থাপনৰ প্ৰতিশ্ৰুতি দি ৰেলযোগে বহিঃৰাজ্যলৈ পঠিয়াই দিছে। ইতিমধ্যে আৰক্ষীয়ে নিৰুদ্দেশ হোৱা পাঁচজনীয়া দলটোৰ সন্ধানত অভিযান আৰম্ভ কৰিছে যদিও এতিয়ালৈ কোনো শুংসূত্ৰ উলিয়াব পৰা নাই।

## ব্ৰহ্মপুত্ৰৰ লাহেশ্বৰী চাপৰিত 'ছেটেলাইট চিটি' স্থাপনৰ দাবী লাহেশ্বৰী যুৱ উন্নয়ন সমিতিৰ

**অগ্ৰদূত বাৰ্তা**
**শুৱালকুছি, ২৩ আগষ্ট ঃ** 'আমাক ছেটেলাইট চিটি লাগিবই। ভৱিষ্যৎ প্ৰজন্মৰ উন্নয়নৰ স্বাৰ্থত লাহেশ্বৰী চাপৰিত ছেটেলাইট চিটি স্থাপন কৰক।' এনেদৰে অসম চৰকাৰৰ প্ৰস্তাৱিত 'ছেটেলাইট চিটি' স্থাপন কৰাৰ সমৰ্থনত ৰাজপথলৈ ওলাই আহিল শতাধিক সমৰ্থনকাৰী পুৰুষ-মহিলা। সদৌ লাহেশ্বৰী যুৱ উন্নয়ন সমিতিৰ উদ্যোগত লাহন ছহিদ বেদীৰ সমীপৰ ৰাজহুৱা প্ৰেক্ষাগৃহত অনুষ্ঠিত এখন সভাত 'ছেটেলাইট চিটি' স্থাপনৰ দাবী সজোৰে উত্থাপন কৰা হয়। সমিতিৰ সভাপতি মনোজ কুমাৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত সভাত উপস্থিত থাকি সক্ৰিয় সদস্য ধনজিৎ নাথে কয় যে লাহেশ্বৰীৰ চাপৰিত অসম চৰকাৰৰ প্ৰস্তাৱিত ছেটেলাইট চিটিয়ে লাহ-হালোগাঁও-বামুন্দী অঞ্চলৰ ৰাইজৰ উন্নয়ন কৰিব। তেওঁ পুনৰ কয় যে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কোনোদিনে অসমৰ খিলঞ্জীয়া ৰাইজৰ অপকাৰ হ'বলগীয়া কাম কৰা নাই আৰু ভৱিষ্যতেও নকৰে। বৰঞ্চ এই ছেটেলাইট চিটি নিৰ্মাণৰ ফলত এই অঞ্চলত ব্ৰহ্মপুত্ৰ নদীয়ে যি গৰাখহনীয়াৰ সৃষ্টি কৰিছিল সেই গৰাখহনীয়া ৰোধ হ'ব আৰু কৃষক ৰাইজ এই ক্ষেত্ৰত যথেষ্ট উপকৃতহে হ'ব। সভাত উপস্থিত থাকি প্ৰাক্তন আছু কৰ্মী অজিত দাসে কয় যে এই ছেটেলাইট চিটি স্থাপনৰ জৰিয়তে নিবনুৱা সমস্যাৰ সমাধানৰ পথ মুকলি হোৱাৰ উপৰি এই অঞ্চলৰ কৃষকসকলে বানপানীৰ সমস্যাৰ পৰা মুক্ত হ'ব। আনহাতে, স্থানীয় ৰাইজৰ একাংশই ছেটেলাইট চিটি এই অঞ্চলত স্থাপন হ'লে কি কি সুবিধা লাভ কৰিব পাৰিব জানিব বিচৰাত সভাত উপস্থিত থকা সমিতিৰ বিষয়ববীয়াসকলে বিতংভাৱে ব্যাখ্যা কৰে। উল্লেখ্য যে ব্ৰহ্মপুত্ৰৰ লাহেশ্বৰী সুঁতিৰ চাপৰিত চৰকাৰৰ প্ৰস্তাৱিত ছেটেলাইট চিটিৰ বিৰোধিতাৰে একাংশ ৰাইজে ইতিমধ্যে স্থানীয় বিধায়ক, জিলা উপায়ুক্ত, মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰা বুলিও জানিব পৰা গৈছে। সভাত লাহ-কয়াটোল পঞ্চায়তৰ সদস্য পুলেন নাথ, সদৌ লাহেশ্বৰী যুৱ উন্নয়ন সমিতিৰ সম্পাদক লক্ষ্মণ নাথ, সদস্যসকলৰ উপৰি বিভিন্ন দল-সংগঠনৰ সদস্য উপস্থিত থাকে।

### হাতে হাতে প্লেকাৰ্ড লৈ ৰাজপথলৈ ওলাই আহিল শতাধিক সমৰ্থনকাৰী

## তেজপুৰৰ সাংবাদিক, শোণিতপুৰ

*তিনি পৃষ্ঠাৰ পৰা* ইউনিয়নৰ এগৰাকী সক্ৰিয় সদস্য হিচাপে ইউনিয়নৰ বিকাশ আৰু উত্তৰণৰ বাবে অহোপুৰুষাৰ্থ কৰি আহিছিল। পৰৱৰ্তী সময়ত শোণিতপুৰ জাৰ্ণেলিষ্ট ইউনিয়নৰ কোষাধ্যক্ষ পদটো আসীন হোৱা আগৰৱালা তেজপুৰৰ বৃহত্তৰ মাৰোৱাৰী সমাজৰ লগতে আন সামাজিক-সাংস্কৃতিক অনুষ্ঠানৰ স'তেও ওতঃপ্ৰোতভাৱে জড়িত হৈ আছিল। বিশেষকৈ অতি হনুমান ভক্ত আগৰৱালাই তেজপুৰত হনুমান জয়ন্তী উদ্‌যাপনৰ অন্যতম হোতা হিচাপে পৰিগণিত হৈছিল। উল্লেখ্য যে দীৰ্ঘদিন ধৰি মধুমেহ ৰোগত আক্ৰান্ত হৈ শেহতীয়াকৈ বৃক্ক বিকল হৈ গুৰুতৰভাৱে শাৰীৰিক অসুস্থতাত ভোগাৰ পাছত কালি বিয়লি তেজপুৰ টাইমছ হাস্পতালত ভৰ্তি কৰোৱা হৈছিল যদিও অবিবাহিত আগৰৱালাই আজি বিয়লি শেষ নিশ্বাস ত্যাগ কৰাত তেজপুৰৰ সাংবাদিক মহল শোকাচ্ছন্ন হৈ পৰিছে। আজি সন্ধিয়া নশ্বৰদেহ প্ৰথমে শোণিতপুৰ জাৰ্ণেলিষ্ট ইউনিয়নৰ কাৰ্যালয়লৈ অনাৰ পাছত সভাপতি সঞ্জীৱ হাজৰিকা, সাধাৰণ সম্পাদক মনোজ কুমাৰ শইকীয়া, জ্যেষ্ঠ সদস্য পুলক কুমাৰ ডেকা, প্ৰণৱ কুমাৰ দাস, অৰ্ণৱ কুমাৰ নাথ, অমৰজ্যোতি তালুকদাৰকে ধৰি সকলো সদস্যই নশ্বৰদেহত শেষ শ্ৰদ্ধা জ্ঞাপন কৰাৰ পাছত এন বি ৰোডৰ বাসগৃহলৈ নিয়াৰ পাছত বৃহত্তৰ মাৰোৱাৰী সমাজৰ বিভিন্ন অনুষ্ঠানৰ বিষয়ববীয়াসকলে শেষ শ্ৰদ্ধা জ্ঞাপন কৰাৰ পাছত মৰাভৰলী ৰাজহুৱা শ্মশানত শেষকৃত্য সম্পন্ন কৰা হয়। অবিবাহিত সাংবাদিক নিৰঞ্জন আগৰৱালাৰ পৰলোকপ্ৰাপ্তিত তেজপুৰৰ বিধায়ক পৃথ্বিৰাজ ৰাভা, প্ৰাক্তন বিধায়ক বৃন্দাবন গোস্বামী, জ্যেষ্ঠ সাংবাদিক নাথমল ট্ৰিবেৱাল, জাৰ্ণেলিষ্ট ইউনিয়ন অৱ আছাম (জুৱা) শোণিতপুৰ প্ৰেছ ক্লাব, তেজপুৰৰ সভাপতি সুভাষ চন্দ্ৰ বিশ্বাস, কাৰ্যকৰী সভাপতি পংকজ বৰুৱা, সাধাৰণ সম্পাদক বাৰ্লিন কুমাৰ শইকীয়া, সদৌ অসম সাংবাদিক সন্থাৰ সভাপতি পংকজ কুমাৰ নাথ, সাংবাদিক সন্থাৰ জাফাৰ শোণিতপুৰ জিলা সমিতিৰ সভাপতি প্ৰশান্ত মহন্ত, সম্পাদক হেমন্ত কুমাৰ নাথ. তেজপুৰ সাহিত্য সভাৰ সভাপতি ধ্ৰুৱজ্যোতি দাস, সম্পাদক ড° পল্লৱ ভট্টাচাৰ্য, তৰুণ অসম সংঘৰ সভাপতি ড° ভুৱনেশ্বৰ চহৰীয়া, অসমীয়া ক্লাবৰ সভাপতি পংকজ কুমাৰ বৰা, শোণিতপুৰ প্ৰেছ ক্লাব, তেজপুৰৰ প্ৰাক্তন সম্পাদক জয়প্ৰকাশ আগৰৱালা আদিয়ে গভীৰ শোক প্ৰকাশ কৰি সমবেদনা জ্ঞাপন কৰিছে।

## নসত্ৰ-বাঘেখাইতি পঞ্চায়তত পঞ্চায়তীৰাজ

*তিনি পৃষ্ঠাৰ পৰা* অনুপস্থিত থাকে। পঞ্চায়তৰ বাসিন্দাসকলে বিশেষ জৰুৰী কামত যোগাযোগ কৰিলে প্ৰায়ে খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়, জিলা পৰিষদ কাৰ্যালয়ত ব্যস্ত থকা বুলিহে কৈ অহাত বহু সময়ত বিপাঙত পৰে পঞ্চায়তৰ বাসিন্দাই। উল্লেখ্য যে, পঞ্চায়ত সচিব আৰু জিআৰএছ দুয়োৰে ঘৰ অভয়াপুৰী চহৰত। অভিযোগ মতে, পঞ্চায়ত সচিব চিত্ত ৰায় আৰু জিআৰএছ ছহিদুলে মাহেকে পযেকে একেখন বাহনতে আহি পঞ্চায়তত ভুমুকি মৰাত বিভিন্ন প্ৰমাণ পত্ৰ লোৱাৰ ক্ষেত্ৰত অসুবিধাৰ সন্মুখীন হৈ আহিছে। আনপিনে পঞ্চায়তৰ পৰা প্ৰমাণপত্ৰ বা আন নথিপত্ৰ বিচাৰিলে পঞ্চায়ত সচিবে ধন লোৱাৰো অভিযোগ উত্থাপিত হৈছে। তেনেদৰে পঞ্চায়তৰ জিআৰএছগৰাকীয়ে প্ৰধানমন্ত্ৰী আৱাস যোজনা, জব কাৰ্ড, এনৰেগা আঁচনিৰ নামত ধন সংগ্ৰহ কৰা বুলিও অভিযোগ উত্থাপিত হৈছে। এই সন্দৰ্ভত ইতিমধ্যে বঙাইগাঁও জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াক অভিযোগ পত্ৰ দাখিল কৰাৰ লগতে ইয়াৰ প্ৰতিলিপি স্থানীয় বিধায়কক প্ৰদান কৰা হৈছে। অভিযোগ পত্ৰত সচিব চিত্ত ৰায় আৰু জিআৰএছ ছহিদুলক পঞ্চায়তখনৰ পৰা বদলি কৰাৰ বাবে দাবী জনায় যদিও এইক্ষেত্ৰত কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে। উল্লেখ্য যে মহিলাক সৱলীকৰণ তথা পঞ্চায়তত মহিলাৰ প্ৰতিনিধিত্ব সুনিশ্চিত কৰাৰ বাবে পঞ্চায়তখনত সভাপতিৰ আসনখন মহিলাৰ বাবে সংৰক্ষণ কৰা হয় যদিও পঞ্চায়তখনত এতিয়া সভানেত্ৰীৰ স্বামী নাছিৰুদ্দিনে সৰ্বময়কৰ্তা হৈ পৰিছে। এনে অৱস্থাত সচিব চিত্ত ৰায়ে আন সদস্য-সদস্যাসকলৰ অস্তিত্বক একপ্ৰকাৰ নস্যাৎ কৰি কাৰ্যকৰী সভাকে ধৰি কোনো ধৰণৰ সভা-সমিতি অনুষ্ঠিত নকৰাকৈ পঞ্চায়তৰ কাম-কাজ চলাই নিয়া বুলিও অভিযোগ উত্থাপন কৰিছে পঞ্চায়তবাসীয়ে। এই লৈ যোৱা ২১ আগষ্টত পঞ্চায়তখনৰ একাংশ নিৰ্বাচিত সদস্যই জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াক অভিযোগ দাখিল কৰে। অভিযোগ পত্ৰত উল্লেখ কৰা মতে, পঞ্চায়ত সভানেত্ৰী তাহমিনা খাতুন, পঞ্চায়ত সচিব চিত্ত ৰায় আৰু জিআৰএছ ছহিদুল আলম আহমেদে পঞ্চায়তীৰাজ ব্যৱস্থা ধোঁৱাচাঙত তুলি নিৰ্বাচিত একাংশ সদস্যৰ স'তে কোনো ধৰণৰ আলোচনা নকৰাকৈ ২০২৬-২৭ বৰ্ষৰ বছৰেকীয়া আঁচনিসমূহ প্ৰস্তুত কৰাত পঞ্চায়তখনৰ ইছৰপুৰ খণ্ডত কোনো আঁচনি গ্ৰহণ নকৰাত উন্নয়নৰ পৰা বঞ্চিত হোৱাৰ আশংকাত ভুগিছে ৰাইজ। পঞ্চায়তখনৰ বিৰুদ্ধে উত্থাপিত এনে অভিযোগ ঊৰ্ধতন কৰ্তৃপক্ষক তদন্তমূলে ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে ৰাইজে।

## বিষয়া-কৰ্মচাৰীৰ বদলিৰ নামত ব্যাপক

*তিনি পৃষ্ঠাৰ পৰা* খণ্ডৰ অন্তৰ্গত কাঠপাৰা গাঁও পঞ্চায়তলৈ বদলি কৰা হৈছে। এই নিৰ্দেশনাৰ মাত্ৰ নদিন পাছত পুনৰ একেগৰাকী বিষয়াই NZP.347Pt.-II/Transfer/Con.Emp./2024-25/6810-14 dtd.19/8/2026 নম্বৰৰ নিৰ্দেশযোগে জিপিচি ছাদ্দাম হুছেইন আৰু ৰিয়াজুল ইছলাম, জিপিচি আব্দুৰ ৰৌফ আৰু আবু বক্কৰ ছিদ্দিক, জিআৰএছ বিশ্বজিৎ শইকীয়া আৰু বাবুল ইছলামৰ মাজত হোৱা আংশিক বদলিৰ নিৰ্দেশ পুনৰ বাতিল কৰা হয়। আনহাতে, মাত্ৰ ছমাহৰ ভিতৰত তিনিবাৰকৈ বদলি হোৱা জিআৰএছ হবিবুৰ ৰহমান আৰু ইছলাম হুছেইনৰ মাজত হোৱা বদলিৰ নিৰ্দেশো বাতিল কৰা হৈছে। এক বিশেষ সূত্ৰে জানিব পৰা মতে, যোৱা ১০ আগষ্টত জাৰি বদলিৰ নিৰ্দেশত উল্লেখ থকা ২৮ গৰাকী বিষয়া-কৰ্মচাৰীৰ ভিতৰত অধিকাংশৰে বদলিৰ নিৰ্দেশ ৰহস্যজনক কাৰণত বাতিল কৰা হৈছে। উত্থাপিত অভিযোগ অনুসৰি, চামগুৰি সমষ্টিৰ এক প্ৰভাৱশালী ৰাজনৈতিক চক্ৰই পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগত বদলিৰ নামত এক ছিণ্ডিকেট চলাই আছে। জিলা পৰিষদৰ এই বিষয়া-কৰ্মচাৰীৰ বদলি, বদলিৰ ৰদকৰণ, হঠাতে স্থান সলনিৰ নামত ব্যাপক হাৰত ধনৰ লেনদেন হোৱা বুলিও এক গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। মনকৰিবলগীয়া বিষয় এই যে বিভাগীয় নিয়ম অনুসৰি, জিলা আয়ুক্তৰ অনুমোদন নোলোৱাকৈ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াই কোনো কৰ্মচাৰীক বদলি বা বদলিৰ নিৰ্দেশ বাতলি নতুবা স্থগিত কৰিব নোৱাৰে। তেনেস্থলত কেনেকৈ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াই বৃহৎ সংখ্যক বিষয়া-কৰ্মচাৰীক বদলি কৰি পুনৰ আংশিক সংশোধনী ঘটাই বদলিৰ নিৰ্দেশ বাতিল কৰিলে, সেয়া এক কোটিটকীয়া প্ৰশ্ন হিচাপে চৰ্চিত হৈছে। যদি অনুমোদন লৈছে, তেন্তে উল্লিখিত নিৰ্দেশনাসমূহত কিয় জিলা আয়ুক্তৰ অনুমোদন কথা উল্লেখ কৰা নাই, সেয়াও এক ৰহস্যৰ বিষয় হৈ পৰিছে। ইপিনে, কি শক্তিৰ বলত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াই জিলা আয়ুক্তৰ অনুমোদন নোলোৱাকৈ এনেকৈ পঞ্চায়ত আৰু গ্ৰামোন্নয়নৰ একাংশ বিষয়া-কৰ্মচাৰীক সঘনাই বদলিৰ নিৰ্দেশ দি পৰৱৰ্তী সময়ত সেই নিৰ্দেশ বাতিল কৰা নাইবা নিৰ্দেশনাৰ আংশিক সংশোধন কৰাৰ সাহস পালে, এই প্ৰশ্ন সচেতন ৰাইজৰ মাজত উত্থাপিত হৈছে।

## উজনি অসমৰ বান বিভীষিকাৰ স্থায়ী

*তিনি পৃষ্ঠাৰ পৰা* অন্যতম আহ্বায়ক কনক গগৈয়ে এক সামৰণি ভাষণ আগবঢ়ায়। উক্ত গুৰুত্বপূৰ্ণ সভাত উপস্থিত থাকি সক্ৰিয় সমৰ্থন তথা সহযোগিতা আগবঢ়ায় ক্ৰমে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ বিশিষ্ট অধিবক্তা কৃষ্ণ গগৈ, চিপিআই দলৰ মণি বুঢ়াগোহাঁই, চিপিআই (এমএল)ৰ পৰেশ দাস, বলীন্দ্ৰ শইকীয়া, সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ শিৱসাগৰ জিলাৰ সভাপতি অমিত চিলুৱাৰ, যোৰহাট নাগৰিক সমাজৰ প্ৰতিনিধি প্ৰদীপ সৰকাৰ, সন্মিলিত নাগৰিক সমাজৰ দিপ্তী কলিতা, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, বীৰ লাচিত সেনা আৰু বিভিন্ন সংগঠনৰ জিলা প্ৰতিনধিবৰ্গও সভাখনত উপস্থিত থাকে।

সভাত গৃহীত মূল আঠ দফীয়া প্ৰস্তাৱসমূহ ঃ স্বতন্ত্ৰ গৱেষণা আৰু ৰাজহুৱা অংশগ্ৰহণ ঃ বানপানীৰ জলবিজ্ঞান সম্পৰ্কীয়, আন্তঃগাঁথনিত আৰু আৰ্থ-সামাজিক কাৰকসমূহৰ নিৰপেক্ষ অধ্যয়নৰ বাবে চৰকাৰে কোনো ৰাজনৈতিক হস্তক্ষেপ নোহোৱাকৈ স্বতন্ত্ৰ গৱেষক, অৰ্থনীতিবিদ আৰু নাগৰিকক নিয়োজিত কৰিব লাগিব। দ্বিতীয়তে ৰাষ্ট্ৰীয় দুৰ্যোগ ঘোষণা ঃ উজনী অসমৰ বানপানীৰ ব্যাপকতালৈ চাই ইয়াক অতি সোনকালে 'ৰাষ্ট্ৰীয় দুৰ্যোগ' হিচাপে ঘোষণা কৰিবলৈ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰক জোৰদাৰ দাবী জনোৱা হয়। তৃতীয়তে অসম-নাগালেণ্ড আন্তঃৰাজ্যিক সমন্বয় ঃ যুটীয়া জল ব্যৱস্থাপনা আৰু বান নিয়ন্ত্ৰণৰ বাবে অসম আৰু নাগালেণ্ড চৰকাৰৰ মাজত উচ্চস্তৰীয় সমন্বয়ৰ ব্যৱস্থা গঢ়ি তোলা।

চতুৰ্থতে, সমন্বয়ৰক্ষী সমিতি গঠন ঃ দীৰ্ঘম্যাদী সমাধান আৰু পৰিৱেশ সুৰক্ষাৰ বাবে বিষয় বিশেষজ্ঞ আৰু সচেতন নাগৰিকক লৈ এখন 'সমন্বয়ৰক্ষী সমিতি' গঠন কৰা। পঞ্চমতে স্থানীয় অৰ্থনীতি পুনৰুত্থান ঃ অঞ্চলটোৰ পুনৰ্নিৰ্মাণৰ সকলো সামগ্ৰী আৰু সেৱা বিক্ৰেতা, আত্মসহায়ক গোট আৰু থলুৱা ব্যৱসায়ীৰ পৰা ক্ৰয় কৰাটো বাধ্যতামূলক কৰা। ষষ্ঠতে পৰিৱেশ সংৰক্ষণ আৰু পৰম্পৰাগত স্থাপত্যৰ প্ৰসাৰ ঃ নদী অৱবাহিকতা সুৰক্ষা, প্লাষ্টিক বৰ্জনৰ লগতে পৰম্পৰাগত বান-প্ৰতিৰোধী স্থাপত্যশৈলীৰ প্ৰসাৰ ঘটোৱা। সপ্তমতে আইনী পদক্ষেপ আৰু জবাবদিহিতা ঃ মথাউৰিৰ নিম্নমানৰ নিৰ্মাণ আৰু আন্তঃগাঁথনিগত ব্যৰ্থতাৰ বিৰুদ্ধে ন্যায়ালয়ত আবেদন দাখিল কৰি সংশ্লিষ্ট কৰ্তৃপক্ষক জবাবদিহি কৰা। অষ্টমতে বৃহৎ গণ অভিৱৰ্তন আৰু জনজাগৰণ ঃ সমগ্ৰ অঞ্চলজুৰি সজাগতা সভা আৰু পৰৱৰ্তী সময়ত সকলো নাগৰিক সমাজ তথা সামাজিক সংগঠনক সামৰি এখন বৃহৎ গণ সমাবেশ আহ্বান কৰা। এই আঠ দফীয়া প্ৰস্তাৱ গ্ৰহণ কৰা হয়। সভাৰ সফল সমাপ্তিৰ পাছত আহ্বায়ক মণ্ডলীৰ হৈ মবিদুল ইছলাম, দিলীপ ফুকন, জিতেন ফুকন, প্ৰভাত বৰঠাকুৰ, যোগ গগৈ, মহেন্দ্ৰ ভূঞা, অজিত খাটনিয়াৰ, প্ৰশান্ত বৰঠাকুৰ, দিগন্ত সন্দিকৈ, পংখী দত্ত, উদ্দীপজ্যোতি গগৈ, চিন্ময় বড়া, দীপজ্যোতি গগৈ, সুশেন গগৈ, ৰাজেন ৰাজোৱাৰ, যোগেন চেতিয়া, ৰঞ্জন কোঁৱৰ, পাপৰি গগৈ, হৰেশ কোঁৱৰ, চৰিফুল আলী, উত্তম বাইলুং আৰু মল্লিকা বেগমে সহায়-সহযোগিতা আগবঢ়োৱা সমগ্ৰ ৰাইজ তথা সংবাদ মাধ্যমক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে।


## বৰ্তমানে দেশৰ চৰকাৰী কোম্পানীত প্ৰায় অৰ্ধেকাংশ কৰ্মচাৰী ঠিকাভিত্তিক পদত আছে

# কেন্দ্ৰীয় চৰকাৰৰ খালী পদৰ সংখ্যা ১০ বছৰত হ'ল দুগুণ

**নিউজ ব্যুৰ' নতুন দিল্লী, ২৩ আগষ্ট ঃ** বিগত এক দশকত ভাৰতত কেন্দ্ৰীয় চৰকাৰৰ অধীনত খালী থকা পদৰ সংখ্যা দুগুণলৈ বৃদ্ধি পালে। পৰিসংখ্যা অনুসৰি ২০১৫ত দেশত কেন্দ্ৰীয় চৰকাৰৰ ৪.২১ লাখ খালী পদ আছিল আৰু ২০২৪ত খালী পদৰ সংখ্যা ৮.২৪ লাখলৈ বৃদ্ধি পালে। মুঠ মঞ্জুৰীকৃত পদত খালী পদৰ অংশীদাৰিত্ব ১১.৫ শতাংশৰ পৰা একে সময়ছোৱাত ২১ শতাংশলৈ বৃদ্ধি পাইছিল। এই সময়ছোৱাত কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন বিভাগত পদৰ মুঠ মঞ্জুৰীকৃত সংখ্যা ২.৭৪ লাখ বৃদ্ধি পালে। কিন্তু ইয়াৰ পাছতো ভৰ্তি কৰা পদ ১.২৯ লাখ হ্ৰাস পালে। বৰ্তমানে দেশৰ চৰকাৰী কোম্পানীত প্ৰায় অৰ্ধেকাংশ কৰ্মচাৰী ঠিকাভিত্তিক পদত আছে। ২০১৫ত ঠিকাভিত্তিক কৰ্মীৰ সংখ্যা ১৮.৬ শতাংশ আছিল আৰু ২০২৫ত এই সংখ্যা ৪৯.১ শতাংশ হৈছিল। ২০১৫ত ভাৰতীয় ৰেল বিভাগত কোনো পদ খালী নাছিল। ২০২৪ত ৰেল বিভাগত ২.৪০ লাখ পদ (১৬.২ শতাংশ) খালী আছে। একেদৰে এই সময়ছোৱাত স্বাস্থ্য খণ্ডত খালী পদৰ সংখ্যা শূন্যৰ পৰা ছয় শতাংশ হ'ল। কেন্দ্ৰীয় চৰকাৰৰ তথ্যত উল্লেখ কৰা অনুসৰি, কেন্দ্ৰৰ ৮০টা মন্ত্ৰণালয় আৰু বিভাগত ৩৯,২৩,২১২ মঞ্জুৰীকৃত পদ আছে। ইয়াৰে ৩০,৯৯,৬৫৬ পদত প্ৰাৰ্থীক নিযুক্তি দিয়া হ'ল আৰু ৮,২৩,৫৫৬ পদ খালী আছে। আনহাতে, ২০১৫ত মঞ্জুৰীকৃত পদ আছিল



৩৬,৪০,৪৬৮ আৰু ইয়াৰে ৩২,২৮,৯২১ পদত নিযুক্তি দিয়া হৈছিল আৰু ৪,২০,৫৪৭ পদ খালী আছিল। গৃহ মন্ত্ৰণালয়ত মঞ্জুৰীকৃত পদ প্ৰায় ১.০২ লাখ বৃদ্ধি পালে আৰু নিযুক্তি প্ৰায় ৪৯,৬২১টা বৃদ্ধি পালে। প্ৰতিৰক্ষা (অসামৰিক)ত সৰ্বাধিক ২.৪২ লাখ পদ খালী আছে। মঞ্জুৰীকৃত পদৰ তুলনাত খালী থকা পদৰ হাৰ ৩১.৯ শতাংশৰ পৰা ৪৩.৪ শতাংশলৈ বৃদ্ধি পালে। ডাক বিভাগত খালী থকা পদৰ সংখ্যা ৭,৫৬১ৰ পৰা বৃদ্ধি পাই ৬১,৫৪৬ হ'ল। বাণিজ্য বিভাগত অৰ্ধেকাংশৰো অধিক পদ খালী আছে। এই বিভাগত ২০২৪ত ৫৫.৪ শতাংশ পদ খালী আছিল। ২০১৫ত বাণিজ্য বিভাগত খালী পদৰ সংখ্যা আছিল ৩৭.১ শতাংশ। অসামৰিক পৰিবহণ বিভাগত ৪৫.২ শতাংশ আৰু শ্ৰম বিভাগত ৪১.৫ শতাংশ পদ খালী আছে। ২০১৫ত দেশত থকা মুঠ ২৯৮ টা ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান (পিএছইউ)ত মুঠ ১৫,৮৭,১৪৯ কৰ্মচাৰী আছিল আৰু ইয়াৰে ২,৯৫,৯৭৫ কৰ্মচাৰী ঠিকাভিত্তিক আছিল। ২০২৫ত দেশৰ ৪৭৫ পিএছইউত কৰ্মৰত লোকৰ সংখ্যা আছিল ১৫,৪২,৩৩৯ আৰু ইয়াৰে মাত্ৰ ৭,৮৩,৭২৮ কৰ্মচাৰীহে নিয়মীয়া আছিল। বাকী ৭,৫৮,৬১১ কৰ্মচাৰী ঠিকাভিত্তিক আছিল।



## জাপানত পুনৰ প্ৰৱল ভূইকম্প, আহত কমেও ৩০ জন


**নিউজ ব্যুৰ' টকিঅ', ২৩ আগষ্ট ঃ** আজি পুৱাতে পুনৰ কঁপি উঠিল জাপান। দেওবাৰে পুৱা শক্তিশালী ভূকম্পন অনুভূত হৈছিল টকিঅ'সহ বিস্তীৰ্ণ অঞ্চলত। এই ঘটনাত কমেও ৩০ জন লোক আহত হ'ল। জাপানৰ বতৰ বিজ্ঞান বিভাগে সদৰী কৰা অনুসৰি ভূমিকম্পৰ প্ৰাবল্য ৰিখটাৰ স্কেলত ৫.৯। দক্ষিণ ইবাৰাকী প্ৰদেশত ভূগৰ্ভৰ প্ৰায় ৭০ কিলোমিটাৰ গভীৰত ভূমিকম্পৰ উৎপত্তি স্থল আছিল। উক্ত অঞ্চল ভূমিকম্পপ্ৰৱণ হিচাপে পৰিচিত। ভূমিকম্পৰ ফলত একাধিক বাসগৃহ আৰু বাটপথৰো ক্ষতি হোৱাৰ বাতৰি লাভ কৰা হৈছে।

# ময়ে হত্যা কৰিছিলো ঃ নিজ্জৰ হত্যাকাণ্ডৰ চাঞ্চল্যকৰ স্বীকাৰোক্তি গেংষ্টাৰ গ'ল্ডীৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৩ আগষ্ট ঃ** খালিস্তানী সন্ত্ৰাসবাদী হৰদীপ সিং নিজ্জৰ হত্যাকাণ্ডৰ দায়িত্ব স্বীকাৰ কৰিলে কুখ্যাত গেংষ্টাৰ গ'ল্ডী ব্ৰাৰে। এক অডিঅ'ৰ জৰিয়তে নিজ্জৰ হত্যাৰ দায়িত্ব স্বীকাৰ কৰিলে ব্ৰাৰে। সংবাদ মাধ্যমৰ বাতৰিত উল্লেখ কৰা অনুসৰি খালিস্তানী সন্ত্ৰাসবাদী পৰমজিৎ সিং পামাৰ স'তে বাৰ্তালাপৰ সময়ত ব্ৰাৰে নিজ্জৰ হত্যাৰ দায়িত্ব স্বীকাৰ কৰিলে। ভাইৰেল অডিঅ'ত ব্ৰাৰে এইদৰে ক'লে, 'যিসকলে ১৬-১৭ বছৰ বয়সীয়াক মাদক বিক্ৰীৰ বাবে প্ৰৰোচিত কৰে, যিসকলে তৰুণক ব্লেকমেইল কৰে মাদক বিক্ৰী কৰাবলৈ বাধ্য কৰায়, নিজ্জৰে এই ধৰণৰ ব্যক্তিক সমৰ্থন কৰিছিল। তেওঁলোকৰ হাত শক্তিশালী কৰিছিল যাতে প্ৰয়োজনত নিজ্জৰে তেওঁলোকক ব্যৱহাৰ কৰিব পাৰে। এই কাৰণতে মই নিজ্জৰক হত্যা কৰিবলগীয়া হৈছিল। কাৰণ তেওঁ মাদক দ্ৰব্য বিক্ৰীৰ বাবে তৰুণক ব্যৱহাৰ কৰিছিল। নিজৰ কুকৰ্মৰ ফল সকলোৱে ভোগ কৰিবলগীয়া হয়।' স্মৰ্তব্য যে ২০২৩ৰ ১৮ জুনত কানাডাৰ ব্ৰিটিছ কলম্বিয়াৰ এটি গুৰুদ্বাৰৰ সমীপত খালিস্তানী নেতা নিজ্জৰক হত্যা কৰা হৈছিল।

## ওড়িছাৰ উপকূলত সাগৰত ডুবিল পানামাৰ কাৰ্গ' জাহাজ, ২৪ যাত্ৰীৰ দুজনক উদ্ধাৰ



**নিউজ ব্যুৰ', ভূৱনেশ্বৰ, ২৩ আগষ্ট ঃ** ওড়িছা উপকূলৰ ওচৰত সমুদ্ৰত এখন পণ্যবাহী জাহাজ ডুব গ'ল। উক্ত জাহাজত পানামাৰ পতাকা লগোৱা আছিল। কাৰ্গ' জাহাজ সমুদ্ৰত ডুব যোৱাৰ বাতৰি লাভৰ পাছতে ঘটনাস্থলীত উদ্ধাৰকাৰীৰ দল উপস্থিত হৈছিল। প্ৰকাশিত বাতৰি অনুসৰি, উক্ত জাহাজত ২৪ জন লোক আছিল আৰু ইয়াৰে দুজনক উদ্ধাৰ কৰা হয়। আন ২২ জন যাত্ৰী সন্ধানহীন হৈ আছে। পণ্যবাহী জাহাজ দুৰ্ঘটনাৰ পাছত নৌসেনাৰ লগতে উপকূলৰক্ষীৰ জোৱানেও উদ্ধাৰ কাৰ্যত অংশ লৈছে।

## মাতৃ-কন্যাক ধৰ্ষণৰ পাছত হত্যা, বাংলাদেশত হিন্দু পৰিয়ালৰ চাৰি সদস্যক কৰিলে হত্যা



**নিউজ ব্যুৰ' ঢাকা, ২৩ আগষ্ট ঃ** বাংলাদেশত সংখ্যালঘু নিৰ্যাতনৰ ঘটনা অব্যাহত আছে। এইবাৰ দেশখনত এটি হিন্দু পৰিয়ালক আক্ৰমণৰ লক্ষ্য হিচাপে ল'লে দুষ্কৃতিকাৰীয়ে। বাংলাদেশৰ ৰংগপুৰত এটা হিন্দু পৰিয়ালৰ চাৰিজন সদস্যক হত্যা কৰাৰ ঘটনা পোহৰলৈ আহিল। উত্থাপিত অভিযোগ অনুসৰি, দুষ্কৃতিকাৰীয়ে প্ৰথমে হিন্দু পৰিয়ালৰ মাতৃ আৰু কন্যা ধৰ্ষণ কৰে আৰু তাৰ পাছত তেওঁলোকক হত্যা কৰিলে। এই অপকৰ্মৰ লগতে দুষ্কৃতিকাৰীয়ে উক্ত পৰিয়ালৰ আন দুজন সদস্যকো হত্যা কৰিলে। বিগত কিছুদিন ধৰি পৰিয়ালটোৰ বাসগৃহ বন্ধ হৈ আছিল আৰু ঘৰৰ পৰা দুৰ্গন্ধ নিৰ্গত হোৱাত ওচৰ চুবুৰীয়াই আৰক্ষীক খবৰ দিছিল। আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ ঘৰৰ তলা ভাঙি চাৰিটা মৃতদেহ উদ্ধাৰ কৰে। প্ৰাথমিক তদন্তত আৰক্ষীয়ে পৰিয়ালৰ দুই মহিলা সদস্যক ধৰ্ষণৰ পাছত হত্যা কৰা বুলি সন্দেহ কৰিছে।

## ৯০ দশকৰ জনপ্ৰিয় অভিনেত্ৰী আশা সিং প্ৰয়াত



**নিউজ ব্যুৰ', মুম্বাই, ২৩ আগষ্ট ঃ** যোৱা শতিকাৰ ৯০ দশকৰ জনপ্ৰিয় অভিনেত্ৰী আশা সিং প্ৰয়াত। সংবাদ মাধ্যমৰ বাতৰিত উল্লেখ কৰা অনুসৰি, যোৱা শুকুৰবাৰে নিশা অভিনেত্ৰীগৰাকীয়ে শেষ নিশ্বাস ত্যাগ কৰিছিল। দীৰ্ঘদিন ধৰি সিং শ্বাস-প্ৰশ্বাসৰ ৰোগত আক্ৰান্ত হৈ আছিল। হিন্দী চলচ্চিত্ৰৰ লগতে সিঙে টেলিভিছনৰ কে'বাখনো জনপ্ৰিয় ধাৰাবাহিকত অভিনয় কৰিছিল। ১৯৭০ দশত তেওঁ বলিউডৰ চলচ্চিত্ৰ জগতত এগৰাকী ক্লাচিক অভিনেত্ৰী হিচাপে পৰিচিত হৈছিল। টেলিভিছনৰ জনপ্ৰিয় ধাৰাবাহিক 'মহাভাৰত'সহ আন বহু ধাৰাবাহিকত সিঙে অভিনয় কৰিছিল।

## দেশত ছোৱাইন ফ্লুৰ নতুন প্ৰজাতিৰ ভাইৰাছ নাই ঃ আইচিএমআৰৰ তথ্য

**নিউজ ব্যুৰ', নতুন দিল্লী, ২৩ আগষ্ট ঃ** ভাৰতত বৰ্তমানে ছোৱাইন ফ্লু অৰ্থাৎ এইচ১এন১ ভাইৰাছৰ সংক্ৰমণক লৈ এক নতুন ভীতিৰ সৃষ্টি হৈছে যদিও ভাৰতীয় চিকিৎসা অনুসন্ধান পৰিষদ (আইচিএমআৰ)ৰ তথ্য অনুসৰি ছোৱাইন ফ্লুক লৈ অধিক চিন্তিত হোৱাৰ কাৰণ নাই। আইচিএমআৰৰ বিজ্ঞানীয়ে জনোৱা অনুসৰি দেশত বৰ্তমানলৈকে এইচ১এন১ৰ কোনো নতুন প্ৰজাতিৰ ভাইৰাছৰ সন্ধান লাভ কৰা নাই। বৰ্তমানৰ সময়ত পুৰণি প্ৰজাতিৰ এইচ১এন১ পিডিএম০৯ ভাইৰাছৰ সংক্ৰমণ দেশত অব্যাহত আছে আৰু এই ভাইৰাছৰ ২০২৫ৰ পৰাই ভাৰতত সক্ৰিয় হৈ আছে বুলি আইচিএমআৰৰ বিজ্ঞানীয়ে তথ্য সদৰী কৰিলে। সংস্থাটোৰ বিজ্ঞানীয়ে লগতে কয় যে ছোৱাইন ফ্লু




প্ৰতিৰোধৰ বাবে প্ৰয়োজনীয় সতৰ্কতা অৱলম্বন কৰা উচিত। কিন্তু এই ভাইৰাছৰ সংক্ৰমণক লৈ অযথা উদ্বিগ্ন হোৱাৰ কাৰণ নাই। আইচিএমআৰে জনোৱা অনুসৰি, সংস্থাৰ বিজ্ঞানীয়ে এইচ১এন১ ভাইৰাছৰ শেহতীয়া সংক্ৰমণৰ প্ৰতি বিশেষ দৃষ্টি ৰাখিছে।

# হিমাচল প্ৰদেশত বৃষ্টিৰ ত্ৰাস ঃ ১৪৯ পথ বন্ধ, ২২৪ লোকৰ মৃত্যু, ৰাজ্যৰ ১,১২১ কোটি টকাৰ হ'ল ক্ষতি



**নিউজ ব্যুৰ', ছিমলা, ২৩ আগষ্ট ঃ** হিমাচল প্ৰদেশৰ পৃথক পৃথক অঞ্চল বৃষ্টিপাতত বিশেষভাৱে প্ৰভাৱিত হৈছে। প্ৰৱল বৃষ্টিৰ কাৰণত ৰাজ্যখনত বহু বাটপথৰ ক্ষতি হৈছে। পাহাৰ অঞ্চলত ভূমিস্খলনৰ ফলতো যোগাযোগ ব্যৱস্থা প্ৰভাৱিত হৈছে। পৰ্যটক আৰু স্থানীয় লোকৰ বাহনত পাহাৰৰ পৰা ভূমি আৰু শিল খহি পৰাত জনহানিৰ ঘটনাও বৃদ্ধি পাইছে। ৰাজ্যখনৰ জৰুৰীকালীন সেৱাৰ তথ্য অনুসৰি, আজি পুৱা ১০ বজালৈকে হিমাচল প্ৰদেশত ১৪৯ পথ বন্ধ হৈ আছে। একেদৰে ৰাজ্যখনৰ ৬০টা বিদ্যুৎ বিতৰণ ট্ৰান্সফৰ্মাৰ বিকল হোৱাৰ লগতে ৩৫টা খোৱাপানী যোগান আঁচনি প্ৰভাৱিত হৈছে প্ৰতিকূল বতৰত। প্ৰতিকূল বতৰৰ কাৰণত বৰ্তমানলৈকে হিমাচল প্ৰদেশত মুঠ ২২৪ জন লোকৰ মৃত্যু হ'ল। ইয়াৰে কুল্লুত সৰ্বাধিক ৩১ জন লোকৰ মৃত্যু হ'ল। আনহাতে, ৩৩০ জন লোক আহত হোৱাৰ লগতে এজন সন্ধানহীন হৈ আছে। ৰাজ্যখনত সৰ্বাধিক ৮৬ পথ বন্ধ আছে মণ্ডি জিলাত। আনহাতে, কুল্লুত ৩১, ছিমলাত ১০, চম্বাত আঠ, কাংগৰাত আঠ, উনাত চাৰি, বিলাসপুৰত এক আৰু লাহৌল-স্পীতিত এটা পথ বন্ধ আছে। ইফালে, প্ৰশাসনে সদৰী কৰা অনুসৰি, চলিত বৰ্ষাত হিমাচল প্ৰদেশত প্ৰতিকূল বতৰৰ কাৰণত ১,১২,১২৯.৫৭ লাখ কোটি টকাৰ ক্ষতি হ'ল। প্ৰৱল বৃষ্টি, ভূমিস্খলনৰ ঘটনাত ৰাজ্যখনৰ ব্যক্তিগত আৰু ৰাজহুৱা গৃহ, দোকান, গোশালা আৰু অন্যান্য আন্তঃগাঁথনিৰ ব্যাপক ক্ষতিসাধন হোৱা বুলি চৰকাৰী প্ৰতিবেদনত উল্লেখ কৰিছে। তথ্য অনুসৰি বৰ্তমানলৈকে ৰাজ্যখনত ৪৪১ টা পশুৰ প্ৰতিকূল বতৰত মৃত্যু হ'ল। ২২ আগষ্টত ৰাজ্যখনৰ ৯৮টা পথ প্ৰতিকূল বতৰৰ কাৰণত বন্ধ ৰখা হৈছিল, কিন্তু আজি পুৱা হিমাচলত যাতায়াত বন্ধ ৰখা পথৰ সংখ্যা ১৪৯টালৈ বৃদ্ধি পালে। নিশাৰ ভিতৰতে বৰ্ষা কৱলিত ৰাজ্যখনত ৫১টা পথত যাতায়াত বন্ধ হ'ল। বতৰ বিজ্ঞান বিভাগৰ তথ্য অনুসৰি, আগন্তুক ২৪ ঘণ্টালৈকে ৰাজ্যখনত প্ৰৱল বৃষ্টি অব্যাহত থকাৰ সম্ভাৱনা আছে। বিশেষকৈ কাংগৰা, মণ্ডি আৰু চম্বাৰ একাধিক অঞ্চলত পাতলৰ পৰা মধ্যমীয়া আৰু আন একাংশ অঞ্চলত বিজুলি ঢেৰেকনিৰে প্ৰৱল বৃষ্টিৰ সম্ভাৱনা আছে।

## বেলুচিস্তানত হিন্দু যুৱকক গুলীয়াই হত্যা, প্ৰতিবাদত সৰৱ সংখ্যালঘু



**নিউজ ব্যুৰ', কাদিৰাবাদ, ২৩ আগষ্ট ঃ** পাকিস্তানৰ বেলুচিস্তান প্ৰদেশত এজন হিন্দু ব্যৱসায়ীক গুলীয়াই হত্যা কৰাৰ ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। মৃতকৰ নাম ৰাকেশ কুমাৰ। পাকিস্তানৰ সংবাদ মাধ্যমৰ বাতৰিত উল্লেখ কৰা অনুসৰি, বেলুচিস্তানৰ ন'চকি বজাৰৰ কাদিৰাবাদ অঞ্চলত ৰাকেশৰ এখন দোকান আছিল আৰু যোৱা শুকুৰবাৰে নিশা এদল দুষ্কৃতিকাৰীয়ে তেওঁৰ দোকানত প্ৰৱেশ কৰি গুলিবৰ্ষণ কৰিছিল। ফলত ঘটনাস্থলীতে ৰাকেশৰ মৃত্যু হৈছিল। ঘটনা সংঘটিত কৰিয়ে বন্দুকধাৰীয়ে পলায়ন কৰিছিল। কি কাৰণত এই হত্যাকাণ্ড সংঘটিত হ'ল সেয়া এতিয়াও স্পষ্ট হোৱা নাই। ৰাকেশৰ হত্যাৰ পাছতে প্ৰতিবাদত সৰৱ হৈছে বেলুচিস্তানৰ সংখ্যালঘুসকল। খাইবাৰ পাখটুনখাৱা প্ৰদেশৰ সাংসদ গুৰপাল সিঙে এই হত্যাকাণ্ডক তীব্ৰ গৰিহণা দিলে।



## মুম্বাইত ২২ ফুট উচ্চতাৰ গণেশ প্ৰতিমা বাগৰি নিহত দুই, আহত পাঁচ

**নিউজ ব্যুৰ', মুম্বাই, ২৩ আগষ্ট ঃ** মুম্বাইৰ ভোলেশ্বৰত যোৱা নিশা প্ৰায় ১০ বজাত এটা ২২ ফুট উচ্চতাৰ গণেশ প্ৰতিমা বাগৰি পৰাত দুজন লোকৰ মৃত্যু হৈছিল। এই দুৰ্ঘটনাত আন পাঁচজন লোক আহত হ'ল। আহতৰ মাজত দুটি সাত বছৰীয়া শিশুও আছে। আৰক্ষীয়ে প্ৰাথমিক তদন্তত লাভ কৰা তথ্য অনুসৰি, গণেশৰ মূৰ্তি লালবাগৰৰ পৰা ভোলেশ্বৰলৈ নিয়া হৈছিল আৰু পেণ্ডেলৰ পৰা প্ৰায় ৫০-৬০ মিটাৰ পূৰ্বে হঠাতে মূৰ্তিটোৰ পিছফালে থকা ৰেলিং ভাঙি পৰাত ভাৰসাম্য হেৰুৱাই মূৰ্তিটো সন্মুখৰ ফালে ভাঙি পৰিছিল। এই ঘটনাত গণেশৰ মূৰ্তিটো তিনি ভাগত বিভক্ত হৈছিল। ভাঙি পৰা মূৰ্তিৰ আঘাতত ৩৩ বছৰীয়া সংকেত নেবসে আৰু ৩০ বছৰীয়া বৃজেশ হেমন্ত যোশীৰ মৃত্যু হয়। দুৰ্ঘটনাত পাঁচজন লোক আহত হ'ল। আৰক্ষী আৰু নগৰ নিগমে ঘটনাৰ পাছত তিনিভাগত বিভক্ত গণেশৰ মূৰ্তি সমুদ্ৰত বিসৰ্জন দিলে। মহাৰাষ্ট্ৰত অহা ১৪ ছেপ্টেম্বৰৰ পৰা আৰম্ভ হ'ব লগা গণেশ উৎসৱ উপলক্ষে ব্যাপক আয়োজন অব্যাহত থকাৰ সময়তে ভোলেশ্বৰত সংঘটিত এই ঘটনাই শোকৰ ছাঁ পেলালে। মুম্বাইত এইবাৰ ১০,৬০০ ৰো অধিক ৰাজহুৱা গণেশ পূজাৰ আয়োজন কৰা হৈছে।


## ভেজালকৰণৰ কাৰণত তিনি ব্ৰেণ্ডৰ ঘিঁউ বিক্ৰীত নিষেধাজ্ঞা এফএছএছএআইৰ





**নিউজ ব্যুৰ', নতুন দিল্লী, ২৩ আগষ্ট ঃ** ভাৰতীয় খাদ্য সুৰক্ষা আৰু মানক প্ৰাধিকৰণ (এফএছএছএআই)-এ খাদ্য সুৰক্ষা নিয়মৰ গভীৰ উলংঘনৰ অভিযোগত দুটা কোম্পানীৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিলে। নতুন দিল্লীৰ মাৰ্ছে ৰিটেইল প্ৰাইভেট লিমিটেডৰ অনুজ্ঞাপত্ৰ এফএছএছএআইয়ে ৩০ দিনৰ বাবে নিলম্বন কৰিলে। আনহাতে, দমনৰ এছডিপি প্ৰাইভেট লিমিটেড কোম্পানীৰ সকলো ব্ৰেণ্ডৰ ঘিঁউৰ বিক্ৰী বন্ধ কৰাৰো নিৰ্দেশ জাৰি কৰিলে এফএছএছএআয়ে। প্ৰাধিকৰণে আজি সদৰী কৰা অনুসৰি, এই দুয়োটা প্ৰতিষ্ঠানত তালাচী আৰু তদন্ত চলাই খাদ্য সুৰক্ষা বিষয়ক নিয়ম উলংঘনৰ গুৰুতৰ তথ্য ধৰা পেলোৱাত মাৰ্চে ৰিটেইলৰ অনুজ্ঞাপত্ৰ নিলম্বন কৰা আৰু এছডিপি ইণ্ডাষ্ট্ৰিজৰ উৎপাদিত ঘিঁউৰ সকলো ব্ৰেণ্ড বিক্ৰীত নিষেধাজ্ঞা আৰোপ কৰা হ'ল। গুণমান পৰীক্ষাত ব্যৰ্থ হোৱাৰ কাৰণত এছডিপি ইণ্ডাষ্ট্ৰিজৰ শ্ৰদ্ধা, শ্ৰীসৰস আৰু গোকুল নামৰ ব্ৰেণ্ডৰ ঘিঁউত নিষেধাজ্ঞা আৰোপ কৰা হ'ল।

## আমেৰিকাত পুত্ৰৰ সন্মুখতে ভাৰতীয় ব্যৱসায়ীক হত্যা

**নিউজ ব্যুৰ', টেনেচি, ২৩ আগষ্ট ঃ** আমেৰিকাৰ টেনেচি ৰাজ্যত গুজৰাটৰ এজন ব্যৱসায়ীক গুলীয়াই হত্যা কৰিলে দুষ্কৃতিকাৰীয়ে। ৬২ বছৰ বয়সীয়া সুৰেশ পটেলে জেকচন চহৰত এক বিশেষ সুৰাৰ বিপণীত ডকাইতিৰ ঘটনাত হোৱা আক্ৰমণত প্ৰাণ হেৰুৱালে। পটেলৰ ওপৰত হোৱা আক্ৰমণৰ সময়ত উক্ত স্থানত তেওঁৰ ১৯ বছৰীয়া পুত্ৰও উপস্থিত আছিল। স্থানীয় সংবাদ মাধ্যমৰ বাতৰিত উল্লেখ কৰা অনুসৰি, ঘটনাৰ মাত্ৰ তিনিদিন পূৰ্বে পটেলে উক্ত সুৰাৰ বিপণীৰ দায়িত্ব গ্ৰহণ কৰিছিল। নতুন ব্যৱসায় আৰম্ভ কৰাৰ তিনিদিন পাছতে পটেল নিজৰ দোকানতে হত্যাৰ বলি হোৱাত আমেৰিকাত বসবাস কৰা গুজৰাটী পৰিয়ালৰ মাজত চাঞ্চল্যৰ সৃষ্টি হৈছে। আৰক্ষীয়ে সদৰী কৰা অনুসৰি, এজন মুখাপিন্ধা অস্ত্ৰধাৰী লোকে উক্ত বিপণীত প্ৰৱেশ কৰি বিপণীত থকা লোকৰ পৰা নগদ ধন দাবী কৰিছিল আৰু ধন লাভৰ পাছতো গুলিবৰ্ষণ কৰিছিল। গুলিত গুৰুতৰভাৱে আহত পটেলক পাছত চিকিৎসকে মৃত ঘোষণা কৰে। পটেল গুজৰাটৰ মেহছানা জিলাৰ স্থায়ী বাসিন্দা আছিল আৰু তেওঁ আমেৰিকাত অলপতে সুৰাৰ ব্যৱসায় আৰম্ভ কৰিছিল।





## ফ্ৰান্সত ছেপ্টেম্বৰত মুকলি হ'ব প্ৰথমটো স্বামীনাৰায়ণ হিন্দু মন্দিৰ

**নিউজ ব্যুৰ', পেৰিছ, ২৩ আগষ্ট ঃ** ফ্ৰান্সৰ পেৰিছৰ পৰা প্ৰায় ৩০ কিলোমিটাৰ নিলগত থকা বুছী-ছেণ্ট-জৰ্জেছত নিৰ্মাণ কৰা বিএপিএছ স্বামীনাৰায়ণ হিন্দু মন্দিৰ অহা ছেপ্টেম্বৰত মুকলি কৰা হ'ব। ফ্ৰান্সত এইটোৱে হ'ব প্ৰথম বৃহৎ হিন্দু মন্দিৰ। মন্দিৰ মুকলিৰ লগতে দুইৰ পৰা ১৪ ছেপ্টেম্বৰলৈকে ১৩ দিনলৈ ইয়াত ফেষ্টিভেল অৱ কালচাৰৰ আয়োজন কৰা হ'ব। স্বামীনাৰায়ণ হিন্দু মন্দিৰ কেৱল পূজা-অৰ্চনাৰ বাবে নহয়, বৰঞ্চ ইয়াত সাংস্কৃতিক আৰু সামূহিক অনুষ্ঠানৰো আয়োজন কৰা হ'ব। দুই ছেপ্টেম্বৰত মন্দিৰ মুকলিৰ অনুষ্ঠানত ফ্ৰান্সৰ বাসিন্দা ভাৰতীয় মূলৰ হিন্দু লোকসকলে অংশ লোৱাৰ সম্ভাৱনা আছে। পেৰিছৰ সমীপত নিৰ্মাণ কৰা এই মন্দিৰত ভাৰতৰ পৰা অনা বিশেষ পাথৰ ব্যৱহাৰ কৰা হৈছে। ফ্ৰান্সত হিন্দু মন্দিৰ নিৰ্মাণৰ পৰিকল্পনা ১৯৭০ তে গ্ৰহণ কৰা হৈছিল যদিও ইয়াৰ ২৫ বছৰৰ পাছত ১৯৯৫ত পেৰিছত মন্দিৰ নিৰ্মাণৰ পৰিকল্পনা প্ৰস্তুত কৰা হৈছিল। ২০১৭ত মন্দিৰ নিৰ্মাণৰ বাবে ভূমি লাভ কৰা হৈছিল আৰু ২০২১ত নিৰ্মাণ প্ৰক্ৰিয়া আৰম্ভ হৈছিল। অৰ্থাৎ ৫৬ বছৰৰ পাছত ফ্ৰান্সত হিন্দুসকলে নিজা এক বৃহৎ মন্দিৰ লাভ কৰিব।

## বিহপুৰীয়া জাতীয় বিদ্যালয়ত কম্পিউটাৰ শ্ৰেণী কোঠা উদ্বোধন

অগ্ৰদূত বাৰ্তা

**বিহপুৰীয়া, ২৩ আগষ্ট ঃ** চন্দ্ৰেশ্বৰ বৰুৱা স্মৃতি বিহপুৰীয়া জাতীয় বিদ্যালয়ত কালি এটা কম্পিউটাৰ শ্ৰেণীকোঠা উদ্বোধন কৰে বিহপুৰীয়াৰ বিধায়ক ভূপেন কুমাৰ বৰাই। পুৱা ১১ বজাত বিদ্যালয়ৰ সচিব তৰুণ চন্দ্ৰ গোস্বামীয়ে বস্তি প্ৰজ্বলন কৰাৰ পাছতে কম্পিউটাৰ শ্ৰেণীকোঠাটো উদ্বোধন বিহপুৰীয়া বিধানসভা সমষ্টিৰ বিধায়ক ভূপেন কুমাৰ বৰাই হস্তুৱা গগৈ নামৰ বিদ্যালয়ৰ কৰ্মচাৰী ছাত্ৰীগৰাকীৰ দ্বাৰা ফিটা কাটি শ্ৰেণীকোঠাটো উদ্বোধন কৰে। ইয়াৰ পাছতে বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি দুলাল চন্দ্ৰ মহন্তৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে জাতীয় বিদ্যালয়ৰ সংগীত পৰিবেশন কৰাৰ পাছতে আদৰণি ভাষণ প্ৰদান কৰে বিদ্যালয়ৰ অধ্যক্ষ যাদব বৰুৱাই। বিদ্যালয়ৰ শিক্ষক মাধৱ চেতিয়াই আঁত ধৰা আৰু সচিব তৰুণ চন্দ্ৰ গোস্বামীয়ে উদ্দেশ্য ব্যাখ্যা কৰা সভাত বিধায়কজনে বিদ্যালয়খনৰ বাবে ১১ পৃষ্ঠাত চাওক

## জটীয়া দুৰ্গা পূজা উদযাপন সমিতিৰ সাধাৰণ সভা অনুষ্ঠিত ঃ সমিতি গঠন

**গুৱাহাটী, ২৩ আগষ্ট ঃ** এইবাৰ ২২ সংখ্যক বৰ্ষৰ বাবে জটীয়া সাৰ্বজনীন দুৰ্গা পূজা অনুষ্ঠিত হ'ব। ইয়াৰ বাবে আজি দিছপুৰৰ 'অগ্ৰদূত ভৱন'ৰ সমীপৰ জাতীয় বিদ্যালয় অসমত উদযাপন সমিতিৰ এখন সাধাৰণ সভা অনুষ্ঠিত হয়। এই সভাত গজেন্দ্ৰ নাথ বৰদলৈক সভাপতি আৰু বাবুল মেধিক লগতে দেৱাশীষ শৰ্মাক যুটীয়া সাধাৰণ সম্পাদক হিচাপে লৈ এখন উদযাপন সমিতি গঠন কৰা হয়। অহা ১৬ অক্টোবৰৰ পৰা ২১ অক্টোবৰলৈ এইবাৰৰ পূজা অনুষ্ঠিত হ'ব। তদুপৰি পূৰ্বৰ দৰে এইবাৰো জটীয়া সাৰ্বজনীন দুৰ্গা পূজা উদযাপন সমিতিৰ উদ্যোগত ২৫ অক্টোবৰত লক্ষ্মী পূজা আৰু ন নৱেম্বৰত কালী পূজা উদযাপন কৰা হ'ব।

## মালয়বাৰীত নাওখেল প্ৰতিযোগিতাৰ আয়োজন



অগ্ৰদূত বাৰ্তা

**সোণাপুৰ, ২৩ আগষ্ট ঃ** সোণাপুৰৰ নিকটৱৰ্তী মালয়বাৰীৰ মহাপুৰুষ শ্ৰীশ্ৰীমন্ত শংকৰদেৱ নামঘৰৰ বছৰজোৰা হীৰকজয়ন্তী কাৰ্যসূচীৰ অংশস্বৰূপে অহা ১২ ছেপ্টেম্বৰত নাওখেল প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। আজি নামঘৰ প্ৰাংগণত অনুষ্ঠিত এক সংবাদমেলত উদ্যোগক্তাসকলে এই কথা প্ৰকাশ কৰি প্ৰতিযোগিতাৰ নিয়মাৱলীসমূহ সদৰী কৰে। নাওখেল প্ৰতিযোগিতাসমূহ দুই কিলোমিটাৰ ব্যাসাৰ্ধ সামৰি কলং নৈত অনুষ্ঠিত হ'ব। কেৱল পুৰুষৰ বাবে নক্‌আউট পৰ্যায়ত অনুষ্ঠিত হ'বলগীয়া প্ৰতিযোগিতাৰ বাবে কোনোধৰণৰ ভৰ্তি মাচুল নালাগে। প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ ট্ৰফীসহ ৩০ হেজাৰ টকা, দ্বিতীয় পুৰস্কাৰ ট্ৰফীসহ ২০ হেজাৰ টকা নিৰ্ধাৰণ কৰাৰ বিপৰীতে প্ৰতিটো অংশগ্ৰহণকাৰী দলকে আয়োজকে সাত হেজাৰ টকাকৈ মাননি প্ৰদান কৰিব। তদুপৰি প্ৰতিযোগিতাত কেৱল খেলনাওহে অংশগ্ৰহণকাৰীয়ে ব্যৱহাৰ কৰিব পাৰিব আৰু প্ৰতিটো অংশগ্ৰহণকাৰী দলত ন্যূনতম ৬০জনৰ অধিক সদস্য থাকিব নোৱাৰিব বুলি আয়োজকে জনাইছে। প্ৰতিযোগিতাৰ বাবে ইচ্ছুক দলক ৮৬৩৮২৭৯৩৮৮ নম্বৰ অথবা daskanak13@gmail.comত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে উদ্যোক্তাসকলে। উল্লেখ্য যে বিগত বৰ্ষৰ নৱেম্বৰৰ পৰা বছৰজোৰাকৈ নামঘৰ পৰিচালনা সমিতিয়ে হীৰক জয়ন্তী উদ্‌যাপন কৰি আহিছে। আজিৰ সংবাদমেলত হীৰকজয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি নিৰ্মল মহন্ত, কাৰ্যকৰী সভাপতি চক্ৰধৰ মহন্ত, মুখ্য সম্পাদক প্ৰণৱ কোঁৱৰ, সম্পাদদ্বয় হেমন্ত কলিতা, কমল নাথ আৰু নামঘৰ পৰিচালনা সমিতিৰ নিৰ্মল চন্দ্ৰ বৈশ্য, বিপুল কোঁৱৰ আদি উপস্থিত থাকে।

## পৰিবহণ মন্ত্ৰী চৰণ বড়োৰ প্ৰশংসনীয় পদক্ষেপ

### মাজবাটৰ এশ যক্ষ্মা ৰোগীক খাদ্য সামগ্ৰী প্ৰদান

অগ্ৰদূত বাৰ্তা

**টংলা, ২৩ আগষ্ট ঃ** 'যক্ষ্মামুক্ত ভাৰত গঢ়াৰ স্বাৰ্থত আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আহ্বানক সন্মান জনাই মাজবাট বিধানসভা সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ পৰিবহণ মন্ত্ৰী চৰণ বড়োৱে ২১ আগষ্টত সমষ্টিটোৰ এশ জন যক্ষ্মা ৰোগীক পুষ্টিকৰ খাদ্য প্ৰদান কৰে। এই উপলক্ষে দিনৰ দুই বজাত ওৰাং খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ সভাগৃহত জ্যেষ্ঠ চিকিৎসা পৰ্যবেক্ষক গণেশ দত্তই আঁত ধৰা চমু সভাত তেওঁ কয় যে যক্ষ্মা এবিধ মাৰাত্মক সোঁচৰা ৰোগ। এই ৰোগত আক্ৰান্তসকলে বৰ্তমান ৰোগ চিনাক্তকৰণ পৰীক্ষা, ঔষধ পাতি বিনামূলীয়াকৈ লাভ কৰাৰ লগতে ঔষধ সেৱন কৰি থকা মাহকেইটাত চৰকাৰৰ পৰা মাহে এহেজাৰ টকাকৈ লাভ কৰে। তদুপৰি প্ৰধানমন্ত্ৰীৰ আহ্বানক সন্মান জনাই মোৰ দৰে বহুতেই যক্ষ্মা ৰোগীসকলক মাহে পাঁচশ টকাৰ খাদ্য সামগ্ৰী প্ৰদান কৰি তেওঁলোকক অলপ সাহস আৰু মৰম দিবলৈ প্ৰয়াস কৰি থকা হৈছে। এই যাত্ৰাত ব্যৱসায়ী, ৰাজনৈতিক নেতা-কৰ্মী, ঠিকাদাৰ, চাকৰিয়াল আদিক সহযোগ কৰিবলৈ তেওঁ আহ্বান জনায়। ওদালগুৰি জিলাত বৰ্তমান চাৰি শতাধিক যক্ষ্মা ৰোগী থকাটো ভাল কথা নহয় বুলি উল্লেখ কৰি তেওঁ লগতে ১১ পৃষ্ঠাত চাওক

## মৰিগাঁও পাইকাৰী গ্ৰাহক সমবায় ভাণ্ডাৰ লিমিটেডৰ বাৰ্ষিক সাধাৰণ সভা সম্পন্ন

### ২০২৫-২৬ বৰ্ষত সমবায়খনে লাভ কৰিলে ৩,৯৭,১৬৬ টকা

অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ২৩ আগষ্ট ঃ** মৰিগাঁও জিলাৰ অগ্ৰণী সমবায় সমিতি মৰিগাঁও পাইকাৰী গ্ৰাহক সমবায় ভাণ্ডাৰ লিমিটেডৰ ২০২৫-২৬ বৰ্ষৰ সাধাৰণ সভাখন আজি মৰিগাঁও জিলা সাংবাদিক সন্থাৰ সভাগৃহত অনুষ্ঠিত হয়। ৪৪৩ গৰাকী সদস্য বিশিষ্ট সমবায়খনৰ সাধাৰণ সভাত প্ৰায় দুশগৰাকী অংশীদাৰে যোগদান কৰে। সমবায় ভাণ্ডাৰৰ সভাপতি তিলক চন্দ্ৰ বৰাৰ সভাপতিত্বত অনুষ্ঠিত সাধাৰণ সভাত সম্পাদকীয় প্ৰতিবেদন দাখিল কৰে সম্পাদক বুদ্ধৰাম নাথে। নাথে সমবায়খনৰ লক্ষ্য, উদ্দেশ্য, অঞ্চলৰ কথা উল্লেখ কৰি বিগত বৰ্ষত ৭৪,০৪,২৩১ টকা জমা কৰে বুলি সভাক অৱগত কৰে। সকলো ব্যয় কৰাৰ পাছত সমবায়খনে বিগত বৰ্ষত ৩,৯৭,১৬৬ টকা লাভ কৰিবলৈ সক্ষম হোৱা বুলি সম্পাদক নাথে সভাক অৱগত কৰে। হিচাপ পৰীক্ষক মুকুল হাজৰিকাই দাখিল কৰা হিচাপ পৰীক্ষকৰ প্ৰতিবেদন সৰ্বসন্মতিক্ৰমে গৃহীত হয়। ইয়াৰ পাছতেই সভাপতি তিলক চন্দ্ৰ বৰাই ২০২৬-২৭ বৰ্ষৰ ৯১,২৮,০০০ টকা লক্ষ্য নিৰ্ধাৰণ কৰি বাজেট দাখিল কৰে। সাধাৰণ সভাত পৰ্যবেক্ষক হিচাপে সমবায় বিভাগৰ জ্যেষ্ঠ পৰিদৰ্শক নজৰুল ইছলাম উপস্থিত থাকে। সভাৰ কাৰ্যসূচী প্ৰত্যক্ষ কৰি তেওঁ সন্তুষ্টি প্ৰকাশ কৰি সমবায়খনে জন ঔষধি সাৰৰ ব্যৱসায়, দুগ্ধ ব্যৱসায়, গুডাম ঘৰ আদি আঁচনি গ্ৰহণ কৰি সমবায়খন অধিক সমৃদ্ধ হোৱাৰ বাবে আহ্বান জনায়। সাধাৰণ সভাত সমবায় ভাণ্ডাৰৰ উপ-সভাপতি কল্লোল বৰাকে ধৰি সঞ্চালক মণ্ডলীৰ সদস্য যতীন বৰদলৈ, ভোগেশ্বৰ মেধি, নিত্য বৰদলৈ, আমচৰ আলী, যুগল শৰ্মা, শেৱালী দাস, ঘনকান্ত বৰা, ৰমেশ ডেকা, দেৱৰাম পাটৰ, ভূপেন্দ্ৰ নাথ বৰদলৈ, গম্ভীৰ মেধি আৰু প্ৰাক্তন বিধায়ক হৰেন্দ্ৰ বৰাই সাধাৰণ সভাত যোগদান কৰে।

## কলাকুছি আৰু ৰাষ্ট্ৰীয় ঘাইপথ সংযোগী গড়কাপ্তানী পথ নিৰ্মাণত লেহেমীয়া গতি

### নিৰ্ধাৰিত সময় অতিবাহিত হোৱাৰ পাছতো বহু কাম বাকী

ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ২৩ আগষ্ট ঃ** মুঠ ১৩ কোটি ২৬ লাখ ৪২ হেজাৰ টকা ২০২২-২৩ত আবণ্টিত হোৱাৰ লগতে ২০২৩ত ইয়াৰ নিবিদা প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱা ঢেকিয়াজুলিৰ এটা পথৰ নিৰ্মাণ কাৰ্য আজিলৈকে সম্পূৰ্ণ নহ'ল। বৰ্তমান এইটো পথৰ অৱস্থাই সৰ্বসাধাৰণক অতিষ্ঠ কৰিছে। শোণিতপুৰৰ ঢেকিয়াজুলি উন্নয়ন খণ্ড অন্তৰ্গত বাহবেৰা গাঁও পঞ্চায়ত অঞ্চলৰ তথা কলাকুছিকে ধৰি কাষৰীয়া বৃহত্তৰ কৃষিপ্ৰধান অঞ্চলৰ ৰাইজৰ উপকাৰ সাধন হোৱাকৈ আবণ্টিত



এই পথটোৰ নিৰ্মাণকাৰ্য ২০২৫ত সম্পূৰ্ণ হ'ব লাগিছিল যদিও বাস্তৱত বৰ্তমানেও ইয়াৰ অধিকাংশ কামেই বাকী আছে। আনহাতে, ইয়াৰ নিৰ্মাণকাৰ্যও যথেষ্ট নিম্নমানৰ হোৱা বুলি অভিযোগ উঠিছে। উল্লেখযোগ্য যে গাভৰু নৈৰ গাভৰুবনীয়াৰ পৰা বৃহত্তৰ কৃষিপ্ৰধান প্ৰধান গ্ৰাম্য অঞ্চলক সুৰক্ষিত কৰিবৰ বাবে গৰাখহনীয়া প্ৰতিৰোধক মথাউৰিৰ ছোপাবৰ ওপৰেৰে কলাকুছিৰ পৰা ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথলৈ এই পথ নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰৰ গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজিৰ অধীনত ১১ পৃষ্ঠাত চাওক

## তাই আহোম যুৱ পৰিষদৰ কেন্দ্ৰীয় কাৰ্যালয়ক কেন্দ্ৰ কৰি সংঘাত

### চৌকিডিংগীত উপস্থিত কেন্দ্ৰীয় যুটীয়া সম্পাদক দ্বীপজ্যোতি দুৱৰা

বিশেষ সংবাদদাতা

**ডিব্ৰুগড়, ২৩ আগষ্ট ঃ** ডিব্ৰুগড় নগৰৰ মাজমজিয়াৰ চৌকিডিংগীত অৱস্থিত তাই আহোম যুৱ পৰিষদ, অসমৰ (তাইজুৰ) কেন্দ্ৰীয় কাৰ্যালয়ক কেন্দ্ৰ কৰি বিগত কিছুদিন ধৰি সৃষ্টি হোৱা বিভিন্ন সংঘাত আৰু মতানৈক্যৰ মাজতে আজি কাৰ্যালয়টোত উপস্থিত হয় সংগঠনটোৰ কেন্দ্ৰীয় যুটীয়া সম্পাদক দ্বীপজ্যোতি দুৱৰা। সংগঠনটোৰ একাংশ নেতৃত্বৰ মাজত সৃষ্টি হোৱা মতানৈক্য আৰু নেতৃত্বক কেন্দ্ৰ কৰি চলি থকা বিতৰ্কৰ পৰিপ্ৰেক্ষিতত আজি কাৰ্যালয়টোৰ নিয়ন্ত্ৰণ পুনৰ পৰিষদৰ আনটো পক্ষই নিজৰ অধীনলৈ অনাৰ কথা জানিবলৈ দিয়ে টাইপাৰ ৰাণা ৰঞ্জন গগৈৰ নিয়ন্ত্ৰণত থকা কাৰ্যালয়টো আজি দ্বীপ জ্যোতি দুৱৰা পক্ষই পুনৰ নিজৰ নিয়ন্ত্ৰণলৈ আনে। সংগঠনটোৰ একাংশ ব্যক্তিয়ে নিজকে পৰিষদৰ নেতা হিচাপে পৰিচয় দি কাৰ্যালয়ৰ কাম-কাজত হস্তক্ষেপ নকৰিবলৈ দ্বীপ জ্যোতি দুৱৰাই সকীয়াই দিয়ে। ইফালে, তাই আহোম যুৱ পৰিষদে বানপীড়িত লোকসকলৰ সহায়ৰ বাবে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ কথা উল্লেখ কৰি দ্বীপ জ্যোতি দুৱৰাই পৰিষদৰ উদ্যোগত বানপীড়িত পৰিয়ালৰ বাবে ৩৫টাতকৈ অধিক ঘৰ নিৰ্মাণৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে বুলি জানিবলৈ দিয়ে। এই পদক্ষেপত দিশম ফাউণ্ডেছন আৰু পুনম গগৈয়ে সহযোগিতা আগবঢ়াইছে বুলি কয়। আনহাতে, কাৰ্যালয়টোৰ পৰিৱেশ শান্তিপূৰ্ণ আৰু শুচি কৰি তোলাৰ উদ্দেশ্যে তাই আহোম সমাজৰ পৰম্পৰাগত ৰীতি-নীতি অনুসৰি বিশেষ পূজা-অৰ্চনাৰ আয়োজন কৰা হৈছে বুলিও পৰিষদৰ তৰফৰ পৰা জানিবলৈ দিয়ে। কাৰ্যালয়টোক কেন্দ্ৰ কৰি সৃষ্টি হোৱা সংঘাতৰ অৱসান ঘটাই সংগঠনটোৰ কাম-কাজ পুনৰ সুস্থ আৰু ঐক্যবদ্ধ পৰিৱেশত আগবঢ়াই নিয়াৰ ক্ষেত্ৰত পৰৱৰ্তী সময়ত কি পদক্ষেপ গ্ৰহণ কৰা হয়, সেয়া লক্ষ্যণীয় হ'ব।



গোৱালপাৰা জিলা সাহিত্য সভাৰ ৩৫ সংখ্যক প্ৰতিষ্ঠা দিৱসত মুকলি সভাত সাতখন গ্ৰন্থ উন্মোচন

## নিমহান্স আৰু তেজপুৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ স্বাস্থ্য প্ৰতিষ্ঠানৰ চুক্তি

ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ২৩ আগষ্ট ঃ** ৰাষ্ট্ৰীয় মানসিক স্বাস্থ্য আৰু স্নায়ুবিজ্ঞান প্ৰতিষ্ঠান, বাংগালুৰু, কেন্দ্ৰীয় মনোৰোগ প্ৰতিষ্ঠান, ৰাঁচী আৰু লোকপ্ৰিয় গোপীনাথ বৰদলৈ আঞ্চলিক মানসিক স্বাস্থ্য প্ৰতিষ্ঠান তেজপুৰে মানসিক স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত সক্ষমতা বিকাশ কৰ্মশালা আৰু প্ৰতিষ্ঠানিক সহায় প্ৰদানৰ বাবে এখন ত্ৰিপাক্ষিক বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰিবলৈ সন্মত হৈছে। কালি অনুষ্ঠিত তিনিওটা প্ৰতিষ্ঠানৰ এখন ভাৰ্চুৱেল বৈঠকত এই ৰূপৰেখা সম্পৰ্কে বিস্তৃতভাৱে আলোচনা কৰা হয়। এই এমঅ'ইউৰ অধীনত নিমহান্সে বাংগালুৰুস্থিত নিজৰ চৌহদত চিআইপি আৰু এলজিবিআৰআইএমএইছৰ চিহ্নিত প্ৰশাসক, অধ্যাপক আৰু কৰ্মচাৰীৰ বাবে এখন কৰ্মশালা আয়োজন কৰিব, য'ত চিকিৎসালয় প্ৰশাসন, গুণগত মান ব্যৱস্থাপনা, ৰোগীৰ সুৰক্ষা, ক্লিনিকেল গৱৰ্ণেন্স আৰু পৰিচালনাগত দক্ষতা সামৰি লোৱা হ'ব। ইয়াৰ পাছত নিমহান্সে পাৰস্পৰিকভাৱে চিহ্নিত ক্ষেত্ৰসমূহত উভয় প্ৰতিষ্ঠানক কাৰিকৰী পৰামৰ্শ আৰু প্ৰতিষ্ঠানিক সহায় আগবঢ়াব। বৈঠকখনত বাংগালুৰুৰ পৰা নিমহান্সৰ সঞ্চালক ডাঃ প্ৰভা এছ চন্দ্ৰাই সভাপতিত্ব কৰে। তেওঁৰ লগত উপস্থিত থাকে পঞ্জীয়ক হৰ্ষ এ এইছ, স্নায়ু বিজ্ঞানৰ ডীন ডাঃ এ নলিনী, মৌলিক বিজ্ঞানৰ সহযোগী ডীন ডাঃ টি এন সত্যপ্ৰভা, আচৰণিক বিজ্ঞানৰ সহযোগী ডীন ডাঃ সীমা ১১ পৃষ্ঠাত চাওক

## মৰোৱাত যোগ কেন্দ্ৰ মুকলি

অগ্ৰদূত বাৰ্তা


**নলবাৰী, ২৩ আগষ্ট ঃ** নলবাৰী জিলাৰ মৰোৱাত আজি পুৱা উইজদম যোগান কেন্দ্ৰ মুকলি কৰা হয়। ল'টাছ প্ৰগ্ৰেচিভ চেণ্টাৰ, মৰোৱাত আনন্দ ৰাম বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ হেমকান্ত শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা চেণ্টাৰটো মুকলি কৰে নলবাৰী জিলা পৰিষদৰ অধ্যক্ষা গিতুমনি বৈশ্যই। সভাত মৰোৱা আনন্দ ৰাম বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক অনিল চক্ৰৱৰ্তী, অৱসৰপ্ৰাপ্ত সহকাৰী শিক্ষক অমৰ দাস, অৱসৰপ্ৰাপ্ত উচ্চ বৰ্গৰ সহায়ক সতীশ চন্দ্ৰ বৈশ্য, সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি ফণীধৰ বৰুৱা, অৱসৰপ্ৰাপ্ত শিক্ষক আব্দুল আজিজ আহমেদ, সমাজকৰ্মী নৰেশ্বৰ বেজবৰুৱা, পৰেশ বৈশ্য, কনক বৈশ্য, শিক্ষক গৌতম বৈশ্য, অচ্যুত চন্দ্ৰ বৈশ্য, সমাজকৰ্মী ৰাতুল বৈশ্য, শিক্ষক সত্য তালুকদাৰ, সমাজকৰ্মী ডালিমী বৰুৱা বৈশ্য, গিতিকা বৈশ্য। অনুষ্ঠানত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে ল'টাছ প্ৰগ্ৰেচিভ চেণ্টাৰৰ সম্পাদক তপন বৈশ্যই। অনুষ্ঠানত সমাজকৰ্মী নৰকুমাৰ বৈশ্য, কবিতা বৈশ্য, মূৰ্চ্ছনা ডেকা, জিতু ৰায়মেধি, জ্যোৎস্না বৈশ্যৰ উপৰি আন বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

## জলনিষ্কাসনৰ উপযুক্ত নলাৰ অভাৱত বিপদত পৰিছে কৃষক

### গাঁও পঞ্চায়তত আবেদন কৰিও সুফল পোৱা নাই বৰক্ষেত্ৰী সমষ্টিৰ দেহাৰকুছি গাঁৱৰ কৃষকে

অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ২৩ আগষ্ট ঃ** একোখন খেতিপথাৰৰ জলনিষ্কাসনৰ অভাৱত কৃষকসকলে খেতি কৰিও উপযুক্ত ফচল নাপাই হতাশ হোৱা উদাহৰণ বহুতো আছে। আনহাতে কিছু কিছু পথাৰত পানী ওলাই যোৱা উপযুক্ত নলা নোহোৱা বাবে কৃষকে খেতি নকৰাৰ ফলত মেটেকা আৰু পানীভোটোৰাই ছানি ধৰা পথাৰো বহুতো আছে। তেনেকুৱা এখন খেতিপথাৰ হ'ল বৰ্তমান বৰক্ষেত্ৰী সমষ্টিৰ অন্তৰ্গত দেহাৰকুছি গাঁৱৰ খেতিপথাৰ। খনামৰোৱা-কমলপুৰ পথৰ



কাষতে থকা উক্ত পথাৰখনত এসময়ত যথেষ্ট পৰিমাণে শালিখেতি হৈছিল। অকল শালিখেতিয়ে নহয় বহুতে বৰো ধানৰো খেতি কৰি লাভান্বিত হৈছিল। কিন্তু দুৰ্ভাগ্যৰ বিষয় যে বৰ্তমান পথাৰখনৰ পৰা জলনিষ্কাসন হোৱা নলাসমূহ বন্ধ হৈ যোৱাৰ ফলত বাৰিষা-খৰালি সমানে পানীৰে উপচি থাকে। ইয়াৰ মাজতে এটা নলা আছে যদিও সেইটোৰে সামান্য পৰিমাণে পানী ওলোৱাৰ ফলত পথাৰত শালি খেতি কৰিলেও পানীৰ বাবে চপাব পাৰে ১১ পৃষ্ঠাত চাওক

## নাহৰকটীয়াত টাইপাৰ কাৰ্যনিৰ্বাহক সভা

### ডিব্ৰুগড় জিলা সমিতি ভংগ, কে'বাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ

বিশেষ সংবাদদাতা

**ডিব্ৰুগড়, ২৩ আগষ্ট ঃ** নাহৰকটীয়াৰ গড়কাপ্তানী বিভাগৰ পৰিদৰ্শন ভৱনত তাই আহোম যুৱ পৰিষদ (টাইপা)-ৰ কেন্দ্ৰীয় সমিতিৰ এক জৰুৰীকালীন কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। সংগঠনটোৰ সাংগঠনিক পৰিস্থিতি, শৃংখলা আৰু ৰাজ্যৰ সাম্প্ৰতিক কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ক লৈ সভাত বিস্তৃত আলোচনা কৰা হয়। সভাত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে কেন্দ্ৰীয় সমিতিয়ে। সভাৰ অন্তত সিদ্ধান্তসমূহৰ বিষয়ে সংবাদ মাধ্যমক অৱগত কৰে টাইপাৰ মুখ্য উপদেষ্টা হেমন্ত চাংমায়ে। সভাত গ্ৰহণ কৰা সিদ্ধান্ত অনুসৰি, সংগঠনটোৰ কেন্দ্ৰীয় সমিতিৰ ফলক স্থানান্তৰ আৰু নিষ্কাশনকে ধৰি শৃংখলাবিৰোধী কাৰ্যকলাপত জড়িত থকাৰ অভিযোগত টাইপাৰ ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি ভূপেন গগৈ, সাধাৰণ সম্পাদক জয়ন্ত গগৈ, কাৰ্যকৰী সভাপতি ধ্ৰুৱ গগৈৰ লগতে দেৱব্ৰত গগৈ আৰু ৰাজীৱ বৰুৱাক সংগঠনৰ পৰা তৎকালীনভাৱে বহিষ্কাৰ কৰা হৈছে। ১১ পৃষ্ঠাত চাওক

## বেলশৰত থিয়েটাৰৰ টিকট মুকলি অনুষ্ঠান সম্পন্ন

### থলুৱা উদ্যোগীৰ হাতত থকা শিল্প বিধ হৈছে ভ্ৰাম্যমাণ থিয়েটাৰ

অগ্ৰদূত বাৰ্তা


**নলবাৰী, ২৩ আগষ্ট ঃ** নলবাৰীৰ অন্যতম আগশাৰীৰ ক্ৰীড়ানুষ্ঠান বেলশৰ আঞ্চলিক ক্ৰীড়া সংঘৰ বাকৰিত তথা ইতিহাস প্ৰসিদ্ধ শ্ৰীশ্ৰী বিল্বেশ্বৰ দেৱালয়ৰ সন্মুখত আজি দিনজোৰা কাৰ্যসূচীৰে সংঘৰ ন-পুৰণি সতীৰ্থ সন্মিলনৰ লগতে আগন্তুক শাৰদীয় দুৰ্গা পূজা উপলক্ষে বেলশৰ আঞ্চলিক ক্ৰীড়া সংঘৰ সাহায্যাৰ্থে আমন্ত্ৰণ কৰা ইতিহাস থিয়েটাৰৰ টিকট উন্মোচনী অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানৰ আৰম্ভণিতে সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকা আৰু যুৱ প্ৰজন্মৰ হাৰ্ট থ্ৰব শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে ক্ৰমে বেলশৰ আঞ্চলিক ক্ৰীড়া সংঘৰ সভাপতি লক্ষ্মী পাটোৱাৰী, ভ্ৰাম্যমাণ থিয়েটাৰৰ যশস্বী অভিনেতা শংকৰজ্যোতি ৰাজখোৱাই। ইয়াৰ পাছতেই অসম প্ৰদেশ সাংবাদিক সন্থাৰ সভাপতি অৰূপ ৰঞ্জন বৰ্মনে আঁত ধৰা আৰু সংঘৰ সভাপতি লক্ষ্মী পাৰোৱাৰীৰ পৌৰোহিত্যত অনুষ্ঠিত সংঘৰ ন-পুৰণি সতীৰ্থ সন্মিলন আৰু ইতিহাস থিয়েটাৰৰ টিকট উন্মোচনী অনুষ্ঠানত টিকট উন্মোচন কৰি অভিনেতা শংকৰজ্যোতি ৰাজখোৱাই কয়— শ্ৰীশ্ৰী বিল্বেশ্বৰ দেৱালয়ৰ যিদৰে মহত্ত্ব আছে, সেইদৰে বেলশৰ আঞ্চলিক ক্ৰীড়া সংঘৰো মহত্ত্ব আছে। বিভিন্ন খেলা-ধূলাৰ মাধ্যমেৰে ক্ৰীড়া সংঘই কাম কৰি নিজৰ পৰিচয় অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈছে। অনুষ্ঠানত শ্ৰীশ্ৰীবিল্বেশ্বৰ দেৱালয়ৰ দলৈ তথা ভ্ৰাম্যমাণৰ এসময়ৰ সুদক্ষ অভিনেতা ৰঞ্জিত মিশ্ৰই ভাষণ প্ৰসংগত কয়— শ্ৰীশ্ৰী বিল্বেশ্বৰ দেৱালয়ৰ মহাপ্ৰভুৰ ওচৰত প্ৰাৰ্থনা কৰিছো যে ইতিহাস থিয়েটাৰে বেলশৰত চলিত নাট্যবৰ্ষত ইতিহাস ১১ পৃষ্ঠাত চাওক

## টংলাত গৰু চোৰৰ আতংক ঃ বিলাসী বাহনৰে চুৰি কৰিলে তিনিটা গৰু

### মেকেনজি পথত সন্দেহজনকভাৱে ৯ টা গৰুসহ পিকাপ বাহন জব্দ ৰাইজৰ

অগ্ৰদূত বাৰ্তা

**টংলা, ২৩ আগষ্ট ঃ** ৰাজ্যৰ প্ৰান্তে প্ৰান্তে বিলাসী বাহনেৰে গৰু চুৰিৰ ঘটনাৰ ধাৰাবাহিকভাৱে চলি অহাৰ খবৰে সৰ্বসাধাৰণ ৰাইজক হতাশ কৰি অহাৰ সময়তে যোৱা নিশা টংলা চহৰৰ নিকটৱৰ্তী বৰজলাহ গাঁৱৰ মিলনপুৰৰ পৰা এখন বিলাসী বাহনেৰে দুটা পৰিয়ালৰ তিনিটা গৰু চুৰি কৰি নিয়ে। চিচিটিভিৰ ফুটেছত ধৰা পৰা অনুসৰি এ এছ-১৫ এল-২০৭৮ পঞ্জীয়ন নম্বৰৰ নীলা ৰঙৰ বেলেনো বিলাসী বাহনত এটা পৰিয়ালৰ দুটা গৰু আৰু আনটো পৰিয়ালৰ এটা মুঠ তিনিটা গৰু চুৰি কৰি নিয়ে। আনহাতে আজি পুৱা টংলাৰ সমীপৰ মেকেনজি পথৰ কাউলিভঙা আৰু বগৰীবাৰীৰ মাজত এএছ-১৩ এ চি- ৪৯৯৯ পঞ্জীয়ন নম্বৰৰ এখন বলেৰো পিকাপ বহানত কঢ়িয়াই অনা ন টা গৰু কেইজনমান স্থানীয় ছাত্ৰ সন্থাৰ কৰ্মীয়ে দেখি সন্দেহ উপজাত স্থানীয় ৰাইজৰ স'তে মিলি উক্ত গৰু কঢ়িয়াই অনা বাহনখন ৰখাই টংলা আৰক্ষীক খবৰ দিয়ে। আৰক্ষী উপস্থিত হৈ গৰুসহ বাহনখন টংলালৈ লৈ আনে। তথ্য মতে এই নটাকৈ উন্নত জাতৰ গৰু কঢ়িয়াই অনা বাহনখনক ইতিধ্যেই পানেৰীৰ পৰাই সন্দেহ হোৱাত কিছুসংখ্যক লোকে অনুসৰণ কৰি আহি আছিল। আৰক্ষীয়ে গৰু সৰববাহৰ লগত দুজনলোকক আৰক্ষীয়ে আটক কৰি তদন্ত অব্যাহত ৰাখিছে। বৃহত্তৰ



টংলা অঞ্চলৰ গৰু পালন কৰা প্ৰতিঘৰ মানুহে এতিয়া বিনিদ্ৰ ৰজনী কটাব লগীয়া হৈছে। নিশা হ'লেই গৰু চোৰৰ আতংকত ভোগা ৰাইজে আৰক্ষীক এই ক্ষেত্ৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী জনাইছে।

## অসম প্ৰাদেশিক যোগী সন্মিলনীৰ ১০৭ বৰ্ষীয় চৰাইবাহী অধিবেশনৰ প্ৰস্তুতি সভা

### ২৬খনকৈ উপ-সমিতিয়ে পূৰ্ণ গতিত চলাইছে কাম-কাজ

অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ২৩ আগষ্ট ঃ** অসমৰ বিভিন্ন জিলাত সিঁচৰিত হৈ থকা নাথ যোগী জনগোষ্ঠীৰ লোকসকলক একত্ৰিত কৰি সাংগঠনিক ভেটি সুদৃঢ় কৰাৰ উদ্দেশ্যে ১৯১৯ তে প্ৰতিষ্ঠা লাভ কৰা অসম প্ৰাদেশিক যোগী সন্মিলনীয়ে ইতিমধ্যে ১০৭ বছৰ গৰকিলে। এই লৈ সন্মিলনখনিৰ এইবাৰ ১০৭ বৰ্ষীয় অধিৱেশনখনি মৰিগাঁও জিলাৰ ঐতিহ্যমণ্ডিত চৰাইবাহীত অনুষ্ঠিত হ'ব অহা ২৫, ২৬ আৰু ২৭ ডিচেম্বৰত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে। অধিৱেশনখনি সাফল্যমণ্ডিত কৰিবলৈ ইতিমধ্যে মৰিগাঁও জিলা যোগী সন্মিলনীৰ সভাপতি ৰমেন নাথক সভাপতি, দিলীপ নাথক কাৰ্যকৰী সভাপতি আৰু সঞ্জীৱ কুমাৰ নাথক সাধাৰণ সম্পাদক হিচাপে লৈ এখন পূৰ্ণাংগ আদৰণি সমিতি গঠন কৰাৰ পাছতে অধিৱেশনৰ ব্যাপক প্ৰস্তুতি চলিছে। আনহাতে, ১০৭ বৰ্ষীয় অধিৱেশনখনি সফল ৰূপায়ণৰ বাবে ইতিমধ্যে ২৬ খনকৈ উপ-সমিতি গঠন কৰি চৰাইবাহীৰ লগতে সমগ্ৰ অসমতে ব্যাপক প্ৰস্তুতি চলোৱা পৰিলক্ষিত হৈছে। এই প্ৰস্তুতি সন্দৰ্ভত আৰু অধিক গতিশীল কৰি তুলিবলৈ আজি মৰিগাঁও জিলাৰ চৰাইবাহী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সভাগৃহত এখনি প্ৰস্তুতি সভা অনুষ্ঠিত হয়। আদৰণি সমিতিৰ সাধাৰণ সম্পাদক সঞ্জীৱ কুমাৰ নাথে আঁত ধৰা সভাখনিত সভাপতিত্ব কৰে মৰিগাঁও জিলা যোগী সন্মিলনীৰ সভাপতি তথা অসম প্ৰাদেশিক যোগী সন্মিলনীৰ ১০৭ বৰ্ষীয় চৰাইবাহী অধিৱেশনৰ উদ্‌যাপন সমিতিৰ সভাপতি ৰমেন নাথে। সভাত উপস্থিত থাকি অধিৱেশনখনি সাফল্যমণ্ডিত কৰিবলৈ আদৰণি সমিতি কেনেদৰে আগবাঢ়িব লাগিব বা কেনে ধৰণৰ কৌশল অৱলম্বন কৰিব লাগিব এই সন্দৰ্ভত আগতীয়া প্ৰস্তুতি সন্দৰ্ভত ভাষণ ৰাখে ক্ৰমে অসম প্ৰাদেশিক যোগী সন্মিলনৰ সভাপতি ধীৰেণ নাথ, সম্পাদক গুণজিৎ নাথ, উপদেষ্টা কীৰ্তি নাথৰ লগতে জিলা আৰু ৰাজ্যিক সমিতিৰ কে'বাগৰাকীও বিষয়ববীয়াই। আদৰণি সমিতিয়ে আৰু অসম প্ৰাদেশিক যোগী সন্মিলনীয়ে আজিৰ প্ৰস্তুতি সভাতে অহা ২৫, ২৬ আৰু ২৭ ডিচেম্বৰত তিনিদিনীয়াকৈ অনুষ্ঠিত হ'বলগীয়া সন্মিলনীৰ ১০৭ বছৰীয়া অধিৱেশনখনি সাফল্যমণ্ডিত কৰিবলৈ সকলো শ্ৰেণীৰ ৰাইজৰ সহায় সহযোগিতা কামনা কৰিছে।

## উত্তৰ শালমাৰাত লোকপিয়লৰ গণনাকাৰীক আক্ৰমণৰ চেষ্টা চলোৱা যুৱকক জেললৈ প্ৰেৰণ

**অগ্ৰদূত বাৰ্তা**

**অভয়াপুৰী, ২৩ আগষ্ট ঃ** বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰা আৰক্ষী চকীৰ অন্তৰ্গত চৌটাকীত কালি আবেলি লোকপিয়লৰ গণনাকাৰী এগৰাকীক যুৱক এজনে চোকা অস্ত্ৰেৰে আক্ৰমণ কৰিবলৈ চেষ্টা চলোৱা যুৱকজনক আজি জেল হাজোতলৈ প্ৰেৰণ কৰা হয় । জানিব পৰা মতে, লোকপিয়লৰ গণনাকাৰী ভাস্কৰ চন্দ্ৰ দাসে কালি আবেলি চাৰি বজাত লোকপিয়লৰ কামত গৈ উত্তৰ শালমাৰা আৰক্ষী চকীৰ অন্তৰ্গত চৌটাকী মছজিদৰ ওচৰত বাপন ৰায়ৰ ঘৰত লোকপিয়লৰ বাবে উপস্থিত হোৱা মাত্ৰকে বাপন ৰায় ওৰফে বিপন্ন ৰায় নামৰ যুৱক এজনে মাছমৰা সঁজুলিৰে আক্ৰমণৰ চেষ্টা চলোৱাৰ লগতে প্ৰাণনাশৰ ভাবুকি দিয়ে। কিংকৰ্তব্যবিমূঢ় হৈ লোকগণনকাৰী ভাস্কৰ চন্দ্ৰ দাসে আন এঘৰত আশ্ৰয় লোৱাৰ পাছত সৃজনগ্ৰামৰ ৰাজহ চক্ৰ বিষয়া নৱজ্যোতি দাসৰ তৎপৰতাত উত্তৰ শালমাৰা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া শিৱপ্ৰসাদ কলিতাৰ নেতৃত্বত আৰক্ষীয়ে উদ্ধাৰ কৰে লোক গণনাকাৰী ভাস্কৰ দাসক । এই সন্দৰ্ভত অভয়াপুৰী থানাত এজাহাৰ দাখিল কৰাত ভাৰতীয় ন্যায় সংহিতাৰ অধীনত ২১৫/২৬ নম্বৰ গোচৰ ৰুজু কৰি যোৱা নিশা বাপনক গ্ৰেপ্তাৰ কৰে আৰু আজি উত্তৰ শালমাৰা ন্যায়িক আদালতত হাজিৰ কৰোৱাত আদালতে বাপনক জেললৈ প্ৰেৰণ কৰে ।

## বংশৰৰ গাঁওবুঢ়া ৰজনীকান্ত দাসৰ মৃত্যু ঃ শোকৰ ছাঁ

**অগ্ৰদূত বাৰ্তা**

**শুৱালকুছি, ২৩ আগষ্ট ঃ** কামৰূপ জিলাৰ বংশৰ গাঁৱৰ আমবাৰী আৰু নিজ বংশৰ ৰাজহ গাঁৱৰ চৰকাৰী গাঁওবুঢ়া ৰজনীকান্ত দাস (৮০)ৰ দীৰ্ঘদিনীয়া অসুস্থতাৰ হেতু গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালত চিকিৎসাধীন অৱস্থাত দেহাৱসান ঘটে। প্ৰয়াত দাস বংশৰ গাঁৱৰ মহিমামণ্ডিত শ্ৰীশ্ৰী গোপালথান সত্ৰ পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি, আমবাৰী বৰখেল ৰাইজ গয়ৰহৰ প্ৰাক্তন সভাপতি, সদৌ বংশৰ শাৰদীয় শ্ৰীশ্ৰী দুৰ্গা পূজা সমিতিৰ প্ৰাক্তন সভাপতি তথা বংশৰ অঞ্চলৰ প্ৰায় সকলো অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত জড়িত হৈ আছিল। তেওঁৰ বিয়োগৰ খবৰ গাঁৱখনত বিয়পি পৰাৰ লগে লগে অঞ্চলজুৰি গভীৰ শোক ছাঁ পৰে আৰু বিভিন্ন দ'ল সংগঠনে শোক প্ৰকাশ কৰে। ৰজনীকান্ত দাসৰ বিয়োগত হাজো-শুৱালকুছি বিধানসভাৰ বিধায়ক প্ৰকাশ চন্দ্ৰ দাস, মহাপুৰুষ শ্ৰীমৎ দেৱদামোদৰ সংঘৰ উত্তৰ কামৰূপ জিলা সমিতি, জ্যেষ্ঠ নাগৰিক সন্মিলন, বংশৰ, পূব বংশৰ সমন্বয় যুৱ ঐক্য মঞ্চ, দুই নম্বৰ পূব বংশৰ আঞ্চলিক ছাত্ৰ সন্থা আদিয়ে গভীৰ শোক প্ৰকাশ কৰি শোক সন্তপ্ত পৰিয়াল বৰ্গক গভীৰ সমবেদনা জ্ঞাপন কৰিছে। মৃত্যুৰ সময়ত তেওঁ পত্নী, তিনিগৰাকী পুত্ৰ-বোৱাৰী, এগৰাকী বিবাহিতা জী আৰু নাতি-নাতিনী ইহসংসাৰত এৰি হৈ যায়।

## বিকিদেৱী গট্টানী হাইস্কুলত সমজিলা ভিত্তিক কুইজ প্ৰতিযোগিতা সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**মেলামাটি, ২৩ আগষ্ট ঃ** তিতাবৰ সমজিলাৰ অন্তৰ্গত বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীৰ মাজত এখন আধুনিক কলা-কৌশল অৱলম্বন কৰি সফল কুইজ প্ৰতিযোগিতা কালি বগাৰগাঁৱৰ বিকিদেৱী গট্টানী হাইস্কুলত সম্পন্ন হয়। নন্দনাথ শইকীয়া মহাবিদ্যালয়ত অধ্যয়ন কৰা ১৯৯৬ৰ পৰা ২০০০ৰ উচ্চতৰ মাধ্যমিকত অধ্যয়ন কৰা প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ উদ্যোগত এই প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল। প্ৰতিযোগিতাখন আধুনিক প্ৰযুক্তি কৌশল অৱলম্বন কৰি পৰিচালনা কৰিছিল অসমৰ বিভিন্ন ঠাইত কুইজ পৰিচালনা কৰি পাৰদৰ্শিতা প্ৰদৰ্শন কৰিবলৈ সক্ষম হোৱা খ্যাতিসম্পন্ন কুইজ মাষ্টাৰ মাধপুৰৰ পদ্মৰাম শৰ্মা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক পংকজ খাটনিয়াৰে। গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত অনুষ্ঠিত ভালেসংখ্যক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ লাভ কৰে মিহিৰাম শইকীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অম্লানজ্যোতি বৰুৱা আৰু তুফান মালিয়ে, দ্বিতীয় স্থান লাভ কৰে বৰহোলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৰক্তিম ফুকন আৰু উদ্দীপন শইকীয়াই, তৃতীয় স্থান লাভ কৰে জ্ঞানজ্যোতি জাতীয় বিদ্যালয়ৰ তুহিন কৃষ্ণ বেজবৰা আৰু অবিনাশ কছাৰীয়ে। অনুষ্ঠানত বিকিদেৱী গট্টানী হাইস্কুলৰ প্ৰধান শিক্ষক পল্লৱ গগৈ প্ৰমুখ্যে শিক্ষক-কৰ্মচাৰীসকলে সহযোগ কৰে। উল্লেখ্য যে কুইজ মাষ্টাৰ পংকজ খাটনিয়াৰে সম্পূৰ্ণ ডিজিটেল মাধ্যমৰে অডিঅ' ভিডিঅ' প্ৰয়োগ কৰি চিন্তা উদ্ৰেক কৰি প্ৰশ্নৰ সমাহাৰৰে এখন উন্নত মানৰ কুইজ পৰিচালনা কৰাৰ বাবে দৰ্শক শ্ৰোতাসকলে খাটনিয়াৰক ধন্যবাদ জ্ঞাপন কৰে।

## ডিগবৈ মহাবিদ্যালয়ত দক্ষতা বিকাশ কেন্দ্ৰ মুকলি

**অগ্ৰদূত বাৰ্তা**

**ডিগবৈ, ২৩ আগষ্ট ঃ** উজনি অসমৰ অগ্ৰণী উচ্চ শিক্ষানুষ্ঠান ডিগবৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ত ২১ আগষ্টত এটা দক্ষতা বিকাশ কেন্দ্ৰ মুকলি কৰে। উল্লেখ্য যে ৰাষ্ট্ৰীয় শিক্ষা-নীতি ২০২০ৰ পাঠ্যক্ৰমিক পৰিকাঠামোৰ অধীনত হস্ততাঁত আৰু বোৱা-কটা পাঠ্যক্ৰমৰ প্ৰায়োগিক কৌশলৰ প্ৰশিক্ষণ প্ৰদান কৰিবৰ কাৰণে এই দক্ষতা বিকাশ কেন্দ্ৰটো আৰম্ভ কৰা হৈছে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° পৱিত্ৰ ভৰালীয়ে আঁত ধৰা উদ্বোধনী অনুষ্ঠানত দক্ষতা বিকাশ কেন্দ্ৰৰ ফিটা কাটি উদ্বোধন কৰে ডিগবৈৰ বিশিষ্ট শিক্ষাবিদ, সাহিত্যিক ৰেৱতী কাকতিয়ে। ডিগবৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত) পৰিচালনা সমিতিৰ সভাপতি হিতেন্দ্ৰ নাথ শৰ্মা আৰু অসম বিশ্ববিদ্যালয় (ডিফু চৌহদ), শিলচৰৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা মেঘালয়ৰ বিজ্ঞান আৰু প্ৰযুক্তি বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° বিষ্ণু চৰণ দাসে বন্তি প্ৰজ্বলন কৰা উদ্বোধনী অনুষ্ঠানত কেন্দ্ৰটোৰ মুখ্য প্ৰশিক্ষক দিপালী দত্তক মহাবিদ্যালয়ৰ তৰফৰ পৰা সম্বৰ্ধনা জনায়। অনুষ্ঠানত অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ড° অৰুণ চন্দ্ৰ দত্ত, মহাবিদ্যালয়ৰ শৈক্ষিক প্ৰমুখ ড° জয়ন্ত সন্দিকৈ প্ৰমুখ্যে কে'বাজনো বিশিষ্ট ব্যক্তি, শিক্ষক আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। আনহাতে, পুৱাই মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ উদ্যোগত ভাৰতীয় চিকিৎসা গৱেষণা পৰিষদৰ অধীনস্থ ডিব্ৰুগড়ৰ আঞ্চলিক চিকিৎসা গৱেষণা কেন্দ্ৰৰ দ্বাৰা মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ কাৰণে এটি স্বাস্থ্য পৰীক্ষা আৰু সচেতনতা শিবিৰ অনুষ্ঠিত কৰে।

### ■ বাৰানসীৰ বেদজ্ঞ পণ্ডিতৰ দ্বাৰা শিৱ মহাপুৰাণ কথা আৰম্ভ

## খাৰজাৰা আশ্ৰমৰ কলহ যাত্ৰাৰে আধ্যাত্মিকতাৰ বাণী

**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ২৩ আগষ্ট ঃ** নলবাৰীৰ শ্ৰীশ্ৰী দুধনাথ বিগ্ৰহ খাৰজাৰা আশ্ৰমত সম্প্ৰতি এক ধৰ্মীয় আৰু আধ্যাত্মিক পৰিৱেশ বিৰাজ কৰিছে। ব'ম ব'ম উপলক্ষে কালি দিনৰ ১১ বজাত খাৰজাৰা আশ্ৰমৰ পৰা নলবাৰী চহৰৰ মাজেৰে শিৱ পুৰাণ লগত লৈ এক ধৰ্মীয় কলহ যাত্ৰা উলিওৱা হয়। এই যাত্ৰাত কাশী-বাৰানসীৰ বেদজ্ঞ পণ্ডিতসকলৰ লগতে শতাধিক ধৰ্মপ্ৰাণ ৰাইজে অংশগ্ৰহণ কৰি এক ধৰ্মীয় আৰু আধ্যাত্মিক পৰিৱেশ সৃষ্টি কৰে। ইপিনে, আজিৰ পৰা আৰম্ভ হৈছে সংগীতময় 'শিৱ মহা পুৰাণ কথা'। এই অনুষ্ঠানত বেদ বিভূষণ বৈদিক তথা কাশী-বাৰানসীৰ বেদজ্ঞ পণ্ডিত শিৱকেষ ডুবে জী মহাৰাজে কথা বাৰ্তা পৰিচালনা কৰে। কালিৰ এই অনুষ্ঠান উদ্বোধন কৰে বিশিষ্ট সমাজ সংগঠক, সাংস্কৃতিক কৰ্মী তথা নৰ্থ-ইষ্ট কেন্সাৰ হাস্পতাল আৰু গৱেষণা প্ৰতিষ্ঠানৰ অধ্যক্ষ গণেশ তামুলীয়ে। তেওঁ কয় যে নলবাৰীৰ খাৰজাৰা আশ্ৰমতেই প্ৰথমবাৰৰ বাবে কাশী-বাৰানসীৰ বেদজ্ঞ পণ্ডিতৰ দ্বাৰা শিৱ মহাপুৰাণ কথা আলোচনা হৈছে। এই ধৰ্মীয় বাৰ্তাই যুৱ প্ৰজন্মকো আধ্যাত্মিক ধাৰণা দিবলৈ সক্ষম হ'ব। এই অনুষ্ঠানত শ্ৰীপঞ্চ দশনাম জুনা আখৰাৰ কামাখ্যা ধামৰ আন্তঃৰাষ্ট্ৰীয় সচিব শ্ৰী মহন্ত সুমেৰ গিৰিজী মহাৰাজ, কামাখ্যা ধামৰ থানপতি মহন্ত গোবিন্দ গিৰিজী মহাৰাজ, শ্ৰী মহন্ত শিৱ নাৰায়ণ গিৰীজি, খাৰজাৰা আশ্ৰম পৰিচালনা সমিতিৰ সভাপতি ডাঃ উমেশ চক্ৰৱৰ্তী আৰু সমাজকৰ্মী মহিলা বিদ্যা তামুলী অতিথিৰূপে উপস্থিত আছিল। উল্লেখ্য যে ২৮ আগষ্টলৈ এই শিৱপুৰাণ কথা সংগীত আৰু ভজনৰ মাজেৰে আলোচনা হ'ব। প্ৰণিধানযোগ্য যে অহা ২৮ আগষ্টত হোমযজ্ঞ আৰু বিশাল ভাণ্ডাৰাৰে এই ধৰ্মীয় কাৰ্যসূচীৰে সামৰণি পৰিব। উল্লেখ্য যে যোৱা ২৮ জুলাইৰ পৰা এই ধৰ্মীয় কাৰ্যসূচী এমাহ ধৰি পালন কৰা হৈছে।

### ■ জলসম্পদ বিভাগৰ নিবিদাত ধাৰ্য কৰা আকাৰ-ওজনৰ মিল নাই তুলীত ■ অথলে গ'ল নেকি বিভাগটোৰ আৱন্টিত পাঁচ কোটিৰো অধিক টকা ? বানাক্ৰান্ত ৰাইজক অপমান চৰকাৰৰ

## বানাক্ৰান্তক তুলী যোগানৰ নামত নিম্নমানৰ তুলী বিতৰণ

**অগ্ৰদূত বাৰ্তা**

**শিমলুগুৰি, ২৩ আগষ্ট ঃ** বানাক্ৰান্ত ৰাইজক সকাহ দিয়াৰ লক্ষ্যৰে ৰাজ্যৰ জলসম্পদ বিভাগৰ দ্বাৰা আৱন্টিত পুঁজিৰে নিৰ্মাণ কৰি বানাক্ৰান্ত ৰাইজৰ মাজত বিতৰণ কৰা তুলীক লৈ শিৱসাগৰ জিলাত সম্প্ৰতি তুমুল প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উজনি অসমত বিগত ১৯ জুলাইত সৃষ্টি হোৱা বিধ্বংসী বানে আন জিলাৰ লগতে শিৱসাগৰ জিলাতো বহু লোকৰ সপোনৰ ঘৰখন ঠান-বান কৰি পেলোৱাৰ উপৰি ধ্বংস কৰি পেলাইছিল জীৱন জীৱিকাৰ পথ। প্ৰলয়ংকৰী বানত ক্ষতিগ্ৰস্ত হৈছিল বহু লোকৰ ঘৰৰ সিংহভাগ সম্পত্তি। সেই বানাক্ৰান্ত লোকক সকাহ দিয়াৰ বাবে ৰাজ্যৰ জলসম্পদ বিভাগে যোৱা তিনি আগষ্টত বানাক্ৰান্ত ৰাইজৰ মাজত বিতৰণ



কৰিবলৈ তুলীৰ বাবে আহ্বান কৰিছিল এক নিবিদাৰ। নিবিদা অনুযায়ী এক লাখ তুলীৰ বাবে নিৰ্ধাৰণ কৰা হৈছিল পাঁচ কোটি ৫০ লাখ টকা। তুলীসমূহৰ আকাৰ নিৰ্ধাৰণ কৰা হৈছিল ছয় ফুট দৈৰ্ঘ্য, তিনি ফুট প্ৰস্থ আৰু ৫০ মিলিমিটাৰ ডাঠ। নিবিদা অনুযায়ী ওজনৰ ক্ষেত্ৰত নিৰ্ধাৰিত ওজন আছিল চাৰি কেজি। এই তুলীসমূহ নিবিদা প্ৰক্ৰিয়াৰ পৰৱৰ্তী ১০ দিনৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ নিবিদাত স্পষ্টকৈ উল্লেখ আছিল। কিন্তু উক্ত নিবিদা লাভ কৰা ঠিকাদাৰে যোগান ধৰা তুলী বানাক্ৰান্ত ৰাইজৰ মাজত বিতৰণ কৰাৰ পাছতে শিৱসাগৰ জিলাত সৃষ্টি হয় তীব্ৰ বিক্ষোভৰ। নিবিদাত উল্লেখ কৰা দৈৰ্ঘ, প্ৰস্থ অথবা ওজনৰ ক্ষেত্ৰত মিল নথকা তুলিসমূহ আছিল অতি নিম্ন মানৰ। উক্ত তুলীসমূহৰ দৈৰ্ঘ্য পাঁচ ফুটতকৈও কম হোৱাৰ লগতে তুলীৰ ঠাইত নিম্নমানৰ সামগ্ৰী ব্যৱহাৰ কৰাৰ ফলত তুলীৰ মাজেৰে ইপাৰ সিপাৰ দেখা পোৱা বিষয়টোৱে বানাক্ৰান্ত ৰাইজক ক্ষোভিত কৰি তুলিছে। এই বিষয়টোক লৈ বহু লোকে ৰাজপথত হাতত তুলী লৈ ঠিকাদাৰৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাই প্ৰতিবাদ সাব্যস্ত কৰা পৰিলক্ষিত হৈছে। উক্ত নিবিদা কোনে লাভ কৰিছিল সেয়া বৰ্তমানলৈকে জানিব পৰা হোৱা নাই যদিও নিবিদা লাভ কৰা ঠিকাদাৰে বানাক্ৰান্ত ৰাইজৰ কথা চিন্তা নকৰি ঠিকাৰ নামত ব্যাপক কেলেংকাৰী সংঘটিত কৰি চৰকাৰী ধন উদৰস্থ কৰাতহে মনোনিৱেশ কৰাত অধিক গুৰুত্ব দিয়া স্পষ্ট হৈ পৰিছে। এই নিবিদাৰ প্ৰক্ৰিয়াৰ সকলো বিষয় সঠিকভাৱে তদন্ত কৰিলে বহু গুৰুত্বপূৰ্ণ তথ্য উন্মোচিত হোৱাৰ থল আছে। উল্লেখ্য যে উজনি অসমৰ বানাক্ৰান্ত ৰাইজৰ বাবে চৰকাৰে অনুমোদন জনোৱা তৎকালীন সাহায্য ১৫ হেজাৰ টকাও বহু বানাক্ৰান্ত পৰিয়ালে বৰ্তমানলৈকে লাভ কৰিবলৈ সক্ষম হোৱা নাই। সেই বিষয়টোক লৈ বহু বানাক্ৰান্ত ৰাইজ ক্ষোভিত হৈ থকাৰ সময়তে চৰকাৰী বিভাগৰ পৰা অনুমোদিত হোৱাৰ তুলীৰ ক্ষেত্ৰতো ব্যাপক অনিয়ম সংঘটিত হোৱা ঘটনাই বানাক্ৰান্ত ৰাইজক লৈ চৰকাৰে ল'ৰা-ধেমালি কৰা বিষয়টোক লৈ বানাক্ৰান্ত ৰাইজৰ মাজত ক্ষোভৰ উদগীৰণ হৈছে। এই সমগ্ৰ ঘটনাৰ উচিত তদন্ত কৰি ইয়াৰ লগত জড়িত দোষী ব্যক্তিক শাস্তি দিবলৈ জলসম্পদ মন্ত্ৰী সুশান্ত বৰগোহাঁইক আহ্বান জনাইছে বানাক্ৰান্ত ৰাইজৰ লগতে সচেতন মহলে।



*হাজোৰ চৰাবৰীত ভৈৰৱী হেল্প ফাউণ্ডেচনৰ বিনামূলীয়া স্বাস্থ্য শিবিৰৰ দৃশ্য।*

### ■ লেবাৰ ৰুমত কেজুৱেল কৰ্মীৰ দায়িত্বত নিষেধাজ্ঞা ■ হোজাই যুটীয়া স্বাস্থ্য সঞ্চালকসহ স্বাস্থ্য বিভাগৰ দলৰ পৰিদৰ্শন

## ডবকা সামূহিক চিকিৎসালয়ত নৱজাতকৰ মৃত্যুৰ সংখ্যা বৃদ্ধি

**অগ্ৰদূত বাৰ্তা**

**যমুনামুখ, ২৩ আগষ্ট ঃ** ডবকা সামূহিক চিকিৎসালয়ত নৱজাতকৰ মৃত্যুৰ সংখ্যা বৃদ্ধিৰ অভিযোগে ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। হোজাই জিলাৰ ভিতৰতে অধিক সংখ্যক প্ৰসৱ সম্পন্ন হোৱা চিকিৎসালয়খনত স্বাস্থ্য বিভাগীয় উচ্চপদস্থ বিষয়াৰ পৰিদৰ্শনৰ পাছত চিকিৎসালয়খনৰ লেবাৰ ৰুমত কেজুৱেল কৰ্মী আৰু অনাৰেৰী কৰ্মচাৰীৰ দায়িত্ব পালনত নিষেধাজ্ঞা আৰোপ কৰি জাৰি কৰা কাৰ্যালয় আদেশক লৈ নতুন বিতৰ্কৰ সৃষ্টি হৈছে। ডবকা চিএইছচিৰ স্মাৰক নম্বৰ ডিচিএছচি/২০২৬/১৭৯ মৰ্মে যোৱা ১৪ আগষ্টত সকলো কেজুৱেল কৰ্মী আৰু অনাৰেৰী কৰ্মচাৰীক তাৎক্ষণিকভাৱে লেবাৰ ৰুমত দায়িত্ব পালন কৰাৰ পৰা বিৰত ৰখা হয়।

একে সময়তে ডাঃ জয়শ্ৰী নাথক লেবাৰ ৰুমৰ ভাৰপ্ৰাপ্ত বিষয়াৰূপে দায়িত্ব অৰ্পণ কৰা হৈছে। ডাঃ নাথে প্ৰসূতি ৰোগীৰ যত্ন, নিয়মীয়া এএনচি সেৱা আৰু ৰেফাৰ কৰাৰ প্ৰসূতি ৰোগীৰ কেছসমূহ পৰ্যালোচনাৰ দায়িত্ব পালন কৰিব। ইফালে, ডাঃ এইছ এম ছুহাইল আছিফক এনবিএছইউৰ ভাৰপ্ৰাপ্ত বিষয়াৰূপে নিযুক্তি দি চিকিৎসালয়খনত সংঘটিত হোৱা নৱজাতকৰ মৃত্যুৰ ঘটনাসমূহ পৰ্যালাচনা আৰু নিৰীক্ষণৰ দায়িত্ব দিয়া হৈছে। একেদৰে জ্যোতি কুল্লুক এনবিএছইউৰ দৈনিক তথ্য প'ৰ্টেলত প্ৰৱেশ আৰু আপডেট কৰাৰ লগতে পৰিষ্কাৰ-পৰিচ্ছন্নতা পৰ্যবেক্ষণৰ দায়িত্ব দিয়া হৈছে। জানিব পৰা মতে, হোজাই যুটীয়া স্বাস্থ্য সঞ্চালকসহ স্বাস্থ্য বিভাগৰ এটা দলে ডবকা চিএইছচি পৰিদৰ্শন কৰাৰ পাছতেই লেবাৰ ৰুমত কেজুৱাল কৰ্মীৰ দায়িত্ব পালনত এই নিষেধাজ্ঞা আৰোপ কৰা হয়। লক্ষ্যণীয়ভাৱে বিভাগীয় নিৰ্দেশ জাৰি হোৱাৰ পাছতেই কেজুৱেল কৰ্মীসকলক লগত লৈ ভাৰপ্ৰাপ্ত বিষয়াজনে গভীৰ নিশা বিধায়ক বদৰুদ্দিন আজমলক সাক্ষাৎ কৰাৰ ঘটনাই ডবকাত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। অভিযোগ অনুসৰি, ডবকা চিএইছচিত একাংশ কেজুৱেল কৰ্মীৰ বিৰুদ্ধে ৰোগীৰ পৰা ধন সংগ্ৰহ, সেৱাৰ নামত অনিয়ম আৰু বিভিন্ন ধৰণৰ অভিযোগ পূৰ্বৰে পৰা উত্থাপিত হৈ আহিছে। এনে অভিযোগৰ মাজতো এইসকল কৰ্মীৰ ওপৰত চিকিৎসালয়খনৰ কাম-কাজ নিৰ্ভৰশীল হৈ থকাৰ অভিযোগ সচেতন মহলৰ মাজত প্ৰশ্নৰ সৃষ্টি কৰিছে। ইয়াৰ উপৰি চিকিৎসালয়খনৰ ভাৰপ্ৰাপ্ত বিষয়া ডাঃ জিকৰুল আল মোল্লাৰ বিৰুদ্ধেও বিভাগীয় নীতি-নিৰ্দেশনা উপেক্ষা কৰি চিকিৎসালয়খন পৰিচালনা কৰাৰ অভিযোগ উত্থাপিত হৈছে। বিভিন্ন উৎসৱৰ সময়ত চৰকাৰী চিকিৎসকসকল চিকিৎসালয়ত উপস্থিত নথকাত বাহিৰৰ পৰা ব্যক্তিগত চেম্বাৰৰ পৰা চিকিৎসক আনি চিকিৎসা সেৱা চলোৱাৰ অভিযোগো তথ্য সহকাৰে অভিযোগ দাখিল কৰা হৈছিল যদিও কোনো ব্যৱস্থা বিভাগে গ্ৰহণ নকৰিলে। স্থানীয় সচেতন মহলে ডবকা চিএইছচিত নৱজাতকৰ মৃত্যুৰ ঘটনা, প্ৰসূতি সেৱাৰ মান, কেজুৱেল কৰ্মীৰ ভূমিকা, চিকিৎসকৰ উপস্থিতি আৰু উত্থাপিত অনিয়মৰ অভিযোগ সন্দৰ্ভত স্বাস্থ্য বিভাগক নিৰপেক্ষ আৰু উচ্চ পৰ্যায়ৰ তদন্ত কৰাৰ দাবী জনাইছে।

## ঘগ্ৰাপাৰ শংকৰদেৱ শিশু নিকেতনত শৈক্ষিক সভা

**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ২৩ আগষ্ট ঃ** নলবাৰী জিলা ঘগ্ৰাপাৰৰ অন্যতম শিক্ষানুষ্ঠান ঘগ্ৰাপাৰ শংকৰদেৱ শিশু নিকেতনত কালি এখন শৈক্ষিক সভা অনুষ্ঠিত কৰা হয়। দিনৰ ১০ বজাত শিক্ষানুষ্ঠানখনৰ সভাগৃহত নিকেতন পৰিচালনা সমিতি আৰু আচাৰ্য-আচাৰ্যাৰ যুটীয়াভাৱে অনুষ্ঠিত হোৱা শৈক্ষিক বৈঠকখনত সভাপতিত্ব কৰে নিকেতনখনৰ সভাপতি তথা অৱসৰপ্ৰাপ্ত শিক্ষাবিদ নৰেন শৰ্মাই। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে ঘগ্ৰাপাৰৰ শংকৰদেৱ শিশু নিকেতনৰ প্ৰধান আচাৰ্য গোবিন্দ দাসে। সভাত নিকেতনৰ সম্পাদক প্ৰদীপ ৰাজবংশী, উপ-সভাপতি মোহন বৰ্মন, নগেন দাস, সদস্য দ্বীজেন ডেকা, শিখা দাস, পূৰবী কলিতা, দিপালী বৰ্মন, নিকেতনৰ উপ-প্ৰধান আচাৰ্য কন্দৰ্প শৰ্মাসহ আচাৰ্যসকল উপস্থিত থাকি নিকেতনৰ শৈক্ষিক আৰু আন্তঃগাঁথনিৰ দিশৰ ওপৰত বক্তব্য প্ৰদান কৰে। নিকেতনৰ পৰিচালনা সমিতিৰ সম্পাদক প্ৰদীপ ৰাজবংশীয়ে নিজৰ ভাষণত আগন্তুক দিনত সকলোৰে সহায়-সহযোগিতা কামনা কৰাৰ লগতে নিকেতনৰ শৈক্ষিক দিশৰ উন্নয়নৰ লগতে আন্তঃগাঁথনি উন্নয়ন সম্পৰ্কে কে'বাটাও গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়ায় নিকেতনৰ সভাপতি নৰেন শৰ্মাই। নিকেতনৰ শৈক্ষিক পৰিৱেশৰ মান অধিক উন্নয়ন কৰাৰ উদ্দেশ্যে সভাত কে'বাটাও প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

## গোসাঁইগাঁৱৰ হাৰাপুটা (ভাইৰীগুৰি) সাপ্তাহিক বজাৰৰ কদৰ্য অৱস্থা

**অগ্ৰদূত বাৰ্তা**

**শ্ৰীৰামপুৰ, ২৩ আগষ্ট ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অসম - বংগ সীমান্তৰ হাৰাপুটা (ভাইৰীগুৰি) শুকুৰবৰীয়া সাপ্তাহিক হাটখন বাৰিষাৰ বতৰত কদৰ্যময় হৈ পৰিছে। মহকুমাখনৰ ভিতৰত অতি পুৰণি সাপ্তাহিক হাট হিচাপে জনাজাত হাটখনত প্ৰৱেশ কৰিবলগীয়া মূল পথকে ধৰি হাটখনৰ ভিতৰৰ গলিসমূহ এজাক বৰষুণ দিলেই পানী জমা হৈ বোকাময় হৈ পৰে। যাৰ ফলত হাটখনত ব্যৱসায়-বাণিজ্য কৰাৰ বাবে যি সকলে দোকান পোহাৰ কৰিবলৈ আহে, সেইসকল ব্যৱসায়ীয়ে অতি কষ্টৰে ব্যৱসায় বাণিজ্য কৰিবলগীয়া হোৱাৰ সমানে বজাৰ কৰিবলৈ যোৱা সকলে বোকা গচকি বজাৰ সমাৰ কৰিব লগীয়া হয়। এই সাপ্তাহিক হাটখন বাৰিষাৰ বতৰত বোকাময় হৈ পৰে আৰু খৰালি কালত ধূলিময় হৈ পৰে। হাটৰ এই দুৰৱস্থা দূৰ কৰিবলৈ হাটৰ ইজাৰাদাৰৰ কোনো ভ্ৰূক্ষেপ নাই। হাটৰ পৰা খাজনা আদায় কৰাটোকে গুৰুত্ব দিয়ে কিন্তু হাটখনৰ কদৰ্যতাৰ প্ৰতি তেওঁলোকৰ কোনো লক্ষ্য নাই। মহকুমাখনৰ এইখন হাটত অসম বংগ সীমান্তৰ উপৰি পশ্চিমবংগৰ ব্যৱসায়ীসকলেও ব্যৱসায় বাণিজ্য কৰাৰ বাবেও আহে। সীমান্তৱৰ্তী বহুকেইখন গাঁৱৰ কৃষক ৰাইজৰ উৎপাদিত ধান, মৰাপাট,সৰিয়হ আদিকে ধৰি হাঁহ- কুকুৰা, ছাগলী, গৰু, গাহৰি আদি বিক্ৰী কৰাৰ কেন্দ্ৰ হ'ল হাৰাপুটা সাপ্তাহিক হাট। হাটখনৰ পৰা চৰকাৰে ৰাজহ সংগ্ৰহ কৰে যদিও মহকুমাখনৰ অতি পুৰণি হাট হোৱা সত্বেও হাটখনৰ উন্নয়ন কৰাৰ ক্ষেত্ৰত চৰকাৰে কোনো গুৰুত্ব প্ৰদান নকৰাত বিষয়টো ব্যৱসায়ী-ক্ৰেতাৰ উপৰি সচেতন মহলৰ মাজত এক আলোচ্যৰ বিষয় হৈ পৰিছে। সাপ্তাহিক হাটখনত প্ৰৱেশ কৰিবলগীয়া ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ সংযোগী উপ-পথটোত প্ৰকাণ্ড প্ৰকাণ্ড খালৰ সৃষ্টি হোৱাত ব্যৱসায়ী দোকানৰ বয়বস্তু কঢ়িয়াই লৈ যোৱাৰ ক্ষেত্ৰত আৰু গাঁৱৰ কৃষকৰ উৎপাদিত বস্তু বজাৰত বিক্ৰী কৰিবলৈ লৈ যোৱাৰ ক্ষেত্ৰত যমৰ যতনা ভুগিবলগীয়া হৈছে।তাৰ সমান্তৰালভাৱে ৰাইজ, ছাত্ৰ-ছাত্ৰীসকলৰ লগতে যান-বাহন চলাই যোৱাটো দুৰূহ হৈ পৰিছে। সাপ্তাহিক হাটখনত এখন বজাৰগৃহ আছিল যদিও তাৰো অৱস্থা একেবাৰে জৰাজীৰ্ণ। অতি পুৰণিকলীয়া হাৰাপুটা (ভাইৰীগুৰি) সাপ্তাহিক হাটখনৰ কদৰ্য পৰিৱেশ দূৰ কৰি নতুনত্ব অনাৰ ক্ষেত্ৰত বিটিচিৰ চীফ হাগ্ৰামা মহিলাৰীৰ নেতৃত্বাধীন বিপিএফ পৰিষদীয় চৰকাৰে গুৰুত্ব প্ৰদান কৰিবনে নে নাই এয়াই ডাঙৰ প্ৰশ্নৰূপে বিবেচিত হৈছে অসম-বংগ সীমান্তৱৰ্তী ৰাইজৰ বাবে।

## বিলাসীপাৰাত ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**বিশেষ সংবাদদাতা**

**বিলাসীপাৰা, ২৩ আগষ্ট ঃ** কৃষক মুক্তি সংগ্ৰাম সমিতিৰ ভ্ৰাতৃ সংগঠন ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ প্ৰতিষ্ঠা দিৱস আজি বিলাসীপাৰাতো উদ্‌যাপন কৰা হয়। বিলাসীপাৰা সমজিলাৰ অধীনস্থ কাঠালদিত ৰাজহুৱা প্ৰেক্ষাগৃহ চৌহদত দিনজোৰা কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয় সংগঠনটোৰ ১৫ সংখ্যক প্ৰতিষ্ঠা দিৱস। ধুবুৰী জিলা সমিতিৰ উদ্যোগত আয়োজিত দিৱসত পুৱা ১০ বজাত সংগঠনটোৰ পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ পাতনি মেলে জিলা সভাপতি মহিজুল ইছলামে। বিয়লি অনুষ্ঠিত মুকলি সভাত বহু সংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সভাত সংগঠনটোৰ ১৫ বছৰীয়া কঠিন সংগ্ৰামী যাত্ৰাত ঘাত-প্ৰতিঘাত সন্দৰ্ভত বিস্তৃত আলোচনা কৰা হয়। এইখন সভাতে বৃহৎ নদী বান্ধ বিৰোধী আন্দোলনকে ধৰি নাগৰিকত্ব সংশোধনী বিধেয়ক বাতিলৰ দাবীত সংগঠনটোৰ ভূমিকা সন্দৰ্ভতো আলোকপাত কৰে বিশিষ্ট বক্তাসকলে। সমিতিৰ এই সংগ্ৰামী যাত্ৰাক কিদৰে আগন্তুক দিনত আগুৱাই লৈ যাব পাৰে তাক লৈ বিতং আলোচনা কৰে জিলা পৰ্যায়ৰ নেতৃবৃন্দই।

## ডিগবৈ মহাবিদ্যালয়ত নৱাগত আদৰণি-কৃতী শিক্ষাৰ্থীক সম্বৰ্ধনা সভা

**অগ্ৰদূত বাৰ্তা**

**ডিগবৈ, ২৩ আগষ্ট ঃ** উজনি অসমৰ অগ্ৰণী শিক্ষানুষ্ঠান ডিগবৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ নৱাগত আদৰণি আৰু কৃতী শিক্ষাৰ্থী সম্বৰ্ধনা সভা কালি সম্পন্ন হয়। ডিগবৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ অধ্যক্ষ ড° পৱিত্ৰ ভৰালীৰ সভাপতিত্বত সম্পন্ন সভাত উদ্দেশ্য ব্যাখ্যা আগবঢ়াই ছাত্ৰ একতা সভাৰ সম্পাদক ফ্ৰীডম মৰাণে। সভাত ২০২৬ৰ স্নাতক ষষ্ঠ ষাণ্মাসিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছয় গৰাকী আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা নগৰাকী কৃতী শিক্ষাৰ্থীক সম্বৰ্ধনা জনোৱা হয়। সভাত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰে লেখাপানীস্থিত ২০ নম্বৰ অসম ৰাইফলছৰ কমাণ্ডেন্ট কৰ্ণেল তুষাৰ মেহলাৱাটে আৰু সন্মানীয় অতিথিৰূপে অংশগ্ৰহণ কৰে অসম বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা মেঘালয়স্থিত বিজ্ঞান আৰু প্ৰযুক্তি বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° বিষ্ণু চৰণ দাসে। অতিথিৰূপে অংশগ্ৰহণ কৰে ডিগবৈ মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি হিতেন্দ্ৰ নাথ শৰ্মা, অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ড° অৰুণ চন্দ্ৰ দত্ত, শৈক্ষিক প্ৰমুখ ড° জয়ন্ত সন্দিকৈ প্ৰমুখ্যে কে'বাজনো গণ্যমান্য ব্যক্তিয়ে। অনুষ্ঠানৰ শেষত এক চমু আৰু বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠানত কে'বাগৰাকীও ছাত্ৰ-ছাত্ৰীয়ে গীত-নৃত্য পৰিৱেশন কৰে। শলাগ জ্ঞাপন কৰে ছাত্ৰ একতা সভাৰ সভাপতি প্ৰিন্স গগৈয়ে।

### বিধায়ক অখিল গগৈৰ 'মিছন আশ্ৰয়'ৰ জৰিয়তে ২০টা পৰিয়ালক ঘৰ নিৰ্মাণৰ পৰিকল্পনা

## বানপীড়িতক ঘৰ সাজি দিবৰ বাবে পাঁচ লাখ টকাৰ অৰ্থ সাহায্য প্ৰদান দিচাং ফাউণ্ডেছনৰ

**অগ্ৰদূত বাৰ্তা**

**বাহাৰঘাট, ২৩ আগষ্ট ঃ** প্ৰলয়ংকৰী বানত ক্ষতিগ্ৰস্ত শিৱসাগৰ জিলাৰ শিৱসাগৰ সমষ্টিৰ বানপীড়িতক মহানগৰীৰ লখৰা চাৰিআলিস্থ বেচৰকাৰী সংস্থা দিচাং, ফাউণ্ডেছনে আগবঢ়াইছে সহায়ৰ হাত। শিৱসাগৰ সমষ্টিৰ বান বিধ্বস্ত গাঁওসমূহত ঘৰ নিৰ্মাণৰ বাবে বিধায়ক অখিল গগৈয়ে গ্ৰহণ কৰা 'মিছন আশ্ৰয়' আঁচনিৰ জৰিয়তে সংস্থাটোৰ সভানেত্ৰী জানমণি গগৈ, সম্পাদক বিপুল দাস, মুখপাত্ৰ স্বেতা গগৈ আৰু দিলীপ গগৈয়ে ২০ টা পৰিয়ালক কেঁচা ঘৰ নিৰ্মাণ কৰি দিয়াৰ উদ্দেশ্যে অলপতে পাঁচ লাখ টকাৰ অৰ্থ সাহায্য চেকযোগে প্ৰদান কৰে। উল্লেখ্য যে বিধায়ক অখিল গগৈয়ে নিজাববীয়াকৈ গ্ৰহণ কৰা 'মিছন আশ্ৰয়' আঁচনিৰ জৰিয়তে এহেজাৰটা পৰিয়ালক কেঁচাঘৰ আৰু এশটা পৰিয়ালক পকী ঘৰ নিৰ্মাণৰ পৰিকল্পনা যুগুত কৰি ৰাইজৰ পৰা সহায় বিচাৰি আহ্বান জনাইছিল আৰু বিধায়ক অখিল গগৈৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই দিচাং ফাউণ্ডেছনে ২০ টা পৰিয়ালক ঘৰ নিৰ্মাণ কৰি দিয়াৰ বাবদ সৰ্বপ্ৰথম পাঁচ লাখ টকাৰ অৰ্থ সাহায্য প্ৰদান কৰি মহানুভৱতাৰ পৰিচয় দাঙি ধৰিছে। স্মৰ্তব্য যে দিলীপ গগৈ মালিকানাধীন সোণাপুৰস্থ দিচাং ৰিজ'ৰ্টৰ উদ্যোগত তিনি বছৰ পূৰ্বে জনহিতকৰ কাম কৰাৰ উদ্দেশ্যে জন্ম দিয়া 'দিচাং ফাউণ্ডেছনে ইতিমধ্যে উজনিৰ বানপীড়িত লোকসকলৰ মাজত খাদ্যৰ লগতে বিভিন্ন অত্যাৱশ্যকীয় সামগ্ৰী বিতৰণ কৰিছে।



*পৰম্পৰাগত সঁজুলি লৈ মাছ ধৰিবলৈ ওলাইছে ৰাইজ, গোৰেশ্বৰত দেওবাৰে।*

## ফৰকাটিং মহাবিদ্যালয়ৰ সংগ্ৰহালয়লৈ দান শতাধিক প্ৰাণীৰ নমুনা

### প্ৰাণীতত্ত্ববিদ তথা প্ৰকৃতিপ্ৰেমী ড° অমৰেন্দ্ৰ নাথ দত্তৰ মহানুভৱতা

**অগ্ৰদূত বাৰ্তা**

**ফৰকাটিং, ২৩ আগষ্ট ঃ** একান্ত সাধনা, অধ্যৱসায় আৰু জীৱনজোৰা সাধনাৰ ফলত মানুহে সফল কৰ্মসংস্কৃতি লাভ কৰিবলৈ সক্ষম হয়। ইয়াৰ জ্বলন্ত প্ৰমাণ গোলাঘাটৰ দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰাণীতত্ত্ববিদ, প্ৰকৃতিপ্ৰেমী ড° অমৰেন্দ্ৰ নাথ দত্ত। উল্লেখ্য যে কে'বাটাও দশক ধৰি নিৰৱছিন্ন প্ৰচেষ্টাত দেশী-বিদেশী শতাধিক প্ৰাণীৰ নমুনা সংৰক্ষণ কৰি জীৱনৰ পৰিক্ৰমাৰ পৰিচয় নৱপ্ৰজন্ম আৰু যুৱপ্ৰজন্মৰ মাজত উপস্থাপন কৰিবলৈ সক্ষম হৈছে। তেওঁৰ মহানুভৱতা অনুসৰি সংশ্লিষ্ট জীৱ-জন্তুৰ নমুনাসমূহ বিজ্ঞানসন্মতভাৱে ৰাখি অৱশেষত ফৰকাটিং মহাবিদ্যালয়ৰ নৱপ্ৰতিষ্ঠিত মিউজিয়ামলৈ মুক্তহস্তে আগবঢ়াবলৈ সক্ষম হৈছে। স্মৰ্তব্য যে বিৰল প্ৰজাতি আৰু দুষ্প্ৰাপ্য হৈ পৰা এই প্ৰাণীবোৰৰ নমুনাৰ পৰা ছাত্ৰ-ছাত্ৰীসকল গৱেষণা আৰু অধ্যয়নৰ দিশত অধিক ফলপ্ৰসূ হ'ব বুলি ধাৰণা কৰা হৈছে। উল্লেখ্য যে প্ৰাকৃতিক দুৰ্যোগ দুৰ্ঘটনাগ্ৰস্ত বা স্বাভাৱিকভাৱে মৃত্যু হোৱা প্ৰাণীবোৰ দত্তই কে'বাটাও দশক ধৰি সযতনে সংগ্ৰহ কৰি আহিছে। বৰ্তমান দুষ্প্ৰাপ্য হৈ পৰা বন মুগাৰ পলু, অসম কেঁকোসাপ, গাঠি সাপ, হোলোঙা গোম, শংখচূড়, মুচৰাগোম সাপৰ ডিম্ব, কালিন্দি ভোমোৰা, পাটমাদৈ চৰাই, কাঠৰোকা, তৰা মাছ, বিদ্যুৎ প্ৰবাহী মাছ, গেদগেদী মাছ, চেপেটা মাছ, জেলি ফিচ, গুঁই, শিশু ঘঁৰিয়াল, দুৰা কাছ, জেবাংকৰী, অক্টোপাছ, উতনুৱা, পাত-পতংগ, সৰস্বতী, ৰাম বাতালুগুটি, বৃশ্চিক, হনুমান বান্দৰৰ কৰোটি, সামুদ্ৰিক শামুকৰ খোলা, ৩০০ নিযুত বছৰৰ আগৰ বৃহৎ চিকাৰী জিঞ্জাৰ জীৱাশ্ম, ডাইনছ'ৰ আৰু উত্তৰ-পূৰ্বাঞ্চলৰ সংকটাপন্ন প্ৰাণীৰ আলোক চিত্ৰ আদি এই প্ৰাণীসমূহ তেওঁ মহাবিদ্যালয়খনৰ সংগ্ৰহায়লৈ আগবঢ়াই বৃহৎ অঞ্চলটোৰ ৰাইজৰ পৰা সমাদৰ লাভ কৰিছে। তেওঁ যথেষ্ট শ্ৰম-সময় আৰু গাঁঠিৰ ধন ব্যয় কৰি দশক দশক ধৰি সংগ্ৰহ কৰি অহা প্ৰাণীসমূহৰ নমুনাই ভৱিষ্যৎ প্ৰজন্মক অধ্যয়ন, গৱেষণাৰ লগতে প্ৰাণী বিজ্ঞানৰ দিশত নতুন আশাৰ সঞ্চাৰ কঢ়িয়াই আনিব বুলি ৰাইজৰ লগতে শৈক্ষিক সমাজে মত প্ৰকাশ কৰি কৃতজ্ঞতা জ্ঞাপন কৰিছে।



# আইফোনৰ বাবে যমুনাত জাঁপ দিলে দুই

*এক পৃষ্ঠাৰ পৰা* আইফোনৰ মাহিলি কিস্তি (ইএমআই) পৰিশোধত ব্যৰ্থ হৈ এজন দুই সন্তানৰ পিতৃয়ে যমুনা নৈত জাঁপ দি আত্মহত্যাৰ চেষ্টা চলায়। সৌভাগ্যবশতঃ লোকজনক আৰক্ষীয়ে জীৱিত অৱস্থাত উদ্ধাৰ কৰে। আৰক্ষী সূত্ৰই জনোৱা মতে, দক্ষিণ-পূব দিল্লীৰ ওখলাৰ নিবাসী দীপক কুমাৰে কিছুদিন পূৰ্বে এটা দামী আইফোন ক্ৰয় কৰে। ইয়াৰ বাবদ তেওঁ মাহিলি কিস্তি পৰিশোধ কৰিবলগীয়া হয়। নাচ শিকায় আৰু ফুলৰ বাগিচাত মালিৰ কাম কৰি জীৱিকা অৰ্জন কৰা দীপকৰ আয় যোৱা মাহৰ পৰা হ্ৰাস পাবলৈ ধৰে। ফলত তেওঁ আইফোনৰ ইএমআই পৰিশোধ কৰাত অসমৰ্থ হয়। ইয়ে তেওঁৰ ওপৰত মানসিক চাপ বৃদ্ধি কৰে। অৱশেষত আত্মহত্যাৰ উদ্দেশ্যে যমুনা নৈত জাঁপ দিয়ে দীপক বিবাহিত হোৱাৰ উপৰি দুই সন্তানৰ পিতৃও। ইয়াৰ পূৰ্বে তেওঁ যোৱা ২১ আগষ্টত মহাৰাষ্ট্ৰৰ ছত্ৰপতি সম্ভাজীনগৰত এজন ১৮ বছৰীয়া যুৱকে পিতৃয়ে আইফোন ক্ৰয় কৰি নিদিয়াৰ ক্ষোভত এখন পাহাৰৰ ওপৰৰ পৰা জঁপিয়াই আত্মহত্যা কৰে। তেওঁক বচাবলৈ গৈ তেওঁৰ পিতৃৰো পাহাৰৰ ওপৰৰ পৰা পৰি মৃত্যু হয়। এই ঘটনাত যুৱকজনৰ মাতৃয়েও পাহাৰৰ ওপৰৰ পৰা জঁপিয়াই আত্মহত্যা কৰে। এই শিহৰণকাৰী ঘটনা আজিও দেশত চৰ্চিত হৈ আছে। এনে অৱস্থাতে দিল্লীৰ ঘটনাটো সংঘটিত হৈ আছে।

# দেশৰ কৰ্মহীন ৮.৭ কোটি যুৱক-যুৱতীক

*এক পৃষ্ঠাৰ পৰা* এইসকল যুৱক-যুৱতী স্বনিয়োজিত হোৱাত সহায়ক হোৱাকৈ ৰাজ্যসাহায্য প্ৰশিক্ষণ কৰ্মসূচীৰ আয়োজন কৰাৰ প্ৰয়োজন। এনে প্ৰশিক্ষণৰ জৰিয়তে বিকাশশীল আৰু স্থানীয়ভাৱে চাহিদা থকা খণ্ডত যুৱক-যুৱতীসকলক নিয়োজিত হ'বলৈ সক্ষম কৰি তোলাত নিটি আয়োগে গুৰুত্ব আৰোপ কৰিছে। আনহাতে, এনে বৃহৎ সংখ্যক যুৱক-যুৱতী কৰ্মহীন তথা শিক্ষা আৰু প্ৰশিক্ষণৰ বাহিৰত থকাৰ ঘটনাই দেশখনক ভয়াবহ ভৱিষ্যতৰ দিশে ঠেলি লৈ গৈছে বুলিও একাংশই মন্তব্য কৰিছে। দেশৰ কৰ্মীশ্ৰেণী আৰু শিকাৰুসকলক স্থূলত অধ্যয়নৰত, তৃতীয় স্তৰৰ শিক্ষা, আনুষ্ঠানিক আৰু অনানুষ্ঠানিক কৰ্মত নিয়োজিত, শিক্ষাপ্ৰাপ্ত নকৰা অৱস্থাত থকা, নিয়োগ আৰু প্ৰশিক্ষণ আৰু মহিলা এই পাঁচটা বৃহৎ ভাগত ভাগ কৰি নিটি আয়োগে সমগ্ৰ দেশত এক সমীক্ষা সম্পন্ন কৰে। সমীক্ষাৰ অন্তত আয়োগে প্ৰস্তুত কৰা প্ৰতিবেদনত কোৱা হৈছে যে শিক্ষা, নিয়োগ আৰু প্ৰশিক্ষণৰ বাহিৰত থকা যুৱক-যুৱতীসকলে এক সুকীয়া বিত্তীয় বোজা বহন কৰিবলগীয়া হৈছে। কাৰণ এইসকল কোনো কৰ্মত নিয়োজিত হৈ থকা নাই। উপযুক্ত প্ৰশিক্ষণৰ অভাৱত এইসকল নিয়োগৰ বাবেও যোগ্য নহয়। আনহাতে, প্ৰশিক্ষণ গ্ৰহণ কৰা শিক্ষা আৰু কৰ্মৰ মাজত তাল-মিল নথকা ঘটনাও বৃদ্ধি পাবলৈ ধৰিছে। তদুপৰি সম্প্ৰতি দেশত উপলব্ধ চাকৰিসমূহৰ প্ৰাৰ্থীৰ যোগ্যতাতকৈ অধিক কম হাৰৰ বেতনৰ বুলিও নিটি আয়োগে উদ্বেগ প্ৰকাশ কৰিছে। উপযোগ্যতা হৈ বহুতে এনে কৰ্মতে নিয়োজিত হৈ থাকে। ইয়াৰ বিপৰীতে আন বহুতে আকৌ গ্ৰহণ কৰা শিক্ষাৰ স'তে তাল-মিল বিচাৰি নোপোৱা কামতো একমাত্ৰ আৰ্থিক স্বাৰ্থত নিজক নিয়োজিত কৰি ৰাখিছে। নিটি আয়োগৰ মতে সম্প্ৰতি দেশত কেৱল ৮.২৫ শতাংশ শিক্ষাৰ্থীয়েহে গ্ৰহণ কৰা শিক্ষাৰ স'তে সংগতি থকা চাকৰি লাভ কৰিছে। ব্যৱহাৰিকতে এনে অৱস্থাই বহুতক হতাশ কৰিছে। ইয়াৰ কাৰণ ব্যাখ্যা কৰি নিটি আয়োগে উল্লেখ কৰিছে যে ব্যৱহাৰিক শিক্ষা আৰু উদ্যোগ খণ্ডত নিয়োজিত হোৱাৰ বাবে প্ৰয়োজনীয় প্ৰশিক্ষণৰ সীমিত সুবিধাৰ বাবে যুৱক-যুৱতীসকলে আনুষ্ঠানিক শিক্ষাৰে শিক্ষিত যুৱক-যুৱতীসকলেও যোগ্যতা অনুসৰি চাকৰি লাভৰ পৰা বঞ্চিত হৈছে। স্বাভাৱিকতেই এই অৱস্থা বৰ্তি থকাটো দেশৰ বাবে মংগলজনক নহয় বুলি বহুতে মন্তব্য কৰিছে। এই সম্পৰ্কত নিটি আয়োগে গ্ৰহণ কৰি থকা মাজভাগতে দক্ষতা আয়োজনৰ প্ৰয়োজন। 'স্বনিয়োজনৰ প্ৰশিক্ষণো প্ৰদান কৰা উচিত।' এনে ব্যৱস্থাৰে ভাৰতক ২০৪৭ত বিকশিত ভাৰতৰ সপোন পূৰণ কৰাত সফল কৰিব বুলিও আয়োগে মতপোষণ কৰিছে। অৱশ্যে আয়োগৰ মতে ২০১৪-১৫ৰ পৰা বৰ্তমানলৈ ৭.৬৭ কোটি লোকক নিয়োগৰ উদ্দেশ্যে প্ৰশিক্ষণ প্ৰদান কৰা হৈছে।

# শ্বিলঙত চেপা উত্তেজনা, ৰাজ্যৰ

*এক পৃষ্ঠাৰ পৰা* চেপা উত্তেজনা। তদুপৰি মেঘালয়ৰ কে'বাখনো জিলাত একাংশ স্থানক আৰক্ষীয়ে 'স্পৰ্শকাতৰ' বুলি চিনাক্ত কৰিছে। সেইবোৰ স্থানত অধিকসংখ্যক আৰক্ষী নিয়োগ কৰা হৈছে। আইন-শৃংখলা নিয়ন্ত্ৰণত ৰখাৰ বাবে আজি দ্বিতীয় দিনাও ৰেপিড একচন ফ'ৰ্চ আৰু কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ ৬৭ নম্বৰ বেটেলিয়নৰ দলে শ্বিলঙৰ বিভিন্ন স্থানত ফ্লেগ মাৰ্চ কৰে। বাহিনীটোৰ পাঁচটা কোম্পানী পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰে নিয়োগ কৰিছে। চিআৰপিএফৰ সঞ্চালপ্ৰধান জি পি সিঙে নিজে সমগ্ৰ পৰিস্থিতিৰ ওপৰত দৃষ্টি ৰাখিছে।

ইপিনে, মেঘালয়ৰ প্ৰধান ছাত্ৰ সংগঠন খাচি ছাত্ৰ সন্থাৰ সভাপতি, উপ-সভাপতি আৰু সাধাৰণ সম্পাদকক গ্ৰেপ্তাৰক লৈ কোনো মুহূৰ্ততে যাতে পৰিস্থিতিৰ অৱনতি ঘটিব নোৱাৰে, তাৰ ওপৰত চোকা দৃষ্টি ৰখা হৈছে। উল্লেখ্য যে তিনিওজন নেতাক প্ৰথমতে শ্বিলঙৰ কাৰাগাৰত ৰখা হৈছিল। কিন্তু পৰৱৰ্তী সময়ত একমাত্ৰ নিৰাপত্তাজনিত কাৰণত সভাপতি যেমন খাৰকাসা, সাধাৰণ সম্পাদক আৰু উপ-সভাপতিক তুৰা আৰু উইলিয়ামনগৰ কাৰাগাৰলৈ স্থানান্তৰ কৰা হয়। আৰক্ষীয়ে যোৱা ১৯ আগষ্টত প্ৰতিবাদৰ নামত হিংসাত্মক কাৰ্য সংঘটিত কৰাসকলক চিনাক্তকৰণৰ লগতে গ্ৰেপ্তাৰ অভিযানো অব্যাহত ৰাখিছে। ইতিমধ্যে যোৱা তিনি দিনত ১৫খন এজাহাৰ পঞ্জীয়ন কৰা হৈছে। একেদৰে সাধাৰণ লোকক মাৰধৰ কৰা, যানবাহনৰ ক্ষতি কৰা কাৰ্যত লিপ্ত পাঁচজনকো চিনাক্ত কৰা হৈছে। আৰক্ষীৰ অভিযানৰ পৰিপ্ৰেক্ষিতে ছাত্ৰ সংগঠনটোৰ বহু সদস্য আত্মগোপন কৰিছে।

ইপিনে, সদাব্যস্ত শ্বিলঙৰ পৰিবেশ আজিও প্ৰায় উম হৈ ৰয়। দেশ-বিদেশৰ পৰ্যটক ভৰি থকা পুলিচ বজাৰক মুখ্য কৰি শ্বিলঙৰ প্ৰধান অঞ্চলসমূহৰ বাটপথ আজিও প্ৰায় সৰেজা হৈ থাকে। তাৰ বিপৰীতে চিআৰপিএফ আৰু ৰেপিড একচন ফ'ৰ্চে তেনে বহু পথত ফ্লেগ মাৰ্চ কৰে।

আজি বিয়লিৰ পৰা খাচি চালক সন্থাই অসমৰ বাহনক মেঘালয়ত প্ৰৱেশ অৱৰোধ প্ৰত্যাহাৰ কৰে। ইয়াৰ ফলত অসমৰ বাহনেও মেঘালয়লৈ যোৱাৰ পথ মুকলি হয়। কিন্তু দুষ্কৃতিকাৰীয়ে যাতে কোনো বাহনৰ ওপৰত আক্ৰমণ চলাব নোৱাৰে তাৰ ওপৰতো মেঘালয় আৰক্ষীয়ে সজাগ দৃষ্টি ৰাখিছে। আনহাতে, অৱৰোধ প্ৰত্যাহাৰ হ'লেও নিশাৰ ভাগত আজি অসমৰ বাহনে শ্বিলঙলৈ যাত্ৰা কৰাৰ পৰা বিৰত আছে। মুখ্যমন্ত্ৰী কনৰাড চাংমাই এই প্ৰসংগতে সকলোকে পূৰ্বৰ দৰে স্বাভাৱিকভাৱে যাতায়াত কৰিবলৈ আহ্বান জনাইছে। চাংমাই কয়, 'চৰকাৰে সকলো পক্ষক লগত লৈ স্বাভাৱিক জীৱন যাত্ৰা নিশ্চিত কৰাৰ বাবে কাম কৰিছে। সকলো লোকৰ সুৰক্ষা নিশ্চিত কৰাই হৈছে চৰকাৰৰ দায়িত্ব। শেহতীয়াকৈ অসম-মেঘালয়ৰ মাজত যি অনাকাংক্ষিত পৰিস্থিতিৰ সৃষ্টি হয়, সেই কথা পাহৰি সকলোৱে পুনৰ স্বাভাৱিক আৰু শান্তিময় জীৱন যাত্ৰা আদৰি ল'ব লাগে।' আজি মেঘালয়ৰ চালক সন্থাৰ অৱৰোধ প্ৰত্যাহাৰৰ সিদ্ধান্তক এক ইতিবাচক পদক্ষেপ বুলি আখ্যা দি মুখ্যমন্ত্ৰীয়ে সকলোকে সহযোগিতাৰে আগবাঢ়িবলৈ আহ্বান জনায়। চৰকাৰে সকলোৰে সমস্যাবোৰ দূৰ কৰাৰ বাবেও কাম কৰিব বুলি মুখ্যমন্ত্ৰীজনে এক বাৰ্তাত উল্লেখ কৰে।

# গুৱাহাটী-শ্বিলঙৰ মাজত যাতায়াত

*এক পৃষ্ঠাৰ পৰা* পৰা পৰ্যটক কঢ়িওৱা কোনো এখন বাহন শ্বিলঙলৈ যাব নোৱাৰিলে। অল খাচি মেঘালয় টুৰিষ্ট টেক্সি এছ'চিয়েছনৰ নেতৃত্বত বৰ্ণিহাটত অসমৰ বাহন অৱৰোধ কৰ্মসূচী পুৱাৰ পৰা ৰূপায়ণ কৰা হয়। ইয়াকে লৈ পৰিস্থিতি পুনৰ জটিল হৈ পৰাত আজি বিয়লি মেঘালয় চৰকাৰে ৰাজ্যখনৰ চালক সংস্থাকেইটাৰ লগত আলোচনাত বহে। এই আলোচনাৰ পাছত অল খাচি মেঘালয় টুৰিষ্ট টেক্সি এছ'চিয়েছনে তেওঁলোকৰ অৱৰোধ আংশিকভাৱে প্ৰত্যাহাৰ কৰা বুলি ঘোষণা কৰে। সংগঠনটোৱে তেওঁলোকৰ দাবীসমূহ অহা ১০ ছেপ্টেম্বৰৰ ভিতৰত পূৰণ কৰিবলৈ চৰকাৰক সময়সীমা ধাৰ্য কৰি দিয়ে। অন্যথা পুনৰ কঠোৰ অৱৰোধ গঢ়ি তোলাৰ সকীয়নি প্ৰদান কৰা হৈছে।

### দুই ৰাজ্যৰ যৌথ বৈঠক

আজি চালক সন্থাৰ লগত আলোচনা যথেষ্ট ফলপ্ৰসূ হোৱা বুলি সদৰী কৰি মেঘালয়ৰ উপ-মুখ্যমন্ত্ৰী এছ ধৰে। ইয়াৰ লগতে তেওঁ কয় যে অহা ১০ ছেপ্টেম্বৰৰ ভিতৰত কেইটামান কাম কৰা হ'ব আৰু তাকে লৈ তেওঁ পুনৰ সভা আহ্বান কৰিব। ধৰে কয়, 'মেঘালয়ৰ চালকসকলে যিবোৰ সমস্যাৰ কথা উত্থাপন কৰিছে সেইবোৰৰ বহুতো ন্যায্য আছে। ইয়াৰ এক স্থায়ী সমাধান কৰা হ'ব। অসম আৰু মেঘালয়ৰ পৰিবহণ আয়ুক্ত আৰু দুয়োখন ৰাজ্যৰ সমকক্ষক লগত লৈ আমি আলোচনা অনুষ্ঠিত কৰিম। অহা ১০ ছেপ্টেম্বৰৰ ভিতৰত এই কাম কৰা হ'ব।' আজিৰ বৈঠকত পৰিবহণ মন্ত্ৰী, পূব খাচি পাহাৰ আৰু ৰিভয় জিলাৰ উপায়ুক্তসমূহৰ লগতে আৰক্ষী অধীক্ষক, মেঘালয়ৰ গৃহ বিভাগৰ শীৰ্ষ বিষয়া আদি উপস্থিত থাকে।

আনহাতে, বৈঠকৰ পাছত অল খাচি মেঘালয় টুৰিষ্ট টেক্সি এছ'চিয়েছনৰ সভাপতিয়ে কয় যে চৰকাৰৰ আশ্বাসত আজিৰ পৰা কাৰ্যকৰী হোৱাকৈ তেওঁলোকে অৱৰোধ প্ৰত্যাহাৰ কৰিছে। নিৰ্ধাৰিত সময়ৰ ভিতৰত তেওঁলোকৰ দাবীসমূহ পূৰণ হ'ব লাগিব। সভাপতিজনে লগতে কয়, 'যদি সমস্যাৰ সমাধান নহয়, তেন্তে আমাৰ গাড়ী অসমলৈ নাযায়। যোৱাবাটত আমি ৰৈ যাম। তাত আমাক চৰকাৰে পাৰ্কিং স্থান সাজি দিয়ক।' উল্লেখ্য যে যোৱাবাটত অসমৰ চালকে কৰা প্ৰতিবাদৰ সময়তো মেঘালয়ৰ বাহনবোৰ ক্ষতি কৰাৰ অভিযোগ ৰাজ্যখনৰ চালক সন্থাই উত্থাপন কৰিছে। কালি গুৱাহাটীত মন্ত্ৰী পৰ্যায়ত হোৱা আলোচনাত খাচি ছাত্ৰ সন্থাই সেই পৰিস্থিতিৰ সময়ত অসমৰ যিবোৰ বাহনৰ ক্ষতিসাধন কৰিছিল, সেইবোৰৰ ক্ষতিপূৰণ মেঘালয় চৰকাৰে পৰিশোধৰ সিদ্ধান্ত গ্ৰহণ কৰে। তেনেক্ষেত্ৰত অসমৰ চালক সন্থাই ক্ষতি কৰা মেঘালয়ৰ বাহনৰ ক্ষতিপূৰণ কিয় দিয়া নহ'ব বুলি চালক সন্থাটোৱে প্ৰশ্ন উত্থাপন কৰিছে। তদুপৰি অসমৰ চালক সন্থাৰ লগত সময়ে সময়ে সৃষ্টি হোৱা সংঘাতৰো এটা স্থায়ী সমাধান সংগঠনটোৱে বিচাৰিছে।

### বৰ্ণিহাটত দিনজোৰা উত্তেজনা ঃ সাধাৰণ লোকৰ হাৰাশাস্তি

অসমৰ চালকে যোৱাবাটত পথ অৱৰোধ কৰাৰ ফলত যোৱা বিভিন্ন কামত বহু লোকে শ্বিলং অভিমুখে যাত্ৰা কৰে। ইয়াৰ ভিতৰত বৃহৎসংখ্যক লোকেই হ'ল পৰ্যটক। দেশৰ বিভিন্ন ৰাজ্যৰ এইসকল পৰ্যটকে গুৱাহাটীৰ পৰা বাণিজ্যিক টুৰিষ্ট টেক্সিৰে মেঘালয়লৈ যাত্ৰা কৰে। অসমৰ পৰা শ্বিলঙৰ লগত যাতায়াত কৰা যিহেতু টুৰিষ্ট টেক্সিৰ ওপৰত মূলতঃ নিৰ্ভৰশীল। কিন্তু আজি পুৱা সাত বজাৰ পৰাই এনে বাহন বৰ্ণিহাটত আবদ্ধ হৈ পৰে। মেঘালয়ৰ চালক সন্থাৰ প্ৰবল বাধাৰ বাবে উপায়ান্তৰ হৈ শেষত এনে বাহনে উভতিবলৈ বাধ্য হয়। ইয়াৰ ফলত আগবেলাতে শ্বিলং অভিমুখী অসমৰ বাহনৰ চলাচল সম্পূৰ্ণ বন্ধ হৈ পৰে। কেৱল মাত্ৰ ইন্ধন পৰিবাহী আৰু মেঘালয়ৰ পঞ্জীয়ন থকা বাহনকহে খাচি চালক সন্থাৰ অৱৰোধকাৰীয়ে চলাচলৰ অনুমতি দিয়ে। এই বাধা প্ৰদানক লৈ বৰ্ণিহাট, উমিয়াম আদি কে'বাটাও স্থানত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। মেঘালয় আৰক্ষীৰ লোকেও পৰিস্থিতি নিয়ন্ত্ৰণত ব্যৰ্থ হয়। আৰক্ষীৰ সন্মুখতে অৱৰোধ তীব্ৰতৰ ৰূপত চলাব ধৰে। এই অৱৰোধৰ ফলত বৰ্ণিহাটত আবদ্ধ হৈ পৰে পুনৰ পৰা অহা ৫৫ জনীয়া এটা বৃহৎ পৰ্যটকৰ দল। একেদৰে কৰ্ণাটকৰ ছজনীয়া এটা দলে বৰ্ণিহাটৰ পৰা গুৱাহাটীলৈ উভতিবলৈ বাধ্য হয়। এই দলটোৱে আজি পুৱা কামাখ্যা মন্দিৰ দৰ্শন কৰি শ্বিলঙলৈ যাত্ৰা কৰিছিল। কিন্তু তেওঁলোক বিমুখ হ'বলৈ বাধ্য হয়। এনেদৰে আন বহু পৰ্যটকে আজি মেঘালয়লৈ যাব নোৱাৰিলে। তদুপৰি কৰ্মসূত্ৰে শ্বিলঙলৈ যাব বিচৰা লোকসকল অৱৰোধৰ সন্মুখীন হৈ পুনৰ অসমলৈ উভতি আহে।

### ৰাজ্য গঠনতে বেমাৰটো থাকি গ'ল

আজি খাচি চালক সন্থাই ৰূপায়ণ কৰা অৱৰোধ কাৰ্যসূচীয়ে নতুনকৈ সমস্যাটোক জটিল কৰাত অসমৰ চালক সন্থা, অসম চৰকাৰৰ মন্ত্ৰী অতুল বৰা আৰু অসম আৰক্ষীৰ মাজত এখন সভা অনুষ্ঠিত হয়। খানাপাৰাৰ গ্ৰামোদ্যোগৰ পৰীক্ষণ কেন্দ্ৰত অনুষ্ঠিত এই বৈঠকত দুয়োখন ৰাজ্যৰ মাজত হোৱা সমস্যাটোকে লৈ কোনো সিদ্ধান্ত তথা পদক্ষেপ ল'ব পৰা নহ'ল। তাৰ পৰিবৰ্তে মেঘালয় চৰকাৰৰ পদক্ষেপলৈ অপেক্ষা কৰাকৈ আলোচনা সমাপ্ত হয়। সভাৰ পাছত মন্ত্ৰী বৰাই কয়, 'আমি আশা কৰো যে খুব সোনকালে সমস্যাটোৰ সমাধান হ'ব। তাৰ পাছত স্বাভাৱিক পৰিস্থিতি ঘূৰি আহিবলৈ দুই-তিনিদিন লাগিব।'

মুঠ ১৪ টা পৰিবহণ সন্থাৰ প্ৰতিনিধিৰ লগত অনুষ্ঠিত সভাখনৰ লৈ মন্ত্ৰী বৰাই কয়, 'কালি গুৱাহাটীত অনুষ্ঠিত সভাখনৰ পাছত মই যোৱাবাটলৈ গৈ পথ অৱৰোধকাৰী চালকসকলৰ লগত কথা পাতো, তাৰ পাছত তেওঁলোকে অৱৰোধ প্ৰত্যাহাৰ কৰে। কিন্তু সময়ৰ অভাৱত কালি গুৱাহাটীত আলোচনাত ভাগ লোৱা মেঘালয়ৰ উপ-মুখ্যমন্ত্ৰী এছ ধৰে তেওঁলোকৰ ৰাজ্যৰ পৰিবহণ আৰু চালক সন্থাৰ লগত কথা পাতিবলৈ সময় দিবলৈ নোৱাৰিলে। আজি তেওঁলোকে কথা পাতিব। আজি মই মেঘালয়ৰ মুখ্যমন্ত্ৰীৰ লগত কথা পাতিছো। সমস্যাটো সমাধান হ'ব বুলি তেওঁ কৈছে। মেঘালয় চৰকাৰে যিহেতু দায়িত্ব লৈছে, গতিকে নিশ্চয় সমস্যাটো সমাধান হ'ব। মেঘালয় চৰকাৰে আনকি এইদৰে কৈছে যে দুষ্কৃতিকাৰীৰ বিৰুদ্ধে তেওঁলোকে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব। চিন্তা কৰিবলগীয়া নাই বুলি তেওঁলোকে আমাক কৈছে।' ইয়াৰ লগতে বৰাই কয় যে অসমে চুবুৰীয়া ৰাজ্যৰ লগত সুসম্পৰ্ক ৰক্ষাৰ চেষ্টা কৰি আহিছে। সীমা সমস্যাও চুবুৰীয়া ৰাজ্যৰ লগত হ'ব। ৰাজ্য গঠন হোৱাৰ দিনৰে পৰা বেমাৰটো থাকি গ'ল বুলি মন্ত্ৰী বৰাই কয় যে ইয়াৰ তিনি বছৰ আগৰ পৰাই চলি থকা বুলিও উল্লেখ কৰে। যাত্ৰী কঢ়িয়াই নি অসমৰ বাহনে ক'ত নমাই দিব সেই বিষয়টোক লৈয়ে বিতৰ্ক হৈছিল। দুয়োখন ৰাজ্যৰ আৰক্ষী মহাপঞ্জীয়েও এই সমস্যাক লৈ যৌথ বৈঠকত মিলিত হৈছে। সমস্যাটোৰ স্থায়ী সমাধান হ'ব বুলি বৰাই আশা প্ৰকাশ কৰে। ইয়াৰ লগতে দুয়োখন ৰাজ্যৰ ৰাইজক আহ্বান জনাই বৰাই কয়, 'অসম আৰু মেঘালয় সাতামপুৰুষীয়া সম্প্ৰীতি আৰু ভ্ৰাতৃত্ববোধৰ বান্ধোনেৰে বান্ধখাই আছে। দুয়োখন ৰাজ্যৰ বৃহত্তৰ স্বাৰ্থত জনসাধাৰণ আৰু সংশ্লিষ্ট সকলোকে শান্তি, সংযম আৰু ভ্ৰাতৃত্ববোধৰ মনোভাব অক্ষুণ্ণ ৰাখিবলৈ আমি আহ্বান জনাইছো।'

# উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ পালনত অনীহা ৰাজ্য চৰকাৰৰ

*এক পৃষ্ঠাৰ পৰা* চৰকাৰে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ওচৰত খনিজাত সম্পদৰ খনন বন্ধ কৰিবলৈ সৰ্বোচ্চ ন্যায়ালয়ে দিয়া নিৰ্দেশ কাৰ্যকৰী কৰাৰ প্ৰতি ৰাজ্য চৰকাৰে ব্যৱস্থা গ্ৰহণ নকৰাৰ তথ্য শেহতীয়াভাৱে পোহৰলৈ আহিছে। ইয়াৰ পৰিৱৰ্তে ভিন্ন অজুহাতত ৰাষ্ট্ৰীয় উদ্যানখনৰ নিকটৱৰ্তী কাৰ্বি আংলঙৰ পাহাৰত খনিজ সম্পদৰ খনন অব্যাহত ৰখা হৈছে। এই কথা দৃষ্টিগোচৰ হোৱাত ক্ষোভ প্ৰকাশ কৰি শেহতীয়াভাৱে উচ্চতম ন্যায়ালয়ৰ দ্বাৰা নিযুক্ত কেন্দ্ৰীয় ক্ষমতাসম্পন্ন সমিতিয়ে ৰাজ্যৰ মুখ্য সচিবলৈ এক পত্ৰ প্ৰেৰণ কৰিছে। ৰাষ্ট্ৰীয় উদ্যানখনৰ পৰিৱেশ সংবেদনশীল মণ্ডলৰ পৰিসৰ হ্ৰাসৰ প্ৰস্তাৱ ৰাজ্য চৰকাৰে কেন্দ্ৰৰ ওচৰত উত্থাপন কৰাৰ সময়তে এই তথ্য পোহৰলৈ আহিছে। গোলাঘাটৰ লোহিত চৌধুৰী নামৰ এজন লোকে যোৱা ১৫ আগষ্টত তথ্য জনাৰ অধিকাৰ আইনৰ অধীনত কৰা এক আবেদনৰ ভিত্তিত পোহৰলৈ অহা মতে উক্ত কেন্দ্ৰীয় ক্ষমতাসম্পন্ন সমিতিয়ে মুখ্য সচিবলৈ প্ৰেৰণ কৰা পত্ৰখনত উল্লেখ কৰিছে যে কাজিৰঙাৰ ৰাষ্ট্ৰীয় উদ্যানৰ পাৰ্কুপ পাহাৰৰ ওচৰে-পাঁজৰে চলি থকা খনন বন্ধৰ বাবে ৰাজ্য চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰা নাই। ইয়াৰ পৰিৱৰ্তে এটা নহয়, এটা অজুহাতত খনন চলাই থকা হৈছে বুলি কেন্দ্ৰীয় ক্ষমতাসম্পন্ন সমিতিয়ে ক্ষোভ প্ৰকাশ কৰিছে। উল্লেখ্য যে কেন্দ্ৰীয় ক্ষমতাসম্পন্ন সমিতিয়ে যোৱা বছৰৰ ৩০ মে'তে পাৰ্কুপ পাহাৰ বনাঞ্চলত খনন বন্ধ কৰিবলৈ মুখ্য সচিবলৈ নিৰ্দেশ জাৰি কৰিছিল। আশ্চৰ্যজনক যে স্বয়ং উচ্চতম ন্যায়ালয়ৰ দ্বাৰা নিযুক্ত সমিতিখনে দিয়া এই নিৰ্দেশো ৰাজ্য চৰকাৰে কাৰ্যকৰী কৰা নাই। সেয়েহে যোৱা তিনি মাৰ্চত সমিতিয়ে পুনৰ মুখ্য সচিবলৈ পত্ৰ প্ৰেৰণ কৰে। পত্ৰখনত কোৱা হয়, 'যি উপযুক্ত গুৰুত্ব সহকাৰে সমস্যাটো সমাধান কৰিব লাগিছিল তাকে নকৰাটো বাৰে বাৰে দৃষ্টিগোচৰ হৈছে। এই কথা উল্লেখ কৰিব পাৰি যে বন্যপ্ৰাণী সুৰক্ষা নিশ্চিতকৰণৰ বাবে আৰু সমগ্ৰ অঞ্চলটোৰ প্ৰাকৃতিক পানী পৰিবাহী ব্যৱস্থা সংৰক্ষণৰ উদ্দেশ্যে উচ্চতম ন্যায়ালয়ে নিৰ্দেশ দিছে।' বিষয়টোক স্পৰ্শকাতৰ আখ্যা দি সমিতিখনে তাৎক্ষণিকভাৱে এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিবলৈ মুখ্য সচিবক নিৰ্দেশ দিছে। অন্যথা উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ উলংঘাৰ কথাটো ন্যায়ালয়ৰ দৃষ্টিগোচৰ কৰা হ'ব বুলিও সমিতিখনে স্পষ্ট কৰি দিছে। পত্ৰখনত লগতে কোৱা হয়, 'উদ্যানখনৰ চিনাক্ত নটা বন্যপ্ৰাণীৰ পথৰ স'তে এই পৰিস্থিতিৰ কোনো পাৰ্থক্য নাই। ২০২১ৰ ছয় মে'ত এই সমিতিয়ে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বন্যপ্ৰাণীৰ পথ সম্পৰ্কত জাননী জাৰি কৰিবলৈ ৰাজ্য চৰকাৰক নিৰ্দেশ দি এই কথা সমিতিক শীঘ্ৰে জনাবলৈ কোৱা হৈছিল। তৎসত্ত্বেও ৰাজ্য চৰকাৰৰ পৰা তাৎক্ষণিকভাৱে কোনো সঁহাৰি পোৱা নগ'ল।' পত্ৰখনত লগতে উদ্বেগ প্ৰকাশ কৰা হৈছে যে কাৰ্বি আংলং হস্তী সংৰক্ষিত বনাঞ্চল বৃহৎ হাৰৰ খননে ধ্বংস কৰিছে। তদুপৰি হাতী-মানুহৰ সংঘাতৰ ফলত বহু সংখ্যক হাতী মৃত্যুমুখত পৰিছে বুলিও সমিতিখনে উল্লেখ কৰিছে। এই ক্ষেত্ৰত কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদেও ব্যৱস্থা গ্ৰহণ কৰা নাই বুলি সমিতিখনে ক্ষোভ প্ৰকাশ কৰিছে। স্বায়ত্তশাসিত পৰিষদখনক সমালোচনা কৰি সমিতিখনে কয়, 'এই সকলো জাননীৰ প্ৰতি উদাসীন হৈ আছে কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদে আৰু অঞ্চলটোৰ বন্যপ্ৰাণী আৰু পৰিবেশ তন্ত্ৰ সুৰক্ষাৰ বাবে গ্ৰহণ কৰিবলগীয়া পদক্ষেপক লৈ সচেতন নহয়।'

# চালকৰ অৱৰোধ প্ৰত্যাহাৰৰ

*এক পৃষ্ঠাৰ পৰা* স্থবিৰ হৈয়ে ৰয়। তথাপি যি ব্যস্ততা লাহে লাহে অঞ্চলটোলৈ ঘূৰি আহিছিল, তাক স্থবিৰ কৰে আজি বিয়লি অহা বৰষুণে। অসমৰ লগতে মেঘালয়ৰ ৰিভই জিলাতো আজি বিয়লি মুষলধাৰ বৰষুণ হয়। এই বৰষুণত মেঘালয়ৰ পাহাৰৰ পৰা নামি অহা পানীৰ ধলে কম সময়ৰ ভিতৰতে যোৱাবাট আৰু নমাইলৰ ৰাষ্ট্ৰীয় পথত প্ৰবল কৃত্ৰিম বানৰ সৃষ্টি কৰে। নিশা এই বাতৰি যুগুতোৱাৰ সময়ত পানীৰ প্ৰকোপ কমিলেও পথ সম্পূৰ্ণৰূপে বানমুক্ত হোৱা নাই। পানীৰ ধল ইমান বেগেৰে পাহাৰৰ পৰা নামি আহে যে সেই সময়ত ৰাষ্ট্ৰীয় পথটোৰে চলাচল কৰি থকা চাৰিচকীয়া কে'বাখনো বাহন আবদ্ধ হৈ পৰে। দুচকীয়া বাহনো আবদ্ধ হয়। ইঞ্জিনত পানী সোমোৱাত মাজ পথতে কে'বাখনো চাৰিচকীয়া বাহন বিকল হৈ পৰে। ইয়াৰ ফলত ডাঙৰ বাহনৰ চলাচলো ব্যাহত হয়। পানীৰ লগতে পাহাৰৰ মাটিও নামি অহাত সমগ্ৰ পথছোৱা বোকাময় হৈ পৰে। ইয়াৰ ফলত দুচকীয়া বাহন চলোৱাটো বিপজ্জনক হয়।

এই বৰষুণতে মহানগৰীৰ ছমাইল, পাঞ্জাবাৰী, খানাপাৰা আজি অঞ্চলতো কৃত্ৰিম বানৰ সৃষ্টি হয়। কৃষি সঞ্চালকালয়ৰ কাৰ্যালয়ৰ সন্মুখৰ পথৰ লগতে ছমাইলৰ পৰা পাঞ্জাবাৰী সংযোগী পথটো একাঁঠু পানীত ডুব যায়। এই পানীয়ে বুৰাই জুৰিপাৰ অঞ্চলকে ধৰি ছয়মাইলৰ সমীপৰ কে'বাটাও উপপথ। উল্লেখ্য যে গুৱাহাটীত এইবাৰ যেন কৃত্ৰিম বানে আগ্ৰাসী ৰূপ ধাৰণ কৰিছে। উপৰ্যুপৰি ইটোৰ পাছত সিটো কৃত্ৰিম বানত মহানগৰীখনৰ বিস্তীৰ্ণ অঞ্চল বুৰ যোৱাটো যেন স্বাভাৱিক হৈ পৰিছে। ইয়াৰ পৰা নাগৰিকক সকাহ দিবলৈ কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই গুৱাহাটী পৌৰ নিগম আৰু লোকনিৰ্মাণ বিভাগে। প্ৰতিটো অঞ্চলৰ নলাবোৰ গেদেৰে ভৰি পৰাত বৰষুণ অহাৰ লগে লগে পথবোৰ পানীত বুৰ যায়। কাৰণ নলাবোৰে পানী বহন কৰা ক্ষমতা হেৰুৱাই পেলাইছে।

# নিশা দুধনৈৰ দামৰাত দুৰ্বৃত্তৰ

*এক পৃষ্ঠাৰ পৰা* মেঘালয় সীমান্তৱৰ্তী অঞ্চলটোত সংঘটিত এই নাৰকীয় কাণ্ডৰ ভুক্তভোগীজনৰ নাম আবু ছায়েদ আলী (৩৬) বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। আৰক্ষীয়ে জনোৱা মতে আলীক তেওঁৰ ব্যৱসায়িক প্ৰতিষ্ঠানৰ সন্মুখতে দুৰ্বৃত্তই গুলীয়াই আহত কৰে। তেওঁৰ বুকুত চাৰিটা গুলিয়ে আঘাত কৰে। ব্যৱসায়ীজনলৈ গুলিবৰ্ষণ কৰিয়ে দুৰ্বৃত্ত নিৰ্বিঘ্নে আঁতৰি যায়। আনহাতে, সংকটজনক অৱস্থাত আলীক প্ৰথমে দুধনৈ এফআৰইউত ভৰ্তি কৰা হয় যদিও তেওঁৰ অৱস্থা অধিক বেয়ালৈ ঢাল খোৱাত তেওঁক গোৱালপাৰাৰ এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰা হয়। আৰক্ষী সূত্ৰই জনোৱা মতে, বৰপেটা জিলাৰ আলোপতি আৰক্ষী থানাৰ অন্তৰ্গত বাঘমাৰা চৰৰ নিবাসী আলীয়ে দামৰাত ডেম্প (পুৰণি ভগা-ছিগা লোহাৰ) ব্যৱসায় কৰি আছিল। অৱশ্যে দুৰ্বৃত্তই তেওঁক কিয় আক্ৰমণ কৰিলে সেই তথ্য বাতৰি লিখা পৰলৈ পোহৰলৈ অহা নাই। ইতিমধ্যে ঘটনাস্থলীত গোৱালপাৰাৰ সমজিলাৰ আৰক্ষী অধীক্ষক নূপুৰ ৰঞ্জন নেওগো উপস্থিত হৈ পৰিস্থিতিৰ বুজ লৈছে। অৱশ্যে বাতৰি লিখাৰ পৰলৈ আৰক্ষীয়ে দুৰ্বৃত্তৰ শুংসূত্ৰ উলিয়াবলৈ সক্ষম হোৱা নাই।

# খুঁটাত বগাই বিদ্যুৎ চুৰি

*এক পৃষ্ঠাৰ পৰা* উল্লেখ্য যে ভগদত্তপুৰৰ বাসিন্দা অচ্যুৎ চন্দ্ৰ বৰ্মন নামৰ এজন লোকৰ ঘৰৰ ওপৰেৰে ৩৩ হেজাৰ ভল্টৰ বিদ্যুতৰ তাঁৰ পাৰ হৈ গৈছে। তিনি মহলীয়া ঘৰটোৰ ছাদত বৰ্মনে অধিক লাভৰ আশাত এটা কোঠা নিৰ্মাণ কৰি আছিল। তাৰ বাবে লোৰ পাইপেৰে ঘৰটোৰ চিলিঙৰ কাম কৰি থকা হৈছিল। অভিযোগ অনুসৰি অনুমতি নোহোৱাকৈ কৰা এই নিৰ্মাণত মিস্ত্ৰি নেকিবুৰ আলীয়ে ৱেল্ডিঙৰ কাম কৰি থকা সময়তে উচ্চ ক্ষমতাসম্পন্ন তাঁৰৰ লগত বৈদ্যুতিক সংযোগ ঘটে। তেতিয়াই প্ৰচণ্ড শব্দ হয় আৰু মিস্ত্ৰি নেকিবুৰ ছাঁদৰ ওপৰতে ছিটিকি পৰে। গুৰুতৰভাৱে আহত মিস্ত্ৰিজনক গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰা হৈছে।

ইপিনে, আজি পুৱা প্ৰায় ছয় বজাত বিদ্যুৎ চুৰিৰ বাবে অমৰ বৰ্মন নামৰ এজন লোকে শিলপুখুৰীত এটা বিদ্যুতৰ খুঁটাত বগাই ওপৰলৈ যোৱাৰ সময়তে শৰীৰত বিদ্যুৎ সংযোগ হয়। বহুকেইডাল বিদ্যুৎ পৰিবাহী তাঁৰ সংযোগ হৈ থকা খুঁটাটোত বগাই ওপৰত উঠাৰ সময়তে এডাল তাঁৰত হাত লাগে। তাৰ ফলত ওপৰতে আবদ্ধ হৈ পৰা চোৰজন এটা সময়ত তলত সৰি পৰে। গুৰুতৰভাৱে আহত চোৰজনক পাছত চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়।

# সৰ্বনিম্ন আইনী মান এক

*এক পৃষ্ঠাৰ পৰা* ক্ষেত্ৰত চূড়ান্ত পৰিৱেশ সংবেদনশীল মণ্ডল নিৰ্ধাৰণ নোহোৱালৈকে বৰ্তমানৰ ১০ কিলোমিটাৰৰ সুৰক্ষা বিধানৰ ঠাইত এক-তিনি কিলোমিটাৰলৈ স্থান ভিত্তিক পৰিৱেশ সংবেদনশীল মণ্ডল সংকুচিত কৰিবলৈ বিচৰা অসম চৰকাৰৰ প্ৰস্তাৱৰ পুনৰ বিবেচনা কৰা উচিত। সৰ্বনিম্ন আইনী মান এক কিলোমিটাৰ হ'লেও কাজিৰঙাৰ দৰে অন্যান্য পৰিৱেশ-পাৰিপাৰ্শ্বিকতাৰ বাবে সেয়াই পৰ্যাপ্ত বুলি বিজ্ঞানসন্মতভাৱে গ্ৰহণযোগ্য নহয়।' বিবৃতিটোত মঞ্চৰ বিষয়ববীয়াদ্বয়ে লগতে কয়, 'ইলোৱা বিজ্ঞান মঞ্চই স্থানীয় বাসিন্দাসকলৰ বৈধ জীৱিকা আৰু উন্নয়নৰ প্ৰয়োজনীয়তাক সন্মান কৰে। কিন্তু সেই প্ৰয়োজনীয়তাক বৃহৎ পৰিসৰৰ বাণিজ্যিক উন্নয়নৰ স'তে একে দৃষ্টিৰে চাব নোৱাৰি। কাজিৰঙা আৰু ইয়াৰ চৌপাশে প্ৰস্তাৱিত পঞ্চতাৰকা হোটেল, বিলাসী পৰ্যটন কেন্দ্ৰ আৰু উচ্চমানৰ চাহ-পৰ্যটন প্ৰকল্পসমূহে বন্যপ্ৰাণী, জলসম্পদ, ভূমিৰ ব্যৱহাৰ আৰু সামগ্ৰিকভাৱে পৰিৱেশ-পাৰিপাৰ্শ্বিকতাৰ ওপৰত পেলাব পৰা বিৰূপ প্ৰভাৱো সতৰ্কতাৰে পৰীক্ষা কৰা প্ৰয়োজন। বৰ্তমান পৰিৱেশ সংৰক্ষণ আৰু উন্নয়নৰ মাজত ভাৰসাম্য ৰক্ষা কৰাটো অপৰিহাৰ্য হৈ পৰিছে।

# তেজপুৰ বিশ্ববিদ্যালয়ক

*এক পৃষ্ঠাৰ পৰা* ব্যৱস্থা গ্ৰহণৰ পৰা বিৰত আছে। তাৰ পৰিৱৰ্তে সিঙৰ বন্ধ কৰি ৰখা দৰমহা মুকলি কৰি দিবলৈহে কেন্দ্ৰীয় শিক্ষা মন্ত্ৰণালয়ে নিৰ্দেশ জাৰি কৰা বুলি অভিযোগ উত্থাপন কৰিছে তেজপুৰ বিশ্ববিদ্যালয় শিক্ষক সন্থাই। সন্থাই আজি বিবৃতিত কয়, 'তেজপুৰ বিশ্ববিদ্যালয় ১৯৯৩ৰ ৯১ নম্বৰ ধাৰাৰ অধীনত ২০২৫ৰ ৩১ ডিচেম্বৰত বিশ্ববিদ্যালয়ৰ 'ভিজিটৰ' ৰাষ্ট্ৰপতিয়ে উপাচাৰ্য সিঙৰ বিৰুদ্ধে তদন্তৰ বাবে উচ্চস্তৰীয় এখন সমিতি গঠন কৰে। এই সমিতিয়ে যোৱা মে'তে তদন্ত প্ৰতিবেদন দাখিল কৰে যদিও আজিও সিঙৰ বিৰুদ্ধে কেন্দ্ৰীয় চৰকাৰে কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। ইয়াৰ পৰিৱৰ্তে যোৱা সাত আগষ্টত কেন্দ্ৰীয় শিক্ষা মন্ত্ৰণালয়ে তেওঁৰ সম্পূৰ্ণ দৰমহা পূৰ্বৰ হাৰত বাহাল ৰাখিবলৈ নিৰ্দেশ দিয়ে।' কেন্দ্ৰীয় শিক্ষা মন্ত্ৰণালয়ৰ এই কাৰ্যক লৈ প্ৰশ্ন উত্থাপন কৰি শিক্ষক সন্থাই কয় যে ২০২৫ৰ ২৪ ছেপ্টেম্বৰৰ পৰাই সিং বিশ্ববিদ্যালয়ৰ চৌহদৰ বাহিৰত থকাৰ লগতে কৰ্তব্যতো অনুপস্থিত আছে। উপাচাৰ্যৰ বাবে প্ৰযোজ্য বিধি অনুসৰি ছুটীৰ পৰিমাণ সীমিত হোৱা সত্ত্বেও সিঙক কিয় ইমান দীঘলীয়া ছুটী নিয়মীয়া কৰা হৈছে বুলিও সন্থাই প্ৰশ্ন উত্থাপন কৰে। গতিকে বিষয়টোক লৈ কেন্দ্ৰীয় শিক্ষা মন্ত্ৰণালয়ৰ স্পষ্টীকৰণ দাবী কৰিছে শিক্ষক সন্থাই। এই সম্পৰ্কত সন্থাই লগতে কয়, 'বিষয়টো প্ৰতিষ্ঠানিক জবাবদিহিতা আৰু ৰাজহুৱা ধনৰ ব্যৱহাৰৰ স'তে জড়িত। সেয়ে ইয়াত এক স্পষ্ট আৰু দ্ৰুত সিদ্ধান্তৰ প্ৰয়োজন। তদন্ত প্ৰতিবেদনক লৈ সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত হোৱা সুদীৰ্ঘ বিলম্ব বিশ্ববিদ্যালয়ত ব্যাপক অনিশ্চয়তাৰ সৃষ্টি কৰিছে।' সন্থাই লগতে দুটা শিক্ষা বৰ্ষৰ স্থগিত সমাৱৰ্তন, চিএএছৰ পদোন্নতিৰ সাক্ষাৎকাৰ, পঞ্জীয়ক, বিত্ত বিষয়া, কাৰ্যবাহী অভিযন্তা, পৰীক্ষা নিয়ন্ত্ৰণকে ধৰি গুৰুত্বপূৰ্ণ পদসমূহত নিয়োগ, আচবাব-গ্ৰন্থাদি ক্ৰয় আৰু বিত্তীয়-প্ৰশাসনিক বিষয়ত উত্থাপিত অভিযোগসমূহ স্বচ্ছতাৰে পৰীক্ষা কৰিবলৈ দাবী উত্থাপন কৰিছে।

# লোকপিয়লৰ পূৰ্বে মণিপুৰত এনআৰচিৰ

*এক পৃষ্ঠাৰ পৰা* ৰূপায়ণৰ দাবীত ৰাজপথলৈ ওলাই আহিল বৃহৎ সংখ্যক মহিলা। আজি সন্ধিয়া খুৰাই আপুনবা ক্লাবৰ মহিলা সদস্যসকলে ইম্ফলৰ লামলং বজাৰত লোকপিয়লৰ পূৰ্বে এনআৰচিৰ দাবীত এক জোঁৰ সমদল উলিয়াই পৰিৱেশ উত্তাল কৰে। উল্লেখ্য যে যোৱা ১৬ আগষ্টত একেটা দাবীত কেম্পেইন ফৰ জাষ্ট এণ্ড ফেয়াৰ ডিলিমিটেচন (জেএফডি) নামৰ সংগঠনে সমদল উলিয়ায়। এই সংগঠনৰ আহ্বান মৰ্মে আজি সন্ধিয়া খুৰাই আপুনবা ক্লাবৰ সদস্যাসকলে এনআৰচিৰ দাবীত জোঁৰ সমদল উলিয়ায়। এনআৰচিৰ দাবীত বিভিন্ন ধ্বনি দি সমদলকাৰীসকলে উৰিপক-কাংচুপ পথ, তিদিম পথ, কংবা পথ আৰু খুৰাই লামলং পৰিভ্ৰমণ কৰে। এনআৰচি উন্নীতকৰণ তথা ৰূপায়ণৰ পূৰ্বে লোকপিয়লৰ কাম আগ নবঢ়াবলৈও প্ৰতিবাদকাৰীসকলে চৰকাৰক সতৰ্ক কৰি দিয়ে। এই সম্পৰ্কত এগৰাকী প্ৰতিবাদকাৰীয়ে কয়, 'আমাৰ ৰাজ্যৰ অৱস্থা ভাল নহয়। গতিকে এনআৰচিৰ পূৰ্বে লোকপিয়ল নকৰিবলৈ ৰাজ্য চৰকাৰক দাবী জনাইছো।' বিষয়টো কেন্দ্ৰৰ স'তে আলোচনা কৰিবলৈ ৰাজ্য চৰকাৰ সন্মত হৈছে বুলিও প্ৰতিবাদকাৰীগৰাকীয়ে সদৰী কৰে। এই সম্পৰ্কত তেওঁ আৰু কয়, 'লোকপিয়লৰ স'তে আমাৰ কোনো সমস্যা নাই; কিন্তু প্ৰথমে এনআৰচি উন্নীত কৰিব লাগিব আৰু বহিৰাগতসকলক বহিষ্কাৰ কৰিব লাগিব। আমাৰ জনতাৰ জীৱন আৰু সম্পত্তি ৰক্ষাৰ বাবেই চৰকাৰ আছে।' উল্লেখ্য যে ম্যানমাৰ সীমান্তৱৰ্তী ৰাজ্যখনত কুকি জনগোষ্ঠীৰ স'তে মেইটেইসকলৰ বিগত তিনি বছৰতকৈও অধিক কাল ধৰি সম্পৰ্ক তিক্ত হৈ আছে। একাংশই ৰাজ্যখনলৈ অবাধে ম্যানমাৰৰ পৰা অনুপ্ৰৱেশ ঘটি থকা বুলিও অভিযোগ উত্থাপন কৰি আহিছে।

# পুঁজিপতিক ৩৬ হেজাৰ কোটিৰ ঋণ

*এক পৃষ্ঠাৰ পৰা* নকৰিলে। আৰটিআই আইনৰ ৮(১)(জ) ধাৰাৰ অজুহাত দি বেংকে এই বৃহৎ কোটিপতিসকলৰ নাম ৰাজহুৱা কৰাৰ পৰা বিৰত থাকে। অথচ এইসকলে জনতাৰ কষ্টোপাৰ্জিত ধনৰ অংশ কাৰ্যতঃ চান কাঢ়ি লৈ গৈছে। এনে লুণ্ঠনকাৰীসকলৰ নাম কিদৰে গোপন ৰখাটো সম্ভৱ তাক লৈ সমাজকৰ্মী ভেলানকাৰৰ লগতে বহুতে প্ৰশ্ন উত্থাপন কৰিছে। এইসকলে আঙুলিয়াই দিছে যে গাড়ী বা গৃহ ঋণৰ দৰে কম পৰিমাণৰ ঋণ লোৱাসকলে ঋণ পৰিশোধত কিছু পলম হ'লেই বেংকে হেঁচা মাৰি ধৰে। ইখনৰ পাছত সিখন আইনৰ গইনা লৈ কম ঋণ গ্ৰহণকাৰীসকলক হাৰাশাস্তি কৰে। ইয়াৰ বিপৰীতে শ শ বা হেজাৰ কোটি টকা ঋণ লোৱা পুঁজিপতিসকলৰ ক্ষেত্ৰত বেংক নিশ্চুপ হৈ ৰয়। আনকি এনে লুণ্ঠনকাৰীসকলৰ নাম প্ৰকাশ কৰিবলৈও বেংক ইচ্ছুক নহয়। বৰঞ্চ এইসকলৰ স্বাৰ্থ ৰক্ষা কৰিবলৈ বেংকসমূহ উঠি পৰিহে লাগে। ইয়াৰ অন্তৰালত কি আছে বুলিও বহুতে প্ৰশ্ন উত্থাপন কৰিছে। উল্লেখ্য যে বিজেপি নেতৃত্বাধীন এনডিএৰ শাসনত বিগত ১২ বছৰত বিভিন্ন বেংকে পুঁজিপতিসকলক লাখ লাখ কোটি টকাৰ ঋণ ৰেহাই দিয়াৰ তথ্য সময়ে সময়ে প্ৰকাশ পাই আহিছে।

ঋণৰ ক্ষেত্ৰত বেংকে পুঁজিপতিৰ প্ৰতি আন এক ধৰণেও দৰদ প্ৰদৰ্শন কৰি আহিছে। এই দৰদক অৰ্থনীতি বা বেংকৰ ভাষাত 'হেয়াৰকাট' বুলি কোৱা হয়। এই 'হেয়াৰকাট'ৰ অৰ্থ হ'ল কোনো সম্পদৰ বজাৰ মূল্য হ্ৰাস বা ঋণদাতাৰ পাওনাৰ ধনৰ এটা অংশ ঋণ গ্ৰহণকাৰীক ৰেহাই দিয়া। উদাহৰণস্বৰূপে যদি এজন ঋণ গ্ৰহণকাৰীয়ে বেংকক এশ টকা দিবলৈ থকা অৱস্থাত তেওঁ যদি ৮০ টকা পৰিশোধ কৰে আৰু সেই ধন গ্ৰহণ কৰিয়ে বেংক ক্ষান্ত হয় তেন্তে বাকী ২০ টকাক 'হেয়াৰকাট' বুলি কোৱা হয়। 'হেয়াৰকাট' পদ্ধতিৰেও বেংক অৱ বৰোদাই বিগত পাঁচটা বিত্তীয় বৰ্ষত বৃহৎ পুঁজিপতিক বিপুল অংকৰ ধন ৰেহাই দিলে। এই পদ্ধতিত ২০২০-২১ৰ পৰা ২০২৫-২৬লৈ বেংকে ৭,৮১৭ কোটি টকাৰ ঋণ ৰেহাই দিয়ে। ইয়াৰ বিপৰীতে এই পাঁচ বিত্তীয় বৰ্ষত বেংকে মুঠ ঋণৰ ২৮ শতাংশ তথা ৯,৯৪৬ কোটি টকাহে উদ্ধাৰ কৰিবলৈ সক্ষম হয়। উক্ত বেংকে এই বিত্তীয় বৰ্ষসমূহৰ ভিতৰত সৰ্বাধিক ঋণ ৰেহাই দিয়া বৰ্ষ দুটা হ'ল ২০২০-২১ আৰু ২০২১-২২। উক্ত দুটা বিত্তীয় বৰ্ষত ৰাষ্ট্ৰীয়কৃত বেংকটোৱে ক্ৰমে ১১,৯১৬ কোটি টকা আৰু ১১,২৬১ কোটি টকা বৃহৎ পুঁজিপতিক ৰেহাই দিয়ে।

# মঙলদৈৰ নাৰ্ছিংহোমত অস্ত্ৰোপচাৰ কৰা

*এক পৃষ্ঠাৰ পৰা* লৈ উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। মঙলদৈ দেৱচন্স নাৰ্ছিংহোমত কৰা অস্ত্ৰোপচাৰত বিসংগতি হোৱা বাবেই মহিলাগৰাকীৰ মৃত্যু হোৱা বুলি অভিযোগ কৰে পৰিয়ালৰ লগতে স্থানীয় ৰাইজে। কে'বাশ প্ৰতিবাদকাৰীয়ে আজি ৰেখাৰাণী দেৱীৰ মৃতদেহ নাৰ্ছিংহোমৰ সন্মুখত ৰাখি ন্যায় বিচাৰি ধৰ্ণা দিয়ে। উন্মত্ত ৰূপ ধাৰণ নকৰি সম্পূৰ্ণ শান্তিপূৰ্ণভাৱে কৰা এই প্ৰতিবাদৰ সময়ত চিকিৎসালয়খনৰ কোনো এগৰাকী কৰ্মচাৰী তথা স্বত্বাধিকাৰী ৰাইজৰ মাজলৈ নাহিল। ইপিনে, পৰিস্থিতি অধিক উত্তপ্ত হোৱাত চিকিৎসালয় কৰ্তৃপক্ষই মৃতকৰ পৰিয়ালৰ স'তে আলোচনাত মিলিত হৈ ৰেখাৰাণী দেৱীৰ একমাত্ৰ ১৩ বছৰীয়া কন্যা সন্তানৰ ভৰণ-পোষণৰ বাবে উচিত ক্ষতিপূৰণ দিয়াৰ বাবে চুক্তিবদ্ধ হয়। মধুমেহ ৰোগত আক্ৰান্ত শিল্পী তথা আউলাচৌকা পঞ্চায়তৰ সভানেত্ৰী দেৱীক ১৭ আগষ্টত মঙলদৈ দেৱচন্স নাৰ্ছিংহোমত জৰায়ুৰ টিউমাৰ আৰু 'গ'ল ব্লাডাৰ ষ্টন'ৰ অস্ত্ৰোপচাৰৰ বাবে ভৰ্তি কৰোৱা হৈছিল। ব্যক্তিগত খণ্ডৰ চিকিৎসালয়খনৰ শৈল চিকিৎসক ডাঃ অনুপম শৰ্মাই গ'ল ব্লাডাৰ আৰু স্ত্ৰী ৰোগ বিভাগৰ চিকিৎসক ডাঃ কিশোৰ ৰাজবংশীয়ে জৰায়ুৰ অস্ত্ৰোপচাৰ সম্পন্ন কৰি ১৯ আগষ্টত ৰোগীক ঘৰলৈ যাবলৈ দিয়ে। কিন্তু দেৱীয়ে যোৱা ২০ আগষ্টত শ্বাস-প্ৰশ্বাসত কষ্ট অনুভৱ কৰাৰ বাবে পুনৰ চিকিৎসালয়খনত ভৰ্তি কৰোৱা হয়। মঙলদৈত কোনো ধৰণৰ উপশম নোহোৱাত ২১ আগষ্টত দেৱীক গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে। তেওঁক জিএমচিএইছৰ আইচিইউত ভৰ্তি কৰোৱা হয় আৰু চিকিৎসাধীন অৱস্থাতে আজি পুৱতি নিশা তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। কেৱল আউলাচৌকা পঞ্চায়তৰ সভানেত্ৰীৰূপেই নহয়, অনাতাঁৰ কেন্দ্ৰৰ লোকশিল্পীৰ স্বীকৃতি অৰ্জন কৰা দেৱী আছিল ভাৰতীয় জনতা পাৰ্টিৰ পশ্চিম মঙলদৈ মণ্ডলৰ উপ-সভানেত্ৰী। দেৱীৰ দেহাৱসানৰ পাছত আউলাচৌকাসহ সমগ্ৰ পশ্চিম মঙলদৈত এক শোকাকুল পৰিৱেশৰ সৃষ্টি হয়। পুৱাৰ ভাগত তেওঁৰ মৃতদেহ পিপৰাদোকানৰ সমীপৱৰ্তী বৰনগাঁৱৰ নিজ আৱাসলৈ নিয়া হয়। ইয়াতে সংস্কৃতি সংৰক্ষণ আৰু বিকাশ কেন্দ্ৰ, অসমৰ ফালৰ পৰা শোক প্ৰকাশ কৰি শিল্পীগৰাকীক ফুলাম গামোচাৰে শৰীৰ আবৃত কৰা হয়। ইয়াৰ পাছতে শিল্পীগৰাকীৰ মৃতদেহ আউলাচৌকা পঞ্চায়ত, জিলা বিজেপিৰ কাৰ্যালয়লৈ লৈ যোৱা হয়। জিলা বিজেপিৰ কাৰ্যালয়ৰ পাছত ক্ষোভিত ৰাইজে মৃতদেহ লৈ অস্ত্ৰোপচাৰ কৰা চিকিৎসালয়ৰ সন্মুখত প্ৰতিবাদ কৰে। মৃত্যুৰ সময়ত তেওঁ স্বামী গজেন নাথ আৰু একমাত্ৰ জীয়ৰী জিমি নাথসহ ভৰা পৰিয়াল তথা গুণমুগ্ধক শোক সাগৰত এৰি যায়।

# শিৱসাগৰ-চৰাইদেউৰ জিলা আয়ুক্তদ্বয়ৰ

*এক পৃষ্ঠাৰ পৰা* লাভ কৰা নাই।' গগৈয়ে লগতে ক্ষোভ প্ৰকাশ কৰিছে যে সাহায্য নোপোৱা বানাক্ৰান্তসকলক লৈ চৰকাৰক হেঁচা প্ৰয়োগ নকৰিলে যথোচিতভাৱে সাহায্য লাভ নকৰে। গতিকে প্ৰাপ্য বান সাহায্যৰ বাবে প্ৰথমে চৰকাৰৰ ওপৰত হেঁচা প্ৰয়োগ তথা জবাবদিহি কৰিব লাগিব বুলিও তেওঁ মন্তব্য কৰে। এই উদ্দেশ্যে চৰাইদেউ, শিৱসাগৰ আৰু যোৰহাট জিলাত বানাক্ৰান্ত ৰাইজৰ স'তে প্ৰত্যক্ষভাৱে ভাব বিনিময়ৰ বাবে ৰাইজৰ দল সাজু হৈছে বুলিও তেওঁ সদৰী কৰে। ইয়াৰ অংশৰূপে আজি দলে চৰাইদেউ জিলাৰ বানাক্ৰান্তসকলৰ স'তে মত বিনিময় কৰে। গগৈয়ে লগতে কয়, 'বানাক্ৰান্ত পৰিয়ালসমূহে ন্যূনতম ১০ লাখ টকাকৈ সাহায্য লাভ নকৰিলে বানত হোৱা ক্ষয়-ক্ষতিপূৰণ কৰিব নোৱাৰে। ড° শৰ্মা চৰকাৰে ঘোষণা কৰা অনুসৰি নগৰাঞ্চলৰ বানাক্ৰান্তই এক লাখ ২০ হেজাৰ টকা, গ্ৰামাঞ্চলৰ বানাক্ৰান্তই এক লাখ ৭০ হেজাৰ টকাৰ পৰা সৰ্বোচ্চ তিনি লাখ ৮৫ হেজাৰ টকা সাহায্যৰূপে লাভ কৰিব। কিন্তু বিধ্বংসী বানত সকলো হেৰুওৱা পৰিয়ালসমূহে ১০ লাখ টকাকৈ ক্ষতিপূৰণ নাপালে একোৱে নহয়। গতিকে বানাক্ৰান্ত প্ৰতিটো পৰিয়ালে ১০ লাখ টকাকৈ ক্ষতিপূৰণ পাবই লাগিব। এই ক্ষতিপূৰণ নোপোৱালৈকে মই ক্ষান্ত নহওঁ।' এই সম্পৰ্কত তেওঁ আৰু কয়, 'প্ৰয়োজন হ'লে পূব অসমৰ এই তিনি জিলাৰ বানাক্ৰান্তসকলক লগত লৈ প্ৰতীকীভাৱে মুখ্যমন্ত্ৰীৰ কক্ষ, অসম সচিবালয়ত প্ৰৱেশ কৰি মুখ্যমন্ত্ৰীৰ টেবুলত তাণ্ডৱ নৃত্য কৰিম।' আনহাতে, গগৈয়ে আজিও দাবী কৰে যে পূব অসমৰ এই তিনি জিলাৰ অভূতপূৰ্ব বানৰ কাৰণ হ'ল কয়লা আৰু শিল খনন। এই কয়লা আৰু শিল খননৰ বাবে মন্ত্ৰী সুশান্ত বৰগোহাঁই, বিধায়ক ময়ূৰ বৰগোহাঁই আৰু ধৰ্মেশ্বৰ কোঁৱৰ জগৰীয়া বুলিও তেওঁ অভিযোগ উত্থাপন কৰে। গগৈয়ে লগতে কয়, 'তেওঁলোকে শিল-কয়লা খনন কৰে। কথাবোৰ মই মুকলিকৈ কৈ দিছো। ইয়াৰ বাবে কোনোবাই মোক বেয়া পালেও উপায় নাই। মোক মাৰিলেও, মোক গুলীয়াই দিলেও এই সঁচা কথাবোৰ ক'মেই। মোক ভয় খুৱাই লাভ নাই।'

ইপিনে, বিধায়ক ময়ূৰ বৰগোহাঁয়ে কালি নেতাজী সুভাষ বসুৰ দৰ্শনত বিশ্বাসী বুলি কৰা মন্তব্যক লৈয়ো ৰাইজৰ দলৰ সভাপতিজনে প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। শাসক দলৰ বিধায়কজনৰ প্ৰতি কটাক্ষসূচক মন্তব্য কৰি তেওঁ কয়, 'ময়ূৰ বৰগোহাঁই সৰু ল'ৰা। প্ৰথমবাৰৰ বাবে বিধায়ক হৈছে। গতিকে সংবিধান কি, সংবিধানত কি লিখা আছে সেই বিষয়বোৰ নপঢ়ে। সংবিধানৰ কোনো জ্ঞান নাই।' কয়লা খন্দা, শিল-কয়লাৰ ছিণ্ডিকেট কৰা মানুহে নিজকে নেতাজী বসু বুলি দাবী কৰা মানে নেতাজী কোন সেয়া নাজানে বুলিও গগৈয়ে বিধায়ক বৰগোহাঁইক কটাক্ষ কৰে। তেওঁ আৰু কয়, 'অহিংসা নীতিৰ বিপৰীতে হিংসা নীতিক সমৰ্থন কৰা ময়ূৰ বৰগোহাঁইৰ কথা প্ৰধানমন্ত্ৰী আৰু মুখ্যমন্ত্ৰীক জনাই দিয়া হৈছে। নেতাজীয়ে ব্ৰিটিছৰ পৰা দেশক মুক্ত কৰিবলৈ সশস্ত্ৰ পথ লৈছিল; কিন্তু নাজিৰাৰ বিধায়ক ময়ূৰ বৰগোহাঁয়ে মোক মাৰিব বুলি কৈ নেতাজীৰ আদৰ্শ প্ৰচাৰ কৰিবলৈ লৈছে আৰু নিজে নাথুৰাম গড়ছে হ'বলৈ বিচাৰিছে।'

আনহাতে, শিৱসাগৰ আৰু চৰাইদেউৰ জিলা আয়ুক্তদ্বয়ৰ ভুলৰ বাবে জলপ্ৰলয়ত জিলা দুখনৰ বিস্তৰ ক্ষতিসাধন হ'ল বুলিও গগৈয়ে অভিযোগ উত্থাপন কৰে। সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত তেওঁ কয়, 'শিৱসাগৰ আৰু চৰাইদেউ জিলা আয়ুক্তদ্বয় অৰ্থাৎ যাদৰ পতি-পত্নীয়ে (১৯ জুলাইৰ) দিনৰ দুই বজাতে বানৰ আগজাননী পাইছিল যদিও সেই কথা ৰাজহুৱা নকৰিলে। আমাৰ ডিচিজনে খবৰটো জিলাৰ অভিভাৱক মন্ত্ৰী বিমল বড়াক কৈছিল। সেই দুজন মানুহে যদি কথাটো নিজৰ মাজত কথা নাপাতি সেইটোকে যদি সামাজিক মাধ্যমত প্ৰকাশ কৰিলেহেঁতেন নতুবা আপোনালোক (সাংবাদিক)ক জনালেহেঁতেন তেন্তে এই বানত অন্ততঃ ইমান ক্ষয়-ক্ষতি নহ'লহেঁতেন। ১০৫ জন নিৰীহ লোকৰ মৃত্যু নহ'লহেঁতেন। পতি-পত্নী জিলা আয়ুক্তই কেৱল মন্ত্ৰীৰ পাছ পাছে ঘূৰি ফুৰে।' বানসাহায্য তাৎক্ষণিকভাৱে প্ৰদানৰ নিৰ্দেশ থকা সত্ত্বেও বান হৈ যোৱাৰ ৩৫ দিনৰ পাছতো বানাক্ৰান্তসকলে বান সাহায্য পোৱা নাই বুলিও গগৈয়ে ক্ষোভ প্ৰকাশ কৰে। ১৭৫০ৰ পাছত প্ৰথমবাৰৰ বাবে শিৱসাগৰ, চৰাইদেউ তথা যোৰহাটত এনে জলপ্ৰলয় হ'ল বুলিও উল্লেখ কৰি গগৈয়ে লগতে তেওঁৰ স'তে শেহতীয়াভাৱে শিৱসাগৰৰ জিলা আয়ুক্ত কেন্দ্ৰিক বিতৰ্কৰো প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। তেওঁ কয়, 'মই বানাক্ৰান্তসকলৰ স্বাৰ্থত জিলা আয়ুক্তক টানকৈহে কৈছিলো। কোনো অভদ্ৰ ব্যৱহাৰ কৰা নাছিলো। আমি জিলা আয়ুক্তক ছাৰ বুলি ক'ব নালাগে, মুখ্য সচিবকো ছাৰ বুলি ক'ব নালাগে। তেওঁলোকে আমাকহে ছাৰ বুলি সম্বোধন কৰিব লাগে। আমি ডিচিৰ ওচৰলৈ যাব নালাগে। ডিচিয়েহে আমাৰ ওচৰলৈ আহিব লাগে।' বানাক্ৰান্ত ৰাইজৰ স্বাৰ্থত মাত মাতি যাব বুলি গগৈয়ে লগতে দোহাৰে।

# ঘগ্ৰাপাৰৰ সঠামৌত মহাপুৰুষ শ্ৰীশ্ৰী শংকৰদেৱৰ ৫৭৮ সংখ্যক জন্মজয়ন্তী মহোৎসৱ

**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ২৩ আগষ্ট ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত সঠামৌ (বৰবড়ী) কীৰ্তন ঘৰ প্ৰাংগণত বিগত বৰ্ষবোৰৰ দৰে এইবেলিও অহা ২০ৰ পৰা ২২ ছেপ্টেম্বৰলৈ বৰ্ণাঢ্য কাৰ্যসূচী তথা ব্যয়বহুল প্ৰস্তুতিৰে উদ্‌যাপনৰ আয়োজন কৰা হৈছে ৫৭৮ সংখ্যক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্ম জয়ন্তী মহোৎসৱ। ইতিমধ্যে ৫৭৮ সংখ্যক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মজয়ন্তী মহোৎসৱখন সুচাৰুৰূপে পৰিচালনা কৰা বাবে বসন্ত বৰ্মনকে সভাপতি, গৌতম দাসক উপ-সভাপতি, নয়ন মেধিক সম্পাদক, বশিষ্ঠ বৰ্মন, ভাৰ্গৱ বৰ্মনক সম্পাদকদ্বয় হিচাপে হৈ এখন উৎসৱ পৰিচালনা সমিতি গঠন কৰা হৈছে। উল্লেখ্য যে এইবেলি জন্মোৎসৱত ভাগৱত পাঠ, ধৰ্মীয় সভা, নাম-প্ৰসংগ সত্ৰীয়া নৃত্য, ভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ লগতে ২০ ছেপ্টেম্বৰ সন্ধিয়া মুখ্য বন্তি প্ৰজ্বলন, ভাগৱত স্থাপন, সন্ধিয়া প্ৰসংগ। ২১ ছেপ্টেম্বৰত বিভিন্ন কাৰ্যসূচীৰ উপৰি নিশা অসমৰ জনপ্ৰিয় নাগাৰা নামৰ পাঠিকাদ্বয় ক্ৰমে উৰ্বশী ৰাজবংশী আৰু ভৱানী ডেকাই নাম পৰিৱেশ কৰিব। ২২ ছেপ্টেম্বৰত পুৱা ১১ বজাত অনুষ্ঠিত হ'বলগীয়া ধৰ্মীলোচনী সভাৰ সভাপতিত্ব কৰিব উৎসৱ পৰিচালনা সমিতিৰ সভাপতি বসন্ত বৰ্মনে।

সভাত নিৰ্দিষ্ট বক্তাৰূপে উপস্থিত থাকিব বুঢ়াসত্ৰীয়া বৰপেটা সত্ৰৰ সভাপতি, বৰপেটা সত্ৰৰ শাখা-সত্ৰ সমাজ, অসম ড° হৰিৰাম দাস, বৰপেটা সত্ৰৰ শাখা-সত্ৰ সমাজ, অসম, সম্পাদক কমল দাস, শ্ৰীশ্ৰী মথুৰা দাস বুঢ়া আতা মাণ্ডলিক সমিতি, আই সুমতি মাতৃ সমাজ, সম্পাদিকা বিভাৰাণী দাস, যুৱজ্যোতি সমাজৰ সভাপতি জিতুমণি দাসে। নিশা সাংস্কৃতিক সন্ধিয়াৰ বিশেষ আকৰ্ষণ পাৰ্থপ্ৰতীম বৈশ্যৰ লগতে প্ৰিয়ংকা কলিতা আৰু ইমন জোনাকৰ গীতৰ শৰাই। উক্ত অনুষ্ঠানৰ সমূহ কাৰ্যসূচীতে ৰাইজৰ সহায়-সহযোগিতা তথা উপস্থিতি শ্ৰদ্ধাৰে কামনা কৰিছে ৫৭৮ সংখ্যক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্ম জয়ন্তী মহোৎসৱ উদ্‌যাপন সমিতিয়ে।

# নাহৰকটীয়াত টাইপাৰ কাৰ্যনিৰ্বাহক সভা

*আঠ পৃষ্ঠাৰ পৰা* ইয়াৰ উপৰি, সাংগঠনিক অনিয়মৰ পৰিপ্ৰেক্ষিতত টাইপাৰ ডিব্ৰুগড় জিলা সমিতিখন ভংগ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। পৰৱৰ্তী সময়ত নতুনকৈ জিলা সমিতি গঠন কৰাৰ বাবে সভাপতি ৰাণাৰঞ্জন গগৈৰ লগতে প্ৰদীপ্ত গগৈ, বিজু গগৈ, সমুদ্ৰ গগৈ আৰু মিথুন গগৈক দায়িত্ব অৰ্পণ কৰা হৈছে। আনহাতে, সভাত মৃদুল গগৈক সংগঠনটোৰ নতুন কাৰ্যকৰী সভাপতি হিচাপে দায়িত্ব প্ৰদান কৰা হয়। পূৰ্বৰ কাৰ্যকৰী সভাপতি হেমন্ত গগৈক উপদেষ্টা হিচাপে দায়িত্ব প্ৰদান কৰাৰ সিদ্ধান্তও গ্ৰহণ কৰে কেন্দ্ৰীয় সমিতিয়ে। কাৰ্যনিৰ্বাহক সমিতিত কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়া আৰু টাই আহোম মহিলা পৰিষদৰ বিষয়ববীয়া আৰু শিৱসাগৰ, চৰাইদেউ জিলা, নাহৰকটীয়া মহকুমা আৰু নামৰূপ, ডুলিয়াজান, চাচনি, টেঙাখাট আঞ্চলিকৰ বিষয়ববীয়া সকল উপস্থিত থাকে।

# বেলশৰত থিয়েটাৰৰ টিকট মুকলি

*আঠ পৃষ্ঠাৰ পৰা* সৃষ্টি কৰিব। এই বেলশৰো এখন সাংস্কৃতিক পীঠভূমিঙ্গ সাংস্কৃতিক পীঠভূমিতেই ইতিহাস হ'ব বুলি আশাবাদী। অনুষ্ঠানত অতিথি হিচাপে উপস্থিত থাকি অসমীয়া প্ৰতিদিন কাকতৰ মুখ্য সহযোগী সম্পাদক অচ্যুত কুমাৰ পাটোৱাৰীয়ে ভাষণত কয়— অসমৰ থলুৱাৰ উদ্যোগীৰ হাতত থকা শিল্পটোৰে হৈছে ভ্ৰাম্যমাণ থিয়েটাৰ। সময়ৰ লগে লগে ভ্ৰাম্যমাণ থিয়েটাৰৰ বহু পৰিৱৰ্তন ঘটিছে। দৰ্শকক আকৰ্ষণ কৰিব পৰাটোও প্ৰতিখন থিয়েটাৰৰ প্ৰত্যাহ্বান হৈ পৰিছে। এই প্ৰত্যাহ্বান নেওচি থিয়েটাৰসমূহে আগবাঢ়িছে। ভ্ৰাম্যমাণ থিয়েটাৰে যেতিয়া এন এছ ডিত চাৰিদিনৰ বাবে নাট প্ৰদৰ্শন কৰিছে সেই সময়তো নিজে উপস্থিত থাকিবলৈ পাই ধন্য মানিছো। অনুষ্ঠানত থিয়েটাৰ পৰিচালনা সমিতিৰ সভাপতি দীনেশ শইকীয়া, সংঘৰ উপ-সভাপতি প্ৰমোদ বৰ্মন, সাধাৰণ সম্পাদক সুনীল পাটোৱাৰী, জ্যেষ্ঠ সদস্য বিমলসেন ডেকা, মনোজ মেনা, অনুপ ডেকাকে ধৰি কে'বাগৰাকী জ্যেষ্ঠ, কনিষ্ঠ সদস্য উপস্থিত থাকে।

# জলনিষ্কাসনৰ উপযুক্ত নলাৰ অভাৱত

*আঠ পৃষ্ঠাৰ পৰা* নে নোৱাৰে তাক লৈ কৃষকসকল চিন্তিত হৈ পৰে। এইবেলিও সেই একে দশা হৈছে। এইবেলি পথাৰখনত একাংশ কৃষকে মনৰ হেঁপাহত খেতি কৰিছে যদিও বিগত দুদিন আগতে হোৱা ধাৰাসাৰ বৰষুণে সকলো ধানে ডুবাই পেলায়। সেইবাবে পানী ওলাই যোৱা নলাটো যথেষ্ট ঠেক পৰিসৰৰ হোৱা বাবে সহজে পানী ওলাই নাযায়। যাৰ ফলত ধানবোৰ গেলি যাবলৈ আৰম্ভ কৰিছে। মন কৰিবলগীয়া কথা কলবাৰী চ'কত থকা কালভাৰ্টটোত সংলগ্ন নলাটো আহল-বহল কৰি জলনিষ্কাসনৰ উপযুক্ত কৰাৰ বাবে পূৰ্বৰে পৰা চৰকাৰ তথা জনপ্ৰতিনিধিক অনুৰোধ জনাই আহিছে যদিও নলাটোৰ কামটো কিন্তু কৰা নাই। আনহাতে গাঁও পঞ্চায়তৰ গাঁওসভাটো নলাটোৰ বিষয়ে প্ৰস্তাৱ লোৱা হৈছে। সকলো ফুটুকাৰ ফেন। ক'তোৰে বৰ্তমানলৈ ৰাইজে সুফল পোৱা নাই। সেয়েহে ভুক্তভোগী ৰাইজে বৰ্তমানৰ বৰক্ষেত্ৰীৰ বিধায়ক নাৰায়ণ ডেকাক এই ক্ষেত্ৰত অধিক তৎপৰতা অৱলম্বন কৰি নলাটো জলনিষ্কাসনৰ বাবে উপযুক্ত কৰি তুলিবলৈ দাবী জনাইছে।

# বিহপুৰীয়া জাতীয় কম্পিউটাৰ শ্ৰেণী

*আঠ পৃষ্ঠাৰ পৰা* পূৰ্বে আগবঢ়োৱা সহায়-সহযোগিতাৰ বাবে কৃতজ্ঞতাসূচক পত্ৰৰ লগতে সম্বৰ্ধনাপত্ৰ প্ৰদান কৰে বিদ্যালয়ৰ অধ্যক্ষ, পৰিচালনা সমিতিৰ লগতে শিক্ষক ক্ষীৰোদ বৰা, মদন দত্ত আৰু ৰাজদীপ হাজৰিকাই। পৰিচালনা সমিতিৰ অন্যতম সদস্য তিলক নেওগে এটি কিতাপৰ টোপোলাৰে বিধায়কক সম্বৰ্ধনা জ্ঞাপন কৰে। সভাত বিধায়ক ভূপেন কুমাৰ বৰাই কয়, এটি কম্পিউটাৰ কক্ষৰ দুৱাৰ মুকলি হোৱাটো কেৱল এটা নতুন কক্ষৰ আৰম্ভ নহয়; ই ছাত্ৰ-ছাত্ৰীসকলৰ বাবে জ্ঞান আৰু সম্ভাৱনাৰ এক নতুন দুৱাৰ মুকলি হোৱাৰ দৰেই। আধুনিক প্ৰযুক্তিৰ জ্ঞান আহৰণ কৰি আজিৰ শিক্ষাৰ্থীসকলেই কাইলৈৰ সমাজ গঢ়াৰ দায়িত্ব ল'ব। আনহাতে, বিধায়ক বৰাই আগন্তুক সময়ত বিহপুৰীয়া সমষ্টিৰ ১২ খন জাতীয় বিদ্যালয় আৰু নখন শংকৰদেৱ শিশু নিকেতনৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে ১০ লাখকৈ টকা প্ৰদানৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে।

সভাত শিক্ষাবিদ বিনোদ কৃষ্ণ শৰ্মা, বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সদস্য দীননাথ বৰা, সত্যব্ৰত বৰুৱা, জগত মহন্ত, বিহপুৰীয়া গাঁও পঞ্চায়তৰ সভাপতি বিমল শইকীয়া, পিযুচ বৰুৱা, ভাস্কৰ বৰা, দুৰ্লভ দাস আদি বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# নিমহান্স আৰু তেজপুৰৰ লোকপ্ৰিয় গোপীনাথ

*আঠ পৃষ্ঠাৰ পৰা* মেহেৰোত্ৰা আৰু ডাঃ নন্দ কুমাৰ, ইমিডিয়েট ক'-অৰ্ডিনেটৰ। চিআইপি, ৰাঁচীৰ প্ৰতিনিধিত্ব কৰে মনোৰোগ বিভাগৰ অধ্যাপক ডাঃ বৰুণ এছ মেহতা আৰু প্ৰশাসনিক বিষয়া ডাঃ সুনীলে এলজিবিআৰআইএমএইছ, তেজপুৰৰ ফালৰ পৰা সঞ্চালক ডাঃ জ্যোতি হাজৰিকা আৰু অ'এছডি তথা উপ-সঞ্চালক ডাঃ হেমন্ত দত্তই আলোচনাত অংশগ্ৰহণ কৰে। তেওঁলোকৰ লগত উপস্থিত থাকে ভাৰপ্ৰাপ্ত মুখ্য প্ৰশাসনিক বিষয়া মৃণাল কুমাৰ শৰ্মা আৰু ভাৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়া প্ৰভা বড়ো। এই সহযোগিতাৰ অধীনত প্ৰশিক্ষকৰ প্ৰশিক্ষণ কাৰ্যসূচী, যৌথভাৱে প্ৰশিক্ষণ মডিউল আৰু নিৰ্দেশিকা প্ৰস্তুতকৰণ, বিশেষজ্ঞ বক্তৃতা আৰু ৱেবিনাৰ, ডিজিটেল মাধ্যমৰে টেলিমেণ্টৰিং তথা যৌথ গৱেষণা আৰু ফলাফল মূল্যায়নৰ ব্যৱস্থাও ৰখা হৈছে। তাৰিখ আৰু বিশদ কাৰ্যসূচী তিনিওটা প্ৰতিষ্ঠানে পাৰস্পৰিক আলোচনাৰে চূড়ান্ত কৰিব। উত্তৰ-পূব ভাৰতৰ আঠোখন ৰাজ্যক সেৱা আগবঢ়োৱা শীৰ্ষ তৃতীয় স্তৰীয় মানসিক স্বাস্থ্য প্ৰতিষ্ঠান এলজিবিআৰআইএমএইছ, তেজপুৰে আশা কৰিছে যে এই সহযোগিতাই প্ৰতিষ্ঠানৰ গুণগত মান ব্যৱস্থাপনা আৰু ৰোগীৰ সুৰক্ষা ব্যৱস্থা অধিক শক্তিশালী কৰিব, যাৰ প্ৰত্যক্ষ সুফল পাব সমগ্ৰ অঞ্চলৰ পৰা তেজপুৰলৈ অহা ৰোগী আৰু তেওঁলোকৰ পৰিয়ালবৰ্গই।

# পৰিবহণ মন্ত্ৰী চৰণ বড়োৰ প্ৰশংসনীয় পদক্ষেপ

*আঠ পৃষ্ঠাৰ পৰা* কয়, 'আমি সন্মিলিত প্ৰচেষ্টাৰে জিলাখনৰ পৰা যক্ষ্মা ৰোগক আঁতৰাব লাগিব।' নিজৰ আইতা যক্ষ্মা ৰোগত আক্ৰান্ত হোৱাৰ স্মৃতি ৰোমন্থন কৰি মন্ত্ৰী চৰণ বড়োৱে কয়, 'আগতে এই ৰোগৰ চিকিৎসা বিনামূলীয়া তথা আজিৰ দৰে উন্নত নাছিল। তেতিয়া এই ৰোগৰ চিকিৎসা কৰি বহু পৰিয়াল সৰ্বস্বান্ত হৈছিল। কিন্তু বৰ্তমান বহু পৰিৱৰ্তন হ'ল। বহু ডাঙৰ ডাঙৰ ব্যক্তিগত খণ্ডৰ বিদ্যালয়ে যক্ষ্মা ৰোগীৰ চিকিৎসাৰ বাবে চৰকাৰী স্বাস্থ্য খণ্ডলৈ প্ৰেৰণ কৰিবলৈ বাধ্য হ'ল।' ওদালগুৰি জিলা যক্ষ্মা বিষয়া ডাঃ অৰিন্দম বৰা আৰু জিলা আঁচনি প্ৰবন্ধক নমেল সিং বৰগয়াৰীয়ে চমু বক্তব্য প্ৰদান কৰা এই অনুষ্ঠানত ওৰাং খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ মহকুমা চিকিৎসা আৰু স্বাস্থ্য বিষয়া ডাঃ বিনিতা শৰ্মা, এমঅ'টিচি ডাঃ ৰাজু ব্ৰহ্ম, জিলা মিডিয়া বিশেষজ্ঞ মধুস্মিতা বৈশ্য, বিপিএম ভাৰ্জিল শৰ্মা, সমাজসেৱক বেণুধৰ অধিকাৰী, জিলা যক্ষ্মা বিভাগৰ পিপিএম বিলাত বসুমতাৰী, জ্যেষ্ঠ চিকিৎসা পৰ্যবেক্ষক অজয় মুছাহাৰী, গাণনিক বিনেশ্বৰ বসুমতাৰী, ডাটা এণ্ট্ৰি অপাৰেটৰ লোকাচ দৈমাৰী, আশা কৰ্মী, আশা ছুপাৰভাইজাৰকে ধৰি শতাধিক লোক উপস্থিত থাকে। ইফালে, ৰাজমাহ, কণী, মুচুৰ দাইল, মিঠাতেল, চয়াবিন আদি লাভ কৰি ৰোগীসকল আনন্দ প্ৰকাশ কৰি মন্ত্ৰীজনক হাত চাপৰিৰে কৃতজ্ঞতা জ্ঞাপন কৰে।

# কলাকুছি আৰু ৰাষ্ট্ৰীয় ঘাইপথ সংযোগী

*আঠ পৃষ্ঠাৰ পৰা* আবণ্টন দিয়া এই পথটোৰ নিৰ্মাণ ইমানেই লেহেমীয়া গতিত আগবাঢ়ে যে বৰ্তমানলৈকে ইয়াৰ মাত্ৰ ৭৫ শতাংশ কামহে আগবঢ়া বুলি কাগজে পত্ৰই দেখুওৱা হৈছে। প্ৰণিধানযোগ্য যে ২০২২-২৩তে আবণ্টন হোৱাৰ পাছত গড়কাপ্তানী বিভাগৰ বৰছলা আৰু ঢেকিয়াজুলি আঞ্চলিক পথসংমণ্ডলৰ অধীনৰ এই ৯.২৫ কিলোমিটাৰ দৈৰ্ঘৰ পথটো দীৰ্ঘদিন কোনো কাম নকৰাকৈ পেলাই থোৱা হয়।পাছত মাজে মাজে শিলবালি পেলাই থোৱাৰ বিপৰীতে পথৰ মাজত একোটা খালৰ দৰে অৱস্থাৰ উদ্ভৱ হয়। এইদৰেই পথটোৰ নিৰ্মাণ সম্পূৰ্ণ হোৱা নিৰ্ধাৰিত সময় অতিক্ৰম কৰাৰ পাছত পথটোৰ নিৰ্মাণকাৰ্য আৰম্ভ হয় যদিও বৰ্তমানলৈকে ইয়াৰ সুৰক্ষা দেৱালৰ কামহে সম্পূৰ্ণ হৈছে। কিন্তু অভিযোগ মতে পথটোৰ নিৰ্মাণৰ বাবে প্ৰয়োজন অনুপাতে যিদৰে ৰুলাৰ চলোৱা হোৱা নাই একেদৰে সুৰক্ষা দেৱালৰ কামো যথেষ্ট দুৰ্বল হৈছে। উল্লেখযোগ্য যে এই পথটো পকীকৰণ কৰি মথাউৰিৰ গাঁথনি অধিক শক্তিশালী কৰাৰ লগতে শোণিতপুৰৰ এক ভিতৰুৱা অঞ্চল কালাকুছিক মুখ্য ৰাষ্ট্ৰীয় ঘাইপথৰে সুষম সংযোগ কৰাটো অন্যতম উদ্দেশ্য। কিন্তু পথটোৰ দুৰৱস্থাৰ বাবেই স্থানীয় কৃষকসকলৰ লগতে অঞ্চলটো অৰ্থনীতি, স্বাস্থ্য, শিক্ষা আদিবোৰ দিশত যথেষ্ট সমস্যাৰ সন্মুখীন হৈ আছে। উল্লেখযোগ্য যে সাধাৰণতে মথাউৰি আৰু গৰাখহনীয়া প্ৰতিৰোধৰ ক্ষেত্ৰত উপযোগী হোৱাকৈ নিৰ্মাণ কৰা পথটো সম্পূৰ্ণ হোৱালৈ পুনৰ নিৰ্মাণ কৰিবলগীয়া হ'ব নেকি বুলিও চৰ্চা চলা এই পথৰে দৈনিক ভালেসংখ্যক ডাম্পাৰ তথা ট্ৰাক চলাচল কৰাৰ ফলত পথটোৰ পকীকৰণ নহওঁতেই অৱস্থা শোচনীয় হৈ পৰিছে। এনেস্থলত বৰ্তমান এই পথটো যিদৰে খলাবমা হৈ আছে সেইদৰেই য'দি পথটোৰ পকীকৰণ কৰা হয় তেনেহলে এই ৰ্কোটিৰ অধিক টকীয়া পথ কিমানদিনলৈ টিকি থাকিব সেয়া বৰ্তমান সন্দেহৰ বিষয় হৈ উঠিছে।

# টীয়ক কলীয়াপানী আউনীআটী সত্ৰত 'বিৰহিনী উৰ্মিলা' শীৰ্ষক দিহানামৰ শ্ৰব্যগীত উন্মোচন

**অগ্ৰদূত বাৰ্তা**

**চেলেংহাট, ২৩ আগষ্ট ঃ** ভাদ মাহ উপলক্ষে সমগ্ৰ ৰাজ্যৰ নামঘৰ, সত্ৰ আৰু ধৰ্মীয় অনুষ্ঠানসমূহ ভক্তিৰসেৰে মুখৰিত হৈ পৰাৰ সময়তে আজি যোৰহাট জিলাৰ টীয়ক কলীয়াপানীস্থিত আউনীআটী শাখা সত্ৰত অনাতাঁৰ শিল্পী ৰুণু বৰগোহাঁইৰ 'বিৰহিনী উৰ্মিলা' শীৰ্ষক এটি দিহানামৰ শ্ৰব্যগীত উন্মোচন কৰা হয়। সত্ৰখনৰ নাম পৰিচালনা সমিতিৰ মুখ্য সম্পাদক গজেন ভূঞাই আঁত ধৰা এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোত আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ পীতাম্বৰ দেৱগোস্বামী, ডেকা সত্ৰাধিকাৰ দেবানন্দ দেৱগোস্বামী, নাম পৰিচালনা সমিতিৰ বিষয়ববীয়াসকল, সত্ৰৰ নাম লগোৱা অনিল কলিতাকে ধৰি অসমৰ বিভিন্ন প্ৰান্তৰ ভক্তপ্ৰাণ ৰাইজ উপস্থিত থাকে। শ্ৰব্যগীতটি উন্মোচন কৰি সত্ৰাধিকাৰ পীতাম্বৰ দেৱগোস্বামীয়ে উল্লেখ কৰে যে ভাদ মাহৰ নামৰসেৰে চৌপাশ মুখৰিত হৈ থকাৰ সময়তে ৰামায়ণৰ পটভূমিত ৰচিত উৰ্মিলাৰ ত্যাগ আৰু কাহিনী আধাৰিত এই গীতটিয়ে বিশেষ সমাদৰ লাভ কৰিব। উল্লেখ্য যে ভাদ মাহৰ প্ৰথমটো দেওবাৰ উপলক্ষে আজি সত্ৰ প্ৰাংগণত অগণন ভক্তৰ সমাগম ঘটে।

# পাতিলাদহাত কৃষি বিজ্ঞান কেন্দ্ৰৰ পাৰ্থেনিয়াম সজাগতা কাৰ্যসূচী

**অগ্ৰদূত বাৰ্তা**

**অভয়াপুৰী, ২৩ আগষ্ট ঃ** অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনস্থ বঙাইগাঁও কৃষি বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত পাতিলাদহাত যোৱা ২০ আগষ্টত অনুষ্ঠিত হয় পাৰ্থেনিয়াম সজাগতা সপ্তাহ। বঙাইগাঁও জিলা কৃষি বিজ্ঞান কেন্দ্ৰৰ বিষয়া-কৰ্মচাৰীৰ এটা দলে ইতিমধ্যে শাকোমোৰা, দোমপাৰাত পাৰ্থেনিয়াম অপতৃণ নিয়ন্ত্ৰণ সম্পৰ্কীয় কে'বাটাও সচেতনতামূলক কাৰ্যসূচী অনুষ্ঠিত কৰে। পাতিলাদহাত আয়োজিত সজাগতা সভাত কৃষি বিজ্ঞান কেন্দ্ৰৰ বিজ্ঞানী ড° দ্বিবন পূজাৰী, বেদান্ত কুমাৰ দাস আৰু চয়নিকা হাজৰিকা ৰয় উপস্থিত থাকে। ৰাইজৰ মাজত সচেতনতা সৃষ্টি, পাৰ্থেনিয়াম অপতৃণ চিনাক্তকৰণ আৰু ৰাসায়নিক নিয়ন্ত্ৰণ পদ্ধতিৰ ব্যৱহাৰিক প্ৰদৰ্শন আদিয়ে আছিল কাৰ্যসূচীৰ মূল বিষয়। কৃষক তথা স্থানীয় ৰাইজক পাৰ্থেনিয়ামৰ ক্ষতিকাৰক প্ৰভাৱ আৰু ইয়াৰ বংশবৃদ্ধি ৰোধ কৰিবলৈ সময়মতে ল'বলগীয়া ব্যৱস্থাৱলীৰ বিষয়ে ব্যাখ্যা কৰে বিজ্ঞানীসকলে। অপতৃণবিধ কাৰ্যকৰীভাৱে নিৰ্মূল কৰিবলৈ অংশগ্ৰহণকাৰীসকলক উপযুক্ত প্ৰতিৰোধমূলক নিয়মসমূহ গ্ৰহণ কৰিবলৈ পৰামৰ্শ দিয়ে কৃষি বিজ্ঞান কেন্দ্ৰৰ বিজ্ঞানী সকলো লগতে কৃষক আৰু স্থানীয় ৰাইজক এই অভিযানত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি নিজৰ পথাৰ, পথৰ কাষ তথা আশে-পাশে থকা অঞ্চলসমূহ পাৰ্থেনিয়াম মুক্ত কৰি ৰাখিবলৈ আহ্বান জনায়। লগতে এই আগ্ৰাসী অপতৃণবিধৰ বিস্তাৰ হ্ৰাস কৰিবলৈ আৰু কৃষি উৎপাদন, পশুধন আৰু মানুহৰ স্বাস্থ্য সুৰক্ষিত কৰিবলৈ সামূহিক তথা সময়োপযোগী পদক্ষেপ গ্ৰহণ কৰাটো অতি প্ৰয়োজনীয় বুলি দোহাৰে। সজাগতা সভাত শতাধিক লোক উপস্থিত থাকে।

# ভালুকপুঙত পাহাৰৰ শিল খহি নিহত অসম আৰক্ষীৰ জোৱান

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ২৩ আগষ্ট ঃ** চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশৰ আপাৰ ভালুকপুঙত আজি পাহাৰৰ পৰা খহি পৰা এটা প্ৰকাণ্ড শিল এখন বাহনৰ ওপৰত পৰাত বাহনখনত থকা এজন অসম আৰক্ষীৰ জোৱান নিহত হয়। জোৱানজনক দেৰগাঁৱৰ ৰাজুমণি হাজৰিকা বুলি চিনাক্ত কৰা হৈছে। অসম আৰক্ষীৰ লেন্স নায়ক ৰাজুমণি হাজৰিকা দেৰগাঁৱত কৰ্মৰত হৈ আছিল। শনিবাৰে পৰিয়ালৰ স'তে অৰুণাচললৈ ফুৰিবলৈ আহিছিল জোৱানজন। এই ঘটনাত দৈবক্ৰমে ৰক্ষা পৰে বাহনখনত থকা তেওঁৰ পত্নী মীনাক্ষী গগৈ হাজৰিকা আৰু দুবছৰীয়া কন্যা আৰু পুত্ৰ সন্তান। পাছত হাজৰিকাৰ মৃতদেহ শোণিতপুৰৰ চাৰিদুৱাৰ আৰক্ষী থানালৈ অনা হয়।

# সমৰ হাজৰিকা সাংস্কৃতিক মঞ্চ গঠন

**গুৱাহাটী, ২৩ আগষ্ট ঃ** প্ৰথম মৰমে যদি সঁহাৰি নেপায়, নাহৰ ফুলে, লিহিৰি বনৰে, ই যে নহয় নহয় ৰণাংগনৰ কাহিনী, শুন হেৰ' ৰপহী বিজুলী, এইটো প্ৰহৰ শূন্য প্ৰহৰকে আদি কৰি বহু জনপ্ৰিয় গানত কণ্ঠ নিগৰাই নিজৰ শিল্পী সত্তাক স্বকীয়তাৰে প্ৰতিষ্ঠা কৰা প্ৰয়াত সমৰ হাজৰিকাৰ গীত-মাত আৰু টেক্সি চালকৰ পৰা ৭৫ বছৰীয়া বৰ্ণাঢ্য শিল্পী জীৱনৰ স্মৃতি যুগমীয়া কৰি ৰখাৰ উদ্দেশ্যে কালি গঠন কৰা হয় 'সমৰ হাজৰিকা সাংস্কৃতিক মঞ্চ'। শিল্পী পত্নী শোভা হাজৰিকাক সভানেত্ৰী, গণেশ তামুলী আৰু শচীন কাকতিক উপ-সভাপতি, কিশোৰ কুমাৰ ভট্টাচাৰ্যক সাধাৰণ সম্পাদক, ডাৱৰ হাজৰিকা আৰু খাইৰুল আলমক সহঃ সাধাৰণ সম্পাদক, অসীমজ্যোতি বৰুৱাক সাংস্কৃতিক সম্পাদক আৰু কৃপাময় দাসক সহঃ সাংস্কৃতিক সম্পাদক, কুঁৱলী হাজৰিকাক কোষাধ্যক্ষ, শৈলেন বৰকটকীক আভ্যন্তৰীণ হিচাপ পৰীক্ষকৰূপে লৈ মঞ্চৰ ১৫ জনীয়া কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হয়। উল্লেখ্য যে সমৰ হাজৰিকাৰ ঘনিষ্ঠ বন্ধু তথা সমাজকৰ্মী বলেন্দ্ৰ ভৰালীয়ে মুখ্য উপদেষ্টাৰূপে আৰু শিল্পী জেপি দাস, দ্বীপেন বৰুৱা, পুলক বেনাৰ্জী, সংগীত পৰিচালক ৰমেন চৌধুৰী, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা অৰূপ বৰবৰা, কণ্ঠশিল্পী মালবিকা বৰা, গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ অৱসৰপ্ৰাপ্ত বিষয়া অৱনী ৰঞ্জন পাঠক, বিপুল বৰুৱা, অঞ্জন বৰুৱা আদি বিশিষ্টসকলে উপদেষ্টাৰূপে মঞ্চত সেৱা আবঢ়াব। সমৰ হাজৰিকা সাংস্কৃতিক মঞ্চৰ উদ্দেশ্যৰ বিষয়ে সদৰী কৰি সভানেত্ৰী শোভা হাজৰিকাই প্ৰকাশ কৰে যে সমৰ হাজৰিকাই নেপথ্য কণ্ঠশিল্পীৰূপে প্ৰায় ৩০খন অসমীয়া চলচ্চিত্ৰৰ গীতত কণ্ঠদান কৰিছিল। তদুপৰি অডিঅ' কেছেট, চিডি, বহুসংখ্যক এলবামতো সিচঁৰতি হৈ আছে তেওঁৰ বহু গীত। এইবোৰ সংগ্ৰহ কৰি কালানুক্ৰমিকভাৱে সজোৱাৰ লগতে গ্ৰন্থাকাৰে লিপিবদ্ধ কৰি মঞ্চই সংৰক্ষণৰ ব্যৱস্থা কৰিব।

# পাঠশালা পৌৰসভাৰ বিনামূলীয়া স্বাস্থ্য পৰীক্ষা

**বিশেষ সংবাদদাতা**

**পাঠশালা, ২৩ আগষ্ট ঃ** পাঠশালা পৌৰসভাৰ উদ্যোগত চহৰখনৰ জ্যেষ্ঠ নাগৰিক আৰু দিনে-নিশাই পাঠশালা চহৰ পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰখা চাফাই কৰ্মীসকলৰ স্বাস্থ্যৰ প্ৰতি লক্ষ্য ৰাখি ২০ আগষ্টত এক বিশেষ স্বাস্থ্য পৰীক্ষা শিবিৰৰ আয়োজন কৰা হয়। পৌৰসভাৰ এই পদক্ষেপে জ্যেষ্ঠ নাগৰিকসকলৰ লগতে চহৰখন পৰিষ্কাৰ কৰি ৰখাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা চাফাই কৰ্মীসকলৰ মাজত সন্তুষ্টিৰ সৃষ্টি কৰে। পাঠশালা পৌৰসভাৰ চৌহদত অনুষ্ঠিত উক্ত বিশেষ স্বাস্থ্য পৰীক্ষা শিবিৰত প্ৰায় তিনি শতাধিক জ্যেষ্ঠ নাগৰিক আৰু চাফাই কৰ্মীৰ স্বাস্থ্য পৰীক্ষা কৰা হয়। স্বাস্থ্য পৰীক্ষাৰ অন্তত প্ৰয়োজনীয় ৰোগীসকলক চিকিৎসকৰ পৰামৰ্শ অনুসৰি বিনামূলীয়াকৈ ঔষধো প্ৰদান কৰা হয়। নিয়মিতভাৱে চহৰখনৰ আৱৰ্জনা পৰিষ্কাৰ কৰা, পথ আৰু ৰাজহুৱা স্থানসমূহ পৰিচ্ছন্ন কৰি ৰখাৰ দায়িত্ব পালন কৰা চাফাই কৰ্মীসকলৰ স্বাস্থ্যৰ প্ৰতি বিশেষ গুৰুত্ব দিয়াৰ উদ্দেশ্যে এই স্বাস্থ্য শিবিৰৰ আয়োজন কৰা হয়। চিকিৎসক ডাঃ কবিতা চৌধুৰীৰ নেতৃত্বত এটা চিকিৎসকৰ দলে শিবিৰত উপস্থিত থাকি জ্যেষ্ঠ নাগৰিক আৰু চাফাই কৰ্মীসকলৰ বিভিন্ন স্বাস্থ্যজনিত সমস্যা পৰীক্ষা কৰে। ৰক্তচাপ, ৰক্ত শৰ্কৰা আদি সাধাৰণ স্বাস্থ্য পৰীক্ষাৰ লগতে অংশগ্ৰহণকাৰীসকলক স্বাস্থ্য সম্পৰ্কীয় বিভিন্ন পৰামৰ্শ আগবঢ়োৱা হয়। চিকিৎসকসকলে বিশেষকৈ বয়সস্থ লোকসকলক নিয়মিত স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে চাফাই কৰ্মীসকলকো নিজৰ স্বাস্থ্যৰ প্ৰতি সচেতন হ'বলৈ আহ্বান জনায়। অনুষ্ঠানত অসম সৌৰভ কৃষ্ণ ৰয় উপস্থিত থাকি পৌৰসভাৰ এনে জনকল্যাণমূলক পদক্ষেপৰ শলাগ লয়। তেওঁ চহৰখন পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰখাত চাফাই কৰ্মীসকলৰ অৱদানৰ কথা উল্লেখ কৰি তেওঁলোকৰ স্বাস্থ্য আৰু কল্যাণৰ প্ৰতি গুৰুত্ব দিয়াটো অত্যন্ত প্ৰয়োজনীয় বুলি মন্তব্য কৰে। স্বাস্থ্য শিবিৰত পাঠশালা পৌৰসভাৰ কাৰ্যবাহী বিষয়া পূৰ্বী পাটগিৰী, পৌৰপতি জুলি চৌধুৰী, উপ-পৌৰপতি ৰাতুল ৰয়, পৌৰসভাৰ অভিযন্তা হেমাংগ অধিকাৰীকে ধৰি পৌৰসভাৰ বিভিন্ন ৱাৰ্ডৰ সদস্যসকল উপস্থিত থাকে। পৌৰসভাৰ বিষয়া-কৰ্মচাৰী আৰু ৱাৰ্ড সদস্যসকলৰ সহযোগিতাত অনুষ্ঠিত স্বাস্থ্য শিবিৰটোত বহু সংখ্যক জ্যেষ্ঠ নাগৰিক আৰু চাফাই কৰ্মীয়ে অংশগ্ৰহণ কৰে।

# ৪২.১ মেগাৱাট সৌৰ শক্তি অৰ্জনেৰে উত্তৰ-পূব সীমান্ত ৰেলৱেৰ সাফল্য



**গুৱাহাটী, ২৩ আগষ্ট ঃ** উত্তৰ-পূব সীমান্ত ৰেলৱেই সেউজ শক্তি আৰু বহনক্ষম ৰেল পৰিচালনৰ প্ৰতি থকা প্ৰতিশ্ৰুতিৰ অংশৰূপে ইয়াৰ বিভিন্ন মণ্ডল আৰু ইউনিটত সৌৰ শক্তিৰ আন্তঃগাঁথনি সম্প্ৰসাৰণৰ জৰিয়তে গুৰুত্বপূৰ্ণ অগ্ৰগতি লাভ কৰিছে। সেউজ শক্তিৰ ক্ষেত্ৰত এক উল্লেখযোগ্য মাইলৰ খুঁটি হিচাপে, চলিত বৰ্ষৰ জানুৱাৰীৰ পৰা জুলাইলৈ ২৩.৭ মেগাৱাট সৌৰ শক্তি ক্ষমতা স্থাপন কৰা হৈছে, যি ভাৰতীয় ৰেলৱেৰ সকলো সংমণ্ডলৰ ভিতৰত সৰ্বাধিক। এই সাফল্যৰ ফলত, ২০১১ত আৰম্ভ হোৱা সৌৰীকৰণ কাৰ্যসূচীৰ পৰা যোৱা জুলাই পৰ্যন্ত উত্তৰ-পূব সীমান্ত ৰেলৱেৰ মুঠ স্থাপিত সৌৰ শক্তি ক্ষমতা ৪২.১ মেগাৱাটত উপনীত হৈছে।

মণ্ডলসমূহৰ ভিতৰত লামডিং মণ্ডলে, গুৱাহাটী অংশকে ধৰি, মুঠ ১৭.৭ মেগাৱাট সৌৰ শক্তি ক্ষমতা স্থাপনেৰে সৰ্বাধিক সাফল্য অৰ্জন কৰিছে। ইয়াৰ পাছতে ৰঙিয়া মণ্ডলে ৯.৬ মেগাৱাট সৌৰ শক্তি ক্ষমতা স্থাপন কৰিছে। আলিপুৰদুৱাৰ, কাটিহাৰ আৰু তিনিচুকীয়া মণ্ডলেও উত্তৰ-পূব সীমান্ত ৰেলৱেৰ সামগ্ৰিক সৌৰ শক্তি ক্ষমতা বৃদ্ধিত উল্লেখযোগ্য অৱদান আগবঢ়াইছে। এই পদক্ষেপসমূহে পৰিষ্কাৰ আৰু বহনক্ষম শক্তিৰ ব্যৱহাৰৰ প্ৰতি উত্তৰ-পূব সীমান্ত ৰেলৱেৰ প্ৰতিশ্ৰুতি অধিক সুদৃঢ় কৰিছে।

সৌৰ শক্তি স্থাপনসমূহে উত্তৰ-পূব সীমান্ত ৰেলৱেৰ বাবে পৰিচালনগত আৰু বিত্তীয় দুয়োটা ক্ষেত্ৰতে উল্লেখযোগ্য সুফল কঢ়িয়াই আনিছে। ২০২৫-২৬ বিত্তীয় বৰ্ষত সৌৰ শক্তিৰ উৎপাদন প্ৰায় ১১৪ লাখ ইউনিটত উপনীত হয়, যাৰ ফলত প্ৰায় ৮.৬ কোটি টকাৰ সঞ্চয় হয়। ২০২৪-২৫ বিত্তীয় বৰ্ষৰ তুলনাত এই সময়ছোৱাত সৌৰ শক্তি উৎপাদনত প্ৰায় ৯০ শতাংশ বৃদ্ধি আৰু বিত্তীয় সঞ্চয়ত ৯৫.৪৫ শতাংশ বৃদ্ধি হৈছে। ২০২৪-২৫ বিত্তীয় বৰ্ষত প্ৰায় ৬০ লাখ ইউনিট সৌৰ শক্তি উৎপাদন কৰি প্ৰায় ৪.৪ কোটি টকাৰ সঞ্চয় কৰা হৈছিল। সৌৰ শক্তি উৎপাদন আৰু ব্যয় ৰাহিৰ এই উল্লেখযোগ্য বৃদ্ধিয়ে কাৰ্বন নিৰ্গমন হ্ৰাস, পৰিষ্কাৰ শক্তিৰ ব্যৱহাৰ বৃদ্ধি আৰু শক্তি ব্যয়ৰ অনুকূলীকৰণৰ দিশত উত্তৰ-পূব সীমান্ত ৰেলৱেৰ নিৰন্তৰ প্ৰচেষ্টাক প্ৰতিফলিত কৰিছে।

সেউজ শক্তিৰ প্ৰতি নিজৰ প্ৰতিশ্ৰুতি অধিক সুদৃঢ় কৰাৰ দিশত উত্তৰ-পূব সীমান্ত ৰেলৱেৰ বিভিন্ন মণ্ডলত অতিৰিক্ত ন মেগাৱাট সৌৰ শক্তি ক্ষমতা বৰ্তমান ৰূপায়ণৰ বিভিন্ন পৰ্যায়ত আছে। লামডিং, ৰঙিয়া, কাটিহাৰ আৰু আলিপুৰদুৱাৰ মণ্ডলত বৃহৎ পৰিসৰৰ সৌৰ শক্তি প্ৰকল্প স্থাপনৰ পৰিকল্পনা কৰা হৈছে। এই প্ৰকল্পসমূহ সম্পূৰ্ণ হোৱাৰ পিছত অদূৰ ভৱিষ্যতে উত্তৰ-পূব সীমান্ত ৰেলৱেৰ সামগ্ৰিক নৱীকৰণযোগ্য শক্তি ক্ষমতা যথেষ্ট বৃদ্ধি পাব বুলি আশা কৰা হৈছে। এই পদক্ষেপসমূহে বহনক্ষম আৰু পৰিৱেশ-অনুকূল ৰেল পৰিচালনৰ প্ৰতি উত্তৰ-পূব সীমান্ত ৰেলৱেৰ দৃঢ় প্ৰতিশ্ৰুতি পুনৰ নিশ্চিত কৰাৰ লগতে ভাৰতীয় ৰেলৱেক নেট-জিৰ' কাৰ্বন নিৰ্গমনকাৰী ৰেল ব্যৱস্থা হিচাপে গঢ়ি তোলাৰ লক্ষ্যত ইয়াৰ সক্ৰিয় অৱদানক প্ৰতিফলিত কৰিছে। সৌৰ শক্তিৰ নিৰন্তৰ সম্প্ৰসাৰণে কাৰ্বন নিৰ্গমন হ্ৰাস আৰু পৰিৱেশ সংৰক্ষণত সহায় কৰাৰ লগতে শক্তি ব্যয় হ্ৰাসৰ জৰিয়তে দীৰ্ঘম্যাদী অৰ্থনৈতিক সুফল প্ৰদান কৰিছে। ইয়াৰ ফলত শক্তিৰ দক্ষতা বৃদ্ধিৰ লগতে আত্মনিৰ্ভৰশীলতাও শক্তিশালী হৈছে।

# প্ৰাথমিক শিক্ষাত বুনিয়াদী সাক্ষৰতা আৰু সংখ্যা জ্ঞানৰ প্ৰয়োজনীয়তা

**মঃ আনিচুৰ ৰহমান**

ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ অনুসৰি বুনিয়াদী সাক্ষৰতা আৰু সংখ্যা জ্ঞান (এফ এল এন)ৰ ধাৰণা প্ৰাথমিক শিক্ষাৰ গুৰুত্বপূৰ্ণ দিশ। ই শিশুসকলক প্ৰাথমিক স্তৰত পঢ়া, লিখা আৰু গণনা কৰাৰ দক্ষতা প্ৰদান কৰে। এই নীতিয়ে শিশুসকলৰ ভৱিষ্যৎ শিক্ষা আৰু বিকাশৰ বাবে ভেটি স্থাপন কৰাত এফ এল এনৰ গুৰুত্বক মান্যতা প্ৰদান কৰিছে।

এফ এল এন হৈছে শিশুসকলে প্ৰাথমিক স্তৰত আহৰণ কৰা প্ৰাথমিক দক্ষতা, যিয়ে তেওঁলোকক ভৱিষ্যতৰ শিক্ষাত আৰু জীৱনত সফল হ'বলৈ সহায় কৰে। ইয়াৰ মূল দুটা উপাদান আছে। উপাদান দুটা হ'ল—

১। ভেটি স্বাক্ষৰতা ঃ এই স্তৰটো হৈছে শিশুসকলে পঢ়া, লিখা আৰু ভাষাৰ দক্ষতা অৰ্জন কৰা প্ৰক্ৰিয়া। ইয়াৰ উদ্দেশ্য হ'ল— শিশুসকলক ভাষাৰ ব্যৱহাৰ কৰিবলৈ, পঢ়িবলৈ আৰু লিখিবলৈ শিকোৱা।



২। সংখ্যাজ্ঞান ঃ এই স্তৰত শিশুসকলক সংখ্যা, গণিত আৰু সমস্যা সমাধান কৰা দক্ষতা আহৰণ কৰোৱা হয়। ইয়াৰ উদ্দেশ্য হৈছে— শিশুসকলক সংখ্যাৰ ব্যৱহাৰ কৰিবলৈ, অংক কৰিবলৈ আৰু সমস্যা সমাধান কৰিবলৈ শিকোৱা।

● শিশুসকলৰ ভৱিষ্যৎ শিক্ষা ঃ এফ এল এন-এ শিশুসকলক প্ৰাথমিক স্তৰত পঢ়া, লিখা আৰু গণনা কৰাৰ দক্ষতা প্ৰদান কৰে, যাৰ জৰিয়তে তেওঁলোকৰ ভৱিষ্যৎ শিক্ষা আৰু বিকাশত সহায়ক হয়।

● সামগ্ৰিক বিকাশ ঃ এফ এল এন-এ শিশুসকলৰ সামগ্ৰিক বিকাশত গুৰুত্ব আৰোপ কৰে য'ত তেওঁলোকৰ জ্ঞানমূলক, আৱেগিক আৰু সামাজিক বিকাশ সাধন হয়।

● শিক্ষাৰ গুণগত মান উন্নত কৰা ঃ এফ এল এন-এ শিক্ষাৰ গুণগত মান উন্নত কৰাত সহায় কৰে। যাৰ ফলত শিশুসকলৰ শৈক্ষিক আৰু বৌদ্ধিক দিশৰ উন্নয়ন হয়।

ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে এফ এল এনক সৰ্বোচ্চ অগ্ৰাধিকাৰ প্ৰদান কৰি প্ৰাথমিক পৰ্যায়ত ৰূপায়ণৰ বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। সম্প্ৰতি প্ৰাথমিক পৰ্যায়ৰ শিক্ষা ব্যৱস্থাত নিম্নলিখিত কাৰণসমূহৰ বাবে এফ এল এন অতিকৈ প্ৰয়োজনীয় হৈ পৰিছে।

● ভেটি স্বাক্ষৰতা ঃ এফ এল এন হৈছে শিশুসকলে পঢ়া, লিখা আৰু গণিত শিকাৰ ভেটি। ই শিশুসকলক ভৱিষ্যতৰ বাট দেখুৱায়।

● শিক্ষাৰ ভেটি ঃ এফ এল এন হৈছে প্ৰাথমিক পৰ্যায়ৰ শিক্ষাৰ ভেটি। ই শিশুসকলক উচ্চ শিক্ষাৰ বাবে প্ৰস্তুত কৰি তোলে।

● জীৱন দক্ষতা ঃ এফ এল এন-এ শিশুসকলৰ জীৱনত প্ৰয়োজন হোৱা দক্ষতা যেনে— সমস্যা-সমাধান, সমালোচনাত্মক চিন্তা আৰু যোগাযোগ আদিৰ বাবে সক্ষম কৰি তোলে।

● সামাজিক আৰু অৰ্থনৈতিক উন্নয়ন ঃ শিশুসকলৰ সামাজিক আৰু অৰ্থনৈতিক উন্নয়নত এফ এল এন অতিকৈ প্ৰয়োজন। ইয়াৰ জৰিয়তে শিশুসকলক ভৱিষ্যতৰ সুনাগৰিক হিচাপে গঢ় দিয়াৰ উপৰি তেওঁলোকক অৰ্থনৈতিক দিশটো বিচাৰি উলিওৱাত সহায় কৰে।

● শিক্ষাৰ সমতা ঃ এফ এল এন-এ শিশুসকলৰ মাজত শিক্ষাৰ সমতা স্থাপন কৰে। ই সকলো শিশুকেই সমান সুযোগ আৰু সুবিধা প্ৰদান কৰে।

বৰ্তমান বিশ্বায়নৰ যুগত শিশুসকলকো পৰিৱৰ্তনশীলতাৰে গঢ়ি তোলাটো সময়ৰ আহ্বান। প্ৰাথমিক পৰ্যায়ত এই পৰিৱৰ্তন কেৱল এফ এল এনৰ দ্বাৰাই সম্ভৱ। যিহেতু এফ এল এন হৈছে প্ৰাথমিক শিক্ষাৰ ভেটি আৰু ইয়াৰ প্ৰভাৱ আৰু কাৰ্যকাৰিতাই প্ৰাথমিক শিক্ষাৰ সকলো দিশতে পৰিৱৰ্তন আনিব পাৰে। প্ৰাথমিক শিক্ষাত এই ব্যাপক পৰিৱৰ্তনৰ কাৰণ আৰু কাৰ্যকাৰিতাসমূহ তলত উল্লেখ কৰা হ'ল।

● শিক্ষাৰ প্ৰশিক্ষণ ঃ এফ এল এনৰ পদ্ধতি আৰু কৌশল শিক্ষক প্ৰশিক্ষণসমূহৰ ওপৰত শিক্ষকসকলক প্ৰশিক্ষণ দিয়া হৈছে, যিয়ে তেওঁলোকক উন্নত আৰু নান্দনিকভাৱে শিক্ষাদান কৰিবলৈ সহায় কৰে।

● পাঠ্যক্ৰমৰ সংস্কাৰ ঃ এফ এল এনৰ উপাদানসমূহ অন্তৰ্ভুক্ত কৰা পাঠ্যক্ৰমে শিশুসকলক অধিক মনোগ্ৰাহী কৰি তোলে।

● শিক্ষা সামগ্ৰী ঃ এফ এল এনৰ বাবে উপযুক্ত শিকন সামগ্ৰী প্ৰস্তুত কৰা হৈছে, যাৰ দ্বাৰা শিশুসকল সহজতে বোধগম্য হয়।

**শিশুকেন্দ্ৰিক শিক্ষা ঃ** এফএলএনৰ সহায়ত শিশুসকলৰ প্ৰয়োজন অআৰু আগ্ৰহ অনুসৰি শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰা হয়।

**অভিভাৱক-শিক্ষক সম্পৰ্ক ঃ** এফ এল এনৰ বাবে শিক্ষক- অভিভাৱকসকলৰ মাজত সহযোগিতা বৃদ্ধি পাইছে, যাৰ ফলত সুস্থ শৈক্ষিক পৰিৱেশ গঢ়ি উঠিছে।

**মূল্যায়ন আৰু পৰ্যবেক্ষণ ঃ** ইয়াৰ জৰিয়তে শিশুসকলৰ প্ৰগতি মূল্যায়ন আৰু পৰ্যবেক্ষণ কৰা হয়।

**সম্প্ৰদায় আৰু সমাজৰ অংশগ্ৰহণ ঃ** বিদ্যালয় পৰিচালনা সমিতিৰ উপৰি সম্প্ৰদায় আৰু সমাজৰ অংশগ্ৰহণে বিদ্যালয়খনৰ শৈক্ষিক পৰিৱেশৰ উত্তৰণ ঘটায়। এইদৰে এফ এল এনৰ কাৰ্যকাৰিতাই প্ৰাথমিক পৰ্যায়ৰ শিক্ষাত পৰিৱৰ্তন সাধন কৰিবলৈ সক্ষম হৈছে।

ফোন ঃ ৯৯০১২২১৮৯৫

# বৰপেটা মহাবিদ্যালয়ত সজাগতা অনুষ্ঠান

**বিশেষ সংবাদদাতা**

**বৰপেটা, ২৩ আগষ্ট ঃ** প্ৰজাপিতা ব্ৰহ্মকুমাৰী ঈশ্বৰীয় বিশ্ববিদ্যালয়ৰ বৰপেটা কেন্দ্ৰৰ উদ্যোগত আৰু বৰপেটা মহাবিদ্যালয়ৰ সহযোগত আজি বৰপেটা মহাবিদ্যালয়ত নিচাযুক্ত দ্ৰব্যৰ বিৰুদ্ধে এক সজাগতামূলক অনুষ্ঠান অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ সহকাৰী অধ্যাপক ৰীতামণি বায়নে পৰিচালনা কৰা এই অনুষ্ঠানত আদৰণি ভাষণ দি বৰপেটা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিৰিঞ্চি কুমাৰ দাসে কয় যে ভাৰত চৰকাৰে সমগ্ৰ দেশতে 'নিচামুক্ত ভাৰত অভিযান' চলাই আছে যাতে দেশখনৰ যুৱক-যুৱতীসকলক নিচাযুক্ত দ্ৰব্যৰ পৰা আঁতৰাই ৰাখিব পাৰে। দেখা গৈছে যে আমাৰ সমাজত নিচাযুক্ত দ্ৰব্যৰ প্ৰচলন অতি দ্ৰুতগতিত বৃদ্ধি পাইছে আৰু ইয়াক প্ৰতিৰোধ নকৰিলে কেৱল একোগৰাকী ব্যক্তি নহয়, একোটা পৰিয়াল আৰু অৱশেষত এখন সমাজ ধ্বংসৰ মুখলৈ আগুৱাই যাব। ব্ৰহ্মকুমাৰী দীপ্তিয়ে এই অনুষ্ঠানত মূল বক্তৃতা প্ৰদান কৰি কয় যে ১৯৪৭ত দেশ স্বাধীন হ'লেও আমাৰ প্ৰকৃত স্বাধীনতা তেতিয়াহে পাম যেতিয়া আমি আমাৰ মনৰ মাজত নিহিত বেয়া কথাবোৰৰ পৰা স্বাধীন হ'ব পাৰিম। নিচাযুক্ত দ্ৰব্য সেৱনৰ ফলত হোৱা আমি সন্মুখীন হ'ব পৰা ক্ষয়-ক্ষতি সম্পৰ্কে আলোচনা কৰি তেওঁ কয় যে এনেকুৱা বেয়া অভ্যাসৰ পৰা মুক্তি পোৱাৰ পথ হৈছে আধ্যাত্মিকতাৰ পথ। তেওঁ সকলো শিক্ষাৰ্থীকে নিচাযুক্ত দ্ৰব্যৰ পৰা আঁতৰি থকাৰ বাবে আহ্বান জনায়। লগতে তেওঁ উপস্থিত সকলোকে নিচাযুক্ত দ্ৰব্যৰ পৰা আঁতৰি থকাৰ শপত বাক্য পাঠ কৰোৱায়। অনুষ্ঠানৰ সামৰণিত ব্ৰহ্মকুমাৰী শীলাই অধ্যক্ষ ড° বিৰিঞ্চি কুমাৰ দাসৰ হাতত তেওঁলোকৰ '১০ কড়োৰ নশা মুক্তি প্ৰতিজ্ঞা মহা অভিযান ২০২৬'ৰ অধীনত আজিৰ অনুষ্ঠানৰ আয়োজনত সহযোগিতা আগবঢ়োৱা বাবে এখনি প্ৰশংসাপত্ৰ প্ৰদান কৰে।



# শ্বিলঙত অসম-মেঘালয় সীমান্তত সৃষ্টি হোৱা উত্তেজনা অৱসানৰ দাবী কৃষ্ণাইবাসীৰ

অগ্ৰদূত বাৰ্তা

**কৃষ্ণই, ২৩ আগষ্ট ঃ** মেঘালয়ৰ শ্বিলঙত খাচি ছাত্ৰ সন্থাৰ ৰেলীক কেন্দ্ৰ কৰি হোৱা হিংসাত্মক ঘটনাৰ পৰিপ্ৰেক্ষিতত অসম-মেঘালয় সীমান্তত সৃষ্টি হোৱা উত্তেজনাময় পৰিৱেশৰ শীঘ্ৰে অৱসান বিচাৰিছে গোৱালপাৰা জিলাৰ কৃষ্ণাই অঞ্চলৰ ৰাইজে। আজি কৃষ্ণাইৰ পাইকানত একাংশ ব্যৱসায়ী তথা গাড়ী চালকে এই পৰিস্থিতিৰ অতি সোনকালে শাম কটাটো কামনা কৰিছে। এই সন্দৰ্ভত যুৱনেতা মহম্মদ হুছেইন ছাজুৱে কয় যে মেঘালয়ৰ বিভিন্ন প্ৰান্তত একাংশ উদণ্ড যুৱকে সততে অসম তথা অন্য ৰাজ্যৰ লোকক আক্ৰমণ কৰাটো এটা নিত্যনৈমিত্তিক ঘটনাতে পৰিণত হৈছে। মেঘালয় চৰকাৰ প্ৰশাসনে এই উদণ্ড যুৱকসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ নকৰাৰ ফলতে শ্বিলঙত এনে ভয়ংকৰ ঘটনা সংঘটিত হ'বলৈ পালে। এয়া সঁচাই দুৰ্ভাগ্যজনক। তেওঁ দুয়োখন ৰাজ্যৰ চৰকাৰৰ সন্মিলিত প্ৰচেষ্টাৰে এই উত্তপ্ত পৰিস্থিতিৰ অৱসান ঘটোৱাৰ লগতে ফলপ্ৰসূ সমাধানৰ দাবী জনায়। উল্লেখযোগ্য যে বিগত তিনিদিন ধৰি মেঘালয়ৰ খাচি পাহাৰ তথা যোৱাবাটত যি ধৰণৰ ঘটনা সংঘটিত হৈছে, তাৰ বিপৰীতে কিন্তু গাৰো পাহাৰত শান্তিপূৰ্ণভাৱে চলিছে জনজীৱন। গোৱালপাৰাৰ পাইকানৰ পৰা ২১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ তুৰালৈ আৰু দুধনৈৰ পৰা ৬২ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথেৰে মেঘালয়লৈ সুন্দৰকৈ যাতাযাত অব্যাহত আছে। অসমৰ যান-বাহন মেঘালয়লৈ গৈ আছে তেনেদৰে মেঘালয়ৰ যান বাহনসমূহো অসমলৈ আহি আছে। এই ৰাষ্ট্ৰীয় ঘাইপথ দুটাৰে যিহেতু গাৰো পাহাৰৰ বিভিন্ন ঠাইৰ লগতে খাচি পাহাৰৰ নংষ্টেইন শ্বিলংলৈকেও যাব পাৰি গতিকে এই পথ দুটাৰে তুৰা, শ্বিলঙলৈও যান বাহন চলাচল কৰি থকা পৰিলক্ষিত হৈছে। ইয়াত সংঘটিত হোৱা নাই কোনো উত্তপ্ত পৰিস্থিতি, সংঘটিত হোৱা নাই কোনো হিংসাত্মক ঘটনা, শান্তিপূৰ্ণভাৱে যাতায়াত চলিছে এই পথ সমূহেৰে। সেয়ে কৃষ্ণাইবাসী ৰাইজে খাচি পাহাৰৰ ঘটনাক কেন্দ্ৰ কৰি যোৱাবাটৰ সীমান্তৱৰ্তী অঞ্চলত যিধৰণৰ অচলাৱস্থাৰ পৰিৱেশৰ সৃষ্টি হৈছে তাৰ শীঘ্ৰে সমাধান সূত্ৰ উদ্ভাৱন কৰিবলৈ চৰকাৰ প্ৰশাসনলৈ আহ্বান জনাইছে।

■ চৰকাৰী কালভাৰ্ট বন্ধ কৰি দিয়াৰ অভিযোগ ■ শ-শ বিঘা কৃষিভূমি পানীৰ তলত

# নগাঁৱত কৃত্ৰিম বানক লৈ ৰাইজৰ উত্তাল প্ৰতিবাদ

ষ্টাফ ৰিপ'ৰ্টাৰ

**নগাঁও, ২৩ আগষ্ট ঃ** নগাঁও জিলাৰ ৰূপহীহাটৰ পূব শিঙিমাৰীত এটা চৰকাৰী পথৰ কালভাৰ্ট বন্ধ কৰি দিয়াৰ ফলত কৃত্ৰিম বানৰ সৃষ্টি হোৱাৰ বাবে ৰাইজে আজি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। চামগুৰি ৰাজহ চক্ৰৰ অন্তৰ্গত পূব শিঙিমাৰী আৰু ইয়াৰ দাঁতিকাষৰীয়া কেইবাটাও অঞ্চলত বিগত কে'বাদিন ধৰি হোৱা বৰষুণৰ পানী ওলাই যাব নোৱাৰাত জলমগ্ন পৰিস্থিতিৰ সৃষ্টি হৈছে। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি, অঞ্চলটোৰ অতিৰিক্ত পানী স্বাভাৱিকভাৱে সোণাই নদীলৈ ওলাই যাব পৰাকৈ পূৰ্বৰে পৰা পথত কেইবাটাও কালভাৰ্ট আছিল। কিন্তু আবু নচৰ আৰু নাচিৰ উদ্দিন নামৰ দুজন লোকে পুখুৰী নিৰ্মাণ কৰি উক্ত চৰকাৰী কালভাৰ্টসমূহ বন্ধ কৰি দিয়াৰ ফলতেই পানী নিৰ্গমনৰ পথ ৰুদ্ধ হৈছে বুলি ৰাইজে অভিযোগ কৰে।কালভাৰ্ট বন্ধ হৈ পৰাৰ ফলত বৰষুণৰ পানী ওলাই যাব নোৱাৰি পূব শিঙিমাৰীসহ কাষৰীয়া অঞ্চলসমূহত জমা হৈ পৰিছে। ফলত শ-শ বিঘা কৃষিভূমি



পানীৰ তলত বুৰ যোৱাত কৃষকসকল ব্যাপক ক্ষতিৰ সন্মুখীন হৈছে। বহু পথ-উপ-পথতো পানী জমা হোৱাত সাধাৰণ ৰাইজৰ যাতায়াতত যথেষ্ট অসুবিধাৰ সৃষ্টি হৈছে।স্থানীয় লোকসকলে কয় যে পূৰ্বতে উক্ত কালভাৰ্টসমূহৰ জৰিয়তে অঞ্চলটোৰ অতিৰিক্ত পানী সহজে সোণাই নদীলৈ ওলাই গৈছিল। সেয়েহে বৰষুণৰ সময়তো পানী জমা হোৱাৰ সমস্যা তুলনামূলকভাৱে কম আছিল। কিন্তু কালভাৰ্টসমূহ বন্ধ হৈ যোৱাৰ পাছৰে পৰা পানী নিষ্কাসন ব্যৱস্থা ব্যাহত হৈ পৰাত কৃত্ৰিম বানৰ সৃষ্টি হৈছে বুলি ৰাইজে অভিযোগ কৰে। ইপিনে, জলমগ্নতাৰ ফলত কৃষিভূমিৰ লগতে বসতিপ্ৰধান অঞ্চলসমূহলৈও পানী সোমোৱাৰ আশংকা বৃদ্ধি পাইছে। সময়মতে পানী নিষ্কাসনৰ ব্যৱস্থা গ্ৰহণ নকৰিলে অধিক কৃষিভূমি নষ্ট হোৱাৰ লগতে পৰিস্থিতি অধিক ভয়াৱহ হোৱাৰ আশংকা কৰিছে ভুক্তভোগী কৃষকসকলে। প্ৰতিবাদী ৰাইজে চৰকাৰ আৰু প্ৰশাসনৰ ওচৰত বিষয়টো শীঘ্ৰে তদন্ত কৰি বন্ধ হৈ থকা কালভাৰ্টসমূহ মুকলি কৰাৰ দাবী জনায়।লগতে চৰকাৰী জল নিষ্কাসন ব্যৱস্থা কোনো ব্যক্তিগত স্বাৰ্থত বাধাগ্ৰস্ত কৰা হৈছে নেকি, সেই বিষয়টো তদন্ত কৰি দোষী ব্যক্তিৰ বিৰুদ্ধে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈও প্ৰশাসনক আহ্বান জনায়। ভুক্তভোগী ৰাইজে কয় যে অতি শীঘ্ৰে কালভাৰ্টসমূহ মুকলি কৰি পানী নিষ্কাসনৰ ব্যৱস্থা নকৰিলে পূব শিঙিমাৰীৰ লগতে কাছখাইটি অঞ্চলতো কৃত্ৰিম বান পৰিস্থিতি অধিক ভয়াৱহ ৰূপ ধাৰণ কৰিব।

# চেলেংহাট কুকুৰাচোৱাৰ ধৰ্মপ্ৰাণ ব্যক্তি তথা সুদক্ষ ভাৱৰীয়া দেৱ দত্তৰ দেহাৱসান



অগ্ৰদূত বাৰ্তা

**চেলেংহাট, ২৩ আগষ্ট ঃ** যোৰহাট জিলাৰ চেলেংহাট কুকুৰাচোৱা গাঁৱৰ ধৰ্ম প্ৰাণ ব্যক্তি দেৱ দত্তৰ কালি সন্ধিয়া ৫.৪৫ বজাত যোৰহাটৰ এক ব্যক্তিগত খণ্ডৰ চিকিৎসালয়ত শেষ নিশ্বাস ত্যাগ কৰে। বহু বছৰৰ পৰা বহুমূত্ৰ ৰোগত আক্ৰান্ত হৈ থকা দত্তৰ দিনৰ ভাগত স্বাস্থ্যৰ অৱনতি ঘটাত যোৰহাটৰ এখন চিকিৎসালয়ত ভৰ্তি কৰে যদিও কিছু সময়ৰ পাছতেই তেওঁৰ দেহাৱসান ঘটে। ৭৭ বছৰীয়া দত্ত সমাজৰ বিভিন্ন দিশত জড়িত থকাৰ লগতে এজন সুদক্ষ ভাৱৰীয়া তথা ভাওনাৰ পৰিচালক আছিল। তেওঁৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে কুকুৰাচোৱা গাঁৱৰ লগতে বৃহত্তৰ চেলেংহাট অঞ্চলত শোকৰ ছাঁ পৰে। এগৰাকী নিষ্ঠাবান সমাজকৰ্মী আৰু সৰল-সৌম্য ব্যক্তিত্বৰ অধিকাৰী দেৱ দত্তৰ বিয়োগে অঞ্চলটোৰ সামাজিক ক্ষেত্ৰখনত এক অপূৰণীয় শূন্যতাৰ সৃষ্টি কৰিলে। মৃত্যুৰ সময়ত তেওঁ পত্নী, এজন পুত্ৰ, বোৱাৰী, এগৰাকী বিবাহিতা জী, দুগৰাকী নবৌয়েক, ভতিজা, ভতিজী বোৱাৰী, নাতি-নাতিনীসহ এক বৃহৎ পৰিয়াল ইহসংসাৰত এৰি থৈ যায়। তেওঁৰ পৰলোক প্ৰাপ্তিত বিভিন্নজন ব্যক্তি, শুভাকাংক্ষী আৰু অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ আন্তৰিক সমবেদনা জ্ঞাপন কৰিছে।

# নগাঁও জিলাৰ প্ৰাক্তন আছু নেতা ভাস্কৰ শইকীয়াৰ মৃত্যুত ধিঙত শোকৰ ছাঁ



অগ্ৰদূত বাৰ্তা।

**ধিং, ২৩ আগষ্ট ঃ** বিদেশী বিতাৰণ তথা অসম আন্দোলনৰ বলিষ্ঠ সংগ্ৰামী ছাত্ৰ নেতা ভাস্কৰ শইকীয়াৰ যোৱা নিশা ১২-৩০ বজাত গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। তেওঁৰ মৃত্যুত সমগ্ৰ ধিং অঞ্চলতে গভীৰ শোকৰ ছাঁ পৰে। আজি পুৱা তেওঁ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে শোকত ম্ৰিয়মাণ হৈ পৰে সমগ্ৰ অঞ্চলবাসী। উল্লেখ্য যে যোৱা ১৫ আগষ্টত শইকীয়া হঠাৎ অসুস্থ হৈ পৰাত পৰিয়ালৰ লোকে ততাতৈয়াকৈ গুৱাহাটীস্থ এখন চিকিৎসালয়ত ভৰ্তি কৰায়। পৰৱৰ্তী সময়ত চিকিৎসকে তেওঁ ষ্ট্ৰ'কত আক্ৰান্ত হোৱা বুলি পৰিয়ালক জানিবলৈ দিয়ে। ক্ৰমান্বয়ে তেওঁৰ অৱস্থা শোচনীয় হৈ পৰিছিল। অৱশেষত যোৱা ন দিনে মৃত্যুৰ স'তে যুঁজি যোৱা নিশা তেওঁ নিয়তিৰ ওচৰত হাৰ মানে। প্ৰয়াত শইকীয়াই ১৯৭৭ৰ পৰা ১৯৭৯ লৈ ধিং আঞ্চলিক ছাত্ৰ সন্থাৰ সম্পাদকৰ দায়িত্বত থকাৰ লগতে ১৯৭৯-৮০ত সভাপতিৰ দায়িত্ব গ্ৰহণ কৰিছিল। তদুপৰি ১৯৮১ৰ পৰা ১৯৮৫ লৈ নগাঁও জিলা ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদকৰ পদ অলংকিত কৰা অসম আন্দোলনত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি ধিং তথা ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলত তেওঁ অগ্ৰণী নেতা হিচাপে পৰিচয় দিছিল। পৰৱৰ্তী সময়ত অসম গণ পৰিষদ দলত যোগদান কৰি বিভিন্ন পদত অধিষ্ঠিত হ'বলৈ সক্ষম হৈছিল। ধিং লুইত পৰীয়া যুৱক সংঘৰ প্ৰতিস্থা কালৰ অন্যতম উদ্যোক্তা প্ৰয়াত শইকীয়া ধিং প্ৰগতি পুথিভঁৰাল আৰু নাট্য সমিতিৰ সদস্যৰ লগতে ৰত্ন ভৱন বিহুতলী, ধিঙৰ যুৱীয়া নামঘৰ, উজনি বৰ নামঘৰ, ধিং শাখা সাহিত্য সভা আদিৰ স'তে ওতঃপ্ৰোতভাৱে জড়িত হৈ থকাৰ লগতে আঠগাঁও গণেশ মন্দিৰ পৰিচালনা সমিতিৰ সভাপতিৰ পদতো অধিষ্ঠিত হৈ আছিল। শেহতীয়াভাৱে গঠিত সংগ্ৰামী সতীৰ্থ অসম আন্দোলনৰো সক্ৰিয় সদস্য আছিল প্ৰয়াত শইকীয়া । আজি পুৱা শইকীয়াৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে ধিঙস্থ সুতিৰপাৰ বাসগৃহলৈ অগণন গুণমুগ্ধৰ লানি নিছিঙা সোঁত বয়।

# ধৰ্ষণৰ অভিযোগত এজনক গ্ৰেপ্তাৰ

অগ্ৰদূত বাৰ্তা

**বৰমা, ২৩ আগষ্ট ঃ** বৰমাৰ নিকটৱৰ্তী চাপৰা গাঁৱত সংঘটিত হৈছে এক জঘন্য কাণ্ড। গাঁওখনৰ এটা পৰিয়ালত ঘৰত কোনো নথকাৰ সুযোগ লৈ চাপৰা গাঁৱৰ মহিদুল ইছলাম নামৰ বিবাহিত পুৰুষ এজনে সেই একে গাঁৱৰে নাবালিকা ছোৱালী এজনীক মাতি নি ধৰ্ষণ কৰাৰ কথা পোহৰলৈ অহাত চাঞ্চল্যৰ সৃষ্টি হৈছে গাঁওখনত। ছোৱালীজনীৰ মাতৃয়ে জনোৱা মতে, কাঠমিস্ত্ৰি মহিদুলে পথৰ পৰা তেওঁৰ নাবালিকা ছোৱালীজনীক নিজ ঘৰলৈ মাতি নি ধৰ্ষণ কৰাৰ কথা নাবালিকাৰ মুখৰ পৰা জানিব পাৰে। ছোৱালীজনীৰ মাতৃয়ে শনিবাৰে ন্যায় বিচাৰি বৰমা থানাত এখন এজাহাৰ দাখিল কৰে। পাছত বৰমা আৰক্ষীয়ে ধৰ্ষণকাৰী মহিদুল ইছলামক ভাৰতীয় দণ্ড বিধি আইনৰ পক্স' ধাৰাৰ ৬১/২৬ নম্বৰ গোচৰত গ্ৰেপ্তাৰ কৰে।

# শৰৎ চন্দ্ৰ সিংহ কৃষি মহাবিদ্যালয়ৰ ১৩ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**চাপৰ, ২৩ আগষ্ট ঃ** অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনৰ চাপৰ ৰঙামাটিস্থিত শৰৎ চন্দ্ৰ সিংহ কৃষি মহাবিদ্যালয়ৰ ১৩ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি বিভিন্ন কাৰ্যসূচীৰে উদযাপন কৰা হয়। কৃষি মহাবিদ্যালয়ৰ উক্ত অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকে বিলাসীপাৰা সমষ্টিৰ বিধায়ক জীৱেশ ৰায়। আজি পুৱা অনুষ্ঠানৰ আৰম্ভণিতে অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা জননেতা শৰৎ চন্দ্ৰ সিংহৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে বিধায়কজনে। অনুষ্ঠানত বিভিন্ন প্ৰতিযোগিতাৰ বিজয়ী ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বঁটা বিতৰণ কৰাৰ লগতে আন কে'বাটাও কাৰ্যসূচী অনুষ্ঠিত হয়। অনুষ্ঠানত অংশগ্ৰহণ কৰি বিধায়ক জীৱেশ ৰায়ে কৃষি শিক্ষা, গৱেষণা আৰু কৃষি ক্ষেত্ৰত সামগ্ৰিক উন্নয়নৰ দিশত শৰৎ চন্দ্ৰ সিংহ কৃষি মহাবিদ্যালয়খনে ভৱিষ্যতেও এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি যাব বুলি আশা প্ৰকাশ কৰে। উল্লেখ্য যে আজিৰ অনুষ্ঠানত গোসাঁইগাঁওস্থিত অসম কৃষি বিশ্ববিদ্যালয়ৰ আঞ্চলিক কৃষি গৱেষণা কেন্দ্ৰৰ মুখ্য বিজ্ঞানী ড° কৰ্মেশ্বৰ দাস, শৰৎ চন্দ্ৰ সিংহ কৃষি বিশ্ববিদ্যালয়ৰ ডীন ড° ৰঞ্জিত শৰ্মা, ধুবুৰীস্থিত কৃষি বিজ্ঞান কেন্দ্ৰৰ মুৰব্বী ড° ফকৰ উদ্দিন আলী আহমেদৰ লগতে বিভিন্ন বিশিষ্ট ব্যক্তি আৰু মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী তথা ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

# 'কুইজৰ ৰম্যভূমি'ত প্ৰতিৰূপ বায়ন, প্ৰণৱ দাস বিজয়ী



**গুৱাহাটী, ২৩ আগষ্ট ঃ** ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ পৱিত্ৰ স্মৃতিত ভবেন্দ্ৰ নাথ শইকীয়া শিশু কল্যাণ ন্যাসৰ উদ্যোগত আৰু কুইজৰ সংস্থা 'অ আ, ক খ'ৰ সহযোগত আজি আয়োজন কৰা হয় 'কুইজৰ ৰম্যভূমি' শীৰ্ষক কুইজ প্ৰতিযোগিতা। সদৌ অসম ভিত্তিত আয়োজিত মুকলি কুইজ আৰু স্কুল কুইজৰ বিষয় আছিল - ভবেন্দ্ৰ নাথ শইকীয়া, অসমৰ সাহিত্য-সংস্কৃতি। দ্বাদশ শ্ৰেণী পৰ্যন্ত মুকলি একক স্কুল কুইজ প্ৰতিযোগিতাত বিজয়ী হয় ভাস্বতী শাণ্ডিল্য। দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰ লাভ কৰে ক্ৰমে ৰক্তিম ভৰদ্বাজ আৰু জাগৃতি ভৰদ্বাজে। চতুৰ্থ, পঞ্চম আৰু ষষ্ঠ স্থান লাভ কৰে ক্ৰমে কৰিস্মিতা কলিতা, দৰ্শন গৌতম আৰু নীৰজ শৰ্মাই। স্কুল কুইজ প্ৰতিযোগিতা পৰিচালনা কৰে পংকজ শৰ্মা আৰু দীপাংকৰ কৌশিকে। আনহাতে, ৰাজ্যৰ ভিন্ন প্ৰান্তৰ ৩১ টা দলে অংশ লোৱা মুকলি কুইজত বিজয়ী হয় বকোৰ প্ৰতিৰূপ বায়ন, আমতলাৰ প্ৰণৱ দাসৰ দলে। দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰ লাভ কৰে ক্ৰমে নগাঁৱৰ দুল হাজৰিকা, ৰামদিয়াৰ নীলোৎপল পাটোৱাৰী আৰু গুৱাহাটীৰ অংকুৰজ্যোতি শৰ্মা, নলবাৰীৰ সোণমণি দাসৰ দলে। প্ৰথম তিনিটা বিজয়ী দলক পাঁচ হেজাৰ, চাৰি হেজাৰ, তিনি হেজাৰ টকা, ট্ৰফী আৰু মানপত্ৰ প্ৰদান কৰা হয়। শ্ৰেষ্ঠ দলে লাভ কৰে ভবেন্দ্ৰ নাথ শইকীয়া সোঁৱৰণী চলন্ত ট্ৰফী। ফাইনেল ৰাউণ্ডলৈ উন্নীত আন তিনিটা দলকো মানপত্ৰ, ট্ৰফী আৰু নগদ এহেজাৰ টকাকৈ আগবঢ়োৱা হয়। শ্ৰেষ্ঠ দৰ্শকৰ দুটা পুৰস্কাৰ লাভ কৰে নগাঁৱৰ দুল হাজৰিকা আৰু জাগীৰোডৰ উজ্বলমণি তালুকদাৰে। মুকলি কুইজ পৰিচালনা কৰে ৰবেন্দ্ৰ কুমাৰ দাস আৰু দিলীপ কুমাৰ শৰ্মাই। বেলতলাৰ ছাৰ্ভেস্থিত 'আৰোহণ'ত অনুষ্ঠিত প্ৰতিযোগিতা উদ্বোধন কৰে ন্যাসৰ মুখ্য ন্যাসৰক্ষী প্ৰীতি শইকীয়াই। বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাপ্ৰাপ্ত অভিনেত্ৰী তথা ন্যাসৰ সচিব মলয়া গোস্বামী আৰু ন্যাসৰক্ষী শান্তনু শইকীয়া। বঁটা বিতৰণী অনুষ্ঠানত উপস্থিত থাকে সাংস্কৃতিক কৰ্মী তথা ন্যাসৰক্ষী গোপাল জালান আৰু আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ অনুষ্ঠান কাৰ্যবাহী তথা ন্যাসৰক্ষী ইন্দ্ৰজিৎ দাস।

# কৰ্তব্যস্থানলৈ যোৱা লোকনিৰ্মাণ বিভাগৰ কৰ্মচাৰী ৰোহন চন্দ্ৰ বৰা সন্ধানহীন



অগ্ৰদূত বাৰ্তা

**উত্তৰ গুৱাহাটী, ২৩ আগষ্ট ঃ** নিজ গৃহৰ পৰা কৰ্তব্যস্থানলৈ গৈ থকা অৱস্থাত সন্ধানহীন হৈছে লোক নিৰ্মাণ বিভাগৰ ২৮ বছৰীয়া কৰ্মচাৰী ৰোহন চন্দ্ৰ বৰা। প্ৰাপ্ত তথ্য অনুসৰি, মূল গৃহ উত্তৰ গুৱাহাটী ৰংমহল যদিও কৰ্মসূত্ৰে মৰিগাঁও জিলাৰ সোণাৰী গাঁৱত থকা পিতৃ প্ৰয়াত হৰেণ চন্দ্ৰ বৰা আৰু মাতৃ মামনী বৰাৰ পুত্ৰ ৰোহন চন্দ্ৰ বৰা (২৮) ৰ যোৱা ২১ আগষ্ট শুক্ৰবাৰৰ পৰা নিজ কৰ্তব্য স্থান নগাঁও অভিমুখে যোৱাৰ পিছৰে পৰা সন্ধানহীন হৈ আছে। নিজ বাসস্থান মৰিগাঁও জিলাৰ সোণাৰীগাঁৱৰ পৰা ৰোহনে নিজা দুচকীয়া বাহনখন লৈ কৰ্মস্থলীলৈ ওলাই গৈছিল যদিও আজি পৰ্যন্ত ঘৰলৈ ঘূৰি নহাত পৰিয়াল গভীৰ চিন্তাত অতিবাহিত কৰিব লগা হৈছে। পৰিয়ালৰ তৰফৰ পৰা সম্ভাব্য সকলো স্থানত বিচাৰিছে যদিও ৰোহনৰ কোনো সন্ধান লাভ কৰিবলৈ সক্ষম হোৱা নাই। পৰিয়ালে ইতিমধ্যে উপায়হীন হৈ অৱশেষত স্থানীয় আৰক্ষী থানাত বিষয়টো অৱগত কৰে। আৰক্ষীয়ে ৰোহনক উদ্ধাৰ কৰাৰ বাবে অনুসন্ধান আৰম্ভ কৰিছে যদিও বাতৰি যুগুতোৱা সময়লৈকে ৰোহনৰ সন্ধান লাভ কৰিবলৈ সক্ষম হোৱা নাই।কোনো সদাশয় ব্যক্তিয়ে ৰোহনৰ সন্ধান লাভ কৰিলে পৰিয়ালৰ তৰফৰ পৰা ৮৭২৩৮৮১৯৫৫, আৰু ৯৬৭৮৭৭৪৬৬৮ নম্বৰত যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে।

# খাটিকুছিত আছুৰ উদ্যোগত শতাধিক কীৰ্তিমানক সম্বৰ্ধনা




অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ২৩ আগষ্ট ঃ** সদৌ অসম ছাত্ৰ সন্থাৰ শিক্ষানীতিৰ আধাৰত সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ অন্তৰ্গত পশ্চিম বনভাগ আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত সাগৰকুছি খাটিকুছি দুৰ্গা মন্দিৰ প্ৰাংগণত আজি দিনৰ ১২ বজাত বিশেষ অভিনন্দন অনুষ্ঠান আৰু সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হয় । পশ্চিম বনভাগ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ৰাজদ্বীপ চৌধুৰীৰ সভাপতিত্বত অনুষ্ঠিত অভিনন্দন অনুষ্ঠান উদ্বোধন কৰি সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা উৎপল কলিতাই ছাত্ৰ-ছাত্ৰীসকলক জীৱনৰ প্ৰতিটো খোজতে শৃংখলাৱদ্ধভাৱে আগবাঢ়ি যাবলৈ আহ্বান জনায়। আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক অবিনাশ কলিতাই উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি বিশিষ্ট শিক্ষাবিদ তথা নলবাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমল নাৰায়ণ পাটোৱাৰীয়ে শিক্ষাৰ্থীসকলক কঠোৰ অধ্যয়ন আৰু প্ৰবল আত্মবিশ্বাসৰে শৈক্ষিক জীৱনত আগুৱাই যাবলৈ আহ্বান জনোৱাৰ লগতে দৰিদ্ৰতা মেধাৰ ক্ষেত্ৰত কেতিয়াও হেঙাৰ নহয় বুলি উল্লেখ কৰি কয় যে বৰ্তমান সময়ত দেওবাৰৰ হবিয়ে শিক্ষাৰ্থীসকলক যথেষ্ট উপকৃত কৰিছে। সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ সাংস্কৃতিক সম্পাদক অমৰজিত দাসে আঁত ধৰা বিশেষ অভিনন্দন অনুষ্ঠানত সাগৰকুছি-খাটিকুছি অঞ্চলৰ বিভিন্ন শিক্ষানুষ্ঠানৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ হোৱা শতাধিক কীৰ্তিমান ছাত্ৰ-ছাত্ৰীক অভিনন্দন পত্ৰ আৰু কিতাপৰ টোপোলাৰে অভিনন্দন জ্ঞাপন কৰা হয়। উক্ত অনুষ্ঠানতে অঞ্চলটোৰ শিক্ষানুষ্ঠানসমূহৰ মুৰব্বীসকলক সম্বৰ্ধনা জনোৱা হয়। উক্ত সভাত নলবাৰী জিলাৰ উপ আৰক্ষী অধীক্ষক মিনাক্ষী দাস, সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা অক্ষয় ডেকা, অসম উন্নতি সভা নলবাৰী জিলা সমিতিৰ সাধাৰণ সম্পাদক ৰাতুল চন্দ্ৰ ডেকা, পশ্চিম বনভাগ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ মঞ্জু ৰাণী ভূঞাই ছাত্ৰ- ছাত্ৰীৰ উদ্দেশ্যে প্ৰাসংগিক ভাষণ প্ৰদান কৰে। উক্ত সভাতে অঞ্চলটোৰ শিক্ষানুষ্ঠানসমূহৰ পৰা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সৰ্বোচ্চ নম্বৰ লাভ কৰা নৱনীতা কলিতাক সংগীত গ্ৰুপ অফ ক্ৰিয়েছনৰ তৰফৰ পৰা বানেশ্বৰ দেৱ শৰ্মা শৈক্ষিক বঁটা প্ৰদান কৰা হয়।

# হৰি-গায়ত্ৰী দাস মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**আজাৰা, ২৩ আগষ্ট ঃ** মহানগৰীৰ পশ্চিম প্ৰান্তৰ আজাৰাস্থিত হৰি-গায়ত্ৰী দাস মহাবিদ্যালয়ৰ ৩০ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি মহাবিদ্যালয় প্ৰাংগণত দিনজোৰা কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। হৰি-গায়ত্ৰী দাস মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিজু বৰুৱাই পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ আৰম্ভ কৰে। ইয়াৰ পাছতে মহাবিদ্যালয়ৰ দাঁতা হৰিশ্চন্দ্ৰ দাসৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ আৰু শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। দুপৰীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিজু বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত হয় মুকলি সভা। মুকলি সভাৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ড° বলেন্দ্ৰ কুমাৰ দাসে বন্তি প্ৰজ্বলন কৰি সভাৰ আৰম্ভ কৰে। অধ্যাপক ববিতা শৰ্মাই আঁত ধৰা মুকলি সভাত ড° বলেন্দ্ৰ কুমাৰ দাস, কাৰ্যকৰী সভাপতি ভৰেন চন্দ্ৰ মেধি, সম্পাদক মধুসূদন দাস আদি কে'বাগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰি মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাৰ লগত জড়িত বিভিন্ন বিষয়ত বক্তব্য আগবঢ়ায়। উক্ত মুকলি সভাতে মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাৰ লগত জড়িত কে'বাগৰাকী বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়। সভাত মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাৰ লগত জড়িত ব্যক্তিসকলৰ লগত এক মত বিনিময় অনুষ্ঠান অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাৰ সময়ৰ স্মৃতি ৰোমন্থন কৰি ৰাইজৰ সহায়-সহযোগত আজি ৩০ বছৰত পদাৰ্পণ কৰা মহাবিদ্যালয়ৰ শৈক্ষিক যাত্ৰাই ভৱিষ্যৎ প্ৰজন্মক জ্ঞানৰ বাট মুকলি কৰিব বুলি মত বিনিময় অনুষ্ঠানত বিশিষ্ট ব্যক্তিসকলে আশা প্ৰকাশ কৰে। সভাৰ শেষত নীলাক্ষী গোস্বামীয়ে শলাগৰ শৰাই আগবঢ়ায়।

ধৃত চোৰকেইটাক ঘগ্ৰাপাৰ আৰক্ষী থানাত মাৰাথন জেৰা অব্যাহত

# আৰক্ষীয়ে মুকালমুৱাত পাঁচ কুখ্যাত গৰুচোৰক আটক

অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ২৩ আগষ্ট ঃ** দীৰ্ঘদিন ধৰি নলবাৰীত গৰুচোৰৰে সন্ত্ৰাসৰ সৃষ্টি কৰি অহাৰ সময়তে আৰক্ষীয়ে কালি নলবাৰীৰ মুকালমুৱাত পাঁচ গৰুচোৰক আটক কৰে। নলবাৰী জিলাত দীৰ্ঘদিন ধৰি চলি থকা গৰুচোৰক সন্ত্ৰাসৰ বিৰুদ্ধে অৱশেষত মুকালমুৱা আৰক্ষীৰ সহযোগত ঘগ্ৰাপাৰ আৰক্ষীয়ে চোৰকেইটাক আটক কৰিবলৈ সক্ষম হয়। আজি মুকালমুৱা অঞ্চলৰ পৰা পাঁচগৰাকীকৈ কুখ্যাত গৰুচোৰক আটক কৰিবলৈ সক্ষম হয় আৰক্ষী। ধৃত লোককেইজন ঘগ্ৰাপাৰ অঞ্চলত চলি থকা সংঘবদ্ধ গৰুচোৰ চক্ৰৰ স'তে জড়িত থকাৰ সন্দেহ কৰা হৈছে। আৰক্ষী সূত্ৰে জানিব পৰা মতে, ঘগ্ৰাপাৰ আৰক্ষী চকীত ৰুজু হৈ থকা কেচ নম্বৰ ৮৯/২৬ আৰু৩০৫ ধাৰা'ৰ অধীনত এই আটক অভিযান চলোৱা হৈছিল। ধৃত চোৰকেইজন হ'ল ৰাজুল আলী (২৬), আধিয়াপাৰা, চিদ্দিক আলী (৩৬) দেহাৰকুছি, ধন আলী (৩৩) হাজো, মজনুৰ আলী (২৮) ঘোগামস্তাফা আহমেদ (২৬) আধিয়াপাৰা।

ইফালে, আৰক্ষীয়ে চুৰি কাৰ্যত ব্যৱহাৰ কৰা ৪৭১৮ নম্বৰ গাড়ী এখন জব্দ কৰে। সম্প্ৰতি ঘগ্ৰাপাৰ আৰক্ষীয়ে ধৃত চোৰকেইটাক মাৰাথন জেৰা অব্যাহত ৰাখিছে। আৰক্ষীয়ে জানিবলৈ দিয়া মতে, অধিক তদন্তৰ পাছত এই চক্ৰৰ স'তে জড়িত আন বহু গুৰুত্বপূৰ্ণ তথ্য পোহৰলৈ অহাৰ সম্ভাৱনা আছে। দীৰ্ঘদিন ধৰি নলবাৰীৰ সমান্তৰালভাৱে ঘগ্ৰাপাৰ অঞ্চলৰ কৃষক ৰাইজক গৰুচোৰ চক্ৰটোৱে টোপনি হৰণ কৰি আহিছিল।

শিৱসাগৰৰ পৰা নগাঁৱৰ ৰূপহীলৈ হৈছিল সৰবৰাহ

# কলিয়াবৰত আৰক্ষীৰ অভিযানত ৩২ টা গৰুসহ ট্ৰাক জব্দ



অগ্ৰদূত বাৰ্তা

**কলিয়াবৰ, ২৩ আগষ্ট ঃ** উজনিৰ পৰা নামনি অসমৰ লগতে মধ্য অসমৰ বিভিন্ন স্থানলৈ গোপনে অবৈধ গোধন সৰবৰাহ হৈ থকাৰ সময়তে আজি গৰু সৰবৰাহকাৰীৰ বিৰুদ্ধে কলিয়াবৰৰ বাগৰি আৰক্ষীয়ে লাভ কৰে বৃহৎ সফলতা। কলিয়াবৰৰ বাগৰিৰ ৰাজপথত অবৈধ গৰু সৰবৰাহত জড়িত এখন ট্ৰাকক আৰক্ষীয়ে হাতে-লোটে কৰায়ত্ত কৰিবলৈ সক্ষম হয়। আৰক্ষী সূত্ৰৰ তথ্য অনুসৰি, এএছ- ২৫ এফচি- ৮৭৯৯ নম্বৰৰ ট্ৰাকখনত ৩২ টাকৈ গৰু অতি নৃশংসভাৱে ভৰাই শিৱসাগৰৰ পৰা নগাঁৱৰ ৰূপহী অভিমুখে চোৰাংভাৱে সৰবৰাহ কৰি নিয়া হৈছিল। গোপন সূত্ৰৰ খবৰৰ ভিত্তিত বাগৰি আৰক্ষীয়ে অভিযান চলাই থকাৰ সময়তে গৰুসহ ট্ৰাকখন জব্দ কৰে। আৰক্ষীয়ে জনোৱা মতে, গৰুখিনি কোনো বৈধ কাগজ-পত্ৰ অবিহনে সৰবৰাহ কৰা হৈছিল। চালক আৰু হেণ্ডিমেনে আৰক্ষীক দেখি পলায়নৰ চেষ্টা কৰিছিল যদিও আৰক্ষীয়ে ট্ৰাকসহ জব্দ কৰে। বৰ্তমান গৰুখিনি বাগৰি থানাত ৰখা হৈছে আৰু অবৈধ সৰবৰাহৰ গোচৰ ৰুজু কৰা হৈছে। ইফালে, এই গৰু সৰবৰাহৰ লগত কোনো বৃহৎ চক্ৰ জড়িত আছে নেকি, সেই সন্দৰ্ভত আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে। জানিব পৰা মতে, বিশেষ চক্ৰক হাতৰ মুঠিত ৰাখি এনেদৰেই দুষ্টচক্ৰই সৰবৰাহ কৰি আহিছে গোধন।

# অসম ডনবস্কো বিশ্ববিদ্যালয়ত 'কৃত্ৰিম বুদ্ধিমত্তা সক্ষম জৰুৰীকালীন সংযোগ ব্যৱস্থা' শীৰ্ষক ৰাষ্ট্ৰীয় আলোচনাচক্ৰ

অগ্ৰদূত বাৰ্তা

**আজাৰা, ২৩ আগষ্ট ঃ** অখিল ভাৰতীয় কাৰিকৰী শিক্ষা প্ৰতিষ্ঠানৰ পৃষ্ঠপোষকতাত গুৱাহাটীৰ পশ্চিম প্ৰান্তৰ আজাৰাস্থিত অসম ডনবস্কো বিশ্ববিদ্যালয়ত ২০ আগষ্টৰ পৰা দুদিনীয়াকৈ আৰম্ভ হোৱা 'কৃত্ৰিম বুদ্ধিমত্তা সক্ষম জৰুৰীকালীন সংযোগ ব্যৱস্থা' শীৰ্ষক এখন দুদিনীয়া ৰাষ্ট্ৰীয় আলোচনাচক্ৰৰ ২১ আগষ্ট বিয়লি সামৰণি পৰে। বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য ফাডাৰ ড° জ'ছ পেলেলি আৰু সম উপচাৰ্য ফাডাৰ যোচেফ নেল্লানাটৰ নেতৃত্বত অনুষ্ঠিত আলোচনাচক্ৰৰ সমন্বয়ক আছিল ড° দেৱশ্ৰী বৰঠাকুৰ আৰু সহ-সমন্বয়ক আছিল ড° স্মৃতি প্ৰিয়া মেধি। যোৱা ২০ আগষ্টৰ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ ৰাজ্যিক প্ৰকল্প বিষয়া ড° কৃপালজ্যোতি মজুমদাৰে উত্তৰ-পূৰ্বাঞ্চলৰ দৰে দুৰ্যোগ প্ৰৱণ অঞ্চলত নিৰ্ভৰযোগ্য যোগাযোগ ব্যৱস্থা, প্ৰযুক্তিগত প্ৰস্তুতি আৰু সমন্বিত দুৰ্যোগ প্ৰতিক্ৰিয়া ব্যৱস্থাৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে। এই আলোচনাচক্ৰৰ এক উল্লেখ্য বৈশিষ্ট্য হ'ল 'এআইচিটিইভিএএএনআই' উদ্যোগৰ অধীনত মণিপুৰী ভাষাত ইয়াৰ আয়োজন আৰু মূল উদ্দেশ্য হৈছে আঞ্চলিক ভাৰতীয় ভাষাৰ জৰিয়তে কাৰিকৰী শিক্ষা আৰু জ্ঞানৰ প্ৰসাৰ ঘটোৱা। আলোচনাচক্ৰখনত উত্তৰ-পূৰ্বাঞ্চলৰ ভৌগোলিক বৈশিষ্ট্য, যোগাযোগৰ সীমাবদ্ধতা আৰু প্ৰাকৃতিক দুৰ্যোগৰ প্ৰতি থকা দুৰ্বলতা আদিৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। গুৱাহাটী বিশ্ববিদ্যালয়, ৰাজীৱ গান্ধী বিশ্ববিদ্যালয়, অসম অভিযান্ত্ৰিক মহাবিদ্যালয়, ৰাষ্ট্ৰীয় প্ৰযুক্তি প্ৰতিষ্ঠান মণিপুৰ আৰু সম ডনবস্কো বিশ্ববিদ্যালয়কে ধৰি অঞ্চলটোৰ কে'বাখনো আগশাৰীৰ শিক্ষানুষ্ঠানৰ বিশিষ্ট সমল ব্যক্তিসকলে আলোচনাচক্ৰত বিভিন্ন কাৰিকৰী অধিবেশনত অংশগ্ৰহণ কৰে আৰু বিশেষজ্ঞ মতামত আগবঢ়ায়। আলোচনাচক্ৰত উপগ্ৰহ যোগাযোগ, ৬ জি এন্টেনা ডিজাইন, কোৱান্টাম-সহায়িত যোগাযোগ নেটৱৰ্ক আৰু বানপানীৰ আশংকা ব্যৱস্থাপনাত কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰয়োগ আদি অত্যাধুনিক বিষয়সমূহৰ ওপৰত কাৰিকৰী আলোচনা অনুষ্ঠিত হয়। ৰাষ্ট্ৰীয় আলোচনাখনে দক্ষতা বিকাশ, জ্ঞানৰ আদান-প্ৰদান আৰু আন্তঃবিষয়ক গৱেষণৰ বাবেও এক গুৰুত্বপূৰ্ণ মঞ্চ হিচাপে কাম কৰিব বুলি আশা কৰা হৈছে।



# পাড়িক্কালৰ শতকৰে বৃহৎ স্ক’ৰৰ দিশে ভাৰত

## কোহলিৰ কৃতিত্ব অতিক্ৰম কৰিলে শুভমনে, আঘাত পাই বেটিং কৰিব নোৱাৰিলে পণ্টে ঃ সাৰাংশৰ অভিষেক



**নিউজ ব্যুৰ’**
**কলম্বো, ২৩ আগষ্ট ঃ** দেৱদত্ত পাড়িক্কালৰ উপৰ্যুপৰি দ্বিতীয় শতৰাণৰ সহায়ত শ্ৰীলংকাৰ বিপক্ষে দ্বিতীয় টেষ্টত বৃহৎ স্ক’ৰৰ দিশে অগ্ৰসৰ হৈছে ভাৰত। আজি প্ৰথম দিনাৰ খেল সমাপ্তিলৈ ভাৰতে পাঁচ উইকেটৰ বিনিময়ত ৩০০ ৰাণ সংগ্ৰহ কৰে। পাড়িক্কালে ১১৭ ৰাণ কৰে। ক্ৰমাগত দুখন টেষ্টত দুটা শতক আৰু এটা অৰ্ধশতক অৰ্জন কৰি কৰ্ণাটকৰ তৰুণ বেটাৰজনে টেষ্টত ভাৰতৰ তিনি নম্বৰ স্থান প্ৰায় নিগাজি কৰিলে।

ভাৰতে আজি প্ৰথমে বেটিঙৰ সিদ্ধান্ত লোৱাৰ পাছত যশস্বী জয়ছোৱাল আৰু লোকেশ ৰাহুলে সুন্দৰ আৰম্ভণি কৰিছিল। তথাপি অপেনাৰদ্বয়ে বৃহৎ স্ক’ৰ কৰিব নোৱাৰিলে। যশস্বীয়ে ৪৫ আৰু ৰাহুলে ১৮ ৰাণ কৰি আউট হয়। ইয়াৰ পাছতে পাড়িক্কালে অধিনায়ক শুভমন গিলৰ স’তে ইনিংছৰ গুৰি ধৰে। পাড়িক্কালৰ ইনিংছটোত আছিল ৰক্ষণ আৰু আক্ৰমণৰ সমাহাৰ। ১৯৩টা বল খেলি ১২টা বাউণ্ডেৰীৰে শতৰাণৰ ইনিংছটো সজাই তেওঁ আউট হয়। আনহাতে, অধিনায়ক শুভমনে ১০৮টা বলত ৫০ ৰাণ কৰি আউট হয়। শৃংখলাত প্ৰথম অৰ্ধশতৰাণ কৰাৰ পথত তেওঁ টেষ্টত তিনি হেজাৰ ৰাণ সম্পূৰ্ণ কৰে। মাত্ৰ ২৬ বছৰ ৩৪৯ ৰাণ দিনত তিনি হেজাৰ ৰাণ কৰি তেওঁ কিংবদন্তি অলৰাউণ্ডাৰ কপিল দেৱৰ কৃতিত্ব অতিক্ৰম কৰে। কপিলে ২৬ বছৰ ৩৫৬ দিনত তিনি হেজাৰ ৰাণ কৰিছিল। অৱশ্যে ভাৰতৰ হৈ সবাতোকৈ কম বয়সত তিনি হেজাৰ টেষ্ট ৰাণ কৰাৰ অভিলেখ আছে শচীন তেণ্ডুলকাৰৰ।

ইপিনে, শুভমনে প্ৰথম ভাৰতীয় অধিনায়কৰূপে এটা টেষ্ট বিশ্ব চেম্পিয়নশ্বিপৰ চক্ৰত এহেজাৰ ৰাণ সম্পূৰ্ণ কৰে। ২০১৯-২১ত কোহলিয়ে ৯৩২ ৰাণ কৰিছিল। দুয়োৰে বিদায়ৰ পাছত ঋষভ পণ্টে তিনি ৰাণতে আঙুলি আঘাত পাই খেলপথাৰ ত্যাগ কৰে। অৱশ্যে ৰবীন্দ্ৰ জাদেজাই ৪৩ ৰাণ কৰি দলক নিৰ্ভৰতা প্ৰদান কৰে। দিনান্তত ধ্ৰুৱ জুৰেলে সাত আৰু টেষ্ট অভিষেককাৰী সাৰাংশ জৈনে চাৰি ৰাণত অপৰাজিত হৈ ৰয়।



## আগিয়াত ছহিদ নিধানুৰাম ফুটবল আৰম্ভ

**অগ্ৰদূত বাৰ্তা**
**আগিয়া, ২৩ আগষ্ট ঃ** গোৱালপাৰা জিলাৰ আগিয়াৰ জেএন মেম’ৰিয়েল উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আজিৰে পৰা অবিভক্ত গোৱালপাৰা জিলাৰ প্ৰথম স্বাধীনতা আন্দোলনৰ ছহিদ নিধানুৰাম ৰাজবংশীৰ সোঁৱৰণত পঞ্চম বাৰ্ষিক ফুটবল প্ৰতিযোগিতা আৰম্ভ হৈছে। ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ অৰ্থ সাহায্যত বিগত চাৰি বছৰৰ পৰা এই ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হৈ আহিছে। আজিৰ উদ্বোধনী খেলখন আগিয়া আৰক্ষী থানা ফুটবল দল আৰু মায়াবিনী এফচি (বগুৱান)ৰ মাজত অনুষ্ঠিত হয়। খেলখনত আগিয়া আৰক্ষী থানা ফুটবল দলে মায়াবিনী এফচিক ৪-১ গ’লৰ ব্যৱধানত পৰাজিত কৰে।

# ডুৰাণ্ড কাপত চেম্পিয়ন ইষ্টবেংগল

## মোহনবাগানক বিধ্বস্ত কৰি ২২ বছৰৰ পাছত খিতাপ জয়

**নিউজ ব্যুৰ’**
**কলকাতা, ২৩ আগষ্ট ঃ** চিৰন্তন প্ৰতিদ্বন্দ্বী মোহনবাগানক বিধ্বস্ত কৰি ঐতিহ্যমণ্ডিত ডুৰাণ্ড কাপ ফুটবলৰ খিতাপ জয় কৰিলে ইষ্টবেংগলে। আজি কলকাতাত স্থানীয় ক্লাব দুটাৰ মাজত আয়োজিক ফাইনেলখনত ইষ্টবেংগলে ৪-১ গ’লৰ ব্যৱধানত জয়লাভ কৰে। দলৰ জয়ত প্ৰধান ভূমিকা পালন কৰি হেট্ৰিক কৰে এডমুণ্ডে। সুদীৰ্ঘ ২২ বছৰৰ পাছত ইষ্টবেংগলে এই সন্মানীয় প্ৰতিযোগিতাৰ খিতাপ জয় কৰিলে। ইয়াৰ ফলত দলটোৱে মোহনবাগানৰ ১৭বাৰ খিতাপ জয়ৰ অভিলেখো স্পৰ্শ কৰে।

উল্লেখ্য যে গ্ৰুপ পৰ্বত মোহনবাগানে ইষ্টবেংগলক পৰাস্ত কৰিছিল। যদিও আজিৰ ফাইনেলত মোহনবাগানে সামান্য প্ৰতিদ্বন্দ্বিতাও আগবঢ়াব নোৱাৰিলে। এডমুণ্ডৰ হেট্ৰিকৰ সহায়ত খেলৰ প্ৰথমাৰ্ধতে ইষ্টবেংগলে ৪-১ৰ অগ্ৰগতি লৈ বিজয় নিশ্চিত কৰে। দ্বিতীয়াৰ্ধত কোনো গ’ল নহ’ল। ইষ্টবেংগলৰ হৈ আনটো গ’ল দিয়ে বিপিন সিঙে। মোহনবাগানৰ হৈ এটা গ’ল পৰিশোধ কৰে মনবীৰ সিঙে।



## বংশীধৰ কলিতা ফুটবল আৰম্ভ

**অগ্ৰদূত বাৰ্তা**
**বাইহাটা চাৰিআলি, ২৩ আগষ্ট ঃ** কামৰূপ জিলাৰ কমলপুৰ জনপ্ৰিয় ক্লাবৰ উদ্যোগত কমলপুৰ মিনি ষ্টেডিয়ামত আজিৰে পৰা আৰম্ভ হৈছে ২৯ সংখ্যক বংশীধৰ কলিতা সোঁৱৰণী চলন্ত ট্ৰফী তথা ধৰ্মেশ্বৰ ডেকা সোঁৱৰণী ৰাৰ্ণাছআপ ট্ৰফী প্ৰাইজমানি ফুটবল প্ৰতিযোগিতা। কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতাই পতাকা উত্তোলন কৰি ফুটবল প্ৰতিযোগিতাখন উদ্বোধন কৰে। প্ৰতিযোগিতাৰ উদ্বোধনী খেলখনৰ প্ৰাক্‌মুহূৰ্তত প্ৰয়াত বংশীধৰ কলিতা আৰু ধৰ্মেশ্বৰ ডেকাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰি ট্ৰফী দাতাদ্বয় বিধায়ক কলিতা আৰু যুৱ সমাজসেৱী উদ্দালক ডেকাই শ্ৰদ্ধা নিবেদন কৰে। আজিৰ উদ্বোধনী খেলখনত কমলপুৰ ষ্টাৰ ক্লাবে জাৰকোণা জংগল ক্লাবক ২-০ গ’লত পৰাভূত কৰে। অহা ২৫ আগষ্টত কামৰূপ এফচিৰ বিৰুদ্ধে প্ৰক্ষালন এফচি বাইহাটা চাৰিআলি অৱতীৰ্ণ হ’ব।

# ডিব্ৰুগড়ত প্ৰথম বাৰ্ষিক সমীৰণ বৰদলৈ স্মাৰক আন্তঃক্লাব সাঁতোৰ

**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ২৩ আগষ্ট ঃ** অসম সাঁতোৰ সন্থাৰ উদ্যোগত আৰু ডিব্ৰুগড় জিলা সাঁতোৰ সন্থাৰ সহযোগত অহা ২৯ আৰু ৩০ আগষ্টত ডিব্ৰুগড়ৰ খনিকৰস্থিত বহুমুখী ক্ৰীড়া প্ৰকল্পত অনুষ্ঠিত হ’ব প্ৰথম বাৰ্ষিক সমীৰণ বৰদলৈ স্মাৰক আন্তঃক্লাব সাঁতোৰ প্ৰতিযোগিতা। ‘যোৰহাট ছুইমিং ছ’চাইটি’ৰ প্ৰতিষ্ঠাপক তথা ২০০৫ত বোকাখাতত অনুষ্ঠিত অসম সাঁতোৰ সন্থাৰ অধিৱেশনত সভাপতিৰূপে নিৰ্বাচিত হোৱা প্ৰয়াত বৰদলৈয়ে অসমৰ সাঁতোৰ ক্ষেত্ৰখনৰ উন্নয়ন আৰু বিকাশৰ বাবে উল্লেখযোগ্য অৱদান আগবঢ়াই গৈছিল। ক্ৰীড়া ক্ষেত্ৰখনৰ উপৰি অসমীয়া সমাজ-জীৱনৰ এজন বিশিষ্ট সমাজ সংগঠক, ছাত্ৰ নেতা তথা সাহিত্য-সংস্কৃতিৰে ওতঃপ্ৰোতভাৱে জড়িত ব্যক্তি হিচাপেও বৰদলৈ পৰিচিত আছিল। তেওঁৰ স্মৃতি আৰু আদৰ্শক সজীৱ কৰি ৰখাৰ লগতে উত্তৰ-পূৰ্বাঞ্চলত সাঁতোৰ খেলৰ অধিক প্ৰসাৰ ঘটোৱা, নৱপ্ৰজন্মৰ সাঁতোৰবিদসকলক প্ৰতিযোগিতামূলক মঞ্চ প্ৰদান কৰা আৰু খেলুৱৈসকলৰ মাজত ক্ৰীড়াসুলভ মনোভাৱ, বন্ধুত্ব আৰু ভ্ৰাতৃত্ববোধ গঢ়ি তোলাই এই প্ৰতিযোগিতাৰ মূল উদ্দেশ্য বুলি আয়োজকসকলে জানিবলৈ দিয়ে। এই প্ৰতিযোগিতাত উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন সাঁতোৰ ক্লাবৰ খেলুৱৈসকলে অংশগ্ৰহণ কৰিব। বিভিন্ন বয়সৰ শাখাত অনুষ্ঠিত হ’বলগীয়া প্ৰতিযোগিতাত ফ্ৰীষ্টাইল, বেকষ্ট্ৰোক, ব্ৰেষ্টষ্ট্ৰোক, বাটাৰফ্লাই আৰু ইণ্ডিভিজুৱেল মেডলী আদি বিভিন্ন ইভেণ্ট অনুষ্ঠিত হ’ব। প্ৰতিযোগিতাখন সফলভাৱে অনুষ্ঠিত কৰাৰ বাবে অসম সাঁতোৰ সন্থা আৰু ডিব্ৰুগড় জিলা সাঁতোৰ সন্থাই ব্যাপক প্ৰস্তুতি চলাইছে। এক সংবাদমেলত প্ৰতিযোগিতাখনৰ সন্দৰ্ভত সবিশেষ সদৰী কৰে অসম সাঁতোৰ সন্থাৰ যুটীয়া সম্পাদক চন্দনজ্যোতি ফুকন আৰু ডিব্ৰুগড় জিলা সাঁতোৰ সন্থাৰ সভাপতি যদুনাথ গগৈ, উপ-সভাপতি নৱ কুমাৰ গগৈ, সাধাৰণ সম্পাদক পংকজ শইকীয়া আৰু দয়ানন্দ গগৈয়ে।

## জুনিয়ৰ ৰাষ্ট্ৰীয় সাঁতোৰ চেম্পিয়নশ্বিপ

# তীৰ্থাংক শ্ৰেষ্ঠ সাঁতোৰবিদ



**গুৱাহাটী, ২৩ আগষ্ট ঃ** অসমৰ প্ৰতিশ্ৰুতিসম্পন্ন সাঁতোৰবিদ তীৰ্থাংক পেগুৱে ভুৱনেশ্বৰত অনুষ্ঠিত ৫২সংখ্যক জুনিয়ৰ ৰাষ্ট্ৰীয় একুৱাটিক চেম্পিয়নশ্বিপত শ্ৰেষ্ঠ সাঁতোৰবিদৰ সন্মান লাভ কৰিছে। ৰাষ্ট্ৰীয় প্ৰতিযোগিতাখনত তীৰ্থাকই তিনিটা সোণ আৰু এটা ৰূপসহ মুঠ চাৰিটা পদক অৰ্জনেৰে ৰাজ্যবাসীলৈ গৌৰৱ কঢ়িয়াই আনে। শনিবাৰে অনুষ্ঠিত ল’ৰাৰ গ্ৰুপ এক (এ)ৰ ১০০ মিটাৰ বাটাৰফ্লাই ইভেণ্টত প্ৰতিদ্বন্দ্বিতা কৰি তীৰ্থাংকই ৫৪:৬২ ছেকেণ্ড সময় লৈ তৃতীয়টো স্বৰ্ণ পদক দখল কৰে। ইয়াৰ আগেয়ে ২১ আগষ্টত ২০০ মিটাৰ বাটাৰফ্লাইত দ্বিতীয়টো স্বৰ্ণ পদক লাভ কৰিছিল তীৰ্থাংকই। খেলুৱৈজনে প্ৰতিযোগিতাখনত পূৰ্বে ৪০০ মিটাৰ ব্যক্তিগত মেডলীত স্বৰ্ণ আৰু ৫০ মিটাৰ বাটাৰফ্লাইত ৰূপৰ পদক অৰ্জন কৰিছিল। আনহাতে, প্ৰতিযোগিতাৰ অন্তিম দিনটোত আজি অসম-কন্যা শুভ্ৰাংশিনী প্ৰিয়দৰ্শিনীয়ে এটা ৰূপৰ পদক অৰ্জন কৰে। ভুৱনেশ্বৰত সামৰণি পৰা প্ৰতিযোগিতাখনত শুভ্ৰাংশিনীয়ে ছোৱালীৰ গ্ৰুপ ৱান (এ)ৰ ৪০০ মিটাৰ ফ্ৰীষ্টাইলত সেই পদকটো জিকে। ইয়াকে লৈ শুভ্ৰাংশিনীয়ে শীৰ্ষ প্ৰতিযোগিতাখনত দুটা ৰূপ আৰু এটা ব্ৰঞ্জসহ মুঠ তিনিটা পদক দখল কৰিবলৈ সক্ষম হয়।

# বৰদলনিত যুৱ ছাত্ৰৰ প্ৰাইজমানি দৌৰ

**অগ্ৰদূত বাৰ্তা**
**ধেমাজি, ২৩ আগষ্ট ঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ বৰদলনি আঞ্চলিক সমিতি আৰু সন্ধান গ্ৰুপৰ উদ্যোগত প্ৰাইজমানি দৌৰ প্ৰতিযোগিতাখন আজি বৰদলনিৰ জয়ৰামপুৰ খেলপথাৰত অনুষ্ঠিত হয়। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ ধেমাজি জিলা সমিতিৰ উপদেষ্টা বিষ্ণু শৰ্মাই খেল মুকলি কৰে। উক্ত অনুষ্ঠানত পৰিষদৰ ধেমাজি জিলা সমিতিৰ প্ৰাক্তন সভাপতি নিৰঞ্জন দাস, বৰ্তমানৰ সাধাৰণ সম্পাদক ৰঞ্জন বৰা, ধেমাজি সদৰ আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদক অনুপ বড়া, গোগামুখ আঞ্চলিক সমিতিৰ সভাপতি পাপুল দাস, বৰদলনি আঞ্চলিক সমিতিৰ উপদেষ্টা ৰাজীৱ বৰ্মন, ভাৰপ্ৰাপ্ত সভাপতি মনজিৎ দত্ত, সন্ধান গ্ৰুপৰ সঞ্চালক বিতোপন দাস, চিচিবৰগাঁও মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক নৱ কুমাৰ শইকীয়া, জয়ৰামপুৰৰ সমাজকৰ্মী প্ৰভাত বৰ্মন, শিক্ষক বিপ্লৱ হাজং, বিমল বৰুৱা, জহেন্দ্ৰ হাজং, জয়ৰামপুৰ গাঁও পঞ্চায়তৰ সভাপতি ভীমৰাজ হাজং আদি উপস্থিত থাকে। প্ৰতিযোগিতাখন পৰিচালনা কৰে পৰিষদৰ ধেমাজি জিলা সমিতিৰ যুটীয়া সম্পাদক তিলক কাকতিয়ে। অনুষ্ঠানৰ আঁত ধৰে আগবঢ়ায় বৰদলনি আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদক তপন চুতীয়াই।




# দ্বিতীয় টেষ্টত দুৰ্দান্ত জয় অষ্ট্ৰেলিয়াৰ

## এটা ইনিংছতো এশ ৰাণ পাৰ নহ’ল বাংলাদেশৰ

**নিউজ ব্যুৰ’**
**মেকায়, ২৩ আগষ্ট ঃ** মাত্ৰ দুদিনতে বাংলাদেশক ইনিংছ ব্যৱধানত পৰাস্ত কৰি দুখনীয়া টেষ্টৰ শৃংখলাত সমতা স্থাপন কৰিলে অষ্ট্ৰেলিয়াই। দ্বিতীয় টেষ্টত ঘৰুৱা দলটোৱে এক ইনিংছ আৰু ৫১ ৰাণৰ ব্যৱধানত জয়লাভ কৰে। বাংলাদেশে প্ৰথম টেষ্টত অষ্ট্ৰেলিয়াক পৰাস্ত কৰি বৃহৎ অঘটন ঘটাইছিল। যদিও মিচেল ষ্টাৰ্কৰ বিধ্বংসী বলিঙৰ বাবে এইখন টেষ্টত ভ্ৰমণকাৰী দলটোৱে সেই চমক অব্যাহত ৰাখিব নোৱাৰিলে। বৰঞ্চ এটাও ইনিংছত এশ ৰাণৰ সীমা অতিক্ৰম কৰিব নোৱাৰি বাংলাদেশে শোচনীয় পৰাজয় বৰণ কৰিলে। অৱশ্যে প্ৰথমবাৰলৈ বাংলাদেশে অষ্ট্ৰেলিয়াৰ বিপক্ষে টেষ্ট শৃংখলা ড্ৰ কৰিলে।

প্ৰথমে বেটিং কৰি বাংলাদেশে কালি ৬৪ ৰাণতে প্ৰথম ইনিংছ সামৰিবলৈ বাধ্য হৈছিল। ষ্টাৰ্কে ছটা উইকেট দখল কৰে। প্ৰত্যুত্তৰত শ্বৰিফুল ইছলামৰ দুৰ্দান্ত বলিঙৰ বাবে ঘৰুৱা দলটোৱেও বৃহৎ স্ক’ৰ কৰিব নোৱাৰিলে। তথাপি ২১০ ৰাণ কৰি অষ্ট্ৰেলিয়াই ১৪৬ ৰাণৰ অগ্ৰগতি ল’বলৈ সক্ষম হয়। শ্বৰিফুলে সাতটা উইকেট দখল কৰে। অষ্ট্ৰেলিয়াৰ কেমেৰ’ন গ্ৰীণে ৬৭ ৰাণ কৰাৰ উপৰি নাথন লায়নে ৩২ ৰাণত অপৰাজিত হৈ ৰয়। ইফালে, আজি বাংলাদেশৰ দ্বিতীয় ইনিংছ ৯৫ ৰাণত সমাপ্ত হয়। অধিনায়ক নাজমুল হুছেইন শান্তই ৩১ আৰু মুছফিকুৰ ৰহিমে অপৰাজিতভাৱে ২৯ ৰাণ কৰাৰ বাহিৰে আন কোনো বেটাৰে দুটা অংকৰ ৰাণ কৰিব নোৱাৰিলে। দ্বিতীয় ইনিংছত ষ্টাৰ্কে চাৰিটা উইকেট দখল কৰে। তেওঁ মুঠ ১০টা উইকেট পায়।



# ঘগ্ৰাপাৰত ৰেজেক আলী ফুটবল আৰম্ভ



## উদ্বোধনী খেলত ৰঙিয়া টাউন ক্লাব বিজয়ী

**অগ্ৰদূত বাৰ্তা**
**ঘগ্ৰাপাৰ, ২৩ আগষ্ট ঃ** ঘগ্ৰাপাৰ আঞ্চলিক ক্ৰীড়া সন্থাৰ উদ্যোগত আজিৰে পৰা ঘগ্ৰাপাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আৰম্ভ হৈছে ৬০ সংখ্যক ৰেজেক আলী সোঁৱৰণী প্ৰাইজমানি চলন্ত ট্ৰফী ফুটবল প্ৰতিযোগিতা। উদ্বোধনী খেলত অংশগ্ৰহণ কৰি ৰঙিয়া টাউন ক্লাবে ঘগ্ৰাপাৰ আঞ্চলিক ক্ৰীড়া সংস্থাক ৩-১ গ’লত পৰাজিত কৰে। মেচ কমিচনাৰ দীপক কুমাৰ দাসৰ তত্ত্বাৱধানত খেলখন পৰিচালনা কৰে আব্দুল হান্নান, দেৱজিৎ কলিতা, সন্তোষ বড়ো আৰু খঞ্জয় বড়োৱে। ঘগ্ৰাপাৰ আঞ্চলিক ক্ৰীড়া সন্থাৰ সভাপতি তফিকুৰ ৰহমানে আঁত ধৰা উদ্বোধনী খেলখন উদ্বোধন কৰে বৃহত্তৰ নলবাৰী গণ সেৱা সংস্থাৰ সভাপতি নৱ কুমাৰ তালুকদাৰে। ৰেজেক আলী আৰু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰে অসম প্ৰবীণ ভলীবল খেলুৱৈ সন্থাৰ সভাপতি তথা ব্যৱসায়ী নৃপেন্দ্ৰ দাস, অসম ফুটবল সন্থাৰ সহকাৰী সম্পাদক অভিজিৎ কলিতা, জ্যেষ্ঠ সাংবাদিক ব্ৰজেন তালুকদাৰ, নলবাৰী কৃষক মৰ্চাৰ সভাপতি ভ্ৰমৰ মজুমদাৰ, পিএমশ্ৰী ঘগ্ৰাপাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি বীৰেন কলিতাই।

অহা ২৫ আগষ্টত আন এখন খেলত অংশগ্ৰহণ কৰিব ডিচিডি (ৰঙাপানী) আৰু গুৱাহাটীৰ নৱজ্যোতি ক্লাবে।

# তেজপুৰত জিলাভিত্তিক যোগাসন




**ষ্টাফ ৰিপ’ৰ্টাৰ**
**তেজপুৰ, ২৩ আগষ্ট ঃ** শোণিতপুৰ জিলাৰ সাতটা শাখাৰ শতাধিক যোগ ক্ৰীড়াৰ প্ৰতিযোগীৰ অংশগ্ৰহণেৰে আজি পুৱাৰে পৰা তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী কন্যা বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত হৈছে ১৫ সংখ্যক শোণিতপুৰ জিলাভিত্তিক যোগাসন প্ৰতিযোগিতা। শোণিতপুৰ জিলা যোগ সন্থাৰ উদ্যোগত আৰু অসমীয়া ক্লাবৰ লগতে শোণিতপুৰ জিলা শৰীৰচৰ্চা সন্থাৰ সহযোগত অনুষ্ঠিত এই প্ৰতিযোগিতাৰ আৰম্ভণিতে শোণিতপুৰ জিলা যোগ সন্থাৰ পতাকা উত্তোলন কৰে সভাপতি নীলকান্ত শৰ্মাই আৰু শোণিতপুৰ জিলা শৰীৰচৰ্চা সন্থাৰ পতাকা উত্তোলন কৰে সভাপতি তথা আন্তঃৰাষ্ট্ৰীয় ৰেফাৰী পংকজ কুমাৰ বৰাই। ইয়াৰ পাছতেই প্ৰতিযোগীসকলে বিদ্যালয়খনৰ খেলপথাৰত আকৰ্ষণীয় মাৰ্চপাষ্টৰে বিশিষ্ট অতিথিসকলক অভিবাদন জনায়। এই যোগাসন প্ৰতিযোগিতাৰ লগত সংগতি ৰাখি শোণিতপুৰ জিলা ক্ৰীড়া বিষয়া কাৰ্যালয়ৰ মাৰ্গদৰ্শনেৰে নিচামুক্ত ভাৰত গঢ়াৰ সজাগতাৰ ওপৰত এখন বাটৰ নাটো প্ৰদৰ্শন কৰা হয়। তেজপুৰৰ জনপ্ৰিয় নাট্যশিল্পী ৰাজীৱ শৰ্মা ৰচিত আৰু পৰিচালিত তথা মৌৰাজ কৌশিক, লুনা কলিতা আৰু লনিস্মিতা বৰা আৰু সহযোগীসকলে অভিনয় কৰা বাটৰ নাটখনে উপস্থিত সকলোকে আপ্লুত কৰি তোলে। ইয়াৰ পাছতে বিদ্যালয়খনৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত আকৰ্ষণীয় যোগাসন প্ৰতিযোগিতা বন্তি প্ৰজ্বলনেৰে মুকলি কৰে শোণিতপুৰ জিলা ক্ৰীড়া বিষয়া প্ৰাঞ্জল দিহিংগীয়াই। আঠ বছৰৰ তলৰ আৰু ৪৫ বছৰ ঊৰ্ধ্বৰ ল’ৰা-ছোৱালী আৰু পৰুিষ-মহিলাৰ ১৫টা বয়স গ্ৰুপৰ এই প্ৰতিযোগিতাত ট্ৰেডিচনেল, আৰ্টিষ্টিক ছিংগল, আৰ্টিষ্টিক পেয়াৰ, ফ্ৰী ফ্ল’ আৰু ৰিডমিক পেয়াৰ শাখাত শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। অসমীয়া ক্লাবৰ প্ৰাক্তন সভাপতি অৰুণা দেৱী, সম্পাদক ভূপেন শৰ্মা, যুটীয়া সম্পাদক নাৰায়ণ বৰঠাকুৰ, তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী কন্যা বিদ্যালয়ৰ অধ্যক্ষ ৰূপম কুমাৰ বৰা, শিক্ষয়িত্ৰী বৰ্ণালী শইকীয়া, প্ৰাক্তন পৌৰপতি পুষ্পা ডেকা, সমাজকৰ্মী ৰেখা বৰুৱা আদিৰ উপস্থিতিত ৰাষ্ট্ৰীয় ৰেফাৰী তথা শোণিতপুৰ জিলা যোগ সন্থাৰ সম্পাদক নমিতা ডেকা লহকৰ, ৰাষ্ট্ৰীয় ৰেফাৰী মানস হাজৰিকা, দীপক বৰুৱা, ৰেখা তামুলী, নৱজ্যোতি নাথ, দীপামণি বৰা, হিৰামণি কলিতা, নিকিতা কোচ, ৰাজ্যিক ৰেফাৰী চয়নিকা বৰা, ক্ষীৰদা ওজা, লক্ষ্যহীৰা দাস, জয়া দেৱী, ওংকাৰ জ্যোতি নাথ আৰু পংকজ প্ৰতিম বৰাৰ পৰিচালনাত সম্পন্ন হয় এই প্ৰতিযোগিতা।

# গুৱাহাটীত কাইলৈৰ পৰা আৰম্ভ ত্ৰয়োদশ উত্তৰ পূব মণ্ডল শ্বুটিং

**গুৱাহাটী, ২৩ আগষ্ট ঃ** অসমে আয়োজনৰ স্বত্ব লাভ কৰা ত্ৰয়োদশ উত্তৰ পূব মণ্ডল শ্বুটিং প্ৰতিযোগিতাখনৰ প্ৰস্তুতি সম্পূৰ্ণ কৰিছে উদ্যোক্তা অসম ৰাইফল আৰু শ্বুটিং সন্থাই। ভাৰতীয় ৰাষ্ট্ৰীয় ৰাইফল সন্থাৰ স্বীকৃত মাণ্ডলিক প্ৰতিযোগিতাখন অহা ২৫-৩০ আগষ্ট পৰ্যন্ত গুৱাহাটী কাহিলীপাৰাৰ চতুৰ্থ এপিবিএন কমপ্লেক্সত অৱস্থিত অসম ক্ৰীড়া প্ৰাধিকৰণৰ স্প’ৰ্টছ শ্বুটিং ৰেঞ্জত অনুষ্ঠিত হ’ব। এই কথা সদৰী কৰিছে অসম ৰাইফল আৰু শ্বুটিং সন্থাৰ সভাপতি আইপিএছ দিগন্ত বৰা আৰু সাধাৰণ সম্পাদক তথা আইএছএছএফ ‘বি’ বিচাৰক ভৱ কলিতাই। যোগদানকাৰী দলসমূহ হ’ল— উত্তৰ-পূৰ্বাঞ্চলৰ সাতখন ৰাজ্য অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, মণিপুৰ, মিজোৰাম, নগালেণ্ড, ত্ৰিপুৰাৰ লগতে অসম ৰাইফলছ মাৰ্কছমেনশ্বিপ ইউনিট আৰু আৰ্মী মাৰ্কছমেনশ্বিপ ইউনিট। প্ৰতিযোগিতাৰ ইভেণ্টসমূহ হ’ল ১০ মিটাৰ এয়াৰ পিষ্টল, ৰাইফল, ২৫ মিটাৰ স্প’ৰ্টছ পিষ্টল, ষ্টেণ্ডাৰ্ড পিষ্টল, চেণ্টাৰ ফায়াৰ পিষ্টল, ৫০ মিটাৰ থ্ৰী পজিছন পীপ চাইট ৰাইফল, ৫০ মিটাৰ প্ৰণ ৰাইফল, ফ্ৰী পিষ্টল আৰু ট্ৰেপ ইভেণ্ট। ল’ৰা-ছোৱালী, পুৰুষ-মহিলা শাখা আৰু মাষ্টাৰ্ছ শাখাৰ চেম্পিয়নশ্বিপখনত এই পৰ্যন্ত প্ৰায় ৩১২ গৰাকী খেলুৱৈয়ে যোগদান কৰিছে। ৱাইল্ড কাৰ্ড এণ্ট্ৰি লাভ কৰাসকলক সামৰি যোগদানকাৰীৰ সংখ্যা চাৰি শতাধিক হোৱাৰ সম্ভাৱনা আছে। প্ৰতিযোগিতাখনত অসমৰ ১৫৬ জনীয়া এটা দলে অংশগ্ৰহণ কৰিব।




# নগাঁৱত আন্তঃজিলা যোগাসন ক্ৰীড়াৰ প্ৰস্তুতি

**অগ্ৰদূত বাৰ্তা**
**বেবেজীয়া, ২৩ আগষ্ট ঃ** অসম অলিম্পিক সন্থাৰ স্বীকৃতিপ্ৰাপ্ত অসম যোগ সংস্থাৰ অধীনৰ নগাঁও জিলা যোগ সন্থাই অহা ২৮ আগষ্টৰ পৰা ৩০ আগষ্টলৈ ২৯ সংখ্যক আন্তঃজিলা যোগাসন ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত কৰিবৰ বাবে ব্যাপক প্ৰস্তুতি চলাইছে। এই উপলক্ষে ইতিমধ্যে মাই ভাৰত কেন্দ্ৰ, নগাঁৱত অৱস্থিত ৰাজ্যিক যোগ কেন্দ্ৰ, নিৰ্বাণত অসম যোগ সংস্থাৰ কোষাধ্যক্ষ তথা নগাঁও জিলা যোগ সন্থাৰ কাৰ্যকৰী সভানেত্ৰী মঞ্জুলা লস্কৰৰ সভাপতিত্বত অনুষ্ঠিত প্ৰস্তুতি সভাখনৰ আৰম্ভণিতে অসম যোগ সংস্থাৰ সাধাৰণ সম্পাদক, আন্তঃৰাষ্ট্ৰীয় যোগ ৰেফাৰী তথা যোগ গুৰু প্ৰভাত চন্দ্ৰ বৰাই আগন্তুক আন্তঃজিলা যোগাসন ক্ৰীড়া প্ৰতিযোগিতাখন সফলতাৰে সম্পন্ন কৰিবৰ বাবে ল’বলগীয়া যাৱতীয় বিভিন্ন দিশ সামৰি ভাষণ ৰাখে। সভাত অসম যোগ সংস্থাৰ যুটীয়া সম্পাদক সমীৰ হাজৰিকা, নগাঁও শিক্ষণ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা এছিয়ান যোগ ৰেফাৰী ড° টুলুমণি দেৱী, অসম যোগ সংস্থাৰ বিষয়ববীয়া নিজৰা বৰা, যোগ প্ৰশিক্ষক ধৰ্মেন্দ্ৰ সিং, ৰাষ্ট্ৰীয় যোগ ৰেফাৰী হিৰণ্য গোহাঁই, মিতালী দাস, সমাজকৰ্মী প্ৰভাত শইকীয়া, মুন শইকীয়া, দেৱানন্দ মহন্ত, বৰ্ণালী বৰা, পঞ্চী মুন বৰা আৰু পৰিস্মিতা শৰ্মা আদি উপস্থিত থাকে। এই প্ৰতিযোগিতা সফলতাৰে অনুষ্ঠিত কৰিবৰ বাবে ২০ আগষ্টৰ প্ৰস্তুতি সভাতে প্ৰবীণ যোগবিদ টানাজী সেন গুপ্তাক অধ্যক্ষ, এছিয়ান যোগ ৰেফাৰী মঞ্জুলা লস্কৰক সভাপতি, ক্ৰীড়া সংগঠক সমীৰ হাজৰিকাক কাৰ্যকৰী সভাপতি, যোগ গুৰু প্ৰভাত চন্দ্ৰ বৰাক সাংগঠনিক সম্পাদকৰূপে তথা জিলা সন্থাৰ আন কে’বাগৰাকীকো উপ-সমিতিসমূহৰ বিশেষ দায়িত্ব দি এখন আয়োজক সমিতি গঠন কৰা হয়।

CMYK

দৈনিক অগ্ৰদূত

Regn No. RNP/GH-085/2024-2026

গুৱাহাটী, ২৪ আগষ্ট, ২০২৬ সোমবাৰ পৃষ্ঠা ১৪



বিদ্যুতৰ খৰচ হ্ৰাস কৰিবলৈ বহুতে বৰফৰে ঘৰ-দুৱাৰ শীতল কৰে। অৰ্থাৎ শীত-তাপ নিয়ন্ত্ৰিত যন্ত্ৰ ব্যৱহাৰৰ পৰিৱৰ্তে তাপৰ দ্বাৰা বৰফ গলাই এই অঞ্চলসমূহৰ লোকে ঘৰ-দুৱাৰ শীতল কৰিবলৈ লৈছে। মানহটানৰ উক্ত অট্টালিকা শীতলকৰণ ব্যৱস্থাটোক বৰফৰ বেটাৰী বুলি কোৱা হয়। ইয়াৰ কাম-কাজ ম'বাইল ফোনৰ বেটাৰী সদৃশ। ম'বাইল ফোনৰ বেটাৰীয়ে যিদৰে বিদ্যুতৰ ৰূপত সংৰক্ষণ কৰি ৰাখে, তেনেদৰে এই অট্টালিকাৰ বৰফৰ বেটাৰীয়ে শীতল বায়ু সংৰক্ষণ কৰি ৰাখে।


# নিশা পানী ধৰি তৈয়াৰ কৰা বৰফে শীতল কৰি ৰাখে অট্টালিকা

## মানহটানৰ ১১ মেডিছন এভিনিউৱে দৃষ্টি আকৰ্ষণ কৰিছে বহুতৰে ঃ বিদ্যুৎ শক্তি অবিহনে ঠাণ্ডা বতাহ বোৱায়

**নিউজ ব্যুৰ'**
**মানহটান, ২৩ আগষ্ট ঃ** এটা অট্টালিকা য'ত গৰমৰ কালছোৱাত গোটেই নিশা পানী ধৰি যন্ত্ৰৰ জৰিয়তে সেই পানী বৰফলৈ ৰূপান্তৰিত কৰি পিছদিনাৰ দিনৰ সময়ছোৱা অট্টালিকা শীতল কৰি ৰখা হয়। এই কাৰ্য কৰা হৈছে আমেৰিকা যুক্তৰাষ্ট্ৰৰ মানহটানৰ এটা অট্টালিকাত। মানহটানৰ সুদৃশ্য ইলেভেন মেডিছন এভিনিউ নামৰ অট্টালিকাই বিগত কিছু বছৰ ধৰি এনেদৰে নিজক শীতল কৰি আহিছে। এই কৰ্মৰ বাবে অট্টালিকাটোত বিশেষ ধৰণে তৈয়াৰী এক যন্ত্ৰ স্থাপন কৰা হৈছে। এই যন্ত্ৰৰ জৰিয়তে নিশা পানী সংগ্ৰহ কৰি বৰফলৈ ৰূপান্তৰিত কৰা হয়। পুৱাৰ পৰা এই বৰফ গলিবলৈ আৰম্ভ কৰে। বৰফ গলি সৃষ্টি হোৱা শীতল পানীয়ে গোটেই দিন অট্টালিকাটো শীতল কৰি ৰাখে। এনেদৰে গৰমৰ দিনত অট্টালিকাটোৰ বাসিন্দাসকলে সকাহ পায়। উল্লেখ্য যে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰীয় শক্তি সাহায্য সঞ্চালকসকলৰ সংস্থাই ২০২৫ত সম্পন্ন কৰা এক অধ্যয়ন অনুসৰি প্ৰতি বছৰে গৰমৰ দিনত হঠাৎ জুনৰ পৰা ছেপ্টেম্বৰলৈ দেশখনৰ পৰিয়ালসমূহে গড় হিচাপত ৭৮৪ ডলাৰৰ বিদ্যুৎ বিল পৰিশোধ কৰি আহিছে। যোৱা বছৰ দেশখনত বিদ্যুৎ বিলৰ পৰিমাণ তাৰ পূৰ্বৰ ১২ বছৰৰ সৰ্বাধিক হয়। লক্ষ্যণীয়ভাৱে ইলেভেন মেডিছন এভিনিউত পানীক বৰফলৈ ৰূপান্তৰিত কৰি শীতল কৰাৰ যি ব্যৱস্থা আছে তাৰ ধাৰণা নতুন নহয়। অৱশ্যে ইয়াৰ পৰিসৰ আৰু জৰুৰী প্ৰয়োজনীয়তা নতুন। এই পদ্ধতিৰে হেজাৰ হেজাৰ বছৰ ধৰি মানুহে বাসস্থান শীতল কৰি আহিছে। মানুহে নিজেই বৰফ তৈয়াৰ কৰি খাদ্য, পানীয় তথা বাসস্থান শীতল কৰি আহিছে। আনকি ঊনবিংশ শতিকাত বিশ্বৰ বহু দেশত বৰফৰে শীতল কৰা ঘৰ-দুৱাৰ সহজে চকুত পৰা ধৰণৰ আছিল। পৰৱৰ্তী সময়ত বিদ্যুৎ শক্তি বহুল ব্যৱহাৰে বৰফৰে ঘৰ-দুৱাৰ আদি শীতল কৰা পদ্ধতিলৈ পৰিৱৰ্তন আহে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ দক্ষিণ-পশ্চিম অঞ্চল, টেক্সাছ, দক্ষিণ কেলিফ'ৰ্ণিয়া আদিতো এনেদৰে বৰফৰে ঘৰ-দুৱাৰ শীতল কৰা ব্যৱস্থা আছিল। বিদ্যুতৰ খৰচ হ্ৰাস কৰিবলৈ বহুতে বৰফৰে ঘৰ-দুৱাৰ শীতল কৰে। অৰ্থাৎ শীত-তাপ নিয়ন্ত্ৰিত যন্ত্ৰ ব্যৱহাৰৰ পৰিৱৰ্তে তাপৰ দ্বাৰা বৰফ গলাই এই অঞ্চলসমূহৰ লোকে ঘৰ-দুৱাৰ শীতল কৰিবলৈ লৈছে। মানহটানৰ উক্ত অট্টালিকা শীতলকৰণ



ব্যৱস্থাটোক বৰফৰ বেটাৰী বুলি কোৱা হয়। ইয়াৰ কাম-কাজ ম'বাইল ফোনৰ বেটাৰী সদৃশ। ম'বাইল ফোনৰ বেটাৰীয়ে যিদৰে বিদ্যুতৰ ৰূপত সংৰক্ষণ কৰি ৰাখে, তেনেদৰে এই অট্টালিকাৰ বৰফৰ বেটাৰীয়ে শীতল বায়ু সংৰক্ষণ কৰি ৰাখে। অট্টালিকাটোত ট্ৰেন টেকন'লজিছৰ কমাৰ্চিয়েল এইছভিএচি আমেৰিকাজে পানীৰ পৰা বৰফ প্ৰস্তুত কৰি অট্টালিকা শীতল কৰা যন্ত্ৰটো স্থাপন কৰিছে। এই সম্পৰ্কত উক্ত প্ৰতিষ্ঠানৰ সভাপতি হলি পেপাৰে কয়, 'যেতিয়া জুলাইৰ প্ৰচণ্ড গৰমৰ দিনত সকলোৱে অট্টালিকা বা বাসগৃহ শীতল কৰাৰ বাবে বিদ্যুৎ ব্যৱহাৰ কৰিবলৈ লয় তেতিয়া বৈদ্যুতিক গ্ৰীডৰ ওপৰত প্ৰচণ্ড চাপ পৰে। ইলেভেন মেডিছন এভিনিউৱে অট্টালিকা শীতলীকৰণৰ বাবে বিদ্যুৎ শক্তি ব্যৱহাৰ নকৰে। কাৰণ অট্টালিকাটোত পুৱতি নিশা বৰফ তৈয়াৰ কৰা হয়। এই বৰফৰ পৰা দিনৰ সময়ছোৱাত শীতল বায়ু ওলাই অট্টালিকাটো শীতল কৰি ৰাখে।' এই শীতলীকৰণ ব্যৱস্থা অধিক ৰূপত ব্যৱহাৰ কৰিবলৈও তেওঁ জনতাৰ প্ৰতি আহ্বান জনায়। বৰ্তমানলৈ এই প্ৰতিষ্ঠানে সমগ্ৰ বিশ্বৰ বিভিন্ন স্থানত এনে চাৰি হেজাৰ শীতলীকৰণ যন্ত্ৰ স্থাপন কৰিছে। তদুপৰি আগন্তুক সময়ত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৬০ লাখ বাণিজ্যিক অট্টালিকাত এনে যন্ত্ৰ স্থাপনৰ লক্ষ্য লৈছে প্ৰতিষ্ঠানটোৱে।



*ফুলে ফুলে পখিলাই ৰস সংগ্ৰহ কৰিছে, মহানগৰীৰ উপকণ্ঠত।*

# সাগৰপৃষ্ঠ পাঁচ মিটাৰ উচ্চতালৈ উত্থানৰ আশংকা আছিল ঃ প্ৰতিহত কৰিলে স্পেইনৰ সমান বৰফৰ তাকে

## কিদৰে পৃথিৱীক ৰক্ষা কৰিলে ৰ'ছ আইচ ছেল্ফে?


প্ৰতিবছৰে ই তিনিশৰ পৰা এহেজাৰ মিটাৰ বেগত গতি কৰি থাকে। ইয়াৰ কাৰণ হৈছে হিমবাহৰ পৰা বৰফ আহি ইয়াৰ স'তে পাছফালৰ পৰা সংযোজিত হয়। যেতিয়া এই বৰফৰ তাক অগ্ৰসৰ হয় তেতিয়া ই ৰ'ছ সাগৰৰ পৰা বিপুল পৰিমাণত আইচবাৰ্গ সাবটি লয়। এনে আইচবাৰ্গৰ অন্যতম হৈছে বি-১৫ আইচবাৰ্গ। ২০০০ৰ মাৰ্চত এই আইচবাৰ্গ ভাঙি পৰে। ফলত ৩৭ কিলোমিটাৰ দৈৰ্ঘ্যৰ আইচবাৰ্গৰ টুকুৰাৰ সৃষ্টি হয়।

**নিউজ ব্যুৰ'**
**লণ্ডন, ২৩ আগষ্ট ঃ** ৰ'ছ আইচ ছেল্ফ হৈছে বিশ্বৰে সৰ্ববৃহৎ বৰফৰ স্তৰ বা তাক। শেহতীয়াভাৱে এই ৰ'ছ আইচ ছেল্ফে সমগ্ৰ পৃথিৱীক এক প্ৰলয়ৰ পৰা ৰক্ষা কৰে। এনে বৰফৰ তাক গঠন হয় হিমবাহৰ বৰফৰে। মহাসাগৰত ওপঙি হিমবাহৰ বৰফে একোটা তাক গঠন কৰে। এইসমূহে সমগ্ৰ পৃথিৱীৰ সাগৰসমূহৰ পৃষ্ঠ নিয়ন্ত্ৰণত ৰখাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। বিজ্ঞানীসকলে সাগৰপৃষ্ঠৰ উত্থান পাঁচ মিটাৰ ঘটাৰ আশংকা কৰিছিল। সৌভাগ্যবশতঃ ৰ'ছ আইচ ছেল্ফে সাগৰপৃষ্ঠৰ এই অস্বাভাৱিক উত্থান প্ৰতিৰোধ কৰি পৃথিৱীখনক ৰক্ষা কৰে। কাৰণ এনে উচ্চতালৈ সাগৰপৃষ্ঠৰ উত্থান ঘটা হ'লে প্ৰায় সমগ্ৰ বিশ্ব প্ৰচণ্ড বানত বুৰ যোৱাৰ আশংকা আছিল। উল্লেখ্য যে ১৮৪১ৰ ২৮ জানুৱাৰীত ব্ৰিটিছ অন্বেষণকাৰী ছাৰ জেমছ ক্লাৰ্ক ৰ'ছে ৰ'ছ আইচ ছেল্ফ প্ৰথমে প্ৰত্যক্ষ কৰিছিল। দক্ষিণ চুম্বকীয় মেৰুৰ সন্ধান কৰি থকাৰ সময়ত তেওঁ এই প্ৰকাণ্ড বৰফৰ তাক প্ৰত্যক্ষ কৰে। প্ৰথম অৱস্থাত এই বৰফৰ তাকৰ নাম 'দ্য বেৰিয়াৰ' আছিল। পৰৱৰ্তী সময়ত ইয়াৰ নাম গ্ৰেট আইচ বেৰিয়াৰ বা ডাঙৰ বৰফৰ প্ৰতিবন্ধক ৰখা হৈছিল। এই বৰফৰ তাক স্পেইনৰ ভূখণ্ডৰ সমান। অৰ্থাৎ এই বৰফৰ তাকে পাঁচ লাখ ৮০৯ বৰ্গ কিলোমিটাৰ পৰিসৰ আগুৰি আছে। ইয়াৰ দৈৰ্ঘ্য দুয়োদিশে আঠশ কিলোমিটাৰ। এই বৰফৰ তাক এণ্টাৰ্ক'টিকাৰ ৰ'ছ সাগৰৰ দক্ষিণ প্ৰান্তত ওপঙি আছে। কে'বাশ মিটাৰ ডাঠ এই বৰফৰ তাকৰ সন্মুখ ছশ কিলোমিটাৰৰো অধিক দীঘল। পানীৰ পৃষ্ঠৰ ওপৰত ইয়াৰ উচ্চতা ১৫-৫০ মিটাৰ। অৱশ্যে পানীৰ তলতে ইয়াৰ অধিকাংশ আছে। গতিকে ইয়াৰ সঠিক উচ্চতা নিৰ্ণয় কৰাটো সম্ভৱ হোৱা নাই। লক্ষ্যণীয়ভাৱে আকাৰৰ দিশৰ পৰা প্ৰকাণ্ড হ'লেও এই বৰফৰ তাক স্থিৰ নহয়। প্ৰতিবছৰে ই তিনিশৰ পৰা এহেজাৰ মিটাৰ বেগত গতি কৰি থাকে। ইয়াৰ কাৰণ হৈছে হিমবাহৰ পৰা বৰফ আহি ইয়াৰ স'তে পাছফালৰ পৰা সংযোজিত হয়। যেতিয়া এই বৰফৰ তাক অগ্ৰসৰ হয় তেতিয়া ই ৰ'ছ সাগৰৰ পৰা বিপুল পৰিমাণত আইচবাৰ্গ সাবটি লয়। এনে আইচবাৰ্গৰ অন্যতম হৈছে বি-১৫ আইচবাৰ্গ। ২০০০ৰ মাৰ্চত এই আইচবাৰ্গ ভাঙি পৰে। ফলত ৩৭ কিলোমিটাৰ দৈৰ্ঘ্যৰ আইচবাৰ্গৰ টুকুৰাৰ সৃষ্টি হয়। বিজ্ঞানীসকলে ৰ'ছ আইচ ছেল্ফৰ সূক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে। কাৰণ সাগৰপৃষ্ঠ নিয়ন্ত্ৰণত ৰখাত এই বৰফৰ তাকৰ ভূমিকা অত্যন্ত গুৰুত্বপূৰ্ণ। বিজ্ঞানীসকলৰ মতে বৰফৰ এই বিশাল তাকে দক্ষিণ মেৰুৰ বৰফৰ পৃষ্ঠ সুস্থিৰ কৰি ৰখাত ভূমিকা পালন কৰি আছে। এই ভূমিকা এক প্ৰকাণ্ড প্ৰাকৃতিক ব্ৰেকৰ ৰূপত ই পালন কৰি আহিছে। ভৱিষ্যতেও এই বৰফৰ তাকে এনে ভূমিকা পালন কৰি যাব বুলি বিজ্ঞানীসকলে আশা প্ৰকাশ কৰিছে। অৱশ্যে বিশ্বৰে সৰ্ববৃহৎ এই বৰফৰ তাকো শেহতীয়াভাৱে গলন ঘটিবলৈ ধৰিছে। ইয়াকে লৈ উৎকণ্ঠিত হৈছে বিজ্ঞানীসকল। তৎসত্ত্বেও ইয়াৰ গলন দ্ৰুততৰ নহয় বুলি একাংশ বিজ্ঞানীয়ে প্ৰকাশ কৰিছে।



# পৃথিৱীৰ পৰা একে দূৰত্বত কেতিয়াও অৱস্থান নকৰে শনিৰ উপগ্ৰহ টাইটানে

বিজ্ঞানীসকলে মহাকাশৰ গ্ৰহ, নক্ষত্ৰ আদিৰ দূৰত্ব সংকেতৰ সহায়ত নিৰ্ধাৰণ কৰে। সেই অনুসৰি যেতিয়া টাইটান পৃথিৱীৰ একেবাৰে ওচৰত অৱস্থিত হয় তেতিয়া পোহৰৰ বেগত যাত্ৰা কৰা এটা সংকেতে এক দিশৰ যাত্ৰা সম্পূৰ্ণ কৰিবলৈ এঘণ্টা সময় লয়। ইয়াৰ বিপৰীতে যেতিয়া টাইটানে পৃথিৱীৰ সবাতোকৈ দূৰত্বত অৱস্থান কৰে তেতিয়া এনে এক সংকেতে এটা দিশৰ যাত্ৰা সম্পূৰ্ণ কৰিবলৈ ৯০ মিনিট সময় লয়। এনেদৰে পৃথিৱীৰ পৰা বিভিন্ন গ্ৰহ, নক্ষত্ৰৰ দূৰত্ব নিৰ্ধাৰণ কৰা হয়।



## ১২০ কোটিৰ পৰা ১৬৫ কোটি কিলোমিটাৰ পৰ্যন্ত হয় দূৰত্বৰ ব্যৱধান ঃ ২০২৮ৰ জুলাইত 'নাছা'ই প্ৰেৰণ কৰিব নিউক্লীয় শক্তি চালিত ড্ৰেগনফ্লাই

**নিউজ ব্যুৰ'**
**ফ্ল'ৰিডা, ২৩ আগষ্ট ঃ** শনিৰ অন্যতম উপগ্ৰহ টাইটানক লৈ প্ৰচুৰ অধ্যয়ন-গৱেষণা অব্যাহত আছে। এনে অধ্যয়নত পোহৰলৈ অহা অনুসৰি উপগ্ৰহটোৱে কেতিয়াও পৃথিৱীৰ পৰা সমদূৰত্বত অৱস্থান নকৰে। পৃথিৱীৰ পৰা ইয়াৰ দূৰত্বৰ ব্যৱধান ১২০ কোটি কিলোমিটাৰৰ পৰা ১৬৫ কোটি কিলোমিটাৰ পৰ্যন্ত হয়। অৱশ্যে এই কথা নিৰ্ভৰ কৰে পৃথিৱী আৰু শনি গ্ৰহৰ কক্ষপথত অৱস্থান অনুসৰি। পৃথিৱীৰ পৰা টাইটানৰ সৰ্বাধিক দূৰত্ব ১৬৫ কোটি কিলোমিটাৰ হয়। এই দূৰত্ব হৈছে পৃথিৱী আৰু সূৰ্যৰ মাজৰ দূৰত্বৰ তিনিগুণ। আনহাতে, টাইটানে শনি গ্ৰহক গড় হিচাপত এক কোটি ২০ লাখ কিলোমিটাৰ দূৰত্বৰ ব্যৱধানৰে প্ৰদক্ষিণ কৰে। বিজ্ঞানীসকলৰ মতে শনি গ্ৰহ পৃথিৱীৰ পৰা প্ৰায় ১৪০ কোটি কিলোমিটাৰ দূৰত্বত অৱস্থিত। অৰ্থাৎ পৃথিৱী সূৰ্যৰ পৰা যিমান দূৰত্বত আছে তাতকৈ ৯.৫ গুণ অধিক দূৰত্বত অৱস্থিত শনি গ্ৰহ। ফলত সূৰ্যক প্ৰদক্ষিণ কৰোতে শনিক পৃথিৱীৰ হিচাপত ২৯ বছৰ ছমাহৰ প্ৰয়োজন হয়। আনহাতে, যেতিয়া পৃথিৱী আৰু শনি সূৰ্যৰ একেটা দিশত অৱস্থান কৰে তেতিয়া গ্ৰহটোৰ স'তে পৃথিৱীৰ দূৰত্ব ১২০ কোটি কিলোমিটাৰলৈ হ্ৰাস পায়। এনে অৱস্থাতো পৃথিৱী আৰু সূৰ্যৰ দূৰত্বতকৈ শনি গ্ৰহলৈ পৃথিৱীৰ দূৰত্ব আঠগুণ অধিক হৈ থাকে। আনহাতে, যেতিয়া পৃথিৱী আৰু শনি গ্ৰহই সূৰ্যৰ বিপৰীত দিশত অৱস্থান কৰে তেতিয়া দুয়োটাৰ মাজৰ দূৰত্ব ১৬৫ কোটি কিলোমিটাৰলৈ বৃদ্ধি পায়। অৱশ্যে এই ক্ষেত্ৰত গ্ৰহ দুটাৰ আচৰণ অস্বাভাৱিক বুলি ধৰা নহয়।

বিজ্ঞানীসকলে মহাকাশৰ গ্ৰহ, নক্ষত্ৰ আদিৰ দূৰত্ব সংকেতৰ সহায়ত নিৰ্ধাৰণ কৰে। সেই অনুসৰি যেতিয়া টাইটান পৃথিৱীৰ একেবাৰে ওচৰত অৱস্থিত হয় তেতিয়া পোহৰৰ বেগত যাত্ৰা কৰা এটা সংকেতে এক দিশৰ যাত্ৰা সম্পূৰ্ণ কৰিবলৈ এঘণ্টা সময় লয়। ইয়াৰ বিপৰীতে যেতিয়া টাইটানে পৃথিৱীৰ সবাতোকৈ দূৰত্বত অৱস্থান কৰে তেতিয়া এনে এক সংকেতে এটা দিশৰ যাত্ৰা সম্পূৰ্ণ কৰিবলৈ ৯০ মিনিট সময় লয়। এনেদৰে পৃথিৱীৰ পৰা বিভিন্ন গ্ৰহ, নক্ষত্ৰৰ দূৰত্ব নিৰ্ধাৰণ কৰা হয়। অৱশ্যে সংকেতৰ জৰিয়তে নিৰ্ধাৰণ কৰা এনে দূৰত্ব সম্পূৰ্ণৰূপে নিখুঁত নহয়। ইয়াৰ উদাহৰণ হৈছে ১৯৯৭ৰ অক্টোবৰত উৎক্ষেপণ কৰা কেচিনি মহাকাশযানে ২০০৪ৰ মাজভাগলৈকে শনি গ্ৰহত উপস্থিত হোৱা নাছিল। অৰ্থাৎ প্ৰায় সাত বছৰৰ মূৰতহে যানখন লক্ষ্যস্থানত উপনীত হয়। আনহাতে, মাৰ্কিন মহাকাশ সংস্থা নাছাই ২০২৮ৰ জুলাইত এখন অত্যাধুনিক ৰবট যান টাইটানলৈ প্ৰেৰণৰ লক্ষ্য লৈছে। ড্ৰেগনফ্লাই নামৰ এই ৰবট যান নিউক্লীয় শক্তি চালিত। এই যানে ২০৩৪তহে টাইটানৰ বুকুত অৱতৰণ কৰিব বুলি আশা কৰা হৈছে। ইয়াৰ দ্বাৰা টাইটান সম্পৰ্কে অধিক অধ্যয়ন সম্ভৱ হ'ব বুলি নাছাৰ বিজ্ঞানীসকলে আশা কৰিছে।



পূৰ্বে দৃষ্টিগোচৰ নোহোৱা আকাশকেই কেমেৰাত বন্দী কৰি সকলোৰে আগত তুলি ধৰিলে মহাকাশচাৰী ডন পেটিটে। তেওঁৰ সৌজন্যতে সকলোৱে দেখা পালে কেনেদৰে অন্ধকাৰৰে আৱৰা আকাশত খেলি ফুৰিছে বেঙুনীয়া পোহৰে।

# নিশাৰ আকাশত বেঙুনীয়াৰ অপূৰ্ব খেলা


## মহাকাশ কেন্দ্ৰৰ পৰা নৱৰূপ দেখুৱালে মহাকাশচাৰীয়ে

**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২৩ আগষ্ট ঃ** সমগ্ৰ আকাশজুৰি দেখা গ'ল ৰঙৰ খেলা। ঠিক যেন নতুন ৰূপত 'নভোনীল'। বগা মেঘৰ ওপৰত বেঙুনীয়াৰ অপূৰ্ব সমাহাৰ। আকাশৰ এই ৰং আগতে দৃষ্টিগোচৰ হোৱা নাছিল। এইবাৰ সেই পূৰ্বে দৃষ্টিগোচৰ নোহোৱা আকাশকেই কেমেৰাবন্দী কৰি সকলোৰে আগত তুলি ধৰিলে মহাকাশচাৰী ডন পেটিটে। তেওঁৰ সৌজন্যতে সকলোৱে দেখা পালে কেনেদৰে অন্ধকাৰৰে আৱৰা আকাশত খেলি ফুৰিছে বেঙুনীয়া পোহৰে। তথ্য অনুসৰি, প্ৰায় ৫০ হেজাৰ ফুট উচ্চতাত এই পোহৰৰ খেলা ধৰা পৰিছে। এই উচ্চতাত বিমানো নুৰে। আন্তৰ্জাতিক মহাকাশ কেন্দ্ৰৰ পৰা মহাকাশচাৰী পেটিটে সংগ্ৰহ কৰা সেই ফটো ইতিমধ্যে সামাজিক মাধ্যমত ভাইৰেল হৈ পৰিছে। এই দৃশ্য দেখি বহুতেই তবধ মানিছে।

নিজৰ এক্স হেণ্ডলত আকাশৰ এই বিৰল দৃশ্য শ্বেয়াৰ কৰিছে পেটিটে। লগতে তেওঁ লিখিছে, 'মেঘৰ ভিতৰৰ পৰা উজ্জ্বল বেঙুনীয়া অপূৰ্ব পোহৰৰ খেলা ধৰা পৰিল।'

এয়া আচলতে ফ্লেশ্ব অৰ্থাৎ বায়ুমণ্ডলৰ সৰ্বোচ্চ অংশত মেঘৰ ঘৰ্ষণত যি পোহৰৰ ৰেখা অনবৰতে সৃষ্টি হয় আৰু মেঘৰ মাজত মিহলি হৈ পৰে, যি সাধাৰণতে চকুত নপৰে, সেয়াই ধৰা পৰিছে পেটিটৰ কেমেৰাত। এই প্ৰসংগত মহাকাশচাৰীজনে নিজৰ কেমেৰাৰ বৰ্ণনাও দিছে। তেওঁ স্পষ্টভাৱে জনাইছে যে মহাকাশৰ এনে বিৰল ৰূপ ধৰা পৰিছে তেওঁৰ সেই কেমেৰাৰ কৃতিত্বতে।

অৱশ্যে এয়াই প্ৰথম নহয়. বৰঞ্চ আন্তৰ্জাতিক মহাকাশ কেন্দ্ৰত থকাৰ সময়ত পেটিটে প্ৰায়েই মহাশূন্যক নিজৰ কেমেৰাত বন্দী কৰিবলৈ চেষ্টা কৰিছিল। তাতেই ধৰা পৰিছে অনেক পূৰ্বে নেদেখা দৃশ্য। দুদিনৰ পূৰ্বে তেওঁ পোহৰেৰে সজোৱা বেনাৰসৰ ফটো তুলিও এক্স হেণ্ডলত প'ষ্ট কৰিছিল।



# সুদীৰ্ঘ ১২ বছৰ কুকুৰনেছীয়া বাঘৰ জাকৰ লগতে ডাঙৰ হৈছিল

১৯৬৫ত মাৰ্কোছৰ ১৯ বছৰ বয়সত তেওঁৰ সন্ধান লাভ কৰে স্পেইনৰ এজন চিভিল গাৰ্ডে। তেতিয়ালৈ মাৰ্কোছে কথা ক'বলৈ পাহৰি গৈছিল, খোজকঢ়াৰ ভংগীও আছিল অদ্ভুত, সামাজিক আচৰণ সম্পৰ্কে কোনো ধাৰণাই নাছিল।

## ৮০ বছৰত প্ৰয়াত বাস্তৱৰ জীৱনৰ 'মোগলি'ৰ

**নিউজ ব্যুৰ'**
**মাদ্ৰিদ, ২৩ আগষ্ট ঃ** কল্প-কাহিনীও কেতিয়াবা বাস্তৱ হ'ব পাৰে। দুৰ্গম পাহাৰত পৰিত্যক্ত শিশুক আদৰ-যত্ন কৰি ডাঙৰ কৰিব পাৰে জংঘলৰ হিংস্ৰ কুকুৰনেছীয়া বাঘৰ দলেও। কল্পনাৰ জাল ছিঙি বাস্তৱৰ ৰূপকথাৰ নায়ক মাৰ্কোছ ৰড্ৰিগেজ পানটোজাৰৰ জীৱনৰ কাহিনীয়ে এসময়ত সমগ্ৰ বিশ্বতে আলোড়ন তুলিছিল। অৱশেষত ৮০ বছৰ বয়সত প্ৰয়াত হ'ল স্পেইনৰ সেই 'ৱ'ল্ফ মেন' বা 'কুকুৰনেছীয়া মানৱ'। ঠিক যেন প্ৰখ্যাত গ্ৰন্থ 'জাংগল বুক'ৰ মুখ্য চৰিত্ৰ মোগলি। স্পেইনৰ গেলিছিয়াৰ সৰু গাঁও ৰাণ্টেস্থিত নিজ গৃহত শেষ নিশ্বাস ত্যাগ কৰিলে মাৰ্কোছে।

১৯৪৬ত স্পেইনত গৃহযুদ্ধৰ পৰৱৰ্তী সময়ত মাৰ্কোছৰ মৃত্যু হয়। শৈশৱতে মাতৃৰ মৃত্যুৰ পাছত তেওঁ মাহীমাকৰ অত্যাচাৰৰ বলি হৈছিল। মাত্ৰ সাত বছৰ বয়সত মাৰ্কোছৰ পিতৃয়ে তেওঁক এজন বৃদ্ধ ভেড়াপালকৰ হাতত বিক্ৰী কৰি দিয়ে। সেই বৃদ্ধই তেওঁক লৈ যায় দুৰ্গম ছিয়েৰা মোৰেনাৰ পাহাৰীয়া জংঘললৈ। সেই বৃদ্ধৰ পৰাই তেওঁ জংঘলৰ আদিপাঠ লাভ কৰিছিল। শীতৰ প্ৰকোপৰ পৰা ৰক্ষা পাবলৈ কিদৰে পশুৰ ছাল ব্যৱহাৰ কৰিব লাগে, কিদৰে হাতত সামান্য লাঠি লৈ শহাপহু চিকাৰ কৰিব পাৰি আদি একাধিক বিষয় তেওঁ শিশু বয়সতে শিকিবলৈ সক্ষম হয়। যদিও অতি কম দিনৰ ভিতৰতে সেই ভেড়াপালকজনৰ মৃত্যু হয়। তাৰ পৰাই আৰম্ভ হৈছিল মাৰ্কোছৰ জীৱনৰ অবিশ্বাস্য অধ্যায়।

জীয়াই থকাৰ তাড়নাত মাৰ্কোছে কাহিনীৰ মোগলিৰ দৰেই এটা কুকুৰনেছীয়া বাঘৰ পৰিয়ালৰ বিশ্বাস অৰ্জন কৰিছিল। সেই পৰিয়ালৰ পোৱালিবোৰৰ স'তে গঢ়ি তুলিছিল বন্ধুত্ব। সেই পোৱালিবোৰৰ বাবে তেওঁ খাদ্য যোগান ধৰিছিল, বিপদ দেখিলে কুকুৰনেছীয়াৰ দৰে হুংকাৰ দিছিল। এক তথ্যচিত্ৰত ন-তত্ত্ববিদ গেব্ৰিয়েল জানেৰ মেনিলাৰ আগত মাৰ্কোছে কৈছিল, 'মই জংঘলত বহি কান্দিছিলো। সেই সময়তে কুকুৰনেছীয়াৰ পোৱালিবোৰে জাঁপ মাৰি আহি মোৰ কাষ পালেহি। তাৰ পাছত মোক সিহঁতৰ গুহাৰ পথটো দেখুৱালে।' ইয়াৰ পাছৰ পৰাই মাৰ্কোছ সেই কুকুৰনেছীয়া বাঘৰ পৰিয়ালটোৰ সদস্য হৈ পৰে। জংঘলত তেওঁ একেৰাহে ১২টা বছৰ মানুহৰ কোনো ধৰণৰ সংস্পৰ্শ অবিহনেই অতিবাহিত কৰে। মাৰ্কোছে কৈছিল, 'টকা কি বস্তু নাজানিছিলো; কিন্তু খাদ্যৰ অভাৱ কেতিয়াও হোৱা নাছিল। মাছ খাবলৈ ইচ্ছা হ'লে নদীত নামি ধৰিছিলো। হৰিণা খাবলৈ ইচ্ছা গ'লে মোৰ 'মা-দেউতা' কুকুৰনেছীয়াবোৰক মাতিছিলো।' জীয়াই থকাৰ বাবে মাৰ্কোছে পশু-পক্ষীবোৰক অনুসৰণ কৰিবলৈও আৰম্ভ কৰিছিল। কি ফল বা গছৰ শিপা খাব লাগে, সেয়া প্ৰাণীবোৰৰ পৰাই শিকিছিল।

১৯৬৫ত মাৰ্কোছৰ ১৯ বছৰ বয়সত তেওঁৰ সন্ধান লাভ কৰে স্পেইনৰ এজন চিভিল গাৰ্ডে। তেতিয়ালৈ মাৰ্কোছে কথা ক'বলৈ পাহৰি গৈছিল, খোজকঢ়াৰ ভংগীও আছিল অদ্ভুত, সামাজিক আচৰণ সম্পৰ্কে কোনো ধাৰণাই নাছিল। কুকুৰনেছীয়াৰ দৰেই তেওঁ চিৎকাৰ কৰিছিল আৰু কামুৰিবলৈ আহিছিল। এনে অৱস্থাত উদ্ধাৰ কৰাৰ পাছত তেওঁক এজন পাদ্ৰীৰ ওচৰলৈ লৈ যোৱা হয়। তেওঁক এটা গিৰ্জাত ৰখা হয়। মাৰ্কোছে জনাইছিল যে তেওঁ গাড়ীৰ শব্দ, জনসমাগম, আনকি বিছনাত শুবলৈ লওঁতেও আতংকিত হৈ পৰিছিল। অৱশ্যে মানৱ জীৱনৰ আচৰণসমূহ ঘূৰি অহাৰ পাছত তেওঁ স্পেইনৰ সেনাবাহিনীতো যোগ দিয়ে। পৰৱৰ্তী সময়ত এখন হোটেলৰ কৰ্মচাৰী হয়; কিন্তু সমাজৰ স'তে তেওঁ কেতিয়াও স্বাভাৱিক হ'ব নোৱাৰিলে। বহু বছৰৰ পাছত মাৰ্কোছ পুনৰ সেই জংঘললৈ ঘূৰি গৈছিল। যদিও তাত গৈ দেখে যে তেওঁৰ শৈশৱ অতিবাহিত হোৱা গুহাটোৰ কাষতে বাসস্থান, বৈদ্যুতিক গেট আদি নিৰ্মাণ হৈছে। তাতোকৈ বেদনাদায়ক বিষয়টো হ'ল, কুকুৰনেছীয়াৰ সমাজতো তেওঁৰ স্থান নহ'ল। শেষ দুটা বছৰ ধৰি মাৰ্কোছ অসুস্থ হৈ আছিল। গাঁওবাসীয়েই তেওঁৰ চোৱাচিতা কৰিছিল। অৱশেষত যোৱা সোমবাৰে তেওঁৰ মৃত্যু হয়।

মাৰ্কোছৰ বন্ধু আৰ্টুৰো আৰকোনেছে কয়, 'তেওঁ আছিল মাটি, বতাহ, বৰষুণৰে তৈয়াৰী মানুহ। তেওঁ সকলো সময়তে কৈছিল যে কুকুৰনেছীয়া বাঘবোৰৰ লগতেই তেওঁৰ জীৱনৰ সবাতোকৈ সুখৰ সময়খিনি অতিবাহিত হৈছে। মানুহৰ মাজত তেওঁ কেতিয়াও স্বস্তি নাপালে।' ৰাণ্টেৰ স্থানীয় প্ৰশাসনৰ তৰফৰ পৰা শোকবাৰ্তাত লিখিছে, 'মাৰ্কোছে ৰাণ্টেলৈ এনে এক কাহিনী লৈ আহিছিল, যি সমগ্ৰ বিশ্বকে অবাক কৰিছিল। তেওঁ গুচি গ'ল; কিন্তু ইয়াত ৰাখি গ'ল এনে এক কাহিনী, যিটো এতিয়া আমাৰো।' উল্লেখ্য যে মাৰ্কোছ ৰড্ৰিগেজ পানটোজাৰ জীৱনক কেন্দ্ৰ কৰি 'এমং ৱ'ল্ফছ' নামৰ এখন ছবিও নিৰ্মাণ হৈছিল।

**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ৯১০১২৩৮০০৩ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com

CMYK